# সতীৰ্থ
# Sateertha

গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থাৰ মুখপত্ৰ

১৮ তম্ সংখ্যা ঃ ২০১৬-১৭ বৰ্ষ



সম্পাদক

অলক কুমাৰ পাঠক

গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থাৰ বাৰ্ষিক মুখপত্ৰ

১৮ তম্ সংখ্যা, ২০১৬-১৭ বৰ্ষ


সম্পাদক

**অলক কুমাৰ পাঠক**



**গুৱাহাটী বিশ্ববিদ্যালয়**

গোপীনাথ বৰদলৈ নগৰ

গুৱাহাটী - ৭৮১০১৪

**গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থাৰ মুখপত্ৰ 'সতীৰ্থ'**
১৮ তম্ সংখ্যা, **২০১৬-১৭**
SATEERTHA, Vol. XVIII, Gauhati University
Officers' Association, 2016-17

## সম্পাদনা সমিতি

**সভাপতি**
অৰবিন্দ শৰ্মা

**সম্পাদক**
অলক কুমাৰ পাঠক

**সদস্যসকল**
ড° ৰণজিৎ সিং
ডাঃ নৰেন্দ্ৰ নাৰায়ণ তালুকদাৰ
ড° সঞ্জয় দত্ত
দিলীপ কুমাৰ শৰ্মা
লখিমী দেৱী

**আখৰ জোটনি**
চন্দ্ৰকান্ত দাস
হাচান আলী

**অলংকৰণ**
শংকৰ কুমাৰ

**প্ৰচ্ছদ**
ৰাম্না শৰ্মা

**ছপা**
গুৱাহাটী ইউনিভাৰ্ছিটি প্ৰেছ
গুৱাহাটী - ৭৮১ ০১৪
দূৰভাষঃ ০৩৬১-২৭০০৬৬৫



# শ্ৰদ্ধাঞ্জলি

বিগত বছৰত আমি বিশ্ববিদ্যালয়ৰ বিষয়া সন্থাৰ প্ৰাক্তন সদস্য বীৰেন্দ্ৰ কুমাৰ লহকৰ, আমাৰ বিশ্ববিদ্যালয়ৰ স্বনামধন্য অধ্যাপক জ্যোতিপ্ৰসাদ মেধিদেৱ, ৰাজ্যখনৰ বিশিষ্ট শিক্ষাবিদ দিলীপ বৰুৱাদেৱৰ লগতে ৰাজ্যখনৰ ভালেমান বিশিষ্ট্য ব্যক্তিক আমাৰ মাজৰ পৰা হেৰুৱাবলগীয়া হৈছে। ইয়াৰ লগতে বিশ্ববিদ্যালয়ৰ লগত জড়িত জ্ঞাত-অজ্ঞাত যিসকল ব্যক্তি স্বৰ্গলোকলৈ যাত্ৰা কৰিলে সেইসকলৰ পৱিত্ৰ স্মৃতিত, চিৰশান্তি কামনাৰে শ্ৰদ্ধা যচাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছোঁ।

।।মৃত্যোৰ্মা অমৃতং গময়ঃ।।

---

# শুভেচ্ছা জ্ঞাপন

*গুৱাহাটী বিশ্ববিদ্যালয়লৈ সুদীৰ্ঘ কাল নিষ্ঠাসহকাৰে সেৱা আগবঢ়াই বিগত বছৰত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা আমাৰে সতীৰ্থসকল হ'ল— শ্ৰী অঞ্জন কুমাৰ দাস, শ্ৰী কুমুদ নাৰায়ণ শৰ্মা, শ্ৰী অমিয় শৰ্মা, শ্ৰী পদ্মৰাম দাস, মহম্মদ নুৰ আলী আহমেদ, শ্ৰী পৱিত্ৰ হুজুৰী, শ্ৰী সুভাষ চৌধুৰী, শ্ৰী কামিনী কান্ত কলিতা, চিৰাজউদ্দিন আহমেদ, শ্ৰী বিশ্বনাথ দাস আৰু মহম্মদ নুৰ আহমেদকে ধৰি আন যিসকল সহকৰ্মী বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিলে তেখেতসকললৈ বিষয়া সন্থাৰ তৰফৰ পৰা বিদায় সম্ভাষণ আৰু শুভেচ্ছা জ্ঞাপনৰ লগতে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।*

**সম্পাদক, 'সতীৰ্থ'**

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Dr. Mridul Hazarika**
**Vice-Chancellor**
Phone : +91-361-2570412 (O); 2570408 (R)
Fax : +91-361-2675515
E-mail ID : hazarika50@gmail.com
vc_gu@yahoo.in



# MESSAGE

It gives me great pleasure to know that the Gauhati University Officers' Association has decided to publish the 18th issue of its Annual Journal entitled *"SATEERTHA"* shortly. I hope the distinguished writers of this Journal will contribute substantially in augmenting the image of the Gauhati University Officers' Association. The officers of the university contribute a significant component in the decision making process. Hence they are important for the University as partners of progress.

I am sure that the role of officers of the university with their dedication, sincerity and enthusiasm will enliven the working atmosphere.

I wish all success in their mission and hope the Journal will be well accepted by the readers.

Date : 22-05-2017

**(Mridul Hazarika)**

**Address :** Gopinath Bardoloi Nagar,
Jalukbari, Guwahati,
Assam 781014
**Phone :** 0361 257 0415
**Web :** www.gauhati.ac.in

গুৱাহাটী বিশ্ববিদ্যালয়
**GAUHATI UNIVERSITY**
Gopinath Bardoloi Nagar, Guwahati
Assam : India, PIN- 781014
Website : www.gauhati.ac.in

অধ্যাপক হৰি প্ৰসাদ শৰ্মা
ৰেক্টৰ
*Prof. Hari Prasad Sarma*
**Rector**

05.05.2017



# MESSAGE

Gauhati University Officers' Association deserves my heartiest appreciation for their sincere effort to continue the publication of *Sateertha,* the annual mouth piece of the Association. I am sure, the proposed 18$^{th}$ issue of the journal would contain write-ups exhibiting literary pursuits, thirst for relevant information and innovative ideas.

Gauhati University Officers' Association has a glorious history which must be peeped into and the young spirited officers should carry forward the legacy of it with dignity and honour. A judicial mixture of commitment and expertise can take us to greater heights and enable us to meet the challenges of time. I firmly believe, Gauhati University Officers are competent enough to bring about the change of things we require.

I thank the editorial staff of *Sateertha* in particular and the Gauhati University officers in general.

I also wish them all success in their noble initiatives to be undertaken in near future.

**(Hari Prasad Sarma)**

GAUHATI UNIVERSITY
Gopinath Bardoloi Nagar
Guwahati - 781 014
Assam :: India

Dr. Suresh Kr. Nath,
M.A., Ph.D., B.Ed.
*Registrar*

Ref. No.........................

Date :.........................



# MESSAGE

Every association needs to bear a sense of commitment and sincerity in discharging their responsibility and should act upon those areas which need to be addressed for social uplift.

The associations like Gauhati University Officers' Association (GUOA) have great social and corporate responsibility due to the fact that it has the required strength to make the things better. This glorious institution must deliver the goods in such a way that others around like to intimate. We take pride in the matter that many illustrious persons served in this temple of learning in their respective capacities either as officers or teachers.

I am sure the proposed publication will contain write-ups which will reflect quality in content.

I also wish them all success in their noble initiatives to be undertaken in near future.

17/5/17

**(S.K.Nath)**
*Registrar*
Gauhati University

☎:0361-2570415 (O), +918876038485 (M) :: Fax:0361-2700311/2675515 :: e-mail:registrar@gauhati.ac.in :: Web:www.gauhati.ac.in

# সম্পাদকীয়

প্ৰতিবেদনৰ প্ৰাকমূহূৰ্তত 'লুইতৰ পাৰ জিলিকাবলৈ' স্থাপন কৰা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ 'গুৱাহাটী বিশ্ববিদ্যালয়'ৰ ভেটি যিসকল মহান মনীষীৰ অশেষ চেষ্টা আৰু ত্যাগৰ বিনিময়ত গঢ় লৈ উঠিল সেইসকল ব্যক্তিক কৃতজ্ঞতাৰে স্মৰণ কৰিছোঁ। বিশ্ববিদ্যালয়ৰ বিষয়া সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে সন্থাৰ বছৰেকীয়া মুখপত্ৰ 'সতীৰ্থ'ৰ ১৮তম (অষ্টাদশ) সংখ্যাটো সম্পাদনাৰ দায়িত্ব মোৰ ওপৰত অৰ্পন কৰাৰ বাবে কাৰ্যনিৰ্বাহক সমিতিৰ সমূহ সদস্যলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা যাচিছোঁ।

বিশ্ববিদ্যালয় এখন এটা জাতিৰ জ্ঞানৰ সাধনা আৰু ব্যক্তিত্ব বিকাশৰ প্ৰাণকেন্দ্ৰ বুলি ভবা হয়। একোখন বিশ্ববিদ্যালয় মানৱজাতিৰ বৌদ্ধিক বিকাশৰ কমাৰশাল। এই কমাৰশালৰ পৰা ছাত্ৰ-ছাত্ৰীক জ্ঞানৰ ভাণ্ডাৰেৰে গঢ়ি-পিটি নতুন সাঁচ দি সমাজলৈ উলিয়াই দিয়া হয়। ছাত্ৰ-ছাত্ৰীসকলে বিশ্ববিদ্যালয়তে জীৱনৰ পথত কোনদিশে আগবাঢ়িব লাগে তাৰ সঠিক পথ বিচাৰি পায়। বৰ্তমান পৃথিৱীত যিমানবোৰ নতুন নতুন বৈজ্ঞানিকৰ সৃষ্টি হৈছে তাৰ সকলোৰে মূল হ'ল বিশ্ববিদ্যালয়। যুগে যুগে বিশ্ববিদ্যালয়সমূহে সমাজ জীৱনত এটা মহৎ আদৰ্শ দাঙি ধৰি আহিছে। বিশ্ববিদ্যালয়ৰ প্ৰধান উদ্দেশ্য হ'ল শিক্ষা আৰু সংস্কৃতিৰ সমাহাৰ ঘটাই সমাজত এটা সাধনাস্থল স্থাপন কৰা। যিবিলাক দেশত এই শিক্ষা আৰু সংস্কৃতিৰ কেন্দ্ৰস্থল নাই, সেই দেশৰ মানুহে নিজৰ জাতীয় সভ্যতাৰ উপলব্ধি আৰু গৌৰৱ অনুভৱ কৰিব নোৱাৰে লগতে এনে উপলব্ধি আনৰ মাজতো বিলাব নোৱাৰে। পৃথিৱীৰ বিশ্ববিদ্যালয়সমূহৰ ইতিহাস অধ্যয়ন কৰিলে দেখিবলৈ পোৱা যায় যে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সংস্কৃতিৰ বিনিময় আৰু জ্ঞান প্ৰদান কৰাৰ বাবেই এনে বিশ্ববিদ্যালয়সমূহ সকলো দেশত স্থাপন কৰা হৈছে।

অসমত জ্ঞান আহৰণ, ভাষা, সংস্কৃতি আৰু সাহিত্য চৰ্চা কৰিবলৈ বিশ্ববিদ্যালয়ৰ প্ৰয়োজনৰ হকে ১৯১৭ চনত পোন প্ৰথম চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰা হয়। এই প্ৰসঙ্গত প্ৰকৃত আন্দোলন আৰম্ভ হয় ১৯২৮ চনৰ পৰা আৰু ১৯৩২ চনৰ পৰা এই আন্দোলনে তীব্ৰৰূপ ধাৰণ কৰে।

সেই সময়ত কলিকতাত বাস কৰা অসমীয়া ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণে অসমৰ স্বাৰ্থ ৰক্ষাৰ্থে বহুতো জনহিতকৰ কাম কৰিবলৈ লৈছিল। কলিকতাস্থিত এ. এছ. এল (ASL) ক্লাবৰ বিশেষ অধিৱেশনত অসমত এখন স্বতন্ত্ৰ তথা নিজাববীয়া বিশ্ববিদ্যালয় স্থাপন হ'ব লাগে বুলি এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু তাক কাৰ্যকৰী কৰিবলৈ অসম ছাত্ৰ সন্মিলনক অনুৰোধ কৰা হয়।

সেই সময়তে কলিকতাত এছামিজ ষ্টুডেণ্টচ্ ওৱেল ফেয়াৰ লীগ (Assamese Student's Welfare League) ৰ জন্ম হয়। কলিকতাত অধ্যয়ন কৰি থকা সকলো অসমীয়া ছাত্ৰ-ছাত্ৰী, তথা ভদ্ৰলোকে, এই ওৱেল-ফেয়াৰ লীগৰ পৃষ্ঠপোষকতা কৰিছিল আৰু ইয়াৰ সদস্য আছিল। এই ওৱেল-ফেয়াৰ লীগকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ গুৰি ধৰোতা বুলি ক'ব পাৰি। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ আগলৈ অসমত স্নাতকোত্তৰ বিষয়ৰ শিক্ষা প্ৰদানৰ কোনো ব্যৱস্থা নাছিল।

১৯৪৯-৫০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত আঠটা বিষয়ত স্নাতকোত্তৰ বিভাগ আৰম্ভ কৰা হয়, উক্ত বিভাগসমূহ হ'ল অৰ্থনীতি, বুৰঞ্জী, গণিত, দৰ্শন, অসমীয়া, উদ্ভিদ বিজ্ঞান, বাণিজ্য আৰু পৰিসংখ্যা বিজ্ঞান। সেই সময়ত মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল মাত্ৰ ২০২ জন। ১৯৫৬-৫৭ চনত আৰু নতুনকৈ শিক্ষা, ৰাসায়ন বিজ্ঞান, পদাৰ্থবিজ্ঞান, ভূ-বিদ্যা, ইংৰাজী, কৃষি উদ্ভিদ বিজ্ঞান, নৃতত্ব আদি যোগ দিয়া হয়। ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যা হয়গৈ ৫৩৭জন। ক্ৰমান্বয়ে স্নাতকোত্তৰ শিক্ষা বিভাগ আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িবলৈ ধৰে। বিভাগ আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ লগে লগে

শিক্ষক, কৰ্মচাৰী, বিষয়া আৰু ছাত্ৰাবাস/ছাত্ৰীনিবাসৰ সংখ্যাও বৃদ্ধি পাবলৈ ধৰিলে।

বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ে ৪১টা বিভাগত স্নাতকোত্তৰ শিক্ষা প্ৰদান কৰি আছে। ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যা ৫৫০০জন। প্ৰায় ৭০০ জন গৱেষকে বিভিন্ন বিভাগত গৱেষণা কৰি আছে।

অসমত বৰ্তমান ১৬খন চৰকাৰী (ৰাজ্যিক আৰু কেন্দ্ৰীয়) বিশ্ববিদ্যালয় স্থাপন হৈছে। তদুপৰি চাৰিখন ব্যক্তিগত (Private) খণ্ডৰ বিশ্ববিদ্যালয়ে বিভিন্ন বিষয়ত স্নাতকোত্তৰ শিক্ষা প্ৰদান কৰি আছে। ৰাজ্যত বছৰে বছৰে নতুন নতুন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান স্থাপন হৈ আছে আৰু ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষা গ্ৰহণ কৰি আছে।

পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ বিশ্ববিদ্যালয়সমূহৰ কৰ্মৰাজি অনুধাৱন কৰিলে দেখা যায় যে বিশ্ববিদ্যালয়সমূহৰ ভূমিকা হ'ল নেতৃত্ব প্ৰদান কৰা। কাৰণ বিশ্ববিদ্যালয় সমূহতে সমবেত হয় মেধাৱী ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু গৱেষকসকল। সাম্প্ৰতিক সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কৰ্মসংস্থানৰ দিশত এক প্ৰত্যাহ্বান আহি পৰিছে। এনে সমস্যাই ছাত্ৰী-ছাত্ৰীসকলৰ মনত জটিল চিন্তাৰ সৃষ্টি কৰিছে। ভাৰতবৰ্ষৰ জনসাধাৰণক জৰ্জৰিত কৰা প্ৰধান সমস্যাসমূহৰ অন্যতম হৈছে নিবনুৱা সমস্যা। আজি অধিকাংশ যুৱক-যুৱতীয়েই সফলতাৰে বিশ্ববিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰাৰ পিছত এনেধৰণৰ সমস্যাৰ সন্মুখীন হয়। অসমৰ অৱস্থাটো আজি অতি ভয়াৱহ হৈ পৰিছে। বৰ্তমান অসমত প্ৰায় সাতাইশ লাখ শিক্ষিত নিবনুৱাই কৰ্মসংস্থান বিচাৰি হাবাথুৰি খাই আছে। এইক্ষেত্ৰত ৰাজ্যৰ বুদ্ধিজীৱি আৰু চৰকাৰৰ কৰণীয় অসীম। বুদ্ধিজীৱিসকলে চৰকাৰক গঠনমূলক পৰামৰ্শ আগবঢ়াব লাগিব। কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্যচৰকাৰে ৰাজ্যখনত উদ্যোগ স্থাপনত অগ্ৰাধিকাৰ প্ৰদান কৰিব লাগিব। উদ্যোগ স্থাপনৰ কাৰণে বিদেশী বিনিয়োগকাৰীক আমন্ত্ৰণ কৰিব লাগিব। যিহেতু আটাইখিনি শিক্ষিত নিবনুৱাক চৰকাৰী চাকৰি প্ৰদান কৰাতো অসম্ভৱ সেয়েহে ৰাজ্যত নতুন নতুন উদ্যোগ স্থাপন কৰি তেওঁলোকক কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰি দিয়াটো অতি জৰুৰী। তদুপৰি প্ৰাকৃতিক সম্পদত অসম চহকী ৰাজ্য। বিশ্ববিদ্যালয়সমূহে বৃত্তিমুখী শিক্ষা প্ৰদান কৰি অসমৰ প্ৰাকৃতিক সম্পদসমূহৰ সৎ ব্যৱহাৰ কৰাতো অতি দৰকাৰ।

অসমৰ সৰ্বাধিক উন্নয়নৰ বাবে সকলো শ্ৰেণী আৰু ধৰ্মৰ মানুহৰ মাজত সু-সমন্বয় ৰখা অতিকৈ প্ৰয়োজনীয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ মজিয়াতে এই স্নেহ, ঐক্য আৰু ভাতৃত্বৰ বীজ অংকুৰিত হ'ব লাগিব। অসমীয়া জাতিৰ ঐক্য, সংহতি বিনষ্ট কৰিব খোজা প্ৰতিক্ৰিয়াশীল কাৰ্যকলাপৰ বিৰুদ্ধে আটায়ে মাৰ বান্ধি থিয় হ'ব লাগিব। কুচক্ৰান্তকাৰীসকলৰ অপচেষ্টা ব্যাহত কৰিব নোৱাৰিলে অসমীয়া জাতি হৈ পৰিব দুৰ্বল, সম্প্ৰীতিৰ এনাজৰী ডাল হৈ পৰিব বিছিন্ন।

সতীৰ্থ প্ৰকাশৰ অন্তৰ্নিৰ্হিত অৰ্থই হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিষয়াসকলৰ ভিন্ন দিশৰ প্ৰতিভাৰ এক সন্নিবিষ্ট সংকলন। বিশ্ববিদ্যালয়ৰ বিষয়া সন্থাৰ মাজত লেখা-মেলা কৰা বিষয়াৰ সংখ্যা তেনেই সীমিত। তথাপিও মোৰ অনুৰোধ ৰক্ষা কৰি যিসকলে বিভিন্ন লিখনিৰে মোক সহায় কৰিলে, তেখেতসকলৰ ওচৰত মই কৃতজ্ঞ। তদুপৰি অৱসৰপ্ৰাপ্ত বিষয়া আৰু বিশ্ববিদ্যালয়ৰ যিসকল অধ্যাপকে এই সংখ্যাটিত লিখনি আগবঢ়ালে তেখেতসকলক সম্পাদকীয় সমিতিৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰিলোঁ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছপাশালৰ কৰ্মী আৰু বিষয়াই অতি কম সময়ৰ ভিতৰত আলোচনীখন ছপাই দিয়াৰ কাৰণে তেখেতসকলৰ শলাগ যাঁচিছো। লগতে আমাৰ অনুৰোধ ৰক্ষা কৰি বেটুপাতটো অংকন কৰি দিয়াৰ বাবে ৰাস্না শৰ্মা আৰু তেখেতসকলে তোলা আলোকচিত্ৰসমূহ ব্যৱহাৰ কৰিব দিয়াৰ বাবে ড° সঞ্জয় দত্ত আৰু ড° প্ৰশান্ত ভট্টাচাৰ্যক ধন্যবাদ জনালো। সম্পাদনা সমিতিৰ সদস্যসকলে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে আটাইকে শলাগ যাচি অজানিতে বৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে পঢ়ুৱৈসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি সম্পাদকীয়ৰ কলম সামৰিলো।

২৬ মে', ২০১৭

**অলক কুমাৰ পাঠক**
সম্পাদক, সতীৰ্থ

# সূচীপত্ৰ


| | | |
|---|---|---|
| **উপাচাৰ্য মহোদয়ৰ সৈতে সাক্ষাৎকাৰ** | | ১১ |
| **কবিতা** | | |
| ৰংপুৰ | এম. কামালুদ্দিন আহমেদ | ১৪ |
| সতীৰ্থৰ মিঠা আলিঙ্গনৰ স্বপ্ন | গিৰীশ চন্দ্ৰ আৰ্য্যবৈশ্য | ১৪ |
| আত্মপৰিচয় | নীলাম্বৰ কলিতা | ১৫ |
| ৰূপান্তৰিত অনভূতিবোৰ | দীপেন বৰুৱা | ১৫ |
| সম্পাদকৰ কবিতা | ড° ৰণজিৎ সিং | ১৬ |
| **প্ৰবন্ধ** | | |
| এখন সভাৰ বিষয়ে সামান্য | ড° অৱনী কুমাৰ ভাগৱতী | ১৭ |
| আধ্যাত্মিক আনন্দ আৰু আধুনিক জীৱন | ড° তৰণী ডেকা | ২০ |
| গুৱাহাটী বিশ্ববিদ্যালয় ঃ স্বপ্নৰ ভটিয়নী | ড° জগদীশ শৰ্মা | ২৩ |
| স্যমন্ত হৰণ | নৰেন্দ্ৰ নাথ দত্ত | ২৬ |
| গুৱাহাটী বিশ্ববিদ্যালয়ৰ হেৰোৱা দিনবোৰ | বনমালী নাথ | ৩০ |
| বিষয়া সন্থাৰ সোণালী জয়ন্তীৰ সোণোৱালী স্মৃতি | তৰুন চন্দ্ৰ শইকীয়া | ৩৫ |
| ‘নৱ-প্ৰজন্মৰ সপোনৰ বিশ্ববিদ্যালয়’ৰ পটভূমিত গুৱাহাটী বিশ্ববিদ্যালয় | অৰবিন্দ শৰ্মা | ৩৭ |
| কুৰুক্ষেত্ৰত অসম সাহিত্য সভা | ড° ৰমনী বৰ্মন | ৪২ |
| জীৱনৰ বাটত যি বুটলিলো | পল্লৱ কুমাৰ চৌধুৰী | ৪৪ |
| গঠন মুলক চিন্তা আৰু সংগঠন | ভূপেন্দ্ৰ নাৰায়ণ শৰ্মা | ৪৭ |
| মই গুৱাহাটীখন ভাল পাওঁ | অন্নপূৰ্ণা দেৱী | ৪৯ |
| সাম্প্ৰতিক কালৰ ৰাজনীতি আৰু ইয়াৰ প্ৰভাৱ | চৰিফউদ্দিন আহমেদ | ৫১ |
| প্ৰাথমিক শিক্ষা ব্যৱস্থাত দেশপ্ৰেমমূলক বিষয়ৰ সংযোজনৰ প্ৰয়োজনীয়তা | মৃণালজ্যোতি ডেকা | ৫৩ |
| **গল্প** | | |
| চাংপো আহিছিল লোহিত হৈ | দিলীপ শৰ্মা | ৫৫ |
| **ৰম্য ৰচনা** | | |
| অসমীয়াই কি ফুল চুৰ কৰিব নাপায় | ড° উপেন ৰাভা হাকাচাম | ৫৯ |
| **ভ্ৰমণ** | | |
| ৰঙৰ মায়াজালে আবৰা গ্ৰেণ্ডকেনিয়নৰ শৈলভূমি | ড° বীনা লহকৰ | ৬৯ |
| বিদেশত বিভ্ৰাট | সঞ্জয় দত্ত | ৭৭ |
| আন্দামান দ্বীপত এভুমুকি | ৰাজেশ্বৰ গোস্বামী | ৮২ |

**English Section**


| | | |
|---|---|---|
| An Overview of Disaster Mitigation with special reference to the Earth quakes in India | Dr. Bhabani Kr. Borah | ৮৪ |
| Education and Empowerment of Women | Dr. Narendra Narayan Talukdar | ৮৮ |
| Development of University Education and Libraries in India | Alok Kumar Pathak | ৯০ |
| Electrical Safety | Dipak Das | ৯৪ |
| "Consortia of KKH Library with Inflibnet" | Sarat Chandra Bhuyan | ৯৮ |
| Reading the Past: Considering Prof. Krishna Kanta Handiqui's Study of Œriharca's *Naicadhacarita*, Somadeva's *Yaœastilaka* and Pravarasena's *Setubandha* | Bedika Bhattacharjee | ১০৩ |
| The untold story of "NIGONIVSKAI" -the lucky little fellow | Dr. Sankar Moni Borah | ১১০ |
| গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থাৰ ৫৩ তম্ বাৰ্ষিক সাধাৰণ সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | | ১১২ |
| খেল সম্পাদকৰ প্ৰতিবেদন | | ১১৬ |
| গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকসকল | | ১১৮ |
| 'সতীৰ্থ'ৰ প্ৰথম সংখ্যাৰ পৰা সম্পাদক /সম্পাদিকাসকল | | ১১৯ |

## সা□ ।ৎকাৰ

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ সৈতে এটি সাক্ষাৎকাৰ

**সাক্ষাৎকাৰ গ্ৰহণ ঃ সম্পাদক, সতীৰ্থ**



গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে যোৱা তিনি বছৰে আপুনি আগবঢ়োৱা কৃতিত্বপূৰ্ণ সেৱাৰ বাবে বিষয়া সন্থাৰ তৰফৰ পৰা আপোনাক আন্তৰিক অভিনন্দন জনাইছোঁ। আপোনাৰ গতিশীল নেতৃত্বৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানগত ফ্ৰেমৱৰ্কৰ অধীনস্থ শিক্ষানুস্থানসমূহৰ ১০০ খনৰ ভিতৰত ৪৪.৪২ স্কৰেৰে ৪৩ নং স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

ধন্যবাদ। এইটো সম্ভৱ হৈছে সকলোৰে সামূহিক প্ৰচেষ্টাৰ ফলত। এইয়া আৰম্ভণিহে। আমাৰ যাত্ৰা বহু দীঘল। আমি সকলোৰে দীৰ্ঘ যাত্ৰাৰ বাবে প্ৰস্তুত হ'ব লাগিব। বিশ্ববিদ্যালয়ৰ মান আৰু উন্নত কৰাৰ বাবে প্ৰচেষ্টা চলাব লাগিব।

**প্ৰশ্ন ঃ** আপুনি অধ্যয়ন কৰা গুৱাহাটী বিশ্ববিদ্যালয়ত যেতিয়া মাননীয় ৰাজ্যপাল মহোদয়ে আপোনাক উপাচাৰ্য হিচাপ নিযুক্তি দিয়ে তেতিয়া আপোনাৰ মনত কেনে প্ৰতিক্ৰিয়া হৈছিল ?

**উত্তৰ ঃ** ভাল লাগিছিল, কাৰণ গুৱাহাটী বিশ্ববিদ্যালয় উত্তৰ-পূব ভাৰতৰ এখন অতি পুৰণি আৰু আগশাৰীৰ শিক্ষানুষ্ঠান। এনে অনুষ্ঠানৰ নেতৃত্ব দিবলৈ সুযোগ পোৱাটো ডাঙৰ প্ৰত্যাহ্বান।

**প্ৰশ্ন ঃ** উপাচাৰ্য হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি আপুনি বিশ্ববিদ্যালয়ৰ উন্নতি সাধন কৰাৰ কাৰণে কি কি পৰিকল্পনা হাতত লৈছিল ?

**উত্তৰ ঃ** মই সামগ্ৰিক উন্নয়নত বিশ্বাস কৰোঁ। আন্তঃগাঠনি উন্নয়নৰ লগতে বিদ্যায়তনিক দিশতো যাতে বিশ্ববিদ্যালয়খনে সামগ্ৰিকভাৱে আন আগশাৰীৰ বিশ্ববিদ্যালয়ৰ লগত ফেৰ মাৰিব পাৰে তেনেধৰণে বিশ্ববিদ্যালয়ক সাজু কৰাৰ পৰিকল্পনা মোৰ আছিল।

**প্ৰশ্ন ঃ** সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষা, যেনে ভাৰতীয় প্ৰশাসনীয় সেৱা, ভাৰতীয় আৰক্ষী সেৱা, ভাৰতীয় বৈদেশীক সেৱা, ভাৰতীয় বনসেৱা ইত্যাদিত গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ কৃতকাৰ্যতাৰ হাৰ দেশৰ অন্যান্য আগশাৰীৰ বিশ্ববিদ্যালয়ৰ তুলনাত অতি নগণ্য। এই ক্ষেত্ৰত আপোনাৰ মতামত কি ?

**উত্তৰ ঃ** সেইটো সত্য। সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাৰ বাবে আমি পদক্ষেপ গ্ৰহণ কৰিছোঁ। Pre Examination Training Centreৰ সহায়ত আমি UPSC Coaching Programme আৰম্ভ কৰিছোঁ।

**প্ৰশ্ন ঃ** ওপৰোক্ত সমস্যাৰ নিৰাময় হিচাবে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰাকৈ নতুন পাঠ্যক্ৰম প্ৰ ৰৰ্তন কৰাৰ চিন্তাচৰ্চা কৰিছে নেকি ?

**উত্তৰ ঃ** ওপৰত উল্লেখ কৰাৰ দৰে ইতিমধ্যে এই কাম হাতত লোৱা হৈছে। ইয়াক আৰু ভালকৈ আগবঢ়াই নিয়া হ'ব।

**প্ৰশ্ন ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী উপাচাৰ্য প্ৰাচ্যতত্ত্ববিদ কৃষ্ণকান্ত সন্দিকৈদেৱে তেখেতৰ ব্যক্তিগত পুথিভঁৰালটোত থকা এঘাৰটা ভাষাৰ ৭৫৯৩ খন গ্ৰন্থ গুৱাহাটী বিশ্ববিদ্যালয়লৈ দান দি গৈছে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই অতি সযত্নে এই আপুৰুগীয়া গ্ৰন্থখিনি কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰত পঢ়ুৱৈৰ উদ্দেশ্যে ৰাখিছে। কিন্তু এতিয়া দেখা পোৱা গৈছে যে কিছুমান গ্ৰন্থৰ পাতবোৰ লুটিয়াই দিলে ভাঙি চিঙি যায়, অৰ্থাৎ কিতাপৰ পাতবোৰৰ আয়ুসৰেখাৰ অন্ত পৰিছে। উক্ত আপুৰুগীয়া গ্ৰন্থসমূহ Digitize কৰি সংৰক্ষন কৰাৰ কিবা পৰিকল্পনা আপোনাৰ হাতত আছে নেকি ?

**উত্তৰ ঃ** প্ৰাচ্যতত্ত্ববিদ কৃষ্ণকান্ত সন্দিকৈ দেৱ সংগ্ৰহৰ কিতাপখিনিৰ Digitizationৰ আঁচনি প্ৰস্তুত কৰি থকা হৈছে। ইয়াক সোনকালেই কাৰ্যত পৰিণত কৰা হ'ব।

**প্ৰশ্ন ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ কেইবাখনো মহাবিদ্যালয় চৰকাৰৰ নিৰ্দেশত অইন বিশ্ববিদ্যালয়ৰ অধীনলৈ স্থানান্তৰিত হোৱাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থিক দিশত ঋণাত্মক প্ৰভাৱ পৰিব বুলি ভাৱে নেকি ?

**উত্তৰ ঃ** আৰ্থিক দিশত অলপ প্ৰভাৱ পৰিব। আমি সকলো প্ৰত্যাহ্বানৰ বাবে সাজু হ'ব লাগিব।

**প্ৰশ্ন ঃ** স্বায়ত্বশাসিত শিক্ষানুস্থান হিচাবে বিশ্ববিদ্যালয় সমূহৰ পৰিচালনাৰ দিশত কেতিয়াবা ৰাজ্য চৰকাৰৰ হস্তক্ষেপৰ কথা শুনা যায়। আপুনি

কেতিয়াবা তেনেকুৱা সমস্যাৰ সন্মুখীন হৈছে নেকি?

**উত্তৰ ঃ** মই বৰ্তমানলৈ কোনো হস্তক্ষেপৰ সন্মুখীন হোৱা নাই।

**প্ৰশ্ন ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ক বিশ্বমান বিশিষ্ট বিশ্ববিদ্যালয়লৈ উন্নত কৰাৰ অৰ্থে আপুনি কি পদক্ষেপ গ্ৰহণ কৰিছে।

**উত্তৰ ঃ** আপোনালোক সকলোৱে প্ৰত্যক্ষ কৰি আছে। আমি সকলো দিশতেই আগবাঢ়ি গুৱাহাটী বিশ্ববিদ্যালয়ক এখন বিশ্বমানৰ বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছোঁ।

**প্ৰশ্ন ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদৰ সৌন্দৰ্য বৰ্দ্ধনৰ দিশত আপুনি কিবা নতুন চিন্তা কৰিছে নেকি?

**উত্তৰ ঃ** পৰিৱৰ্তন আপোনালোক আটাইয়ে প্ৰত্যক্ষ কৰিছে। সকলো পৰিকল্পনা ইয়াত উল্লেখ কৰা সম্ভৱ নহয়। সৌন্দৰ্য বৰ্দ্ধন কৰাটো সদায়েই প্ৰয়োজন। ই মানসিক উৎকৰ্ষ সাধনত সহায় কৰে। চৌহদৰ সৌন্দৰ্য বৰ্দ্ধনৰ দিশত কৰণীয় বহুতেই আছে।

**প্ৰশ্ন ঃ** বিশ্ববিদ্যালয়ত বহুদিনৰ পৰা খালি হৈ থকা কেইবাটাও বিষয়াৰ পদ পূৰণৰ কিবা ব্যৱস্থা লোৱা হৈছে নেকি?

**উত্তৰ ঃ** হয়, এই ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা ইতিমধ্যে হাতত লোৱা হৈছে। System Analysist, Lady Medical Officer, Placement Officer আদি পদত নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। আৱশ্যক অনুযায়ী খালি হৈ থকা বিষয়াৰ পদ পূৰণৰ প্ৰক্ৰিয়া অব্যাহত থাকিব।

**প্ৰশ্ন ঃ** বিশ্ববিদ্যালয়ৰ অব্যৱহৃত ভূমি সমূহত কৃষিকাৰ্য, মীনমহল আদি স্থাপন কৰি ৰাজহ আহৰণৰ চিন্তাচৰ্চা কৰিছে নেকি?

**উত্তৰ ঃ** বহুত পৰিকল্পনা কৰা হৈছে। সময়ত সেইবোৰ বাস্তৱায়িত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। অগ্ৰাধিকাৰ ভিত্তিত পৰিকল্পনাবোৰ ৰূপায়িত কৰাৰ বাবে আঁচনি প্ৰস্তুতৰ কাম চলি আছে।

প্ৰশ্ন ঃ বিশ্ববিদ্যালয়ৰ প্ৰকাশন সমূহেই বিশ্ববিদ্যালয়ৰ দাপোণ স্বৰূপ। মৃতপ্ৰায় প্ৰকাশন বিভাগটোক পুনৰুজ্জিৱীত কৰাৰ বাবে আপুনি লোৱা প্ৰয়াস সকলোৰে জ্ঞাত। কিন্তু বিগত তিনিটা বছৰত পুৰনি প্ৰকাশনবোৰ পুনৰ মূদ্ৰণৰ বাহিৰে উল্লেখনীয় নতুন প্ৰকাশ চকুত পৰা নাই। এইক্ষেত্ৰত ভৱিষ্যৎ আন কিবা পৰিকল্পনা আছে নেকি?

**উত্তৰ ঃ** সৃষ্টি বৰ সহজ কথা নহয়। ইয়াৰ বাবে পৰিৱেশৰ প্ৰয়োজন। প্ৰথমে পৰিৱেশ তৈয়াৰ কৰা হৈছে। বহু কেইখন গ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি চলি আছে।

আপুনি আপোনাৰ বহুমূলীয়া সময় দিয়াৰ বাবে সতীৰ্থৰ তৰফৰ পৰা আপোনাক ধন্যবাদ জনাইছো।

**ধন্যবাদ!**

# ক বি তা

## ৰংপুৰ

*এম. কামালুদ্দিন আহমেদ*
*অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়*

ইতিহাসৰ ধূলিৰ তৰপবোৰ আঁতৰাই
বিচাৰি পোৱা ৰংপুৰ

তাৰ শিল-ইটাৰ গড়বোৰ পাৰ হৈ অহা
বতাহৰ স্পৰ্শত
নৈৰাজ্যৰ ফুলবোৰ ফুলি উঠা নাছিল

নামদাঙৰ শিলাকুটিহঁতে
ৰাতিৰ বতাহৰ অৱয়ববোৰত
সাঁচি থৈছিল
স্পন্দনপূৰ্ণ কেইটামান মূদ্ৰা

নৈৰাজ্যৰ এটি হুমুনিয়াহ
চেঙালুটি খাই পৰি আছিল

কাৰেংঘৰ তলাতল ঘৰেৰে
অহা-যোৱা কৰা নাছিল
নিঃসঙ্গতাৰ ছায়া অপচ্ছায়া

গুৱাহাটী ৰংপুৰ
কলকাতা ৰংপুৰ
মুম্বাই ৰংপুৰ

(সম্বন্ধৰ জৰী
উলিয়াব পাৰি নে চিনি
তুমিতো আধুনিক কবি
হৃদয়ত তুমি কঢ়িয়াই ফুৰা
মহানগৰীৰ ছবি)

## সতীৰ্থৰ মিঠা আলিঙ্গনৰ স্বপ্ন

***শ্ৰীগিৰীশ চন্দ্ৰ আৰ্য্যবৈশ্য***
*অধীক্ষক, শৈক্ষিক পঞ্জীয়কৰ কাৰ্যালয়*

ক'লা ৰঙৰ চুলিবোৰে
নতুন ৰঙৰ উছাহত—
শূন্য ব্যৱধানলৈ চপাই আনিব ধৰা,
যেন—
অন্য এক ধুমুহাৰ আগজাননী
টালি-টোপোলা বন্ধাৰ যো-জাৰ
এক মহা আয়োজন।।

অন্তৰংগতাৰ গভীৰতাখিনি
সতীৰ্থৰ হাতত গুজি দি
অনুভৱৰ বোকোঁচাত—
যেন—
জোনাকৰ সোৱাদ কাহানিবাই গ'ল।।

আন্ধাৰ অমানিশাই—
আঁৱৰি ধৰা এযাৰ মাতৰ স্বপ্নত—
বন্দী হ'ব লাগিব
দুখৰ জখলাৰ আশ্ৰয়ত।।

আকাশৰ বিশালতা,
সাগৰৰ গভীৰতা,
মনৰ উদাৰতা
সকলো যেন চুটি হৈ গ'ল।
কেতিয়াবা, এৰি অহা
কৃষ্ণচূড়াৰ (জালুকবাৰীৰ) সুন্দৰ বাগিছাখনত
সতীৰ্থৰ মিঠা মিঠা আলিঙ্গনত
ধন্য হ'ম সীমাহীন বিষাদ নেওচি।।

# ৰূপান্তৰিত অনভূতিবোৰ

*শ্ৰীদীপেন বৰুৱা*
*পৰীক্ষাগাৰ নিৰীক্ষক, ভূগোল বিভাগ*

অনুভূতিবোৰ অতি সুক্ষ্ম আৰু সুকোমল
কোমল সদ্য প্ৰস্ফুটিত গোলাপৰ পাঁহিৰ দৰেই
অথচ কিয় যে সৃষ্টি কৰে কেতিয়াবা
দুৰ্বাৰ দাবানল।
ক্ৰমান্বয়ে এই সূক্ষ্ম অনুভূতিবোৰেই ৰূপ লৈছে
হিংসাত্মক অনুভূতিৰ।
ফলশ্ৰুতি এই সুন্দৰ পৃথিৱীৰেই সন্মুখত
সেয়া চাৰিওফালে অশান্ত সামাজিক আধ্যাত্মিক
আৰু অৰ্থনৈতিক পৰিৱেশ।
বাৰুদৰ ধোৱাৰে ধুৱলি কুঁৱলি এই নিৰ্মল নীলা আকাশ
ধাৰ্মিক অনুভূতিবোৰ আজি পতনশীল আৰু ধ্বংসাত্মক
একবিংশ শতিকাতো ধৰ্মৰ নামত গোড়ামি।।
আজি মানৱ সেৱা যে ঈশ্বৰ সেৱা
তাকো দেখো পাহৰণি কৰাল গ্ৰাসত।
সমগ্ৰ পৃথিৱী আজি অশান্ত
কিন্তু কিয় ?
নোৱাৰিনে এই সুন্দৰ অনুভূতিবোৰ
নতুনকৈ গঢ় দিয়াব।
আৰু সযতনে জীয়াই ৰাখিব।
পাৰি নিশ্চয় পাৰি...
তাৰ বাবে প্ৰয়োজন মাথোন
এখন সুন্দৰ অন্তৰৰ,
বহল হৃদয়ৰ
আৰু তাৰেই গৰাকী হ'ব লাগিব
এই সমগ্ৰ পৃথিৱীবাসী।

# আত্মপৰিচয়

***নীলাম্বৰ কলিতা***
*অধীক্ষক, বিল শাখা*

ঐতিহাসিক দিনৰে পৰা
গছডালৰ ঠালবোৰ বাঢ়ি বাঢ়ি টিলাটোৰ
অধিকাংশ আৱৰি আছে।
টিলাটোৰ কাষতে
নতুন গছ এজুপি
দ্ৰুতগতিত বাঢ়ি
প্ৰাচীন গছজুপিতকৈও
বিশাল আকাৰ ল'বলৈ ধৰিছে।
আশংকা প্ৰাচীন গছজুপিৰ
পৰিচয় হেৰায় যাব নেকি...।
হেৰায় যাব নেকি
প্ৰাগঐতিহাসিক টিলাটোৰ ঐতিহ্য ?
আত্মপৰিচয় সুৰক্ষাৰ বাবে
প্ৰাচীন গছজুপিৰ তলতেই
একত্ৰিত হ'ব লাগিব
প্ৰাচীন জনগোষ্ঠী।
মাথোঁ প্ৰয়োজন
সামূহিক প্ৰচেষ্টা আৰু ঐতিহ্য প্ৰেম।
য'ত থাকিব
নিঃস্বাৰ্থ আৰু ত্যাগৰ মহামন্ত্ৰ।

# সম্পাদকৰ কবিতা

**ড° ৰণজিৎ সিং**
*অধীক্ষক,*
*হিতেন্দ্ৰকুমাৰ বৰুৱা আঞ্চলিক উদ্ভিদ সমল কেন্দ্ৰ*



সম্পাদক পাঠকে ক'লে
কবিতা এটি লিখিবলে
সতীৰ্থত ছপাবলে,
ভাবিলো মনতে
কবিতাৰ মাজেৰেই
নাম উজলাবলে।।

কাগজ কলম ললো
টেবুলত বহিলো
কবিতাৰ ভাষা বিচাৰি
মাৰাথন দৌৰিলো
ভাগৰি পৰিলো
কবিতাক লগ নাপালো।।

কি লিখিম , কি নিলিখিম
ভাবি ভাবি বিমোৰত পৰিলো
উজাগৰী নিশা পাৰ কৰিলো
নিজকে নিজে ধিক্কাৰ দিলো
হায় ভগৱান ! কবিতা এটিকে
মই লিখিব নোৱাৰিলো ।।

বহু সময় পাৰ হ'ল
কবিতা মোৰ লিখা নহ'ল
কাগজ খিলা উকা হৈ ৰ'ল

চিয়াহী কলমৰ নিৰ শুকাই গ'ল
মনৰ বেজাৰতে কবিতাৰ ওপৰত
বৰ খং উঠি গ'ল।।

তথাপিওঁ পাঠকক
কথা দিলো মই
চেষ্টা কৰিম পুনৰাই
অন্তৰ উজাৰি লিখিবলৈ
সতীৰ্থত প্ৰকাশিবলৈ
আজিলৈ বিদায় ললো মই।।

# এখন সভাৰ বিষয়ে সামান্য

**ড° অৰনী কুমাৰ ভাগৰতী**
অধ্যাপক, ভূগোল বিভাগ

(এক)

একান্ত অনিচ্ছা সত্বেও এক বিশেষ পৰিস্থিতিত ২০০৮ চনৰ মাৰ্চ মাহত মই আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ কাৰ্যভাৰ গ্ৰহণ কৰিবলগীয়া হৈছিল। শিক্ষকতা বৃত্তিক সৰ্বান্তঃকৰণে লোৱা মোৰ বাবে প্ৰশাসনীক কামবোৰ প্ৰায় আচহুৱা ধৰণৰ আছিল। তাতে আকৌ পঞ্জীয়কৰ দৰে দায়িত্বসম্পন্ন পদবী। বিশ্ববিদ্যালয়ত শিক্ষকতা আৰু বিভাগীয় মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে টাউন কমিটিৰ সভাপতি আৰু অন্যান্য দুই-এটা কমিটিৰ সদস্য আছিলো কাৰণে শিক্ষা-প্ৰশাসনৰ সামগ্ৰিক আভাস এটা নোপোৱাকৈ থকা নাছিলো। তদুপৰি কেইমাহমানৰ কাৰণে কাৰ্যবাহী পৰিষদৰো সদস্য হোৱাৰ সৌভাগ্য অৱশ্যে ঘটিছিল। কিন্তু পঞ্জীয়কৰ দৰে পদবী এটাৰ বাবে সেইবোৰ অভিজ্ঞতাই যথেষ্ট নাছিল। তথাপিও নিজৰ পোনপটীয়া মনোভাব, নিয়ম-নীতিৰ প্ৰতি থকা শ্ৰদ্ধাভাৱ, সকলোৰে প্ৰতি থকা সদ্ভাৱ আৰু অনুষ্ঠানটিৰ প্ৰতি থকা দায়বদ্ধতাকে মূলধন হিচাপে লৈ মোৰ ওপৰত ন্যস্ত কৰা কাম নিস্বাৰ্থভাৱে কৰি গৈছিলোঁ।

বিশ্ববিদ্যালয়ৰ বিশাল পৰিসৰ, বিচিত্ৰ দায়িত্ব আৰু জটিলতাৰ সকলো দিশ আয়ত্তলৈ অনাটো কঠিন কাম। তাতে আকৌ মাত্ৰ দুমাহৰ বাবে বুলি কৈ অস্থায়ীভাৱে নিয়োগ কৰা বাবে সেইবোৰৰ প্ৰতি বিশেষ মনোযোগ দিয়াৰ ইচ্ছাও মোৰ প্ৰথমতে নাছিল। পিছত যেতিয়া দেখিলো সেই চক্ৰবেহুৰ পৰা সহজে ওলাই অহাটো সম্ভৱ নহ'ব, তেতিয়াহে নিষ্ঠাৰে কথাবোৰ আয়ত্ত কৰাৰ প্ৰচেষ্টা হাতত লওঁ। লাহে লাহে বিশ্ববিদ্যালয়ৰ সতীৰ্থ বিষয়া-কৰ্মচাৰী, শ্ৰদ্ধেয় শিক্ষক আৰু প্ৰাক্তন পঞ্জীয়ক আৰু দুগৰাকীমান অৱসৰপ্ৰাপ্ত উপাচাৰ্যৰ দিহা-পৰামৰ্শ আৰু সহযোগিতাৰে কামবোৰ আগুৱাই নিবলৈ ধৰো। বিশেষকৈ কৰ্মচাৰীবৃন্দৰ সক্ৰিয় আৰু সজ সহযোগ মোৰ বাবে হৈ পৰিছিল আশীৰ্বাদ স্বৰূপ। আমাৰ বিশ্ববিদ্যালয়ৰ পূৰ্বৰ আদৰ্শ আৰু ঐতিহ্যই অনুষ্ঠানটিৰ প্ৰশাসনিক ব্যৱস্থাটোত বহুতো সবল পৰম্পৰাৰ সৃষ্টি কৰি থৈ গৈছে। সেইবোৰ জাতীয় স্বাৰ্থতে সৎ আৰু নিষ্ঠাবান লোকসকলে গঢ়ি থৈ গৈছে। সেইবোৰৰ ওপৰতে ভিত্তি কৰি বিশেষ মানসিক যন্ত্ৰণা নোহোৱাকৈ অনুষ্ঠানটোক আগুৱাই নিয়াৰ ক্ষেত্ৰত চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। অনভিজ্ঞতাই মাজে সময়ে কিছু অসুবিধাৰ সৃষ্টি কৰিছিল যদিও নিভাঁজ আন্তৰিকতাই সহজে সেই প্ৰতিবন্ধকবোৰ আঁতৰাই পেলাইছিল। কোনো ধৰণৰ ভাট্টা আদি নোলোৱাকৈ কেৱল যে নিষ্ঠা আৰু দায়বদ্ধতাৰে কামবোৰ কৰি গৈছিলো, তাৰ উজ্জ্বল স্মৃতিয়ে আজিও মন-প্ৰাণ পোহৰাই তোলে। প্ৰায় এপষেক কাল যে উপাচাৰ্য নোহোৱাকৈয়ে বিশ্ববিদ্যালয়খন সুচাৰুৰূপে পৰিচালিত হৈছিল, সেই কথা মনলৈ আহিলে আজিও সংশ্লিষ্ট আটাইৰে প্ৰতি গভীৰ শ্ৰদ্ধা আৰু আস্থাৰ ভাব জাগি উঠে।

আমাৰ কাৰ্যকালত বহুতো সৰু কিন্তু শৈক্ষিক আৰু নৈতিক দিশৰপৰা অতি গুৰুত্বপূৰ্ণ কাম হাতত লোৱা হৈছিল। তাৰ ভিতৰত আছিল প্ৰধানকৈ প্ৰশাসনীক সংস্কাৰ, শৈক্ষিক বিভাগবোৰৰ লগত পোনপটীয়া আৰু খৰতকীয়া যোগাযোগ স্থাপন, সহযোগী (Affiliated) মহাবিদ্যালয়বোৰৰ লগত বিদ্যায়তনিক সম্পৰ্ক দৃঢ়ীকৰণ, কৰ্মচাৰীসকলৰ সমস্যাৰ অনুসন্ধান আৰু সেইবোৰৰ সমাধানৰ যোগেদি কৰ্মসংস্কৃতিৰ যথাসম্ভৱ উন্নয়ন, ছাত্ৰ-ছাত্ৰীৰ মাজত শৈক্ষিক-সাংস্কৃতিক চিন্তা-চেতনাৰ বিকাশ, চৌহদৰ উন্নয়ন আদি। এইবোৰ সন্মুখত ৰাখিয়েই আমি

যাৱতীয় পৰিকল্পনা (বাৰ্ষিক-পঞ্চবাৰ্ষিক) আৰু কাৰ্যকৰীকৰণৰ ব্যৱস্থা সৰুকৈ হ'লেও হাতত লৈছিলোঁ। এইবোৰ বিষয় আৰু কাম আগুৱাই নিওঁতে সৰু-ডাঙৰ বহুতো অভিজ্ঞতা হৈছিল। তাৰে এটি অতি ক্ষুদ্ৰ অথচ ভাল লগা অভিজ্ঞতা আপোনাসবৰ জ্ঞাতাৰ্থে ইয়াতে চমুকৈ উপস্থাপন কৰিলোঁ।

(দুই)

তাৰিখটো আছিল ২০০৮ চনৰ ১০ মে'। ফনীধৰ দত্ত ভৱনত এখন সভা। শ্ৰোতা-দৰ্শকসকল হৈছে বিশ্ববিদ্যালয়ৰ চাফাই কৰ্মী (জামাদাৰ) আৰু ফুলনিকৰ্মী (মালী)। আঁত ধৰিছে পঞ্জীয়কে। সহযোগী হিচাপে আছে সম্পত্তি-বিষয়া ৰাজেশ্বৰ গোস্বামী। বাহিৰত কেৰল ৰঙা চাহ আৰু বিস্কুটৰ ব্যৱস্থা। গোস্বামীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰিলে। পঞ্জীয়কে সমবেত সকলোকে আদৰণি জনালে আৰু ক'লে— বিশ্ববিদ্যালয়ৰ সামগ্ৰিক ব্যৱস্থাত জামাদাৰ আৰু মালীসকলৰ ভূমিকা লেখত ল'বলগীয়া। ব্যৱস্থাটোৱে এটা তন্ত্ৰ বা জালি হিচাপে কাম কৰে। সেই তন্ত্ৰৰ সকলো অংশীদাৰৰে নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য আছে। এজনে কৰ্তব্য পালন নকৰিলে আনৰ কি অসুবিধা হয় তাক আমি 'অ' গৰু অ' গৰু আগ খাৱ কিয়' পদ্যটোৰ যোগেদি সহজে বুজিব পাৰোঁ (পঞ্জীয়কে পদ্যটো আওৱায়)। তলাটো চকিদাৰে খুলি দিলেহে উপাচাৰ্য্য (ভি চি) নিজৰ কোঠাত সোমাব পাৰে। তলা খোলা সময়খিনিত চকিদাৰজনেই সবাতোকৈ গুৰুত্বপূৰ্ণ নহয় জানো? প্ৰতিটো বিভাগৰ কৌটি টকীয়া সম্পত্তি চকিদাৰজনকে চমজাই দি সকলোৱে ৰাতি আৰামেৰে শুই নাথাকে জানো?

তেখেতে পুনৰ কয়— মানুহৰ মনোজগতত ফুলৰ ভূমিকা কি? ফুলনিৰ মাজেৰে অফিচ বা বিভাগটোত সোমালে কেনে লাগে? ঘৰত খং উঠি আহিলেও ৰং-বিৰঙৰ ফুল দেখিলে খং ৰঙলৈ ৰূপান্তৰিত হয়। ফুলনিবিহীন শিক্ষানুষ্ঠানৰ কথা ভাবিব পাৰি জানো? মালীয়ে যদি ফুল নুফুলায়, অন্য কোনে ফুলাব? আমি সকলোৱে কওঁচোন— ফুল কিনিবা কোনে অ' ফুল কিনিবা কোনে? মোনা ভৰাই ফুল আনিছোঁ কিনা মোনে মোনে (সুধাকণ্ঠৰ 'ৰং কিনিবা কোনে'ৰ আৰ্হিত)।

শ্ৰোতা-দৰ্শকে নিতাল মাৰি বহি আছে। উপস্থিত ৮০গৰাকী মানৰ ভিতৰত প্ৰায় ৩০গৰাকীমান মহিলা। তেওঁলোকে সিদিনা ভাল পোছাক পিন্ধি আহি ভৱনটোৰ ভাল চকীবোৰত বহি আছে। কেইজনীমানৰ লগত সৰু সৰু পুত্ৰ-কন্যাও আছে যদিও সিহঁতেও হাই-উৰুমি কৰা নাই। পুৰুষসকলেও একান্ত বাধ্যৰ দৰে নীৰৱে কথাবোৰ শুনি আছে। এটা ভাল লগা পৰিৱেশ।

আজি তেওঁলোকৰ বাবে এটা বিশেষ দিন। যিটো ভৱন তেওঁলোকে সাৰি-মুচি চাফা কৰি ৰাখে, সেই ভৱনটোৰ চকীত আজি তেওঁলোকে ৰাজহুৱাভাৱে সসন্মানে আসন গ্ৰহণ কৰিছে। যিটো ভৱনত সাধাৰণতে সভাৰ আগত আৰু সভাৰ পাছতহে তেওঁলোকৰ (চাফাই) কাম, আজি মূল সভাত তেওঁলোকৰ স্থান আৰু কাম। আমন্ত্ৰিত শ্ৰেতা-দৰ্শকৰ দৰে তেওঁলোক যেন আজি অতিথি। গোটেই পৰিৱেশটো হৈ পৰিছে অগতানুগতিক আৰু অসামান্য।

পঞ্জীয়কে নিজৰ চুটি বক্তব্য সমাপ্ত কৰি সকলোকে আলোচনাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনালে। বিশ্ববিদ্যালয়খন যাতে সুন্দৰ আৰু পৰিচ্ছন্ন হৈ থাকে তাৰ প্ৰতি সকলোৱে সক্ৰিয় সঁহাৰি বিচাৰিলে। সকলোকে মুকলিকৈ নিজৰ মতামত আগবঢ়াবলৈ অনুৰোধ জনালে। কিছু সময়ৰ পিছত নীৰৱতা ভংগ কৰি এগৰাকী শ্ৰোতা মঞ্চৰ ফালে আগবাঢ়ি আহিল। নাম তেওঁৰ প্ৰতাপ বাচফোৰ। বিশ্ববিদ্যালয়ৰ হেড্ জামাদাৰ। সকলোকে নমস্কাৰ জনাই তেওঁ ক'বলৈ ধৰিলে— "ইউনিভাৰচিটিত বহুতো হেড্ আছে। প্ৰফেছাৰ হেড্ আছে। অফিচৰ হেড্ আছে। ৰেজিষ্টাৰ ছাৰ এজন হেড্। মই ভী এজন হেড্— চব জামাদাৰৰ হেড্। চব হেডৰ বহিবলৈ ভাল ৰুম, ভাল চকী আছে। মই হেডৰ বহিবলৈ ভাঙা চকী এখনো নাই। ৰুমৰ কথা বাদেই।"

অন্য এজনে উঠি আহি ক'লে— "মই যেতিয়া চাকৰিত সোমাওঁ, তেতিয়া সকলোতে ফুলৰ বাগিচা আছিল। শিক্ষকসকলৰ কোৱাৰ্টাৰবোৰতো নানা প্ৰকাৰৰ ফুল আছিল। দেউকীলাল নামৰ মালীজনক বাগিছা ভালদৰে ৰখাৰ কাৰণে ৰেজিষ্টাৰ ছাৰে পুৰস্কাৰ দিছিল। ইন্‌ছান আলিয়েও পুৰস্কাৰ পাইছিল। আমি সকলো আছো। ফুলৰ

কাম আমি জানো। আপুনি ছাৰ আমাক কাম দিয়াৰ ব্যৱস্থা কৰক। আমি দুখীয়া। ভাল দৰমহা নাপাওঁ। বেয়া কাপোৰ পিন্ধিও আমি বিশ্ববিদ্যালয়ত ভাল ফুল ফুলাম" (লেখকৰ ব্যক্তিগত ডায়েৰীৰ পৰা)।

লাহে লাহে সভা সমাপ্তিৰ ফালে আগবাঢ়িছিল। ৰাজেশ্বৰ গোস্বামীয়ে সকলোকে শলাগ যাঁচিছিল। সকলোৰে ওলাই আহি বাহিৰত চাহ-বিস্কুট খাইছিল। সভাৰ পিছত তেওঁলোকৰ মুখত আখৈ ফুটা দি কথা ফুটিছিল। মোক সকলোৱে হাঁহি হাঁহি ধন্যবাদ যাচিছিল। পৰিৱেশটো কিবা এক বুজাব নোৱাৰা আনন্দ বিৰাজ কৰিছিল।

আনন্দ-বেদনাৰ গধুৰ বোজা লৈ মই নিজৰ কাৰ্যালয়লৈ ঘূৰি আহিছিলো। বিশ্ববিদ্যালয়ৰ অভিযন্তাক মাতি আনি জামাদাৰসকল বহিব পৰাকৈ আৰু তেওঁলোকৰ চাফাই সঁজুলিবোৰ থ'ব পৰাকৈ এটা সাধাৰণকৈ হ'লেও ঘৰ সজাৰ পৰামৰ্শ দিলো। তাৰ পিছত মনত জমা হোৱা কথাবোৰ উপাচাৰ্য মহোদয়ক কওঁ বুলি সাজু হ'লো। এনেধৰণৰ সৰু কিন্তু অৰ্থপূৰ্ণ কথাবোৰ তেখেতে ভাল পায়। পাৰ্যমানে গুৰুত্বও দিয়ে। তেখেতৰ মনৰ ভাববোৰো সূক্ষ্ম ; আগবাঢ়েও ভাবি-চিন্তি। এইধৰণৰ কথাবোৰ তেখেতক অৱগত কৰি মই বৰ সকাহ পাওঁ। সেই কথা পিছে সিদিনা তেখেতক আৰু কোৱা নহ'ল। সেইদিনাই তেখেতে আমাৰ অজ্ঞাতে বিশ্ববিদ্যালয় এৰিছিল। আমি দিশহাৰা হৈ প্ৰমাদ গণিছিলো।

* * * *

# আধ্যাত্মিক আনন্দ আৰু আধুনিক জীৱন

**ড° তৰণী ডেকা**
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

একবিংশ শতিকাৰ আধুনিক মানুহ ভিন্নৰঙী সুখ আৰু সমস্যাৰে আক্ৰান্ত। আধুনিক প্ৰযুক্তিবিদ্যা আৰু বিজ্ঞানৰ নিত্য নতুন আবিষ্কাৰৰ আৰ্শীবাদত মানুহে ৰাতিপুৱা উঠাৰ পৰা ৰাতি শুৱলৈ গৈ লাইটৰ চুইচটো নুমুৱালৈকে নানা ধৰণৰ আৰাম আৰু সুখৰ সোৱাদ লয়। এনেকুৱা সুখ আৰু আনন্দৰ মাজত থকা অৰ্থনৈতিক সমস্যা, নিবনুৱা সমস্যা, পৰিৱেশৰ সমস্যা (Environmental), মানুহ-প্ৰকৃতিৰ সংঘাতৰ সমস্যা, বেমাৰৰ সমস্যা ইত্যাদি এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত জীৱ শ্ৰেষ্ঠ মানৱ জাতি। কথাটো হৈছে— আদিম যুগৰ পৰা বৰ্তমানৰ সময়লৈ সকলো সমস্যাৰে ৰূপ বেলেগ বেলেগ যদিও প্ৰতিটো সমস্যাই প্ৰতিটো যুগতে সমানেই মানুহক ভাৰাক্ৰান্ত কৰিছে। অৱশ্যে আধুনিক সভ্যতাৰ অগ্ৰগতিৰ লগে লগে বিজ্ঞানৰ জয়যাত্ৰাৰ মাজতে আধুনিক মানুহৰ মাজলৈ আহিল এটি নতুন সমস্যা— সেইটো আধ্যাত্মিক সমস্যা। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই যিদৰে এহাতে মানুহক সকলো ধৰণৰ আৰাম কৰা সুখ প্ৰদান কৰিছে, একে ধৰণে মানুহৰ জঞ্জালহীন জীৱন আৰু সভ্যতাত নানা ধৰণৰ যুদ্ধ, হিংসা, অসূয়া, আন্দোলন আদিয়ে আধুনিক মানুহৰ মনত নানা ধৰণৰ ভীতি আৰু সন্দেহৰ সৃষ্টি কৰিছে। আধুনিক জীৱনে সকলো দিও যেন মানুহৰ মনৰ পৰা পৰম বিশ্বাস, সুখ আৰু শান্তিৰ জ্ঞান অলপ অলপকৈ কাঢ়ি নিব ধৰিছে। নব প্ৰস্তৰ যুগৰ পৰা পৃথিৱী নামৰ গ্ৰহটোত মানুহে যি সভ্যতাৰ সূচনা কৰিলে, তাৰ পিছৰ পৰা মানৱীয় সভ্যতাৰ বিকাশৰ আজি লেখজোখ নাই। আজি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বলত অন্য গ্ৰহতো মানুহে বসবাস কৰাৰ কথা চিন্তা কৰিছে। কিন্তু দুখন বিশ্বযুদ্ধই, বিশেষকৈ দ্বিতীয় বিশ্বযুদ্ধৰ ফলত হোৱা অবাধ সম্পত্তি আৰু জীৱনৰ ক্ষতিয়ে মানুহৰ মনলৈ সংশয় দুগুণ বঢ়াই দিলে। মানুহৰ মনত, বিশেষকৈ সভ্যতাৰ মূল্য বুজি পোৱা মানুহে অন্তৰত অহৰহ দুখ অনুভৱ কৰিবলৈ ললে। মানুহে কিহত বিশ্বাস কৰি সভ্যতা জীয়াই ৰাখিব বা সভ্যতাৰ বিকাশ ঘটাব য'ত মানুহে গঢ়া সভ্যতা চকুৰ পচাৰতে ছাঁই আৰু ধ্বংসস্তুপত পৰিণত হৈছে। কিছুমানে পৃথিৱীত মানুহৰ অস্তিত্বৰ সংকট সমাগত বুলিও ভাবিবলৈ ধৰে। এনে পৰিস্থিতিৰ মাজতে আধ্যাত্মিক শূন্যতা (Spiritual Vacuum)ৰ সৃষ্টি হয়, যিটো পশ্চিমীয়া দেশত আটাইতকৈ বেছি। মানুহে শান্তিৰ বাবে কিহত আশ্ৰয় ল'ব? অৱশ্যে পশ্চিমৰ ভোগবাদী, সংগ্ৰামী যুদ্ধবাম নীতিৰ পৰিবৰ্তে প্ৰাচ্যৰ দেশ অসমত প্ৰাচীন কালৰ পৰাই এটা সুসভ্য মানবীয় সভ্যতা চলি আছে। য'ত প্ৰাতীচ্যৰ ভোগবাদে অন্ততঃ দ্বিতীয় মহাযুদ্ধৰ বহু পিছলৈ গা কৰি উঠিব পৰা নাছিল। বুদ্ধ, গান্ধীৰ দেশত হিংসাৰ স্থান গৌণ। প্ৰাচ্যৰ ধৰ্মীয়-জীৱন পৰম্পৰাত এনেকুৱা শান্তি বাণী আছে বাবেই বহুতো পাশ্চাত্য লোক ভাৰতীয় এই পৰম্পৰাৰ প্ৰতি আকৰ্ষিত হয়। সামুহিক জীৱন প্ৰণালীৰ (Community life) পৰা দূৰত্ব বাঢ়ি বাঢ়ি ব্যক্তিগত জীৱনত মৰীচিকাত পৰাৰ পিছৰ পৰাই মানৱ সমাজে এই আধ্যাত্মিক সমস্যাত বেছিকৈ ভুগিব লৈছে। কুৰি শতিকাৰ পৰা ভোগবাদী সংস্কৃতিয়ে সমাজৰ প্ৰায় সকলো স্তৰৰ মানুহক স্পৰ্শ কৰিছে। আজিৰ তাৰিখত ভোগবাদৰ প্ৰকোপত ভাল-বেয়াৰ ধাৰণা সলনি হৈ গৈছে, বজাৰ অৰ্থনীতিয়ে সকলো নিয়ন্ত্ৰণ কৰিবলৈ লৈছে। স্বাভাৱিকভাৱেই আধুনিক সময়ত নৈৰাজ্য আৰু অপৰাধ

প্ৰৱণতাই সমাজৰ সকলো শ্ৰেণীৰ মানুহক বিশেষকৈ দলিত শ্ৰেণীটোক জুৰুলা কৰিলে। ৰাতিপুৱা শুই উঠাৰ পিছত বাতৰি কাকতৰ বিশেষকৈ দৈনিক কাগজখনে আশা নকৰা খবৰবোৰ লৈ আহে—হত্যা, ধৰ্ষণ, গণধৰ্ষণ, ডকাইটি, ভুৱা বিত্তীয় প্ৰতিষ্ঠানৰ দ্বাৰা গ্ৰাহকক ঠগ-প্ৰবঞ্চনা, চৰকাৰী-দুৰ্নীতিৰ পোহাৰ, গোষ্ঠী সংঘৰ্ষ, বন্ধৰ বাতৰি ইত্যাদি ঋণাত্মক বাতৰিবোৰ ৰাতিপুৱাতে সংবেদনশীল মানুহৰ মনটো বিষাদ কৰি তোলে। স্বাভাৱিকতে ধৰ্মপ্ৰাণ, ধৰ্মনিৰপেক্ষ, অনুভূতি সম্পন্ন মানুহৰ বাবে দিনটো, মাহটো, বছৰটো হতাশাপূৰ্ণ হৈ পৰে। তাৰ মাজত যি দুই চাৰিটা সাফল্যৰ বাতৰি আহে যথা নাজিৰাৰ দুঃসাহসী গুঞ্জণ শৰ্মাৰ মানৱতাবাদী কাৰ্য, ....কাৰোবাৰ দ্বাৰা এভাৰেষ্ট শৃঙ্গ আহোৰণ, HSLC বা HSSLC সফলতা অৰ্জন কৰা মেধাবী ছাত্ৰ-ছাত্ৰীসকলৰ উচ্ছাস ভৰা, প্ৰতিশ্ৰুতিপূৰ্ণ সাক্ষাৎকাৰ, জিতেন্দ্ৰনাথ গোস্বামীৰ চন্দ্ৰায়ণ আৰু মঙ্গল অভিযানৰ পৰিকল্পনাৰ সফল ৰূপায়ণ আদি খবৰবোৰে হতাশাৰ মাজতে হাঁহি বিৰিঙাই তোলে। দুই এটা ৰাজনৈতিক কাৰ্যকলাপেও আমাৰ মনত আশাৰ সঞ্চাৰ কৰে। আমি আৰু অসম বাসী মানুহৰ এনে দুই এক সফলতাই কিন্তু সামগ্ৰিকভৱে আধুনিক মানুহৰ মাজত আধ্যাত্মিক ঠাইখিনিৰ শূন্যতা পূৰাব নোৱাৰো। পশ্চিমীয়া প্ৰযুক্তি-বিজ্ঞানভিত্তিক সভ্যতাৰ আকাশলংঘী সাফল্যই আধুনিক মানুহৰ জীৱন যথেষ্ট আৰামদায়ক আৰু কল্যাণময় কৰি তুলিছে। তথাপি ডাৰউইনৰ ক্ৰমবিকাশৰ তত্ত্বই (Theory of Evolution) এফালে পৃথিৱীত মানুহৰ জন্মৰ কথা বৈজ্ঞানিকভাৱে প্ৰতিষ্ঠা কৰিছে যদিও আনহাতে সমগ্ৰ খ্ৰীষ্টান ধৰ্মাৱলম্বী মানুহৰ যুগযুগান্তৰ বিশ্বাস "আদম-ঈভ"ৰ কল্পনাৰ জগতখনো নোহোৱা কৰি দিলে। কঠোৰ খ্ৰীষ্টান ধৰ্মাৱলম্বীৰ বাবে এয়া এক মোক্ষম আঘাত। যাৰ ফলত ভিক্টোৰিয়ান যুগত ইংলণ্ডৰ বহু ধৰ্মপ্ৰাণ খ্ৰীষ্টান Agnostic লৈ (একো ধৰ্মতে বিশ্বাস নকৰা) ৰূপান্তৰিত হ'ল। ধৰ্মীয় বিশ্বাসে জীৱনৰ আধাৰ গঢ়ি তোলে প্ৰকৃত ধৰ্মপ্ৰাণ মানুহৰ বাবে। ধৰ্মীয় বিশ্বাসৰ ওপৰত এনেকুৱা আঘাতৰ বৈজ্ঞানিক ভিত্তি হয়তো নাই। কিন্তু বিশ্বাস বিশ্বাসেই— যাৰ ভিত্তি হ'ল জীয়াই থকাৰ প্ৰেৰণা, বিশেষকৈ ধৰ্মপ্ৰাণ ব্যক্তিসকলৰ বাবে 'বিশ্বাস' হ'ল অন্য অৰ্থত 'জীৱন দৰ্শন'। পৃথিৱীত সংঘটিত হৈ যোৱা প্ৰথম বিশ্বযুদ্ধ (১৯১৪-১৯) আৰু দ্বিতীয় বিশ্বযুদ্ধ (১৯৩৯-৪৫) ৰ সৰ্বাত্মক, ধ্বংসাত্মক কাৰ্যই পৃথিৱীৰ সকলো মানৱতাবাদীক শংকিত কৰি তুলিছে— পৃথিৱীত মানুহৰ অস্তিত্ব থাকিবনে? মানুহ নামৰ জীৱ বিধে হেজাৰ হেজাৰ বছৰ জুৰি যি শিক্ষণ আৰু বিজ্ঞানৰ চমকপ্ৰদ আবিষ্কাৰেৰে আধুনিক সভ্যতাৰ নিদৰ্শনবোৰ গঢ়িছে এই গ্ৰহত সেইবোৰ মানুহৰ কীৰ্তিৰ প্ৰতীক হৈ থাকিবনে? 1945 চনৰ 6 আগষ্টৰ দিনটো সমগ্ৰ মানুহৰ বাবে, মানৱতাৰ বুৰঞ্জীত এটি কলা দিন। জাপানৰ নাগাছি আৰু হিৰোশ্বিমা নামৰ নগৰ দুখনৰ সকলো বাসিন্দা আৰু স্থাৱৰ সম্পত্তি মুহূৰ্তৰ ভিতৰতে আনবিক বোমাৰ তুমুল গৰ্জনত ছাঁই হৈ গ'ল। মানুহৰ সকলো গৰ্ব, শত সহস্ৰ বছৰ জোৰা বিজ্ঞানৰ জয়গান 'শোকগীত'লৈ ৰূপান্তৰিত হ'ল। মানুহৰ এই বৰ্বৰতা সাম্প্ৰতিক কালৰ ইৰাকৰ যুদ্ধ, লিবিয়াৰ যুদ্ধ আৰু সদ্যহতে চলি থকা চিৰিয়াৰ গৃহযুদ্ধ বা আমেৰিকাত আৰ্ন্তজাতিক ব্যৱসায়িক কেন্দ্ৰ (ITC)ৰ আলকায়দাৰদ্বাৰা হোৱা মানুহ আৰু অগাধ সম্পত্তিৰ ধ্বংসযজ্ঞ বা উত্তৰ পূৰ্বাঞ্চলত স্বাধীনোত্তৰ যুগৰ পৰা বৰ্তমানলৈ চলি থকা ৰাষ্ট্ৰ আৰু ব্যক্তিগত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ফলত হোৱা মানুহৰ নিধন হোৱা মানৱতাবাদী কাৰ্যৰ মাজেৰে পূৰ্ণগতিত আৰু নতুন নতুন ৰূপত চলি আছে। দ্বিতীয় মহাযুদ্ধত মানৱতাৰ পতনে পৃথিৱীৰ সকলো বিবেকবান মানুহৰ সত্তাক জোকাৰি গ'ল। আইনষ্টাইন, বাট্ৰাণ্ড ৰাচেল, গান্ধী, ৰোমাৰোলা আদি বিশ্ব শ্ৰেষ্ঠ বিজ্ঞানী আৰু মণিষীয়ে এই বৰ্বৰতাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিলে। ভিক্টোৰিয়ান যুগতে আৰম্ভ হোৱা 'আধ্যাত্মিক শূন্যতা' ৰ প্ৰকোপ আৰু চৰিল। এনে বিষম পৰিস্থিতিত শুভ বুদ্ধি সম্পন্ন আৰু ধৰ্মপ্ৰাণ মানুহে থৰকাছুটি হেৰুৱালে। বিশ্ববিশ্ৰুত আধ্যাত্মিক কবি নবেল বঁটা বিজয়ী টি, এচ, এলিয়টৰ দৰে যুক্তিবাদী আধ্যাত্মিক ধৰ্মত বিশ্বাস নথকা মানুহৰো মন কেথলিক ধৰ্মৰ প্ৰতি ঢাল খালে। দ্বিতীয় বিশ্বযুদ্ধৰ ধ্বংস যজ্ঞৰ মাজেৰে পশ্চিমীয়া জগতত যুক্তি আৰু বিশ্বাসৰ পতনে সৃষ্টি কৰা আধ্যাত্মিক শূন্যতাৰ কথা এলিয়টে তেওঁৰ 'Waste Land' বা ধৰ্মবিষয়ক কবিতা আৰু গীতি-নাট সমূহত প্ৰকাশ কৰিছে। প্ৰকৃত মানৱতাবাদী এজনৰ বাবে এনেকুৱা পৰিৱৰ্তন একো আশ্চৰ্যৰ বিষয় নহয়। যুদ্ধৰ সময়তে ৰাচেলে লণ্ডনৰ পথত অকলেই

প্লেকাৰ্ড হাতত লৈ যুদ্ধৰ বিৰুদ্ধে প্ৰতিবাদ জনালে। সেই বাবেই বোধহয় ভাৰতৰ মহাত্মা গান্ধী, অহিংসা নীতি বা ভাৰতীয় হিন্দু দৰ্শনৰ বাবে খুউব প্ৰিয় হৈ পৰিল। মহাত্মাগান্ধীৰ 'অহিংসা নীতি'ত আধ্যাত্মিকতাবাদ বাদ পৰি যোৱা নাই। সাধাৰণ মানুহৰ দৈনন্দিন জীৱনত এই আধ্যাত্মিক চিন্তাই নিশ্চয় পেটৰ ভোক নুগুচায় বা অত্যাচাৰী শাসক বা আইচিচ জাতীয় সন্ত্ৰাসবাদীৰ পৰা ৰক্ষা কৰিব নোৱাৰে। কিন্তু এয়া কাৰোবাৰ বাবে জীয়াই থকাৰ প্ৰেৰণা হিচাপে 'অনুপ্ৰেৰণা' বা শেষ আশ্ৰয়' হ'ব পাৰে। আইনষ্টাইনৰ দৰে যুগশ্ৰেষ্ঠ আৰু সৰ্বকালৰ এজন শ্ৰেষ্ঠ বিজ্ঞানীয়ে নহলেনো কিয় এই মানুহৰ দ্বিতীয় মহাযুদ্ধৰ ধ্বংসলীলাৰ নিদৰ্শনক আদিম মানুহৰ বৰ্বৰতাৰ লগত তুলনা কৰে? তেওঁ সাংবাদিকসকলৰ সৈতে হোৱা বাৰ্তালাপত অতি দুখেৰে জনালে— "I do not know by what weapons the third world war would be fought, but I know that they will use stick and stones" মানবিক শক্তিৰ অপ প্ৰয়োগত বিক্ষুব্ধ হৈ পৰিশেষত এই মানৱতাবাদী বিজ্ঞানী জনে শেষত দেখিলে যে মানুহে লাহে লাহে গহ্বৰত বাস কৰা আদিম মানুহৰ জীৱন যাত্ৰালৈ ওলোটা দিশে পশ্চাদ্‌গমন কৰিছে। এয়া মানৱতাৰ বাবে, বিজ্ঞানৰ বাবে আটাইতকৈ চৰম লাজৰ কথা। এনে ধৰণৰ সামাজিক পৰিবেশত ধ্বংসৰ সলনি তেনে হ'লে মানুহে আধ্যাত্মিক জীৱন কটাবলৈ ধৰ্মীয় জীৱন বাচি ললে দোষ ক'ত? আজি আধুনিক ৰাষ্ট্ৰব্যৱস্থা ইমান শক্তিশালী হৈ পৰিছে যে ক্ষমতা আৰু সম্পত্তি ৰক্ষাৰ বাবে পৃথিৱীৰ সকলো শোষকশ্ৰেণী আৰু শাসকশ্ৰেণী একতাবদ্ধ। আনহাতে ৰাষ্ট্ৰৰ শোষণ আৰু অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ গঢ়িবলৈ তোলা আন্দোলনবোৰক ৰাষ্ট্ৰযন্ত্ৰই নানা ধৰণৰ অত্যাচাৰ, প্ৰলোভন আৰু ষড়যন্ত্ৰৰে দীৰ্ঘস্থায়ী বা একতাৱদ্ধ সংগ্ৰাম হ'ব নিদিয়ে। এনেকুৱা প্ৰেক্ষাপটত এজন গৰীৱ মানুহে বা এজন প্ৰকৃত ধৰ্মপ্ৰাণ মানুহে ব্যক্তিগত শান্তিৰ বাবে, পৰিয়ালৰ শান্তিৰ বাবে বা সামগ্ৰিকভাৱে তেওঁ বাস কৰা একেবাৰে নিকট সমাজখনৰ শান্তি আৰু মঙ্গলৰ বাবে তেওঁ কি কৰিব? তেওঁ জীয়াই থকাৰ প্ৰেৰণা এই ধাম্‌খুমিয়াৰ মাজত ক'ত বিচাৰি পাব? তেতিয়াই বোধহয় আধ্যাত্মিক আশ্ৰয়ৰ কথাটোৰ প্ৰয়োজনীয়তা আহি পৰে— যিদৰে টি. এচ. এলিয়টৰ আধ্যাত্মিক জীৱনৰ প্ৰতি শ্ৰদ্ধা আৰু মৰম প্ৰয়োজনীয় হৈ পৰিল। মানুহৰ এটি মৌলিক অধিকাৰ হ'ল নিজৰ অধিকাৰেৰে আনক দিগদাৰী নকৰাকৈ মানুহ হিচাপে জীয়াই থকা। শংকৰদেৱৰ দিনত বহুতো মানুহে, ভক্তৰ ৰূপত নামঘৰত কীৰ্ত্তনৰ পদ শুনিয়েই সকলো দুখ পাহৰি আছিল। আমাৰ বহুতৰে ল'ৰালি কালত দেখা মনত পৰে গাঁওত বেমাৰ আজাৰ হ'লে যোগ্যজনৰ দ্বাৰা সন্ধিয়া কীৰ্ত্তনৰ পদ আওৰোৱা বা অন্যান্য ধৰ্মীয় পুথি পাঠ কৰি পীড়িতজনক আধ্যাত্মিক সকাহ (Spiritual relief) দিব পৰা পৰম্পৰা প্ৰচলন। কাৰোবাৰ ঘৰত মানুহ মৰি ঘৰৰ পৰিৱেশ গহীন হ'লে গাঁওৰ কোনোবা ভকত ব্যক্তিয়ে সন্ধিয়া সময়ত গহীন সুৰত কীৰ্তন পাঠ, ভাগৱত পাঠৰ দ্বাৰা শোকগ্ৰস্ত পৰিয়ালটোৰ দুখৰ পৰিৱেশ সলনি কৰি কিছু সকাহ দিবলৈ যত্ন কৰে। গাঁৱৰ সাধাৰণ মানুহে এনেকুৱা মঙ্গলময় ধৰ্মীয় কাৰ্যৰ দ্বাৰা লাভবান হ'ব পাৰে তাৰ প্ৰমাণ দেখাৰ ওলাব। কিতাপতো তাৰ শত-সহস্ৰ নিদৰ্শন আছে। এনেদৰে প্ৰাপ্ত আধ্যাত্মিক আনন্দ বা সকাহখিনিৰ মূল্য আমি একোৰে জুখিব নোৱাৰো। এয়া বজাৰত কিনিব নোৱাৰা বা আধুনিক ৰাষ্ট্ৰই দিব নোৱাৰা এক আপুৰুগীয়া আনন্দ। এই আনন্দৰ বাবে ধৰ্মপ্ৰাণ, সহজ সৰল মানুহে হেজাৰ দুখৰ মাজতো জীয়াই থকাৰ প্ৰেৰণা পায়। এইবোৰ কথাক যুক্তিৰে বিচাৰ কৰি লাভ নাই, কিয়নো এইটোৱে এজন ব্যক্তি বা এটি পৰিয়ালৰ আধ্যাত্মিক সংকটৰ অন্ধকাৰৰ মাজত অকণমান জ্যোতিৰ দৰে সাময়িকভাৱে হ'লেও জীয়াই থকাৰ শক্তি দিয়ে। ৱৰ্ডচৱৰ্থৰ দৰে ইংৰাজী সাহিত্যৰ শ্ৰেষ্ঠ ৰোমাণ্টিক কবিজনেও সেইবাবেই সমগ্ৰ মানৱ সমাজৰ কল্যাণ বিচাৰিছিল প্ৰকৃতিৰ পৰা। আধ্যাত্মিক গুৰু হিচাপে প্ৰকৃতিয়ে তেওঁক মানুহৰ সকলো সমস্যা সমাধান কৰি দিব পাৰে বুলি বিশ্বাস কৰিছিল। গাঁৱৰ বহুতো মানুহৰ ঘৰত এতিয়াও কোনো বয়োজেষ্ঠ্য ব্যক্তিৰ মহাপ্ৰয়াণৰ আগতে তেওঁক ধৰ্ম গ্ৰন্থ পাঠ কৰি শান্তিৰে বিদায় দিয়াৰ পৰম্পৰা এটি আছে। আধুনিকতাৰ ধামখুমিয়াত হয়তো সেইবোৰ লাহে লাহে নোহোৱা হ'ব। তেতিয়া মানুহে ক'ত বাৰু আশ্ৰয় ল'ব?




# গুৱাহাটী বিশ্ববিদ্যালয় ঃ স্বপ্নৰ ভটিয়নী

**ড° জগদীশ শৰ্মা**
সহকাৰী অধ্যাপক, সংস্কৃত বিভাগ

'বিদ্যয়া সাধয়েত'। বিদ্যাৰ জৰিয়তে প্ৰাপ্যতাৰ মন্ত্ৰ কঢ়িওৱা গুৱাহাটী বিশ্ববিদ্যালয় আজিও স্বপ্নাতুৰৰ আশাৰ দিগন্ত। ১৯১৭ ইং চনতে ৰিণিকি ৰিণিকি ভাঁহি অহা অসমত বিশ্ববিদ্যালয় স্থাপনৰ আশাবোৰে ১৯৪৮ চনৰ ২৬ জানুৱাৰীত গুৱাহাটীত দিঠকত পৰিণত হয়। পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ মূধচত থিয় হৈ অসমবাসীৰ আশাবোৰ পৰিপূৰ্ণ কৰাৰ দায়িত্ব গ্ৰহণ কৰিছিল। অসমত এখন বিশ্ববিদ্যালয় লাগে বুলি দাবী উত্থাপন হোৱাৰ সময়ত দেশভক্ত তৰুণ ৰাম ফুকনে এনেদৰে কৈছিল— 'আমি এটা বিশ্ববিদ্যালয় খুজিছিলো, যাতে আমাৰ ভাষা, সংস্কৃতি, আমাৰ আশা-আকাংক্ষা, অসমীয়াৰ প্ৰাকৃতিক সম্পদ আদিৰ উৎকৰ্ষ সাধন কৰিব পাৰো। ...অসমতে বিশ্ববিদ্যালয় এখন হ'লে আমি তাৰ মাজেদি নিজৰ সমস্যালৈ বিশেষকৈ সহজে চকু দিব পাৰিম আৰু অসমীয়া সংস্কৃতি আৰু অসমীয়াৰ আকাঙ্খাৰ অনুকূল এখন চিন্তাৰ শাল পাতি গোটেই জাতীয় জীৱনতে এটা নতুন উদ্যম, অনুপ্ৰেৰণাৰ চেষ্টা তুলিব পাৰি। আমাৰ উন্নতি তেতিয়া অনিবাৰ্য্য। বিশ্ববিদ্যালয়ৰ পৰা আমি চিন্তাশীল নেতা পাম, দেশত স্বাৰ্থৰ অনুকূল চিন্তাৰ অনুপ্ৰেৰণা পাম আৰু এই দুটাৰ অভাৱ গুচিলে অসমীয়া জাতি দোপত-দোপে আগবাঢ়িব।' [দ্ৰষ্টব্য ঃ কলিতা, হৰেন্দ্ৰ নাথ, 'গুৱাহাটী বিশবিদ্যালয়ৰ আদিকথা', পৃ. ২০]।

গুৱাহাটী বিশ্ববিদ্যালয়খন স্থাপনৰ প্ৰাক মুহূৰ্তত শ্ৰী শ্ৰী দক্ষিণপটীয়া সত্ৰাধিকাৰ প্ৰভুৱে কোৱা এটি কথা অতিশয় তাৎপৰ্যপূৰ্ণ। তেওঁ কৈছিল যে, 'অসমত এটি বিশ্ববিদ্যালয় নাই, এই কথা অসমৰ কলঙ্ক-স্বৰূপে থিয় দি আছে। এতিয়া এই কলঙ্ক লুপ্ত কৰিবৰ মানসে অসমীয়া ৰাইজ কাচি-পাৰি ওলোৱাত আমি আনন্দ পাইছো। দেশৰ বৰেণ্য লোকসকল

বিশ্ববিদ্যালয় আন্দোলনৰ কৰ্ণধাৰ স্বৰূপে আগবঢ়াত আশু বিদ্যালয় এটি স্থাপিত হ'ব বুলি আমাৰ অন্তৰত আশাৰ সঞ্চাৰ হৈছে। ভাবী গুৱাহাটী বিশ্ববিদ্যালয়টি কাশী-বিশ্ববিদ্যালয় বা ৰবীন্দ্ৰ নাথৰ বিশ্বভাৰতীৰ দৰে আশ্ৰমৰ গঢ়ৰ হ'ব লগা পৰিকল্পনাটি সচাঁকৈয়ে মনোৰম হৈছে।' [দ্ৰষ্টব্য ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৫১]

অসমবাসীৰ আশা-আকাঙ্খা বুকুত বান্ধি লৈ গুৱাহাটী বিশ্ববিদ্যালয়ে আজি ছয়টা দশক অতিক্ৰম কৰিলে। ১৯৪৯ চনত আঠোটা স্নাতকোত্তৰ বিভাগ আৰম্ভ কৰা বিশ্ববিদ্যালয়খনত আজি ৪১টা বিভাগত স্নাতকোত্তৰ পাঠদান চলি আছে। ৩০০ তকৈও অধিক মহাবিদ্যালয় এই বিশ্ববিদ্যালয়ৰ অধীন হৈ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাদানত ৰত হৈ আছে। সাতোটা সংকায়ত বিভক্ত হৈ থকা বিশ্ববিদ্যালয়খন দেশৰ ভিতৰত এখন লেখত ল'বলগীয়া বিশ্ববিদ্যালয়লৈ উন্নত হৈছে। অসমবাসীৰ আশা-আকাংক্ষা কিছু পৰিমাণে হ'লেও বিশ্ববিদ্যালয়খনে পূৰণ কৰিব পাৰিছে বুলি দাবী কৰিব পাৰি।

দেশত উচ্চ শিক্ষাৰ হাৰ বৃদ্ধি হোৱাৰ লগে লগে বিগত সময়ছোৱাত অসমতো বিশ্ববিদ্যালয়ৰ সংখ্যা বৃদ্ধি হৈছে। ই এটা স্বাভাৱিক প্ৰক্ৰিয়া। যোৱা কেইটামান দশকত অসমত স্থাপিত হোৱা বিশ্ববিদ্যালয়ৰ সংখ্যা কুৰিতকৈও অধিক তথা ই তিনিখলপীয়াকৈ স্থাপিত হৈছে। কিছুমান বিশ্ববিদ্যালয় ৰাজ্যিক চৰকাৰৰ দ্বাৰা প্ৰত্যক্ষভাৱে স্থাপিত, কেইখনমান কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা লোকসভাত অনুমোদিত হৈ স্থাপিত হোৱা, আনহাতে, আন কিছুমান বিশ্ববিদ্যালয় ব্যক্তিগত ভাৱে অথবা কেনো এটা সংস্থাৰ দ্বাৰা অনুমোদিত হৈ স্থাপিত হৈছে।

বৰ্তমানে অসমত ৰাজ্যিক চৰকাৰৰ দ্বাৰা প্ৰত্যক্ষভাৱে প্ৰতিষ্ঠাপিত ৰাজ্যিক বিশ্ববিদ্যালয় সমূহ হৈছে— ১। গুৱাহাটী বিশ্ববিদ্যালয়, ২। ডিব্ৰুগড় বিশ্ববিদ্যালয়, ৩। অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট, ৪। বডোলেণ্ড বিশ্ববিদ্যালয়, কোক্ৰাঝাৰ, ৫। কৃষ্ণকান্তসন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, গুৱাহাটী, ৬। কুমাৰভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী, ৭। শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয় ; ৮। অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয়, গুৱাহাটী ; ৯। অসম মহিলা বিশ্ববিদ্যালয়, যোৰহাট ; ১০। অসম ৰাজীৱ গান্ধী সমবায় বিশ্ববিদ্যালয়, শিৱসাগৰ ; ১১। কটন কলেজ ৰাজ্যিক বিশ্ববিদ্যালয়, গুৱাহাটী ; ১২। ৰাষ্ট্ৰীয় বিধিবিদ্যা তথা ন্যায়িক বিশ্ববিদ্যালয়। কেন্দ্ৰীয় ভাৱে স্থাপিত অসমৰ দুখন বিশ্ববিদ্যালয় হৈছে— ১। তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু ২। অসম বিশ্ববিদ্যালয়, শিলচৰ। আনহাতে, ব্যক্তিগত পৰ্যায়ত অথবা কোনো সংস্থাৰ দ্বাৰা প্ৰতিষ্ঠাপিত বৰ্তমান অসমৰ বিশ্ববিদ্যালয় কেইখন হৈছে— ১। অসম ডাউন-টাউন বিশ্ববিদ্যালয় ; ২। কাজিৰঙা বিশ্ববিদ্যালয় ; ৩। ডনবস্কু বিশ্ববিদ্যালয় ; ৪। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও ; ৫। ৰ'য়েল গ্লোৱেল বিশ্ববিদ্যালয়। ইয়াৰোপৰি অসমত স্থাপন হ'বলগীয়া অসম চৰকাৰৰ দ্বাৰা প্ৰস্তাৱিত নতুন বিশ্ববিদ্যালয় কেইখন হৈছে— ১। ভট্টদেৱ বিশ্ববিদ্যালয়, পাঠশালা ; ২। মাধৱদেৱ বিশ্ববিদ্যালয়, উত্তৰ লক্ষীমপুৰ ; ৩। ৰবীন্দ্ৰনাথ বিশ্ববিদ্যালয়, হোজাই ; ৪। কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়, সৰ্থেবাৰী ; ৫। সাংস্কৃতিক বিশ্ববিদ্যালয়, মাজুলী।

সময় ৰৈ নাথাকে। সময়ৰ গতিৰ লগত অসমত আৰু ভালেমান বিশ্ববিদ্যালয় স্থাপন হ'ব। নতুন বিশ্ববিদ্যালয় আগমনৰ লগে লগে পুৰণি বিশ্ববিদ্যালয়সমূহ প্ৰত্যাহ্বানৰ সন্মুখীন হৈ থাকিব। অসমৰ আটাইতকৈ পুৰণি বিশ্ববিদ্যালয় গুৱাহাটী বিশ্ববিদ্যালয় প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে। অসমবাসীৰ আৱেগ-অনুভূতি জড়িত হৈ থকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমস্যাসমূহৰ সমাধানৰ বাবে চিন্তা-চৰ্চা কৰাৰ দায়িত্ব সপোন দেখা অসমবাসীয়ে ল'ব লাগিব। সমস্যা তথা প্ৰত্যাহ্বানসমূহ সমাধান কৰাত অসমবাসীয়ে দিহা-পৰামৰ্শ আগবঢ়াব লাগিব।

গুৱাহাটী বিশ্ববিদ্যালয়ে সন্মুখীন হোৱা কেইটামান প্ৰত্যাহ্বানৰ ভিতৰত। দুটা প্ৰধান প্ৰত্যাহ্বান হৈছে পাঠ্যক্ৰম আৰু পুঁজি। আনকেইখন বিশ্ববিদ্যালয়ৰ লগত ফেৰমাৰি আগবাঢ়িবলৈ হ'লে ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিব পৰাকৈ বাহাল থকা পাঠ্যক্ৰমৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ে অন্যান্য পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰিব লাগিব। নিযুক্তিৰ সম্ভাৱনা থকা নতুন নতুন পাঠ্যক্ৰম খুলি ছাত্ৰ-ছাত্ৰীক

আকৰ্ষণ কৰিব লাগিব। ইতিমধ্যে প্ৰচলিত পাঠ্যক্ৰম সমূহতো নতুন নতুন ধাৰা অন্তৰ্ভুক্ত কৰিলে ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। গুৱাহাটী বিশ্ববিদ্যালয়ে 'Centre for vocational studies' হিচাপে এটা সংস্থা নিৰ্মাণ কৰি হ্ৰস্বম্যাদী তথা দীৰ্ঘম্যাদী নিয়ুক্তোপযোগী পাঠ্যক্ৰম খোলাৰ ব্যৱস্থা কৰিব পাৰে। ইয়াত skill development ৰ বিষয়সমূহো অন্তৰ্ভুক্ত হ'ব।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰম্ভণিতে উত্তৰ-পূৰ্বাঞ্চলবাসীৰ এটি সপোন আছিল যে বিশ্ববিদ্যালয়খনে উত্তৰ-পূৰ্বাঞ্চলৰ ভাষা-কলা-সংস্কৃতি তথা জাতি-জনগোষ্ঠীৰ নৃতাত্ত্বিক বিষয়ৰ অধ্যয়নৰ ব্যৱস্থা কৰি এই আটাইবোৰে বিষয়ক আগবঢ়াই নিব। গতিকে, এই সপোনবোৰ আগবঢ়াই নিবলৈ এটা ৰাষ্ট্ৰীয় অথবা আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষণা প্ৰতিষ্ঠান গুৱাহাটী বিশ্ববিদ্যালয়ে খুলিব পাৰে। এই প্ৰতিষ্ঠানটোত এটা সংগ্ৰহালয়ৰ ব্যৱস্থা থাকিলে দেশী-বিদেশী ছাত্ৰ-ছাত্ৰী আকৰ্ষিত হোৱাৰ লগতে বিশ্ববিদ্যালয়ৰ পুঁজিও টনকীয়াল হ'ব আৰু উত্তৰ-পূৰ্বাঞ্চলবাসীৰ আশাও কিছু পৰিমাণে পৰিপূৰ্ণ হ'ব।

অসমত বিশ্ববিদ্যালয়ৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে অসম চৰকাৰৰ দ্বাৰা পুঁজি আবণ্টনৰ ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়খনে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে অথবা হ'ব লাগিব। বিশ্ববিদ্যালয়খনে পুঁজিৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীল হ'বলৈ চেষ্টা কৰা উচিত। সময়ৰ আহ্বানত হয়তো বিশ্ববিদ্যালয়সমূহ আত্মনিৰ্ভৰশীল হ'বলৈ বাধ্য হৈ পৰিব। এই ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ে নিজৰ সম্পদসমূহৰ সঠিক প্ৰয়োগৰ দ্বাৰা স্বনিৰ্ভৰশীল হ'বলৈ আঁচনি যুগুত কৰা উচিত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগটো অতি উচ্চ মানদণ্ডৰ প্ৰতিষ্ঠান। অসমতে এই প্ৰকাশন বিভাগটোৱে স্নাতক তথা স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰয়োজনীয় পাঠ্যপুথি প্ৰস্তুত কৰি বিক্ৰীৰ ব্যৱস্থা কৰিছিল। এতিয়াও সমস্ত পাঠ্যপুথি পৰ্য্যায়ক্ৰমে প্ৰকাশন বিভাগে প্ৰস্তুত কৰিলে বিশ্ববিদ্যালয় পুঁজি কিছু পৰিমাণে বৃদ্ধি হ'ব। অন্যান্য আপুৰুগীয়া পুথি সমূহো এই প্ৰকাশন বিভাগে প্ৰকাশ কৰি বিক্ৰীৰ ব্যৱস্থা কৰিব পাৰে। বিশ্ববিদ্যালয়ৰ চৌহদত এটা গ্ৰন্থ বিপনীৰ দৰকাৰ। বিশ্ববিদ্যালয়ৰ ছপাশালটো, এটা উন্নতমানৰ ছপাশাল। এই ছপাশালটো অন্যান্য বাণিজ্যিক কামত ব্যৱহাৰ কৰাৰ সুযোগ আছে। বিশ্ববিদ্যালয় আশে-পাশে (বিশেষকৈ কাটিয়া দলঙৰ কাষত) এটা আন্তঃৰাষ্ট্ৰীয় স্তৰৰ প্ৰেক্ষাগৃহ নিৰ্মাণ কৰিলে বাণিজ্যিক ভাৱে বিশ্ববিদ্যালয়খনে সুফল লাভ কৰিব পাৰে। আনহাতে বিশ্ববিদ্যালয়ৰ গছ-গছনি বৃদ্ধি কৰি পৰিৱেশ সন্তুলন কৰি ৰখাৰ লগতে এই গছবোৰ বিক্ৰীৰ জৰিয়তেও পুঁজি সংগ্ৰহৰ ব্যৱস্থা কৰিব পাৰি। পুখুৰী সমূহত সুন্দৰকৈ খন্দাই লৈ মৎস্য পালনৰ জৰিয়তেও আৰ্থিক ভাৱে বিশ্ববিদ্যালয়খনে লাভান্বিত হ'ব পাৰে। এই ক্ষেত্ৰত কিছুমান পৰিকল্পনা কৰাৰ কথা গুৱাহাটী বিশ্ববিদ্যালয়খনে চিন্তা কৰিব পাৰে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত অসমবাসীৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলবাসীৰ এটি আবেগ জড়িত হৈ আছে। এই আৱেগক মূলধন হিচাপে লৈ গুৱাহাটী বিশ্ববিদ্যালয়ে আগুৱাই যাওক সপোন দেখাৰ দৰে।

* * * *

# স্যমন্ত হৰণ

**নৰেন্দ্ৰ নাথ দত্ত**
অৱসৰপ্ৰাপ্ত প্ৰৱন্ধক, গুৱাহাটী ইউনিভাৰ্ছিটি প্ৰেছ

ব্যাসদেৱ বিৰচিত শ্ৰীমদ্‌ভাগৱতৰ 'স্যমন্ত হৰণ' নামৰ এটি আখ্যানৰ পৰা এক শৰণ নাম ধৰ্মৰ প্ৰৱৰ্তনৰ অৰ্থে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে মাত্ৰ ৯টি অধ্যায়ৰ এটি সংক্ষিপ্ত বিৱৰণ কীৰ্ত্তন পুথিত সমাৱেশ কৰিছে। থূল-মূলকৈ কেসেই কাহিনীটো হৈছে মথুৰাৰ ৰাজ উগ্ৰসেনৰ সময়ত সত্ৰাজিত নামৰ এজন সূৰ্য ভক্ত আছিল। তেঁৰ ভক্তিত সন্তুষ্ট হৈ এটি মণি উপহাৰ হিচাপে দিছিল। সেই মনিটি মূৰত লৈ তেওঁ ঘৰলৈ আহোতে অন্য মানুহবিলাকে দেখি আচৰিত হৈ চিঞৰ বাখৰ কৰিবলৈ ধৰিলে যে সত্ৰাজিতে সূৰ্যটো মূৰত লৈ ঘৰলৈ আহিছে আৰু সূৰ্যৰ পোহৰত গোটেইখন উজ্জ্বল হৈ পৰিছে।

সেইখিনি সময়ত শ্ৰীকৃষ্ণই এখন সভাঘৰত পাশা খেলি আছিল। মানুহবিলাকৰ মুখত যেতিয়াই এই কথাটো শুনিলে তেতিয়াই কৃষ্ণই ক'লে যে সত্ৰাজিতে সূৰ্যটো মূৰত লৈ অহা নাই। সূৰ্যই দিয়া মণি এটাহে লৈ আহিছে আৰু এই বিষয়ে একো চিন্তা কৰিব নেলাগে যিহেতু সেই মণিটোৰ দ্বাৰা একো অঘটন নঘটে বা অপকাৰ নহয়।

ইতিমধ্যে সত্ৰাজিতে মণিটো আনি গোঁসাই ঘৰৰ থাপনাত থৈ দিবৰ কাৰণে বিপ্ৰৰ হাতত দিলে। মণিটো কিন্তু সাধাৰণ মণি নহয় ; সেইটোক পূজা-অৰ্চনা কৰি পৱিত্ৰ ভাৱে ৰাখিলে তাৰ পৰা দৈনিক আঠভাৰকৈ সোণ পাব পাৰি। তাৰোপৰি যি ঠাইত সেইমণিটো থাকে তাত দুৰ্ভীক্ষ, মহামাৰি, ব্যাধি আদি নহয় আৰু হিংসুক জীৱ বাঘ সিংহ, সৰ্প দংশন আদিৰ পৰা হ'ব পৰা একো ভয় নেথাকে। এই নিয়মেৰেই সত্ৰাজিতে পূজা অৰ্চনা কৰি মণিটো ৰাখিবলৈ ল'লে।

এদিন কৃষ্ণই সত্ৰাজিতক মণিটো খোজাত সত্ৰাজিতে অহঙ্কাৰ কৰি নিদিও বুলি ক'লে। সত্ৰাজিতৰ প্ৰসেন নামে এজন ভায়েক আছিল। এদিন ঘোঁৰাত উঠি ডিঙিত মণিটো পিন্ধি লৈ মৃগয়া কৰিবলৈ গ'ল আৰু বহুত জীৱ জন্তু হত্যা কৰিলে, সিংহ এটাই এই কাৰ্যটো কৰা দেখি ঘোঁৰাটোৰ সৈতে প্ৰসেনক মাৰি মণিটো কণ্ঠৰ পৰা চিঙি লৈ পৰ্বতৰ শিখৰত উঠিলগৈ। সেই পৰ্বতৰ শিখৰত জাম্বৱন্তই সিংহটোৰ মুখত উজ্জ্বল মণিটো দেখা পাই তৎক্ষণাত অনায়াসে তাক মাৰি মণিটো ল'ৰা-ছোৱালীয়ে খেলিবৰ কাৰণে তেওঁ থকা গুহালৈ লৈ গৈ ধাই এজনীৰ হাতত দিলেগৈ।

ইতিমধ্যে সত্ৰাজিতে তেওঁৰ ভায়েক মৃগয়াৰ পৰা কেইবাদিন ধৰি ঘূৰি নহাৰ কাৰণে কৃষ্ণকেই সন্দেহ কৰিলে যে যিহেতু কৃষ্ণই খোজাত মোৰ পৰা মণিটো নাপালে মোৰ ভাইক অকলশৰীয়াকৈ নিৰ্জানত পাই তেওঁকে বধ কৰিলে। কৃষ্ণক শুনাই এই কথাটো কোনেও নকয় কিন্তু কনা-কণি কৰি সকলোৰে মাজত ভিতৰুৱাকৈ জনাজাত হ'ল। এই অপযশটোৰ বিষয়ে জানিব পাৰি তাক গুচাবৰ কাৰণে কৃষ্ণই কিছু সংখ্যক নগৰীয়া সেনা লগত লৈ বিজন বনত প্ৰসেনক অনুসন্ধান কৰিবলৈ ধৰিলে। প্ৰথমতে গৈ দেখিলে যে সিংহই প্ৰসেনক মাৰি মণিটো লৈ গৈছে। তেতিয়াহে লগত নিয়া মানহবোৰে বুজিব পাৰিলে যে কৃষ্ণই মিছাতেহে অপযশৰ বলী হৈছে। কৃষ্ণই তাৰ পাছত সিংহটোৰ খোজ অনুসৰণ কৰি কৰি পৰ্বতৰ টিঙত গৈ মৃত অৱস্থাত দেখা পালেগৈ। কৃষ্ণই তেতিয়া সন্দেহ কৰিলে যে কোনোবা দুৰ্জন ভালুকেহে সিংহটোক মাৰি মণিটো লৈ গৈছে আৰু ভালুকৰ খোজ অনুসৰণ কৰি গৈ থাকি এটা গুহাৰ মুখত উপস্থিত হ'লগৈ। গুহাটোৰ ভিতৰখন একেবাৰে ঘোৰ

অন্ধকাৰে আৱৰি আছিল। তেতিয়া লগত লৈ যোৱা সেনাবিলাকক গুহাৰ মখতে থৈ অকলশৰে গাঁতৰ ভিতৰত প্ৰৱেশ কৰিলেগৈ। তাত দেখা পালেগৈ যে মণিটো ল'ৰা-ছোৱালীক খেলিবলৈ দিবৰ কাৰণে ধাই এজনীৰ হাতত কোনোবাই দি দিছে। মণিটো অনাৰ উদ্দেশ্যে ধাইজনীৰ ওচৰ চপাত তাই ডাঙৰকৈ চিঞৰ বাখৰ কৰিবলৈ ধৰিলে। জাম্বৱন্তই চিঞৰ বাখৰ শুনি ওচৰলৈ গৈ দেখিলে যে সামান্য মানুহ এটাই মণিটো নিবলৈ চেষ্টা কৰিছে। জাম্বৱন্তই একো কথা ভবা চিন্তা নকৰাকৈ কৃষ্ণক আক্ৰমণ কৰিলে। এই যুদ্ধ ২৮ দিন ধৰি চলিল আৰু শেষত জাম্বৱন্ত পৰাস্ত হ'ল। জাম্বৱন্ত এটা যুগত ৰামৰ লগত এজন বীৰ হিচাপে ৰাৱণৰ বিৰুদ্ধে যুদ্ধত যোগদান কৰিছিল। সীতা উদ্ধাৰৰ পাছত জাম্বৱন্তই এই গুহাটোতে বাস কৰিবলৈ ধৰিলে। জাম্বৱন্তই কৃষ্ণক প্ৰথমতে সামান্য মানুহ বুলি ভাবিছিল যদিও কৃষ্ণৰ প্ৰহাৰত তিষ্ঠিব নোৱাৰি প্ৰাণলৈ সংশয় আহিল তেতিয়াহে উপলব্ধি কৰিলে যে এওঁ সাধাৰণ মানুহ নহয় ; এওঁ নিশ্চয় ৰাম চন্দ্ৰই হ'ব লাগিব ; নহ'লে মোক পৰাস্ত কৰিব পৰা মানুহ কোনো নাই। সেয়েহে জাম্বৱন্তই কৈছিল যে 'আগে নিচিনিলো এৱেগে জানিলো তেন্তে তুমি শ্ৰীৰাম, অজ্ঞানীক মোক প্ৰভূ ক্ষমিয়োক চৰণে কৰো প্ৰণাম।' দ্বাপৰ যুগত যে শ্ৰীৰামেই কৃষ্ণ হ'লহি সেইটোও বুজিব পৰা নাছিল। সি যি কি নহওঁক কৃষ্ণই তেওঁক ক্ষমা কৰিলে আৰু নিজ হস্তেৰে প্ৰতিপাল কৰি জাম্বৱন্তক সুস্থ কৰি তুলিলে।

তাৰ পাছত জাম্বৱন্তই অতি আনন্দেৰে নিজৰ জীয়েক জাম্বৱতীক প্ৰদান কৰি যৌতুক হিচাপে স্যমন্ত মণিটো কৃষ্ণক অৰ্পণ কৰিলে। জাম্বৱন্তৰ এই কাৰ্যত কৃষ্ণ সন্তোষিত হ'ল; আৰু এজন পৰম ভক্তই কৃতজ্ঞতা হিচাপে দিয়া দানটি গ্ৰহণ কৰি মথুৰালৈ ঘূৰি আহিল। তাৰ পাছত কৃষ্ণই সত্ৰাজিতক মণিটো ঘূৰাই দিলেহি। এই কাৰ্যত সত্ৰাজিতে সকলো কথা জানি মিছাতে কৃষ্ণক কলংক দিলো বুলি আক্ষেপ কৰিবলৈ ধৰিলে। শেষত জাম্বৱন্তৰ দৰেই সত্যভামা নামৰ তেওঁৰ জীয়েকজনীক কৃষ্ণলৈ বিয়া দি লগত স্যমন্ত মণিটি যৌতুক হিচাপে কৃষ্ণক প্ৰদান কৰিলে। সত্যভামাও ৰূপে গুণে এজনী সুন্দৰী ছোৱালী আছিল। আন বহুতো মানুহে সত্যভামাক বিয়া কৰাৰ প্ৰস্তাৱ দিছিল কিন্তু সত্ৰাজিতে আন মানুহলৈ বিয়া নিদি কৃষ্ণকহে প্ৰদান কৰিলে। কৃষ্ণই সত্যভামাক নিজৰ স্ত্ৰী হিচাপে গ্ৰহণ কৰিলে কিন্তু স্যমন্ত মণিটো সত্ৰাজিতক ৰাখিবলৈ দিলে। কৃষ্ণই ক'লে যে সত্ৰাজিত তুমি অপুত্ৰক গতিকে মণিটো তোমাৰ মূৰতে থাকিলেও মোৰ হাতত থকাৰ দৰেই হ'ব।

ইতিমধ্যে কৃষ্ণই দুয়োজনী কন্যাক লৈ দ্বাৰকালৈ গমন কৰিলে। সত্ৰাজিতৰ হাতত মণিটো থকাৰ গম পাই শতধনু নামৰ ৰজা এজনে সত্ৰাজিতক বধ কৰি স্যমন্ত মণিটো লৈ গ'ল। কৃষ্ণই এই খবৰটো পাই অতি সোনকালে আহি শতধনূক বধ কৰি মণিটো উদ্ধাৰ কৰিলে। কৃষ্ণই কিন্তু মণিটো নিজে নাৰাখি তেওঁৰ পৰম ভক্ত অক্ৰূৰক দিলে। অক্ৰূৰ কৃষ্ণৰ এজন খুড়াক আছিল। কৃষ্ণই ক'লে যে মণিটো যি ভাৱে পৱিত্ৰ হিচাপে ৰাখিব লাগিব সেই ভাৱে ৰাখিবলৈ মই নিজেও অপৰাগ; গতিকে মণিটি পূজা অৰ্চনা কৰি তোমাৰ লগতে ৰাখা আৰু অক্ৰুৰেও মণিটি গ্ৰহণ কৰিলে এয়েই ভাগৱত পুৰাণৰ পৰা সংগ্ৰহ কৰা স্যমন্ত হৰণৰ আখ্যান।

কীৰ্ত্তন পুথিৰ এই আখ্যানটি সকলোৰে সমাদৃত; কিয়নো এই মণিটিৰ সংস্পৰ্শত শিলো সোণ হৈ পৰে বা নীতি-নিয়ম মতে পূজা অৰ্চনা কৰি ৰাখিলে দৈনিক অষ্ট ভাৰ সোণ পাব পাৰি; জৰাব্যাধি একো উপসৰ্গ নহয়। ক্ৰুৰ জীৱ জন্তুৱেও আক্ৰমণ কৰিব নোৱাৰে ইত্যাদি। সাধাৰণ ভকতসকলৰ কাৰণে ই অতি হৰ্ষদায়ক কাহিনী। কিন্তু আধ্যাত্মিক ক্ষেত্ৰত ইয়াৰ অন্তৰালত কি সোমাই আছে তাক উদ্‌ঘাটন কৰাটোহে মূল কথা।

এই ক্ষেত্ৰত আমি আমাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ আদি মহাবৈষ্ণৱসকলৰ মহাপুৰোষিতা এক শৰণ নাম ধৰ্ম প্ৰৱৰ্তনৰ সময়লৈ উভতি যাব লাগিব। যিটো সময়ত এই নাম ধৰ্ম প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিছিল সেই সময়ত ব্ৰাহ্মন্য ধৰ্মই প্ৰাধান্য লাভ কৰিছিল আৰু বেদৰ নীতি-নিয়মৰে পুৰোহিতালি কৰি নিম্নশ্ৰেণীৰ লোকবিলাকক ধৰ্মৰ নামত আধিপত্য লাভ কৰি একপ্ৰকাৰে শোষণ কৰি আছিল। তাৰোপৰি এই গোটেই উত্তৰ পূৰ্ব ভাৰতখনত নানা দেৱ দেৱী আদিৰ পূজা পাতলো চলি আছিল। এই পূৰ্বৰে পৰা চলি থকা ধৰ্মীয় প্ৰথাবিলাকৰ বিৰুদ্ধে একশৰণ

নামধৰ্ম প্ৰচাৰ কৰাটো এক ৰকম অসম্ভৱেই হৈ পৰিছিল। তাৰ মাজেদিয়েই শংকৰ-মাধৱ আদি বৈষ্ণৱ ধৰ্মৰ হোতাসকলে বহু দুখ দুৰ্দশা আৰু ত্যাগৰ বিনিময়ত এই ভাগৱতী ধৰ্মটো প্ৰচাৰ কৰিছিল। দুয়োজনা গুৰুৰ মহিমামণ্ডিত নিজা ব্যক্তিত্ব কবিত্ব গুণৰ বাবে বহুবোৰ পুথি প্ৰণয়ন কৰি কেৱল নাম ধৰ্মৰ প্ৰচাৰৰ হকেই নিজৰ যথা সৰ্বোস্ব বিসৰ্জনো দিছিল। কিন্তু এই সাহিত্য, সংগীত, নাটক, গীত, পদ আদিৰ দ্বাৰা শিক্ষিত শ্ৰেণীৰ উচ্চ হিন্দু আৰু ব্ৰাহ্মণ সকলৰো সহযোগিতাৰে এই নাম ধৰ্ম প্ৰচাৰত সফলতা লাভ কৰিব পাৰিলে। উদাহৰণ স্বৰূপে ভাগৱত শাস্ত্ৰখনৰ গুৰুজনাই মাত্ৰ ৬টামান খণ্ডহে নিজে তৰ্জমা কৰিছিল। বাকী থকা ৬টা খণ্ড বিশিষ্ট ব্ৰাহ্মণ পণ্ডিত সকলৰ দ্বাৰাই কৰোৱাইছিল। কীৰ্ত্তন খনতো অনন্ত কন্দলি আদি ব্ৰাহ্মণ পণ্ডিতকো স্থান দিছিল। উদাহৰণ স্বৰূপে ভাস্কৰ গুৰুৰ কথাই উল্লেখ কৰিব পাৰি। ভাস্কৰ গুৰুৱে এবাৰ শংকৰদেৱৰ লগত এক শৰণীয় নাম ধৰ্মৰ বিষয়লৈ আলোচনা কৰিবলৈ আহি শংকৰদেৱৰ লগত আলোচনা কৰি শংকৰদেৱৰ পাণ্ডিত্যত সন্তোষিত হৈ দক্ষিণ ভাৰতৰ তীৰ্থক্ষেত্ৰ ভ্ৰমণ কৰিবলৈ বুলি ওলাই যাওঁতে বাটত এখন নদীত নাৰায়ণ দাস ঠাকুৰ আতাই ককাললৈকে পানীত নামি সূৰ্য উপাসনা কৰি থকা অৱস্থাতে লগ পালেগৈ। ভাস্কৰ গুৰুৱে তেতিয়া পানীলৈ নামি গৈ পাৰৰ বালি বিলাকলৈ পানী ছতিয়াবলৈ ধৰিলে। নাৰায়ণ দাসে দেখি শুধিলে কিয় বালি বিলাকলৈ পানী ছটিয়াই আছে। গুৰুৱে ক'লে ঘৰত বাৰীৰ ভিতৰ দুটা কল পুলি ৰুই থৈ আহিছো তাললৈকে পানী মাৰিছো। বোলে আপোনাৰ ঘৰ ইয়াৰ পৰা ইমান দূৰত কেনেকৈ কল পুলিয়ে পানী পাব ? বোলে ইয়াৰ পৰা সূৰ্যটো লক্ষ মাইল দূৰত আছে তোমাৰ পানী কেইচুল কেনেকৈ সূৰ্যই লাভ কৰিব ? সূৰ্য দেৱতাক এইদৰে পূজা কৰিব নালাগে দিয়া; পূৱ দিশে শংকৰ নামেৰে এটি নতুন সূৰ্য উদয় হৈছে তেওঁক পূজা কৰাগৈ। তোমাৰ এইবোৰ কাম নহয়, আমাৰ ব্ৰাহ্মণসকলৰহে 'জাপ্ৰাই বুৰ তাপ্ৰাই গ্ৰাহ'। তোমালোকৰ শূদ্ৰসকলৰ এইবোৰ কিতাপ জপ আছে। 'কলি যুগত পাতকীৰ কৰ্ম আএছ শুনি মৰি ঘিনে, কলিকালে হৰি নাম বিনে।' ভাস্কৰ গুৰুৰ নিচিনা ব্ৰাহ্মণেও শংকৰদেৱৰ নাম ধৰ্ম প্ৰশংসা কৰি তেওঁত শৰণ ল'বৰ কাৰণে উপদেশ দিলে।

এই স্যমন্ত মণিটো আচলতে কি বস্তু বুজাটো টান; তথাপিও শ্যান বৰণ এই মণিটিৰ উজ্জ্বলতাখিনি আমাৰ ঈশ্বৰৰ প্ৰতি থকা নিভাঁজ কোনো ফল বাঞ্চা নকৰাকৈ কৰা ভক্তি বুলি ক'ব পাৰি। ভক্তি বহু প্ৰকাৰৰ আছে, তাৰ ভিতৰত নিষ্কাম ভক্তিয়েই শ্ৰেষ্ঠ ভক্তি। আধুনিক বৈজ্ঞানিক ভাৱেৰে বিচাৰ নকৰি এক সক্ৰিয় চেতনা শক্তিটোকে ঈশ্বৰ বুলি ধৰি ভক্তি কৰিব লাগে। স্বামী বিবেকানন্দই এই সক্ৰিয় শক্তিটোক Electro-magnetic mons বুলি অভিহিত কৰিছে য'ৰ পৰা ৰূপ, ৰস, গন্ধ, স্পৰ্শ হিচাপে পৃথিৱীলৈ আহে আৰু আকৰ্ষণ, বিকৰ্ষণ, মধ্যকৰ্ষণ আদি শক্তিৰ দ্বাৰ বিশ্ব ব্ৰাহ্মণ্ডখনৰ সৃষ্টি কৰিছে। প্ৰকৃতিত সৃষ্টি হোৱা জড় আৰু চৈতন্য পদাৰ্থ বিলাক শ্ৰজন কৰিছে। আমাৰ দেহবোৰৰ ভিতৰতো চেতনা, অনুভূতি আৰু কুণ্ডলি চক্ৰ হৃতপিণ্ড শিৰা-উপশিৰা আদিৰ শক্ৰিয়তা আনি দিছে। এই মণিটি হ'ল জগত পৰিত্ৰকাৰী সাক্ষাতে অমৃতৰ নিচিনা এটি বক্তিৰ প্ৰদীপৰ প্ৰতীক মাত্ৰ। যাৰ পৰা অজ্ঞানতা দূৰ হয় আন্ধাৰ আঁতৰি পোহৰৰ সমাৰেশ ঘটে আৰু যিজন ভক্তৰ এই জ্ঞানৰ সমাৰেশ ঘটে এক উজ্জ্বলতাই স্পৰ্শ কৰে। সূৰ্য দেৱতাৰ পৰা হ'লেও সত্ৰাজিতেএই জ্ঞানটি লাভ কৰিছিল। আন প্ৰকাৰে এই প্ৰতীক মণিটিক চিন্তামণি বুলিও ক'ব পাৰি; এই মণিটিৰ দ্বাৰা যি বস্তু বিচৰা যায় সেই বস্তুকেই লাভ কৰিব পাৰি। সভক্তিৰে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিলে ভক্তি তত্ত্ব আয়ত্ব কৰি ঈশ্বৰৰ সান্নিধ্য লাভ কৰিব পাৰি। আনহাতে জাগতিক সুখ-শান্তি, ধন-সম্পদ, ঐশ্বৰ্য-বিভূতি আদিও লাভ কৰিব পাৰি। সত্ৰাজিত জাগতিক সুখ-শান্তিহে কামনা কৰিছিল ; সূৰ্য দেৱতাক প্ৰধান্য দি কৃষ্ণক সাধাৰণ মানুহ বুলিহে ধাৰণা কৰিছিল। সত্ৰাজিতে ব্ৰহ্মৰূপে কৃষ্ণক চিনি পোৱা নাছিল আৰু এই পৰম ব্ৰহ্মৰ দ্বাৰাই হে মহা বিশ্ব, চৌধ্য ভূৱন, দেৱ-দেৱী-মানৱ আদিৰ শ্ৰজন কৰোতা আছিল সেইটো বুজিব পৰা নাছিল।

শংকৰ দেৱৰ এক শৰণ নামধৰ্ম প্ৰচাৰৰ অৰ্থে এই স্যমন্ত মণিৰ আখ্যানটিৰ যোগেদি চন্দ্ৰ-সূৰ্য, ব্ৰহ্মা আদি দেৱতা বিলাক যে কৃষ্ণৰ দ্বাৰাহে পৰিচালিত হৈ আছিল

তাকে বুজাবৰ কাৰণে অৱতৰণ কৰিছে. ইয়াত কৃষ্ণৰ মহিমা ভালদৰে প্ৰতফিলিত হৈছে. সেয়েহে শংকৰদেৱে কীৰ্ত্তন পুথিৰ কেইবা ঠাইতো ভকতিৰ ওপৰত প্ৰধান্য দিছে। ভাগৱততো কৈছে—

"কৃষ্ণৰ চৰিত্ৰ  পৰম অমৃত
যাত পৰে নাহি আন।
কোটি কোটি যজ্ঞ  তপ জপ দান
নুহিকে যাৰ সমান।।
যশ গুণ নাম  ধৰ্ম অনুপাম
আক সাৰ কৰি ধৰা।
যত দেৱ ধৰ্ম  দূৰত তেজিয়া
কৃষ্ণতে ভকতি কৰা।।
হেন তত্ত্ব জানি  চিন্তা চক্ৰপানী
অনাদৰি আন কাম।
কৃষ্ণৰ কিংকৰে  ৰচিলা শঙ্কঁৰে
ডাকি বোলা ৰাম ৰাম।।"

আনহাতে পৰৰ ধৰ্মকো নিন্দা নকৰিবলৈ কৃষ্ণ ভক্তসকলক সতৰ্ক কৰি দিছিল। ভক্তি প্ৰদীপত কৈছে

পৰৰ ধৰ্মক নিহিংসিবা কদাচিত।
কৰিবা ভূতক দয়া সকৰুণ চিত্ত।।
হইবা শান্ত চিত্ত সৰ্ব ধৰ্মতে বৎসল।
এহি ভাগৱত ধৰ্ম জানা মহাবল।।

তেখেতে বেদ বেদাঙ্গকো অৱমাননা কৰা নাই। পুৰণি নীতি-নিয়মেৰে চলিথকা লোকসকলক সেইমতেই চলি থাকিবলৈকে কৈছে। এক শৰণ নাম ধৰ্মটো শহচঁৰৰ এটা নিজা মত যিটো বেদ-উপনিষদৰ পৰাই তেখেতে উদ্ভাৱন কৰিছে। এক মূল ঈশ্বৰক ভকতি কৰিলেই ঈশ্বৰৰ আশীষ পাব পাৰি। সেয়েহে কীৰ্ত্তনত তেখেতে কৈছে—

ভকতিৰ পৰে ধৰ্ম নাহি সংসাৰত।
চাৰিও বেদৰ মাত্ৰ এহি সাৰ তত্ত্ব।।
ভকতি বিহীন জ্ঞান কৰ্ম সবে ব্যৰ্থ।
কহিলো স্বৰূপে বেদান্তৰ তত্ত্ব অৰ্থ।।



# গুৱাহাটী বিশ্ববিদ্যালয়ৰ হেৰোৱা দিনবোৰ

**বনমালী নাথ**
গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলেজ সমূহৰ অৱসৰপ্ৰাপ্ত পৰিদৰ্শক




মই ১৯৬৫ চনৰ আগষ্ট মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগত নাম ভৰ্তি কৰো। সেইবছৰতে মই বৰপেটাৰ মাধৱ চৌধুৰী কলেজৰ পৰা বিজ্ঞানৰ শাখাত স্নাতক ডিগ্ৰী লাভ কৰো। গুৱাহাটী বিশ্ববিদ্যালয় ১৯৪৮ চনত স্থাপিত হৈছিল। সেই সময়ত সমগ্ৰ উত্তৰ-পূৱ ভাৰতত এইখনেই একমাত্ৰ বিশ্ববিদ্যালয় আছিল। আনকি সমগ্ৰ ভাৰতবৰ্ষতে তেতিয়া ৩০খন মানহে বিশ্ববিদ্যালয় আছিল আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্থান আছিল ঐকৈশ নম্বৰত।

অসমত কিবা বৃহৎ উদ্যোগ বা অনুষ্ঠান এটা আন্দোলন কৰিহে স্থাপন কৰিব পাৰি। তেল শোধানাগৰেই হওঁক বা চাহ নিলাম কেন্দ্ৰই হওঁক বা ৰেল ডিভিজনেল অফিচেই হওঁক সকলোবোৰ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত একোটা আন্দোলন কৰিব লগা হৈছিল। সেইদৰে উত্তৰ-পূৰ্বাঞ্চলত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰতো একপ্ৰকাৰ আন্দোলনেই হৈছিল। সুদীৰ্ঘ আন্দোলনৰ পিছত ৰাইজৰ দান বৰঙণিৰ দ্বাৰা গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হৈছিল। আৰম্ভণিৰ পৰাই এই মহান বিশ্ববিদ্যালয়খনে পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ সামাজিক প্ৰগতি আৰু বিকাশত যথাযোগ্য অৱদান আগবঢ়াই আছে। সেয়েহে এইখন ঐতিহ্যমণ্ডিত বিশ্ববিদ্যালয়ৰ ছাত্ৰ হ'বলৈ পাই মই নিজকে ধন্য মানিছোঁ।

এই বিশ্ববিদ্যালয়খনিত নাম ভৰ্তি কৰাৰ আগতে মই কেতিয়াও অহা নাছিলো। মোৰ

নাম ভৰ্তিৰ প্ৰ-পত্ৰখনো গুৱাহাটী বিশ্ববিদ্যালয় পুথিভঁৰালৰ সেই সময়ৰ কৰ্মচাৰী চক্ৰপানি মেধিদেৰৰ দ্বাৰাই অনাইছিলোঁ। তাৰবাবে তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ। তেতিয়াৰ দিনত নামভৰ্ত্তিৰ বাছনি তালিকা বাতৰি কাকতত প্ৰকাশ পাইছিল। তাত নামভৰ্তিৰ তাৰিখ আৰু প্ৰত্যেক বিভাগৰ মাচুলৰ কথাও উল্লেখ কৰা হৈছিল। ইতিমধ্যে এদিন মই বৰপেটাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ শিক্ষক শ্ৰদ্ধেয় অৰবিন্দ মিশ্ৰদেৰক লগ পাই বিশ্ববিদ্যালয়ৰ সম্পৰ্কে বহুতো কথা জানি লৈছিলোঁ তেখেতে মোক নামভৰ্ত্তিৰ দিনা তেখেতক গণিত বিভাগত লগ ধৰিবলৈ কৈছিল।

আমাৰ নাম ভৰ্তিৰ তাৰিখ আগষ্ট মাহৰ ১৬ তাৰিখে ধাৰ্য কৰা হৈছিল। সিদিনাখন বিশ্ববিদ্যালয়লৈ গৈয়ে মই প্ৰথমতে চক্ৰপানি মেধিদেৰক লগ ধৰি শ্ৰেণী আৰু ছাত্ৰ আৱাসত নামভৰ্তি কৰিছিলোঁ। মোক ৫নং অসম আৰ্হিৰ আৱাসত এটা কোঠা দিছিল। তাৰ পিচত মই গণিত বিভাগত মিশ্ৰছাৰক লগ ধৰিবলৈ গঁলো। ছাৰে তেতিয়া শ্ৰেণীত পাঠদান কৰি আছিল। পাঠদান শেষ কৰাৰ পিচতে মই লগ ধৰাত মোক ক'লে যে মোৰ লগত আহি থাকা, বাটে বাটে কথা পাতি যাম। ময়ো কলা ভৱনৰ পৰা প্ৰশাসন ভৱনলৈ চাৰৰ পিচে পিচে খোজ ল'লো। ছাৰ ইমান জনপ্ৰিয় আছিল যে প্ৰশাসন ভৱনৰ যিটো শাখালৈকে গৈছিল তাতেই তেখেতক সকলোৱে সন্মানসূচক মাত এষাৰ দিছিল। প্ৰশাসন বিভাগত তেখেতৰ কাম হোৱাৰ পিচত মোক তেখেতৰ কোৱাৰ্টাৰলৈ যাবলৈ লগ ধৰিলে। ছাৰৰ লগত ময়ো R.C.C Hallৰ সন্মুখেৰে গৈ তেখেতৰ কোৱাৰ্টাৰ পালোগৈ আৰু সন্মুখত থিয় হৈয়ে বিভাগীয় বহুতো কথাই পাতিলো। সেইদিনা মোৰ বৰপেটালৈ যোৱা বাছ ধৰাৰ বাবে ছাৰৰ কোৱাৰ্টাৰত সোমোৱা নহ'ল।

আমাৰ শ্ৰেণী পহিলা ছেপ্টেম্বৰৰ পৰা আৰম্ভ হৈছিল। অৱশ্যে মই ঘৰুৱা অসুবিধাৰ বাবে ৩ তাৰিখেহে আহিছিলোঁ। সিদিনাখন আহিয়েই মই পোনে পোনে ছাত্ৰাবাসলৈ গ'লো আৰু ৫নং কোঠাত চিট ল'লো। মোৰ কোঠাৰ সহপাঠী আছিল পদাৰ্থ বিজ্ঞানৰ শ্ৰী বিমলেন্দু নাথ (শিলচৰৰ) আৰু গণিতৰ শ্ৰী শঙ্খধৰ শৰ্মা (অভয়াপুৰীৰ)। আমি তিনিও প্ৰাৰম্ভিক শ্ৰেণীৰ ছাত্ৰ আছিলোঁ। আৱাসত মোৰ বস্তু বাহানি থৈ শ্ৰেণীলৈ গ'লো। তেতিয়া ৩য় পিৰিয়দ চলি আছিল। গৈ দেখো যে আমাৰ শ্ৰেণীৰ ৬০জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত (তাৰে চাৰি গৰাকী ছাত্ৰী) মোৰ বাহিৰে আটাইবোৰেই শ্ৰেণীত উপস্থিত আছিল। অঙ্কৰ পাঠ্যক্ৰম ইমানবেগত আগবাঢ়ে যে খৰকৈ লিখিব নোৱাৰা সকলৰ বাবে লগে লগে লিখিযোৱাটো কষ্টকৰ কাম। শ্ৰেণী শেষকৰি আহি মোৰ ৰুমমেট শঙ্খধৰ শৰ্মাক আৱাসত লগ পোৱাত তেখেতৰ পৰা যোৱা দুদিনত পঢ়োৱা পাঠ্যক্ৰমৰ টোকাবোৰ লিখি ল'লো। পিছদিনাৰ পৰা মই নিয়মিতভাৱে শ্ৰেণীত উপস্থিত থাকিবলৈ ল'লো। সিদিনাখনেই মই ছাত্ৰাবাসৰ মেচতো যোগ দিলো। মোৰ এতিয়াও মনত আছে সেই সময়ত মেচৰ মাহিলি খৰচ ৫৫ টকা ধাৰ্য কৰা হৈছিল। তাৰ দ্বাৰাই আমাক ৰাতিপুৱা চাহ-বিস্কুট, দুপৰীয়া নিৰামিষ আহাৰ, আবেলি ৰুটি-ভাজি বা চুজিৰ ভালদৰে খাব পৰাকৈ টিফিন আৰু ৰাতি মাছ-মাংস বা কণীৰ তৰকাৰী সহ ভাত দিছিল। সেইবোৰ আজি ভাবিলে আচৰিত লাগে। অৱশ্যে চূড়ান্ত বৰ্ষৰ শেষৰ পিনে মেচৰ মাহিলী খৰচ ৭০ টকা ধাৰ্য কৰা হয়।

মোৰ এই ক্ষুদ্ৰ লেখনিৰ দ্বাৰাই বিশ্ববিদ্যালয়ৰ সেই সময়ৰ এটি প্ৰতিচ্ছবি থূলমূলকৈ দিম বুলি ভাবিছো। অনেক কথাই স্মৃতিৰ পৰা লিখা হৈছে. তাৰবাবে কিবা ভুল-ভ্ৰান্তি হ'লে ক্ষমা মাৰ্জনীয়।

আমাৰ দিনত বিশ্ববিদ্যালয়ৰ ৪টা ফেকাল্টিৰ বিষয়বোৰ তলত দিয়া ধৰণৰ আছিল।

**কলাবিভাগ ঃ** অসমীয়া, ইংৰাজী, বঙালী, সংস্কৃত, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, দৰ্শন, শিক্ষা, প্ৰশিক্ষণ (B.T) আৰু ইংৰাজী ভাষা প্ৰশিক্ষণ (E.T).

**বিজ্ঞান বিভাগ ঃ** গণিত, পৰিসংখ্যা বিজ্ঞান, ভূ-তত্ব বিজ্ঞান, ভূগোল বিজ্ঞান, উদ্ভিদ বিজ্ঞান, প্ৰাণীবিজ্ঞান আৰুকৃষি উদ্ভিদ বিজ্ঞান।

**বাণিজ্য বিভাগ ঃ** এম. কম.

**আইন বিভাগ ঃ** এল. এল. বি

সেইসময়ত ৰসায়ন বিজ্ঞানৰ বাহিৰে কোনো বিভাগৰে নিজা ভৱন নাছিল। বৰ্তমানৰ কলাভৱনত সকলোবোৰ কলা বিষয়ৰ বাহিৰেও গণিত, পৰিসংখ্যা বিজ্ঞান, ভূগোল বিজ্ঞান আৰু গধূলি অনুষ্ঠিত হোৱা

স্নাতকোত্তৰ বাণিজ্য শ্ৰেণী আৰু আইন মহাবিদ্যালয় আছিল। কলাভৱনতে শ্ৰেণীসমূহৰ সচিবৰ কাৰ্যালয় আৰু ছাত্ৰকল্যাণ বিষয়াৰ কাৰ্যালয়ো আছিল। উদ্ভিদ বিজ্ঞান ভৱনত উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞান আৰু কৃষি উদ্ভিদ বিজ্ঞান বিভাগ আছিল। পদাৰ্থ বিজ্ঞান ভৱনত পদাৰ্থ বিজ্ঞান, ভূতত্ত্ব বিজ্ঞান আৰু নৃতত্ত্ববিজ্ঞান বিভাগ আছিল।

বিশ্ববিদ্যালয়ৰ সকলো বিভাগৰ লিখিত পৰীক্ষা সেই সময়ত কলা ভৱনতে অনুষ্ঠিত হৈছিল। মাথো বিজ্ঞান বিষয়ৰ প্ৰেক্টিকেল পৰীক্ষাবোৰ বিভাগে বিভাগে হৈছিল। প্ৰাৰম্ভিক আৰু চূড়ান্ত শ্ৰেণীৰ সকলোবোৰ পৰীক্ষা একে সময়তে হৈছিল। আগদিনা প্ৰাৰম্ভিক আৰু পিছদিনা চূড়ান্ত পৰীক্ষা হোৱাৰ বাবে মাজত এদিনহে বন্ধ পোৱা গৈছিল। তেতিয়াৰ দিনত প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফল দুমাহৰ ভিতৰত আৰু চূড়ান্ত পৰীক্ষাৰ ফলাফল তিনিমাহৰ ভিতৰত ঘোষণা কৰিছিল। পৰীক্ষাৰ বিতং ফলাফল বাতৰিকাকতত প্ৰকাশ কৰা হৈছিল। এই ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয় অন্যতম আছিল। তেতিয়াৰ দিনত গুৱাহাটী বিশ্ববিদ্যালয়ে পৰীক্ষাবিলাক নিৰ্দ্ধাৰিত সময়ত অনুষ্ঠিত কৰাত বিশেষ গুৰুত্ব দিছিল। আমি নাম ভৰ্তি কৰাৰ আগৰ বছৰত ছাত্ৰবোৰে পৰীক্ষা পিছুৱাৰ বাবে তদানীন্তন উপাচাৰ্য ড° হেৰল্ড জ'ন টেইলৰৰ (D. H. J. Taylor) ওচৰত আবেদন কৰিছিল। তেখেতে পৰীক্ষাৰ তাৰিখ পিচুৱাৰ বাবে অপৰাগ প্ৰকাশ কৰাত ছাত্ৰবোৰে আন্দোলন কৰিছিল। তাৰ পৰিপ্ৰেক্ষিতত টেইলৰ চাহাবে কামৰ পৰা ইস্তাফা দি গুচি গৈছিল।

বিশ্ববিদ্যালয়ৰ হোষ্টেলবোৰৰ শৈক্ষিক পৰিৱেশ অত্যন্ত ভাল আছিল। অধীক্ষকসকল হোষ্টেলৰ কাষতে আছিল। প্ৰত্যেকটো হোষ্টেলতে এজন প্ৰিফেক্ট পতা হৈছিল। ছাত্ৰ-ছাত্ৰীবোৰৰ সমস্যাবোৰ প্ৰিফেক্ট আৰু অধীক্ষকৰ পৰ্যায়তে সমাধা হৈছিল। শ্ৰেণীসমূহৰ সচিবৰ ওচৰলৈ যোৱাৰ আৱশ্যক নাছিল। ছাত্ৰ-ছাত্ৰীৰ আবাসত একোজন পিয়ন আছিল। তেওঁ আবাসীবোৰৰ চিঠি-পত্ৰ ডাকঘৰত জমা দিয়া আৰু অধীক্ষকৰ পৰা অহা গোহাৰি আদি বিতৰণ কৰিছিল। প্ৰত্যেকটো হোষ্টেলতে একোখন ধুনীয়া ফুলনি বাগিচা আছিল। এজন পূৰ্ণকালীন মালীয়ে চোৱা-চিতা কৰিছিল। তেতিয়াৰ দিনত মোবাইল ফোন বা অন্য ফোনৰ ব্যৱস্থা নাছিল। সকলোবোৰ সম্পৰ্ক চিঠিপত্ৰ বা জৰুৰী হ'লে টেলিগ্ৰামৰ দ্বাৰাই কৰা হৈছিল। টকা-পইচাও মাণি অৰ্ডাৰ যোগে আহিছিল। সেইবাবে সকলোৱে প্ৰত্যেকদিনে ডাক পিয়নটো অহালৈ বাট চাই আছিল। সেইদিনত ডাকঘৰৰ বেঙ্কত ছাত্ৰ-ছাত্ৰীসকলে সচৰাচৰ Account খোলা নাছিল। সেই সময়ত হোষ্টেলবোৰৰ এটাই সমস্যা আছিল সেইটো হ'ল পানী। বিশ্ববিদ্যালয়ৰ গোটেই চৌহদতে Deep tubewell বহুৱাই পানীৰ যোগান ধৰা হৈছিল। এই ব্যৱস্থাৰ দ্বাৰাই আশানুৰূপ পানী পোৱা নগৈছিল। তাৰোপৰি কেতিয়াবা বিজুলী বাতিৰ ব্যাঘাতৰ বাবে দুদিন পৰ্যন্ত পানী অহা নাছিল। কেতিয়াবা একেবাৰে ৰঙচুৱা বা হালধীয়া পানী আহিছিল। পানীৰ সমস্যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে কেতিয়াবা আন্দোলন কৰি লগা হৈছিল।

সেইসময়ত বিশ্ববিদ্যালয়ত পুৰণি খেল পথাৰখনেই একমাত্ৰ খেলপথাৰ আছিল। তেতিয়া উত্তৰ-পূব ভাৰতৰ সকলো কলেজ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আছিল। সেইবাবে খেলা-ধূলাৰ মানদণ্ড যথেষ্ট উন্নত আছিল। বিশেষকৈ মণিপুৰৰ ফুটবল আৰু বৰপেটাৰ ভলীবল খেল লেখত ল'বলগীয়া আছিল।

তেতিয়াৰ দিনত গুৱাহাটী বিশ্ববিদ্যালয় আৰু গুৱাহাটীৰ মাজত যাতায়তৰ ব্যৱস্থা মূলত বিশ্ববিদ্যালয়ৰ বাছবোৰেই আছিল। বাছবোৰৰ সেৱা ৰাতিপুৱা ৮ বজাৰ পৰা ৰাতি ৮ বজালৈ আছিল। বাছবোৰ অত্যন্ত ভীৰ আছিল। বিশ্ববিদ্যালয়ত তেতিয়া কোনো প্ৰেক্ষাগৃহ নাছিল। সমাৱৰ্তন উৎসৱ অস্থায়ী ৰভাদি অনুষ্ঠিত কৰা হৈছিল। অন্যান্য সভা-সমিতিবোৰ সাধাৰণতে কলাভৱনৰ ১নং কোঠাত পতা হৈছিল। ছাত্ৰ-ছাত্ৰীবোৰৰ সভাবোৰ Students Day Home ত পতা হৈছিল। বিহু আৰু অন্যান্য উৎসৱবিলাক মডেল হাইস্কুলৰ কাষত থকা মুকলি মঞ্চত অনুষ্ঠিত হৈছিল। সেই ঠাইত এতিয়া মডেল স্কুলৰ ইংৰাজী শাখা স্থাপিত হৈছিল। বৰ্তমানৰ পানী যোগান ব্যৱস্থা আৰু ড° বিৰিঞ্চি কুমাৰ প্ৰেক্ষাগৃহটো উপাচাৰ্য ড° মথুৰা নাথ গোস্বামীদেৱৰ দিনত হৈছিল। বিশ্ববিদ্যালয়ৰ আৱাসতে ষ্টেট বেঙ্ক, টেলিফোন অফিচ আৰু ডাকঘৰ আছিল। সেইসময়ত

বিশ্ববিদ্যালয়ৰ আছুতীয়া অতিথিশালাও নাছিল। আলহীবোৰ আহিলে শিক্ষকৰ আৱাস এটাকে অতিথিশালা হিচাপে ব্যৱহাৰ কৰা হৈছিল।

বেছিভাগ বিভাগতে শিক্ষকসকলৰ আছুতীয়া বহা কোঠা নাছিল। এটা সাধাৰণ কোঠাতে সকলোৱে বহিছিল। অৱশ্যে দুই এটা বিজ্ঞান বিভাগত সেইটো সুবিধা আছিল। বিশ্ববিদ্যালয়ত তেতিয়া শিক্ষয়িত্ৰীৰ সংখ্যা খুব কম আছিল। গ্ৰন্থাগাৰ ভৱনটো একেই আছিল। সেই সময়ত বেছিভাগ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়েই গ্ৰন্থাগাৰলৈ গৈছিল। কাৰণ তেতিয়া প্ৰত্যেক বিভাগৰে সীমিত পুথি আছিল। তাৰোপৰি পুৰণি প্ৰশ্নকাকতবোৰ লিখি অনা আৱশ্যক আছিল।

বিশ্ববিদ্যালয়ৰ আইন মহাবিদ্যালয় আৰু বাণিজ্য বিভাগৰ শ্ৰেণীসমূহ সেইসময়ত গধূলি অনুষ্ঠিত হৈছিল আৰু ইয়াৰ ফলত বহুতো ছাত্ৰ-ছাত্ৰীয়ে স্নাতকোত্তৰ পাঠ্যক্ৰমৰ লগতে আইনৰ পাঠ্যক্ৰমতো নাম ভৰ্ত্তি কৰিছিল। বিশ্ববিদ্যালয়ৰ নিয়মত কোনো বাধা নাছিল। সেইবাবে বহুতো ছাত্ৰ-ছাত্ৰীয়ে স্নাতকোত্তৰ পৰীক্ষা পাচ কৰাৰ পিছতে আইনৰ ডিগ্ৰীও লাভ কৰিছিল।

সেইসময়ত শিক্ষাগুৰুসকলে গৱেষণাতকৈ পাঠদান কৰাতহে বেছি গুৰুত্ব দিয়া দেখা গৈছিল। আন বিভাগৰ কথা নকওঁ বিশেষকৈ আমাৰ গণিত বিভাগত কেতিয়াবা ৰবিবাৰ আৰু আন বন্ধ বাৰেও পাঠদান কৰিছিল।

বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ বিষয়ৰ পদটো তেতিয়াৰ দিনত পূৰ্ণকালীন নাছিল। খেলা-ধূলাত ৰাপ থকা এজন শিক্ষকক ভাৰপ্ৰাপ্ত ছাত্ৰকল্যাণ বিষয়া হিচাপে নিয়োগ কৰিছিল আৰু তেখেতে ছাত্ৰ-ছাত্ৰীবোৰৰ খেলা-ধূলা আৰু অন্যান্য কল্যাণমূলক কামবোৰ চোৱাচিতা কৰিছিল। স্নাতকোত্তৰ ছাত্ৰসন্থাৰ বিষয়ববীয়াবোৰৰ নিৰ্বাচন পদ্ধতি এতিয়াৰ দৰেই আছিল। সচৰাচৰ ছাত্ৰীবোৰে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হোৱাৰ বাবে প্ৰতিযোগিতাত নামিছিল। বাকী পদবীবোৰত ছাত্ৰবোৰে প্ৰতিদ্বন্দ্বিতা কৰিছিল। প্ৰাৰ্থীবোৰ কোনো ৰাজনৈতিক দলে মনোনীত কৰা দেখা নগৈছিল। দুই এখন ডাঙৰ বেনাৰ আঁৰাৰ বাহিৰে সকলো প্ৰাৰ্থীয়ে একোখন কাৰ্ডৰ দ্বাৰাই ভোট বিচাৰিছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ তেতিয়াৰ কৃষি উদ্ভিদ বিজ্ঞান বিভাগৰ তত্বাৱধানত বিশ্ববিদ্যালয়ৰ খালী পৰি থকা বেছিভাগ পথাৰতে ধানৰ খেতি কৰা হৈছিল। তাত উৎপাদিত হোৱা ধান ৰেহাই মূল্যত বিক্ৰী কৰা হৈছিল আৰু আনৰ লগতে বিশ্ববিদ্যালয় শিক্ষক-কৰ্মচাৰীয়েও কিনিব পাৰিছিল। ইয়াৰ পৰা পোৱা ধন ৰাশি বিশ্ববিদ্যালয়ৰ পুঁজিত জমা দিয়া হৈছিল। তাৰোপৰি R.C.C-1 হোষ্টেলৰ গাতে লাগি থকা কৃষি-উদ্ভিদ বিজ্ঞানৰ ফাৰ্মখনত গৱেষণা ভিত্তিত বিভিন্ন ফলমূল আৰু শস্যৰ গছ-গছনি ৰোপন কৰিছিল। বিশ্ববিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী আদিৰ বাবে কলাভৱনৰ কাষতে থকা কেণ্টিনখনেই সেইসময়ত একমাত্ৰ কেণ্টিন আছিল। টিফিনৰ সময়ত কেণ্টিনখনত বৰ ভিৰ হৈছিল আৰু তেতিয়া কেণ্টিনৰ মালিক বৰদা শৰ্মাই নিজেও চাহ-জলপান পৰিৱেশন কৰাত লাগি গৈছিল।

সমগ্ৰ বিশ্ববিদ্যালয়ৰ প্ৰশাসনত উপাচাৰ্যৰ বাবে এখন Ambassador গাড়ী আৰু পৰীক্ষা নিয়ন্ত্ৰকৰ অফিচৰ বাবে এখন Van আছিল। সেইখনত কেইজনমান শীৰ্ষ বিষয়াই গুৱাহাটীৰ পৰা অফিচলৈ অহা-যোৱা কৰিছিল। দুজনমান অধ্যাপকৰহে ব্যক্তিগত গাড়ী আছিল। চৌহদত থকা বেছিভাগ শিক্ষক, বিষয়াসকলে চাইকেল চলাই বা খোজকাঢ়ি বিভাগলৈ অহা-যোৱা কৰিছিল। ৰাস্তাত দুই চাৰিখন ৰিক্সাও চলিছিল।

মই ১৯৭১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত পৰীক্ষা গৱেষণা বিষয়া হিচাবে যোগ দিওঁ। মোৰ পদবীটো মূল প্ৰশাসনৰ লগত পোনপটীয়াভাৱে জড়িত নাছিল। সেইসময়ত প্ৰশাসনিক বিষয়াৰ সংখ্যাও খুব বেছি নাছিল। উপাচাৰ্যৰ বাহিৰে এজন পঞ্জীয়ক, এজন সহকাৰী পঞ্জীয়ক, এজন কোষাধ্যক্ষ, এজন হিচাব বিষয়া, এজন গ্ৰন্থাগাৰিক, এজন সহকাৰী গ্ৰন্থাগাৰিক, এজন শ্ৰেণীসমূহৰ সচিব, এজন বিশ্ববিদ্যালয় অভিযন্তা, দুজন এছ. ডি. অ', দুজন ডাক্তৰ, এজন প্ৰকাশন বিষয়া, এজন ছপাশালৰ সহকাৰী পৰিচালক আৰু এজন পৰিসংখ্যা বিষয়া আছিল। ইয়াৰ উপৰিও সাধাৰণ প্ৰসাসন বিভাগ পৰীক্ষা বিভাগ, বিত্ত বিভাগ আৰু গোপন বিভাগত একোজনকৈ অধীক্ষক আছিল। তেতিয়া উপাচাৰ্য আৰু পঞ্জীয়ক আছিল যথাক্ৰমে ড° মথুৰা নাথ

গোস্বামী আৰু চিদানন্দ দাস।

সেই সময়ত সহকাৰী পঞ্জীয়কৰ পৰ্যায়ৰ পৰা সকলোবোৰ পদৰ বাবে স্নাতকোত্তৰ ডিগ্ৰীৰ আৱশ্যক আছিল আৰু সেইবোৰ বিজ্ঞাপন দি পূৰণ কৰা হৈছিল। কৰ্মচাৰীৰ সংখ্যাও বৰ বেছি নাছিল। দেখা গৈছিল যে প্ৰত্যেকটো বিভাগৰ কামবোৰ নিয়াৰিকৈ চলিছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষক সন্থা আৰু কৰ্মীসন্থাৰ দৰেই কালক্ৰমত বিষয়া সন্থা গঠন কৰা হয়। ইয়াৰ বৈঠকবোৰত বিষয়াসকলৰ কেৱল দৰ্মহা, পদোন্নতি, বাসভৱন বিতৰণ আদি কথা আলোচনা কৰাৰ উপৰিও প্ৰত্যেকে পোৱা নিজৰ নিজৰ প্ৰশাসনীয় সমস্যাবোৰৰ কথাও আলোচনা কৰা হৈছিল। ১৯৯৪ চনৰ পৰা সন্থাৰ মুখপত্ৰ 'সতীৰ্থ'য়ো প্ৰকাশ পাবলৈ ধৰে।

মই ১৯৭২ চনৰ পৰা বিশ্ববিদ্যালয় চৌহদৰ আবাসী হওঁ। তেতিয়া আবাসীসকলৰ মাজত অত্যন্ত ঘনিষ্ঠতা দেখিবলৈ পাইছিলোঁ। ইঘৰে সিঘৰে অহা-যোৱাও কৰিছিল। আনকি আমি কেইজনমানে গধূলি সদায় দলবদ্ধ হৈ চৌহদৰ ভিতৰত খোজ কাঢ়িছিলোঁ। আমাৰ দলত কোনো বয়স বা বিশ্ববিদ্যালয়ৰ পদবীৰ মৰ্যাদাৰ ভাৰ নাছিল। মূৰব্বী অধ্যাপকৰ পৰা প্ৰবক্তা আৰু জ্যেষ্ঠ কনিষ্ঠ বিষয়ালৈকে আছিল।

সময় বাগৰি গ'ল। তেতিয়াৰ দিনবোৰ আমাৰ দৃষ্টিত সঁচাকৈয়ে আনন্দদায়ক আছিল যিটো আজিও পৰিলক্ষিত হয়। সাংসাৰিক জটিলতাও সিমান নাছিল। কিছু আধুনিকতা আছিল যদিও সকলোৱে অনাড়ম্বৰ ভাৱে জীৱন যাপন কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয় যেন গোটেই উত্তৰ-পূৰ ভাৰতৰ সাম্য, মৈত্ৰী আৰু একতাৰ প্ৰতীক আছিল যিটো আজিও আছে। আমাৰ এই বয়সত তাহানিৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্মৃতিবোৰ ৰোমন্থন কৰি নষ্টালজিক হৈ পৰো।

* * * *



# বিষয়া সন্থাৰ সোণালী জয়ন্তীৰ সোণোৱালী স্মৃতি

**তৰুন চন্দ্ৰ শইকীয়া**
অভিলেখক, কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ

গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থা প্ৰথম গঠন হৈছিল ১৯৬৩-৬৪ চনত মাত্ৰ কেইগৰাকীমান বিষয়াক লৈ আৰু প্ৰথমজন সভাপতি আছিল শ্ৰদ্ধেয় চিদানন্দ দাস দেৱ। সময়ৰ লগত খোজ মিলাই বহু ঘাট-প্ৰতিঘাট পাৰ কৰি ২০১৩-১৪ চনত সন্থাই সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়ে। এটা অনুষ্ঠানৰ বাবে সোণালী জয়ন্তী বৰ্ষ পালন কৰিবলৈ পোৱাতো অতি গৌৰৱৰ বিষয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিষয়া সন্থাই ২০১৩-১৪ বৰ্ষত বিষয়া সন্থাৰ সোণালীজয়ন্তী বৰ্ষ পালন কৰিবলৈ লোৱাটো এটা যুগান্তকাৰী সিদ্ধান্ত।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাকৰিত যোগদান কৰাৰ লগে লগেই মই বিষয়া সন্থাৰ সদস্য ভূক্ত হওঁ আৰু ১৯৮৬ চনৰ পৰাই সহকাৰী সাধাৰণ সম্পাদক হিচাপে কেইবাবছৰো সন্থাৰ লগত জড়িত হৈ আছিলোঁ। সেই সময়ত বাৰ্ষিক সভাবোৰত আমাৰ অতি শ্ৰদ্ধাৰ জেষ্ঠ বিষয়াসকল তথা শিক্ষাগুৰু সকলক দেখি অতিশয় আনন্দিত হৈছিলোঁ। বিশেষকৈ সেই সময়ৰ শ্ৰেণীসচিব ঁশ্ৰদ্ধানন্দ দুৱৰা ছাৰৰ ভাষণ শুনি অতিশয় আপ্লুত হৈছিলোঁ। তেতিয়া সকলো সদস্যই ইংৰাজী ভাষাত বক্তৃতা প্ৰদান কৰিছিল। কিন্তু অতি পৰিতাপৰ কথা আছিল এইটো যে বিষয়া সন্থাৰ মেল-মিটিং কৰিবৰ বাবে নিজা কোনো গৃহ বা কোঠা নাছিল। সেয়ে সভাপতিৰ কোঠাত, সাধাৰণ সম্পাদকৰ কোঠাত আৰু কেতিয়াবা E.C. Chamber খালি থাকিলে E.C. Chamber তে কাৰ্যনিৰ্বাহকৰ সভা বহিছিল। যি কি নহওক নিৰৱছিন্ন দাবী আৰু প্ৰয়াত বহু কেইজন বিষয়াৰ চেষ্টা লগতে কৰ্তৃপক্ষৰ সদিচ্ছাত বিষয়া সন্থাৰ এটা নিজা ঘৰ হোৱাত আমি সকলোৱে নথৈ আনন্দিত আৰু গৌৰৱান্বিত।

বিষয়া সন্থাৰ সোণালী জয়ন্তী বৰ্ষত সন্থাই নিৰৱছিন্ন ভাৱে পাতি অহা চেমিনাৰ, আলোচনা চক্ৰ আৰু বিভিন্ন প্ৰতিযোগিতাই প্ৰমাণ কৰি দিলে যে আমাৰ সন্থাই যুগৰ লগত খোজ মিলাই আগবাঢ়ি যোৱাত পিছ পৰি থকা নাই। সেয়ে হৈ যোৱা সোণালী জয়ন্তী অনুষ্ঠানটোৰ বিষয়ে কিছু আভাস যদি মই লিপিবদ্ধ কৰি নাযাওঁ তেনেহ'লে মোৰ

এই ৩২-৩৩ বছৰে জড়িত হৈ থকা অনুষ্ঠানটোৱে দোষ যে নিদিব তাক নুই কৰিব নোৱাৰি।

২০১৪ চনৰ ২১ মে' দিনটোতে সন্থাৰ সভাপতি ডাঃ নৰেন্দ্ৰ নাথ তালুকদাৰদেৱে সোণালীজয়ন্তী পতাকা উত্তোলন কৰে আৰু লগে লগে মোৰ মনটো এনে লাগিল যে যি কি নহওক বিষয়া সন্থাৰ এটা অবিস্মৰণীয় কাৰ্য সম্পাদন কৰিবলৈ আগবাঢ়ি গৈছে। শ্ৰীযুত নৰেন্দ্ৰ নাথ দত্তদেৱে শ্বহীদ তৰ্পন অনুষ্ঠানটি এটি সুন্দৰ ঘোষাৰে আৰম্ভ কৰাত অনুষ্ঠানটো গুৰুগাম্ভীৰ হৈ পৰিছিল। সন্থাই আয়োজন আৰু পৰিৱেশন কৰা বিশ্ববিদ্যালয় সংগীত অনুষ্ঠান বিষয়াৰ উপৰিও কৰ্মীসন্থাৰ সদস্যইও যোগদান দি সোণত শুৱগা চৰাইছিল। বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° সুৰেশ চন্দ্ৰ নাথ দেৱে এজোৰ পাৰ চৰাই উৰাই বিশ্ববাসীলৈ শান্তিৰ বাৰ্তা প্ৰেৰণ কৰে। ড° ৰমণী বৰ্মণদেৱৰ সৌজন্যত আৰম্ভ কৰা বৃক্ষৰোপণ কাৰ্যসূচী উপাচাৰ্য ড° মৃদুল হাজৰিকাদেৱে ৰোপণ কৰা বৃক্ষজোপা আজিও প্ৰতীকি হৈ ঠিয় দি আছে। ভাষণ প্ৰসংগত উপাচাৰ্য মহোদয়ে উল্লেখ কৰে যে তেখেতৰ কাৰ্যকালতে সোণালীজয়ন্তী কাৰ্যসূচীৰ শুভাৰম্ভ কৰিবলৈ পাই তেখেতে অত্যন্ত সুখী। এই কাৰ্যসূচী সুচাৰু ৰূপে চলাই নিয়াৰ বাবে সেই সময়ৰ সম্পাদক শ্ৰী দিলীপ শৰ্মাদেৱলৈ মোৰ শলাগ থাকিল।

এই অনুষ্ঠানৰ পিছৰ কাৰ্যক্ৰমনিকা পিছৰ সভাপতি শ্ৰী পংকজ তামুলী আৰু সম্পাদক শ্ৰীবিৰাজ ডেকাৰ নেতৃত্বত সকলো সমস্যাৰে সহযোগিতাত নিয়াৰিকৈ পালন কৰা হয়।

২০১৪ চনৰ ১৪ জুন তাৰিখে ডাঃ পুলিন বড়োৰ নেতৃত্বত স্বাস্থ্য সম্পৰ্কত এখনি সজাগতা শিবিৰ অনুষ্ঠিত কৰে। বিশেষ চিকিৎসক ডাঃ মানস প্ৰতীম বৰুৱা (Endrocrionologist) দেৱে মধুমেহ ৰোগ সম্পৰ্কে সুন্দৰ আৰু সময়োপযোগী বক্তৃতা দাঙি ধৰি সকলোকে উপকৃত কৰে। বিষয়াসন্থাৰ এই কাৰ্যসূচী যুগমীয়া হৈ ৰ'ব। লগতে সদৌ ভাৰত বিশ্ববিদ্যালয়ৰ বিষয়া সন্থাৰ সভাপতি শ্ৰীনীতিন বিশ্বাসদেৱে উক্ত সজাগতা শিবিৰটো উদ্বোধন কৰাটো অন্য এক উল্লেখযোগ্য ঘটনা।

শ্ৰীমতী লখিমী দেৱীৰ নেতৃত্বত আয়োজন কৰা ৰচনা প্ৰতিযোগিতা, স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত ১০আগষ্ট ২০১৪ত অনুষ্ঠিত কৰা চিত্ৰাঙ্কন প্ৰতিযোগিতা সদায় স্মৰণীয় হৈ ৰ'ব। লগতে শ্ৰীযুতা ৰীতা শৰ্মাৰ সম্পাদনাত প্ৰকাশ পোৱা সন্থাৰ মুখপত্ৰ 'সতীৰ্থ' (সোণালী জয়ন্তী বৰ্ষ) এখন মাইলৰ খুটা হিচাপে পৰিগণিত হ'ব। কিয়নো বিষয়া সন্থাৰ ক্ৰমবিকাশৰ নতুন আৰু বহু পুৰণি সদস্যৰ লিখনি সংগ্ৰহ কৰি প্ৰকাশ কৰা বাবে এক দস্তাবেজত পৰিণত হ'ল। তেখেতলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

২০১৫-১৬ বৰ্ষত বিষয়া সন্থাৰ তথা মোৰ সভাপতিত্বত এখনি বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। 'উচ্চ শিক্ষানুষ্ঠানৰ ব্যৱস্থাপনা, সমস্যা আৰু সম্ভাৱনীয়তা' শীৰ্ষক এটি বক্তৃতা প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° নীৰাজনা মহন্তই। তেখেতে মুল বক্তা হিচাপে উপস্থিত থাকি আমাৰ সন্থাৰ সৌষ্ঠৱ বঢ়ায়। পোন প্ৰথম বাৰৰ বাবে ২৯মে' ২০১৬ চনত এখন ক্ৰীড়া উৎসৱ আয়োজন সন্থাৰ বাবে আন এক মাইলৰ খুটি কিয়নো মানুহৰ মন, প্ৰান, স্বাস্থ্য ভালে ৰাখিবলৈ যে ক্ৰীড়া অংগাংগিক এইটো উপলব্ধি কৰিয়েই বিষয়া সন্থাৰ সাধাৰণ সম্পাদক শ্ৰী অৰবিন্দ শৰ্মাৰ তত্ত্বাৱধানত সুন্দৰভাৱে আয়োজন কৰা হৈছিল এই ক্ৰীড়া উৎসৱ। অলপতে প্ৰাক্তন বিষয়া কুঁমাৰেন্দ্ৰ নাথ দাসৰ সোঁৱৰণত ১৬/২/২০১৭ তাৰিখে এখনি বেডমিণ্টন খেল প্ৰতিযোগিতা সন্থাই আয়োজন কৰে। ড° ৰণজিৎ সিং, ঋতুপৰ্ণ বৰা লগতে অন্যান্য বিষয়াসকলে অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাটো আমাৰ বাবে অতিশয় গৌৰৱৰ বিষয়।

সদৌ শেষত মোৰ পূৰ্ণকালীন চাকৰি কালৰ সতীৰ্থত এই শেষ লেখাটি আগবঢ়াই সন্থাৰ প্ৰাক্তন আৰু বৰ্তমানৰ সকলো বিষয়ালৈ মোৰ আন্তৰিক অভিনন্দন ও কৃতজ্ঞতা জনালোঁ। গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থাৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

Viv-la GUOA

* * * *



# ‘নৱ-প্ৰজন্মৰ সপোনৰ বিশ্ববিদ্যালয়’ৰ পটভূমিত গুৱাহাটী বিশ্ববিদ্যালয়

**অৰবিন্দ শৰ্মা**
প্ৰবন্ধক, গুৱাহাটী ইউনিভাৰ্ছিটি প্ৰেছ

গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থাৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ লগত সঙ্গতি ৰাখি গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থাৰ উদ্যোগত বিগত ২০১৪ বৰ্ষত এখনি ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। আমাৰ বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীসমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাৰ ৰচনাৰ বিষয়বস্তু ৰখা হৈছিল ‘মোৰ দৃষ্টিত এখন আদৰ্শ বিশ্ববিদ্যালয়’— অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাত এক বুজন সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। অধিক সংখ্যক ৰচনাতে বিশ্ববিদ্যালয় সম্পৰ্কে নৱপ্ৰজন্মৰ ধাৰণা, তেওঁলোকৰ আশা-আকাংক্ষা, উন্নত ৰাষ্ট্ৰসমূহৰ বিশ্ববিদ্যালয়ত উপলব্ধ সা-সুবিধা, শিক্ষা আৰু গৱেষণাৰ মানদণ্ড, সেইসমূহ বিশ্ববিদ্যালয়ত শিক্ষা আহৰণৰ পিচত সম্ভাব্য নিয়োগৰ সুবিধা আৰু অৰ্থনৈতিক নিৰাপত্তা আদি সকলোবোৰ দিশৰ প্ৰতি নৱপ্ৰজন্মৰ সচেতনতা প্ৰতিফলিত হৈছে।

আদৰ্শ বিশ্ববিদ্যালয় এখনৰ ৰূপৰেখা বিভিন্নজনে বিভিন্ন ৰূপত প্ৰকাশ কৰিছে। তথাপিও প্ৰায়বোৰ ৰচনাতে প্ৰকাশ পোৱা প্ৰধান বিষয়বস্তু কেইটা হৈছে— উপযুক্ত আন্তঃগাঁথনি, সময়োপযোগী পাঠ্যক্ৰম, সুস্থ শৈক্ষিক বাতাবৰণ, প্ৰদূষণমুক্ত স্বাধীন পৰিৱেশ, মতামত প্ৰকাশ কৰাৰ স্বাধীনতা আৰু ছাত্ৰ-ছাত্ৰী, শিক্ষক-গৱেষকসকলৰ সহায়ক হোৱাকৈ এক স্বচ্ছ আৰু গতিশীল প্ৰশাসন ব্যৱস্থা। কিছু সংখ্যক ৰচনাত বিশ্ববিদ্যালয়ৰ সামাজিক দায়বদ্ধতা আৰু এইক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ সকলো পৰিয়ালৰে দায়িত্ব ও কৰ্তব্য বিষয়ৰে উল্লেখ পোৱা যায়। ‘বিশ্বমানৰ বিশ্ববিদ্যালয়’ সম্পৰ্কে ধাৰণা আৰু এনেবোৰ বিশ্ববিদ্যালয়ত থাকিবলগীয়া সা-সুবিধাৰ প্ৰতিও প্ৰায় সংখ্যক নিবন্ধকাৰ সচেতন বুলিও অনুভৱ কৰিব পৰা যায়।

ৰচনাৰাজিৰ প্ৰায়বোৰতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ

অতীত ঐতিহ্যৰ বিষয়ে যে নৱপ্ৰজন্ম বাৰুকৈয়ে জ্ঞাত তাৰো আভাস সুন্দৰকৈ পৰিস্ফুট হৈছে। ৰাইজৰ দান-বৰঙণিৰে প্ৰতিষ্ঠিত এইখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে অসমীয়া গুণী জ্ঞানী ব্যক্তিসকলে কৰা আশা-শুধীয়া প্ৰচেষ্টাৰ কথা সকলোৱে একেমুখে কৃতজ্ঞতাৰে সোঁৱৰিছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ সমাজ-জীৱনলৈ গুৱাহাটী বিশ্ববিদ্যালয়ে বিগত দিনবোৰত যোগাই অহা বৰঙণি তথা অঞ্চলটিত উচ্চ শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত এইখন ঐতিহ্যমণ্ডিত বিশ্ববিদ্যালয়ে গ্ৰহণ কৰি অহা গুৰুত্বপূৰ্ণ ভূমিকা সকলোৱে স্বীকাৰ কৰাটোও পৰিলক্ষিত হৈছে। বৰ্তমান উত্তৰ-পূৰ্বাঞ্চলত ভালেমান বিশ্ববিদ্যালয় আৰু অন্যান্য উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গঢ় লৈ উঠিছে যদিও ইং ১৯৪৮ চনতে প্ৰতিষ্ঠিত অঞ্চলটিৰ সবাতোকৈ পুৰণি গুৱাহাটী বিশ্ববিদ্যালয়ৰ গুৰুত্ব যে অসমবাসীৰ বাবে বৰ্তমানো অপৰিৱৰ্তিত হৈয়ে আছে সেই কথাও কেইবাখনো ৰচনাত প্ৰকাশ পাইছে। নিবন্ধকাৰৰ ভাষাত ঃ

> ‘গুৱাহাটী বিশ্ববিদ্যালয় এপদ-দুপদকৈ খেৰ-কুটা কঢ়িয়াই চৰায়ে ঘৰ সজাৰ দৰে তিল্‌তিলকৈ কিছু সংখ্যক আত্মোৎসৰ্গা কৰা লোকৰ আশাশুধীয়া প্ৰচেষ্টা আৰু অসমবাসী ৰাইজৰ দান-বৰঙণি, জনমতৰ আলমত গঢ় লৈ উঠা। কলিকতাত পঢ়াৰ নিমিত্তে যোৱা শিক্ষিত অসমীয়াসকল এইক্ষেত্ৰত আছিল আগৰণুৱা আৰু প্ৰস্তাৱক। এনে এক বিৱৰ্তনীয় বিকাশৰ মাজেৰে আজিৰ অৱস্থাত উপনীত হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত সমগ্ৰ অসমবাসী, উত্তৰ-পূৰ্বাঞ্চলৰ বহুলোকৰ আবেগ-অনুভূতি জড়িত’। (শিৰোমণি ভূঞা, ১ম পুৰপ্ৰাপ্ত)

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমৰ ৰাইজৰ প্ৰত্যাশাৰ সীমা নাই। ৰাজ্যখনৰ জলন্ত সমস্যাৰাজিৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ পণ্ডিত-গৱেষকসকলৰ দিহা-পৰামৰ্শৰ প্ৰতি ৰাইজে অধীৰ আগ্ৰহেৰে বাট চাই থাকে। ৰাইজৰ সেই প্ৰত্যাশা পুৰণত বিগত ৭টা দশকত গুৱাহাটী বিশ্ববিদ্যালয় কিমানদূৰ সফল হৈছে সেয়া অনুধাৱনৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰি দুই এজন নিবন্ধকাৰে সামাজিক দায়বদ্ধতাৰ বাবে কিছু নিৰ্দিষ্ট কাৰ্যসূচী যুগুত কৰাৰ প্ৰয়োজন আছে বুলি মত প্ৰকাশ কৰিছে।

বিশ্ববিদ্যালয় একোখনৰ মুখ্য উপাদান হৈছে— ছাত্ৰ আৰু শিক্ষক। আদৰ্শ বিশ্ববিদ্যালয় এখন গঢ় লৈ উঠিবলৈ হ’লে প্ৰাথমিক প্ৰয়োজনীয়তাটোৱেই হৈছে এচাম জ্ঞান পিপাসু ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকক জ্ঞান আহৰণত পথ-প্ৰদৰ্শক হিচাবে সেৱা আগবঢ়াবলৈ শিক্ষা আৰু গৱেষণাত একানপতীয়া ভাৱে ব্ৰতী এচাম শিক্ষাগুৰু। বিষয়বস্তু সম্বন্ধে গভীৰ অধ্যয়নেৰে পৰিপুষ্ট, নিত্য-নতুন গৱেষণাৰ বিষয়ে সম্যক জ্ঞান থকা পণ্ডিত গৱেষকৰ তত্ত্বাৱধানত এচাম জ্ঞানান্বেষী ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যৎ জীৱনৰ বাবে নিজকে সাজু কৰি তুলিবলৈ, বিশ্ববিদ্যালয়ত উপলব্ধ জ্ঞানেৰে সমাজ আৰু দেশৰ হিত সাধিবলৈ তথা ভৱিষ্যৎ অৰ্থনৈতিক নিৰাপত্তা সুনিশ্চিত কৰাৰ উদ্দেশ্যেৰেই বিশ্ববিদ্যালয়ত নাম ভৰ্তি কৰে। এইসকল ছাত্ৰ-ছাত্ৰীক উপযুক্তভাৱে গঢ় দিব পৰাটোতেই বিশ্ববিদ্যালয় একোখনৰ কৃতিত্ব বিদ্যমান। এইক্ষেত্ৰত নিজে পঢ়ি থকা গুৱাহাটী বিশ্ববিদ্যালয়ক প্ৰায় সংখ্যক নিবন্ধকাৰেই দেশৰ এখন আগশাৰীৰ বিশ্ববিদ্যালয় হিচাবে স্বীকৃত হোৱাটো কামনা কৰে।

ভালেসংখ্যক নিবন্ধকাৰে দেশৰ আগশাৰীৰ বিশ্ববিদ্যালয় তথা উচ্চ শিক্ষাৰ অনুষ্ঠানৰ লগতে বিশ্বৰ উন্নত দেশসমূহৰ থকা বিশ্ববিদ্যালয়ৰ আন্তঃগাঁঠনি আৰু শৈক্ষিক মানদণ্ডৰ লগত গুৱাহাটী বিশ্ববিদ্যালয়ক তুলনা কৰিবলৈ প্ৰয়াস কৰাটো পৰিলক্ষিত হৈছে। এনে তুলনা কৰিবলৈ যোৱাৰ আগতে আমি সেইবোৰ দেশৰ অৰ্থ-সামাজিক অৱস্থাৰ সৈতে আমাৰ ৰাজ্যৰ অৰ্থ-সামাজিক অৱস্থাৰ পাৰ্থক্য মনত ৰাখিব লাগিব। বিশ্ববিদ্যালয় একোখন সমাজৰ পৰা বিছিন্ন অনুষ্ঠান নহয়। যিখন সমাজত বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠিত সেইখন সমাজকে বিশ্ববিদ্যালয় একোখনে প্ৰতিনিধিত্ব কৰে। বৰ্তমানো বুজন সংখ্যক নিৰক্ষৰ লোকেৰে ভৰপুৰ অসমৰ দৰে অনুন্নত এখন ৰাজ্যৰ বিশ্ববিদ্যালয়ত শৈক্ষিক আৰু গৱেষণাৰ মানদণ্ড তথা ইবোৰৰ বাবে লাগতিয়াল

আন্তঃগাঁঠনি উন্নত দেশৰ বিশ্ববিদ্যালয়বোৰৰ দৰে নোহোৱাটো নিতান্তই স্বাভাৱিক। তথাপিতো সীমিত সা-সুবিধাৰ মাজেদিও গুৱাহাটী বিশ্ববিদ্যালয়ে বিগত সময়ছোৱাত শৈক্ষিক আৰু গৱেষণাৰ ক্ষেত্ৰখনত উল্লেখনীয় অৱদান আগবঢ়াবলৈ সমৰ্থ হৈছে। পৰিৱৰ্তিত পৰিস্থিতিত আৰু শিক্ষিত নিবনুৱাৰ বৰ্দ্ধিত হাৰলৈ লক্ষ্য কৰি নৱপ্ৰজন্মই গুৱাহাটী বিশ্ববিদ্যালয়ত নতুন নতুন পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰাৰ পৰামৰ্শ আগবঢ়াইছে। বৰ্তমান সময়ৰ প্ৰয়োজনীতাৰ প্ৰতি লক্ষ্য ৰাখি বৃত্তিমুখী পাঠ্যক্ৰম প্ৰৱৰ্তনেৰে নৱ প্ৰজন্মৰ নিযুক্তিৰ পথ মোকালোৱাত সহায়ক হোৱাকৈ বিশ্ববিদ্যালয়খনক গঢ় দিব লাগিব বুলি সৰহ সংখ্যক নিবন্ধকাৰেই মত প্ৰকাশ কৰিছে। বিদ্যায়তনিক দিশত ভাল ফলাফল দেখুৱাই আহি বিশ্ববিদ্যালয় পৰ্য্যায়তো উচ্চ নম্বৰসহ ডিগ্ৰী অৰ্জন কৰাৰ পিছতো স্ব-বিকাশৰ উপযুক্ত সুবিধা নাপাই আমাৰ নৱ-প্ৰজন্মই নিবনুৱা জীৱন কটাবলগীয়া হোৱাটো সমাজৰ বাবে অতিশয় ক্ষতিকৰ। আমাৰ সমাজত উদ্যোগিক মনোবৃত্তিৰ সম্প্ৰসাৰণ হোৱা নাই। গতিকে নৱ-প্ৰজন্মই অতি আশাৰে গুৱাহাটী বিশ্ববিদ্যালয়ক এইক্ষেত্ৰত পদ-প্ৰদৰ্শকৰ ভূমিকা লোৱাটো বাঞ্চা কৰে। কিন্তু আন্তঃগাঠনিৰ উন্নয়ন নঘটোৱাকৈ আৰু সমল ব্যক্তি নিয়োগ নকৰাকৈ নিত্য-নতুন পাঠ্যক্ৰম খুলি ডিগ্ৰী প্ৰদান কৰা অনুষ্ঠান এখনক সঁচা অৰ্থত বিশ্ববিদ্যালয় বুলিব পৰা নাযায় বুলি মন্তব্য কৰি ছাত্ৰ-ছাত্ৰীৰ বৃত্তিমুখী উৎকৰ্ষ সাধন, বিষয় জ্ঞান আৰু মানৱীয় প্ৰমূল্যবোধৰ উন্নয়ন ঘটাই এক বহল মনৰ অধিকাৰী কৰি গঢ়ি তোলাটোহে বিশ্ববিদ্যালয় একোখনৰ দায়িত্ব বুলি নৱপ্ৰজন্মই মত পোষণ কৰে। এসময়ত আৰ্থিক দুৰাৱস্থাই কোঙা কৰি পেলোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰ্থিক অৱস্থা পূৰ্বৰ তুলনাত ভালেখিনি উন্নত। কেন্দ্ৰীয় চৰকাৰৰ 'ৰাষ্ট্ৰীয় উচ্চ শিক্ষা অভিযান' আঁচনিৰ অধীনত ৰাজ্যিক বিশ্ববিদ্যালয় তথা অন্যান্য উচ্চ শিক্ষানষ্ঠান বা নিকায় সমূহলৈ পৰিপূৰক সুবিধা, কৰ্ম-আঁচনি তথা অৰ্থনৈতিক সহায়ৰ বাট মুকলি হোৱাত বৰ্তমান আমাৰ বিশ্ববিদ্যালয়ত আন্তঃগাঠনি উন্নয়নৰ বিভিন্ন আঁচনি হাতত লোৱা হৈছে। বিগত ৪/৫বছৰত আন্তঃগাঠনি উন্নয়নৰ ভালেখিনি কাম সম্পন্ন হ'ল আৰু এইবোৰৰ সুফল ইতিমধ্যে ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিবলৈ সমৰ্থ হৈছে। সু-সংহত পৰিকল্পনাৰে ওপৰোক্ত আঁচনিৰ জৰিয়তে অদূৰ ভৱিষ্যতে গুৱাহাটী বিশ্ববিদ্যালয়ে আৰু অধিক উন্নয়নৰ সোপান ৰচিবলৈ সক্ষম হ'ব বুলি নৱপ্ৰজন্ম আশাবাদী। সামগ্ৰিকভাৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাহ্যিক বাতাবৰণ বৰ্তমান ভালেখিনি উন্নত। শ্ৰেণীকোঠা, ছাত্ৰাবাস, প্ৰশাসনিক তথা বিদ্যায়তনিক ভৱন সকলোবোৰতে চাক-চিকুণ পৰিৱেশ। বাহ্যিক কোলাহলৰ পৰা মুক্ত এক সংবদ্ধ চৌহদৰ পৰিকল্পনাও অতি কম সময়ৰ ভিতৰতে বাস্তৱায়িত হোৱাৰ পথত। চৌহদৰ নিৰাপত্তা ব্যৱস্থা আগতকৈ ভালেখিনি উন্নীত হ'ল। বাট-পথ খেলপথাৰ আদিত পোহৰৰ ব্যৱস্থা কৰা হৈছে। প্ৰেক্ষাগৃহ, অতিথিশালা, শৈক্ষিক ভৱন আদিৰ উন্নয়নৰ কাম সম্পূৰ্ণ হোৱাৰ পথত। সংবদ্ধ চৌহদৰ আধৰুৱা কামখিনি সম্পূৰ্ণ হ'লে নৱপ্ৰজন্মই বিচৰা ধৰণে ১০০% নিৰাপদ চৌহদ এটি য'ত ছাত্ৰ-ছাত্ৰী তথা ইয়াৰ বাসিন্দাই নিৰাপদে বিচৰণ কৰিব পাৰিব— সেয়া বাস্তৱায়িত নিশ্চয়কৈ হ'ব। নৱপ্ৰজন্মৰ সপোনৰ আহল-বহল প্ৰতিধ্বনি ৰহিত শ্ৰেণীকোঠাকে ধৰি ডিজিটেল শ্ৰেণীকোঠা তথা সম্পূৰ্ণ আধুনিক পৰীক্ষাগাৰৰ সপোনো এদিন নিশ্চয় সাৰ্থক হ'ব।

ৰচনাকেইখনৰ প্ৰায় সকলোবোৰতে আমাৰ বিশ্ববিদ্যালয়ৰ পৰীক্ষা ব্যৱস্থাৰ সংশোধনৰ প্ৰয়োজনীতা ব্যক্ত কৰিছে। বিশেষকৈ ফলাফল প্ৰকাশত হোৱা অযথা বিলম্বৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে ভোগ কৰি অহা আহুকালৰ বিষয়ে উনুকিয়াই এইক্ষেত্ৰত যথাসম্ভৱ শীঘ্ৰে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে কৰ্তৃপক্ষক আহ্বান জনাইছে। বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-গৱেষকসকলে তেওঁলোকৰ গৱেষণামূলক কাম-কাজবোৰৰ এক উমৈহতীয়া 'knowledge sharing' আৰু কৰ্ম-পৰিচালনাৰ পৰামৰ্শাৱলী সন্নিবিষ্ট এখন পত্ৰিকা বা News Letter ছপা আৰু Internet ৰ মাধ্যমত প্ৰত্যেক পযেকে বা মাহেকত নিয়মীয়াকৈ প্ৰকাশ কৰাৰ ব্যৱস্থাকৰাটোও বহু কেইজন নিবন্ধকাৰে বিচাৰে।

গুৱাহাটী বিশ্ববিদ্যালয় বৌদ্ধিক পৰিক্ষেত্ৰত সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু, নাম শুনিলেই শ্ৰদ্ধাত মূৰ দোখোৰা পীঠস্থানৰ পৰ্য্যায়লৈ উন্নীত কৰাৰ বাবে সংশ্লিষ্ট সকলো পক্ষকে আহ্বান জনাই দুজনমান নিবন্ধকাৰে বিশ্ববিদ্যালয়খন নিজস্ব 'Brand Value' সৃষ্টিত গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰ বাবে বিশ্ববিদ্যালয়ত চলি থকা বিভিন্ন বিদ্যায়তনিক কাম-কাজবোৰৰ লগতে বিশ্ববিদ্যালয়ত চলি থকা বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ, কৰ্মশালা, আদিৰ বিষয়ে বিভিন্ন মাধ্যমযোগে বহুল প্ৰচাৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিছে। এক শক্তিশালী Public Relation ব্যৱস্থা নথকাটো বিশ্ববিদ্যালয়খনৰ বাবে এক ত্ৰুটি বুলি বিবেচনা কৰি এই ক্ষেত্ৰত যথাসম্ভৱ সোনকালে এক কাৰ্যকৰী ব্যৱস্থা ল'বৰ বাবেও এজন নিবন্ধকাৰে (শিৰোমণি ভূঞা) আহ্বান জনাইছে। বিশ্ববিদ্যালয় প্ৰেছৰ আধুনিকীকৰণৰ আৱশ্যকীয়তাৰ বিষয়ত উল্লেখ কৰি গৱেষণামূলক গ্ৰন্থৰ প্ৰকাশনে বিশ্ববিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিব বুলি ভালেকেইজন নিবন্ধকাৰে ইয়াৰ বাবে যাৱতীয় ব্যৱস্থা লোৱাটো বাঞ্চা কৰে। বিশ্ববিদ্যালয়ৰ প্ৰকাশনবোৰ ই-মেডিয়াযোগে সম্প্ৰচাৰ কৰিবলৈয়ো তেওঁলোকে পৰামৰ্শ আগবঢ়াইছে। ইতিমধ্যে প্ৰেছ আৰু পূৰ্বৰ প্ৰকাশন বিভাগ একত্ৰিত কৰি দুয়োটা বিভাগকে পুনৰ উজ্জীৱিত কৰাৰ এক প্ৰয়াস কৰ্তৃপক্ষই হাতত লৈছে আৰু অনাগত দিনত নিশ্চয়কৈ ইয়াৰ সুফল বিশ্ববিদ্যালয়ে লাভ কৰিবলৈ সমৰ্থ হ'ব। প্ৰশাসনীয় সংস্কাৰৰ বাবে নৱ প্ৰজন্মই আগবঢ়োৱা পৰামৰ্শাৱলীৰ ভালেখিনি ইতিমধ্যে কৰ্তৃপক্ষই হাতত লৈছে আৰু Computerised ব্যৱস্থা সম্পূৰ্ণ কাৰ্যক্ষম হ'লে বিশ্ববিদ্যালয়ৰ কাম-কাজৰ লেহেমীয়া গতিৰ পৰিৱৰ্তে সকলোবোৰ কামতে স্বচ্ছতা আৰু গতিশীলতা নিশ্চয়কৈ আহিব। সামাজিক দায়বদ্ধতাৰ প্ৰতি সচেতনতা প্ৰতিফলিত কৰি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ইতিমধ্যে কেইবাটাও কাৰ্যসূচী সফলভাৱে ৰূপায়ন কৰিছে।

বৰ্তমান যুগটো বিশ্বায়নৰ যুগ। এই যুগত তুমূল প্ৰতিদ্বন্দিতাৰ মাজত তিষ্ঠি থাকিবলৈ সকলো অনষ্ঠান প্ৰতিষ্ঠানে নিজৰ উৎকৃষ্টতা প্ৰতিপন্ন কৰিবই লাগিব। ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ পৰামৰ্শ কাৰ্যকৰী কৰিলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ বুজন সংখ্যক মহাবিদ্যালয় নতুনকৈ স্থাপন হোৱা বা হ'বলগীয়া বিশ্ববিদ্যালয়বোৰলৈ হস্তান্তৰিত হ'ব। এনে অৱস্থাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজহৰ পৰিমাণ বহুলাংশে হ্ৰাস হোৱাৰ সম্ভাৱনা বিদ্যমান। ইতিমধ্যে বিগত কেইটামান বছৰত অসমত ভালেকেইখন বিশ্ববিদ্যালয় স্থাপন কৰা হ'ল। সুধী সমাজে এনেবোৰ বিশ্ববিদ্যালয়ৰ গুণগত মানদণ্ডৰ ওপৰত সন্দেহ ব্যক্ত কৰাও পৰিলক্ষিত হৈছে. লগতে ৰাজ্যখনৰ পুৰণি বিশ্ববিদ্যালয় কেইখনৰ সমস্যাৰাজি সমাধানৰ ক্ষেত্ৰত চৰকাৰৰ আওকনীয়া মনোভাৱৰ বাবে ক্ষেদ প্ৰকাশ কৰিছে। এনে এক পৰিস্থিতিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰে ঐতিহ্যমণ্ডিত বিশ্ববিদ্যালয়ৰ ওপৰত অধিক দায়িত্ব আহি পৰে আৰু নৱপ্ৰজন্মই এইক্ষেত্ৰত এক সুচিন্তিত পৰিকল্পনা আৰু দীৰ্ঘম্যাদী আঁচনিৰে গুৱাহাটী বিশ্ববিদ্যালয়ক নতুনকৈ স্থাপন হোৱা বিশ্ববিদ্যালয়বোৰৰ বাবে মাৰ্গ দৰ্শকৰ ভূমিকাত অৱতীৰ্ণ হোৱাটো বিচাৰে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ প্ৰশাসকসকলৰ লগতে নীতি নিৰ্দ্ধাৰকসকলৰ অধিকাংশই এইখন বিশ্ববিদ্যালয়ৰে। বিশ্ববিদ্যালয়খনৰ সুবিধা অসুবিধাবোৰ তেখেতসকলৰ নখ-দৰ্পণত। দেশ-বিদেশৰ বহু উন্নত শিক্ষানষ্ঠানৰ আন্তঃগাঠনি, শৈক্ষিক পৰিৱেশ তথা গৱেষণাৰ মানদণ্ড আদিৰ লগত তেখেতসকলৰ বাৰুকৈয়ে পৰিচিত। গতিকে এইসকল লোকৰ নেতৃত্ব তথা পৰিচালনাত গুৱাহাটী বিশ্ববিদ্যালয় পৰ্যায়ক্ৰমে উন্নীত হৈ এসময়ত এখন আদৰ্শ বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত হ'ব বুলি সকলো আশাবাদী। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ে বিদেশৰ বিভিন্ন শিক্ষানষ্ঠানৰ লগত শৈক্ষিক আৰু গৱেষণাৰ ক্ষেত্ৰত ভালেকেইখন চুক্তি সম্পাদন কৰিছে। Overseas Alumni Association ৰ জৰিয়তে বিদেশত প্ৰতিষ্ঠিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সহায়-সহযোগিতাও পাবলৈ সক্ষম হৈছে। বৰ্তমানৰ চৰকাৰেও উচ্চ শিক্ষাত প্ৰাধান্য দি ভালেমান কাৰ্যসূচী হাতত লৈছে। এই সকলোবোৰৰ সুফল অনাগত দিনত নিশ্চয়কৈ গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰতিফলিত হ'ব।

অতি শেহতীয়াকৈ কেন্দ্ৰীয় মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ে প্ৰকাশ কৰা ৰাষ্ট্ৰীয় উচ্চ শিক্ষানুষ্ঠানসমূহৰ ৰেংকিঙৰ তালিকাত গুৱাহাটী বিশ্ববিদ্যালয়ে ৪৩নং স্থান তথা বিশ্ববিদ্যালয়সমূহৰ ভিতৰত ২৭ নং স্থান পাবলৈ সক্ষম হৈছে। দেশৰ হাজাৰ হাজাৰ অনুষ্ঠানৰ মাজত এনেদৰে উচ্চস্থান পাবলৈ সক্ষম হোৱাটো বিশ্ববিদ্যালয়খনৰ লগত জড়িত সকলোৰে বাবে এক গৌৰৱৰ বিষয়। এনেধৰণৰ সুখবৰে ৰাজ্যবাসীক বিশেষকৈ নতুন প্ৰজন্মক আৰু অধিক সপোন দেখিবলৈ প্ৰেৰণা যোগায় ; বিশ্ববিদ্যালয়খনৰ লগত জড়িত সকলো পক্ষকে অধিক ভাল ফল দেখুৱাবলৈ অধিক উৎসাহেৰে কাম কৰাৰ বাবে উদ্বুদ্ধ কৰি তোলে। বৰ্তমানৰ গতিশীল নেতৃত্বৰ তত্বাৱধানত গুৱাহাটী বিশ্ববিদ্যালয়ত বিগত কেইটামান বছৰত উন্নয়নৰ যি ধাৰা অব্যাহত আছে সেয়া অপৰিৱৰ্তিত থাকিলে অদূৰ ভৱিষ্যতে বিশ্ববিদ্যালয়খন উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথম হোৱাই নহয়, দেশৰ ভিতৰতে এখন অগ্ৰণী বিশ্ববিদ্যালয়লৈ উন্নীত হ'ব পাৰিব। বিশ্ববিদ্যালয়খনৰ লগত জড়িত সকলো পক্ষৰে সহায়-সহযোগিতা, ঐকান্তিক প্ৰচেষ্টা আৰু অসমবাসী ৰাইজৰ অকুণ্ঠ সমৰ্থনেৰে গুৱাহাটী বিশ্ববিদ্যালয় নৱপ্ৰজন্মৰ সপোনৰ আদৰ্শ বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত হওঁক— এয়া আমাৰ সকলোৰে কাম্য।



অঙ্কণ ঃ মনজিৎ দেৱনাথ, উত্তৰ-পূব মূক বধিৰ বিদ্যালয়

# কুৰুক্ষেত্ৰত অসম সাহিত্য সভা

**ড° ৰমনী বৰ্মন**
যুটীয়া পঞ্জীয়ক

প্ৰথমতে কৈ থোৱাতো ভাল হ'ব যে অসম সাহিত্য সভাৰ মই এজন সাধাৰণ সদস্যও নহয় তথাপিও মনৰ কোনোবা এটি নিভৃতি কোণত হয়তো অসম সাহিত্য সভাৰ প্ৰতি এটি অহৈতুকি প্ৰীতি আছে। এই কাৰণতে হয়তো লৰালি কালতে মানে মোৰ তেতিয়া ১২/১৩ বছৰমান হ'ব, অষ্টম মান শ্ৰেণীত পঢ়ি থকা সময়তে, গৰু চৰাবলৈ যোৱাৰ সময়ত ভাইটিক গৰু কেইটা ৰখিবলৈ দি নদীৰ পাৰত অৱস্থিত হাবিত সোমাই বেত কাটি সেইবোৰ জমা কৰি বিক্ৰী কৰি পোৱা সমগ্ৰ ধন খৰছ কৰি তেতিয়াই অসম সাহিত্য সভাই প্ৰকাশ কৰা কিতাপসমূহ ক্ৰয় কৰি আনন্দত আত্মহাৰা হৈ পৰিছিলোঁ। হয়তো তেতিয়াই সেই বিজ্ঞানসন্মত ধাৰণা এটা মনত হৈছিল যে অসম সাহিত্য সভাই প্ৰকাশ কৰা কিতাপসমূহ উৎকৃষ্ট মানদণ্ডৰ হ'বই। আজি প্ৰায় ষাঠি বছৰ বয়সত ভৰি থৈও সেই একেই চিন্তাধাৰাৰ বশৱৰ্তী হৈ আছো, সেই ধাৰণা কণমানো সলনি হোৱা নাই বৰং বাঢ়িছেহে।

আজি শতবৰ্ষ পালন কৰিবলৈ লৈও অসম সাহিত্য সভাৰ প্ৰতি আনুগত্য থকা বা নথকা সকলোৱে পৰোক্ষ ভাৱে এক মুখে স্বীকাৰ কৰিছে যে ইমান ত্ৰুটি বিচ্যুতিৰ পিছতো অসম সাহিত্য সভাৰ প্ৰতিটো কথাই অসমৰ প্ৰতিজন অসমীয়াৰ হিয়াৰ কোনোবাখিনিত খুন্দিয়াই যায়। আমি স্বীকাৰ কৰিব লাগিব যে এশ বছৰ আগতে স্বৰ্গীয় পদ্মনাথ গোহাঞি বৰুৱাদেৱে অসমীয়াৰ মনত মনস্তত্বৰ উমান লৈয়ে আৰম্ভণি কৰিছিল এক অবিৰত যাত্ৰাৰ। আজি সৰ্বজন স্বীকৃত যে এই যাত্ৰা আৰম্ভণিহে কৰিছিল ভাষাসেৱী পদ্মনাথ গোহাঞি বৰুৱাদেৱে। কিন্তু বছৰৰ পিছত বছৰ ধৰি চলি আছে এই অবিৰত যাত্ৰা।

আজি এশ বছৰ পিছতো আমি সকলোৱে স্বীকাৰ কৰো যে অসম সাহিত্য সভাই নানা সাহিত্যিক জ্ঞানী গুণী ঋষি-মুনিক আকৰ্ষিত কৰি অসমৰ ভাষা সাহিত্যৰ উৰ্বৰ ভূমি কৰ্ষণ কৰি গঢ়ি পিটি যেন জীপাল কৰি সোণত সুৱগা চৰাইছে। নিভাজ সাহিত্য সৃষ্টিৰ এক মনোমোহা পৰিৱেশ গঠনৰ মানসেৰে এজনৰ পিছত এজনকৈ সাহিত্য কাণ্ডাৰীৰ কান্ধত সমগ্ৰ অসমৰ ভাষা সাহিত্য সংস্কৃতিৰ ভৱিষ্যতৰ সপোনৰ ৰঙবোৰ মোনাখনত ঠাচি ঠাচি সোমোৱাই লৈ এখোজ দুখোজকৈ সুদীৰ্ঘ এশ বছৰ পাৰ কৰিলে। বহু ত্ৰুতি হ'ল, বহু ভুল কৰিলে আৰু হয়তো বহু ভুল কৰিব। কিন্তু এটা কথা সঁচা যে অসম আৰু অসমীয়াই এই যে ভুল কৰিবলৈ শতবছৰৰ অভিজ্ঞতাৰে এখন মজবুত ৰণক্ষেত্ৰ তৈয়াৰ কৰি ল'লে, বিশ্বৰ বুকুত হয়তো এনে দ্বিতীয়খন ভাষা সাহিত্যৰ মজবুত ৰণক্ষেত্ৰ পোৱা নাযাব।

আকৌ এটা কথা মনত ৰখা ভাল যে এয়াই হয়তো ভুলৰ শেষ নহয়। এশ বছৰত কৰা ভুলতকৈ হয়তো দুশ, পাঁচশ নাইবা হেজাৰ বছৰত কৰা ভুলবোৰ আৰু বেছি ভয়ানক হ'ব। কিন্তু এইটোও সত্য যে পিছত যেতিয়া ঘূৰি চাবলৈ সময় ওলাব, তেতিয়া হয়তো আজিৰ ভুলটো পৰৱৰ্তী সময়ত গৱেষণাৰ উৎকৃষ্ট সমল হৈ থিয় দিব।

কোনে জানে সময়ে কি ক'ব?

জেৰেঙা পথাৰটো কেতিয়াও এখন সমাজৰ



উৎকৃষ্টতাৰ নিদৰ্শনৰ ইতিহাস নহয়।

কোনো সভ্য সমাজে এইটো সভ্য সমাজৰ উৎকৃষ্টতাৰ বুৰঞ্জী বুলি আওঁৰাব নোৱাৰে। তথাপিতো ই এটা ইতিহাস। পৰৱৰ্তী সময়লৈ ইয়াৰ এটা বাণী আছে। অকল অসমে আৰু অসমীয়াই ভুল কৰা নাই। অন্যান্য সাহিত্যতো বহু ভুলৰ কথা পঢ়িবলৈ আৰু শুনিবলৈ পোৱা যায়। আনকি বিশ্বত বহু উন্নত ভাষা থাকিলেওঁ তেওঁলোকে অসম সাহিত্য সভাৰ নিচিনা এখন সৰ্ব্বজন গৃহীত মঞ্চ তৈয়াৰ কৰি ল'ব পৰা নাই।

আজি আন নহ'লেও প্ৰতিবছৰে (এতিয়া প্ৰতি দুবছৰৰ অন্তত) বহু ভুলেৰে নিৰ্ব্বাচনৰ কৰি ৰাইজৰ আগত দাঙি ধৰা অসম সাহিত্য সভাৰ সভাপতি কেইজনটো অন্ততঃ বিতৰ্কৰ উৰ্দ্ধত। আমি আজি পাহৰিলে নহ'ব যে সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱা নাইবা সমগ্ৰ বিশ্বতে জিলিকি উঠা মহামানৱ ড° ভূপেন হাজৰিকাই এসময়ত এইখন অসম সাহিত্য সভাৰ মঞ্চ উজলাইছিল।

অন্য কথা বাদ দিলেও এটা কথা আমি স্বীকাৰ কৰিবই লাগিব যে বহু ভুলৰ সমষ্টি এই অসম সাহিত্য সভাৰ অধিৱেষণ খন পাবলৈ অসমৰ প্ৰতিটো অঞ্চলেই উদগ্ৰীৱ হৈ থাকে। আজি কোনে অস্বীকাৰ কৰিব যে প্ৰতিখন অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণ একো একোখন জাতি গঢ়াৰ দলিল। মামনী ৰয়চম গোস্বামী আৰু কনকসেন ডেকাদেৰৰ সভাপতিত্বত ওলোৱা স্মৰণিকা কেইখন পাবলৈ কোন সাহিত্যপ্ৰেমী লোকৰ অন্তৰত বাসনা জাগৃত হোৱা নাছিল?

আজি এটা কথা স্পষ্ট যে অসমত ক'ব নোৱাৰাকৈ এনে এটা শক্তি তৈয়াৰ হৈ গ'ল যে ইয়াক আৰু ভাঙি টুকুৰা টুকুৰ কৰিবলৈ নাইবা সাৰ্বজনীন সমাজনীতি বাদ দি ৰাজনীতিৰ মেৰপেচত সোমাই লোৱাৰ প্ৰয়াস কৰিবলৈ সাহস কাৰো কতো নাই, আছে মাত্ৰ নতশিৰে অসম সাহিত্য সভাৰ প্ৰতি সেৰা মনোবৃত্তিৰে শ্ৰদ্ধা জনোৱাৰ।

আমি মনত ৰখা ভাল যে লো যিমানেই জুইশিখাত সুমাই দিয়া হয় সিমানেই তাক সুদৃঢ় তীখা বনাব পৰা হয়। বহু লম্ফ জম্ফ কৰিলেও কুৰুক্ষেত্ৰৰ বুৰঞ্জী ইমান সহজে নুই কৰা নাযায়। কাৰণ এই বুৰঞ্জী সচা আৰু ইয়াৰ প্ৰতিটো মুহূৰ্তৰে একো একোটা বিজ্ঞান সন্মত বাণী আছে। সেয়ে হয়তো এই ৰণশিঙাৰ ধ্বনিতেই সৃষ্টি হ'ল গীতাৰ নিচিনা এখন বিশ্ব বিশ্ৰুত সাহিত্য, কোনে আজি সেইটো নুই কৰিব পাৰিব?

অসম সাহিত্য সভাৰ এতিয়া এশ বছৰ হ'ল। সেয়ে অসম সাহিত্য সভাৰো আজি এশ বছৰ পিছত এনে এটা সময় আহি পৰিছে যে এই সভাই নিজৰ মেৰুদণ্ড পোন কৰি লৈ সমগ্ৰ মানৱ জাতিৰ উদ্ধাৰৰ হকে যুজ আৰম্ভ কৰিব পাৰে। যেনে ঃ



১। আজি সমগ্ৰ বিশ্বই জাতি ধৰ্মৰ ভেটিত মানৱীয় মূল্যবোধৰ স্বাৰ্থ বিঘ্নিত কৰিছে। এনে এটি সময়তে অসম সাহিত্য সভাই ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাষ্ট্ৰসমূহৰ নিজ নিজ মাতৃ ভাষাক সুৰক্ষিত কৰি বিশ্ব মানৱতাৰ সুসমন্বয় গঢ়ি তুলিবলৈ এক মঞ্চ তৈয়াৰ কৰি ল'ব পাৰে।

২। আজি অকল অসমতে নাইবা উত্তৰ পূৰ্বাঞ্চলতে নহয় বৰং সমগ্ৰ বিশ্বতে সন্ত্ৰাসবাদ আৰু ইয়াৰ বিকাশ আৰু ইয়াৰ আধাৰত ৰচিত সাহিত্যই এই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। কোনে জানে ইয়াৰ বিৰুদ্ধে চিঞৰি থাকোতে কোনোবা সমাজ সচেতন ব্যক্তিৰ কলমত জিলিকি নুঠিব সাহিত্যৰ নোবেল বঁটা?

অসম সাহিত্য সভা এতিয়া সেই পথৰে যাত্ৰী নহয় জানো!

* * * *

# জীৱনৰ বাটত যি বুটলিলো

**পল্লৱ কুমাৰ চৌধুৰী**
প্ৰজেক্ট মেনেজাৰ

মই গুৱাহাটী নিৱাসী এজন নাগৰিক। মোৰ বয়স ৬১ বছৰ। অলপতে স্বনামধন্য সাহিত্যিক হোমেন বৰগোঁহাইদেৱে সম্পাদনা কৰা "জীৱনৰ পৰা মই কি শিকিলো" নামৰ কিতাপখন পঢ়িলো। কিতাপখনৰ যোগেদি অসমৰ সাহিত্যিক, নাট্যকাৰ, আইনজীৱি আদি অন্যান্য প্ৰখ্যাত লোকসকলৰ জীৱনৰ নানান অভিজ্ঞতাৰ কথা জানি ভাল লাগিল। কিতাপখনে মোকো ভৰাই তুলিলে। মই ভবাত লাগিলো মইনো মোৰ জীৱনত পাৰ হৈ যোৱা দিনবোৰৰ পৰা কি অভিজ্ঞতা আহৰণ কৰিলো। মনটো অতীতলৈ উৰা মাৰিলে। তিতা-মিঠা নানা অভিজ্ঞতাৰ কথা মনলৈ আহিব ধৰিলে। মই কোনো বিখ্যাত ব্যক্তি নহওঁ। তথাপি মোৰ অতীত জীৱনৰ পৰা আহৰণ কৰা কেইটামান অভিজ্ঞতাৰ কথা পাঠকৰ আগত ডাঙি ধৰাৰ লোভ সামৰিব নোৱাৰিলো। ই কোনো কল্প কাহিনী নহয়। যি লিখিছো সঁচা লিখিছো। ষাঠিৰ দশকৰ মাজভাগৰ কথা, অসম চৰকাৰৰ চাকৰিয়াল দেউতা-মা আৰু আমি পাঁচটি সন্তানৰ পৰিয়ালটো মধ্যবিত্ত পৰিয়াল আছিল। আমাৰ আকালো নাছিল ভৰালোঁ নাছিল। আমি সুখতে আছিলো। মই তেতিয়া প্ৰাইমেৰী স্কুলৰ প্ৰথম নে দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ। আমি ল'ৰা-ছোৱালী পাঁচোটি এবাৰ দূৰ-সম্বন্ধীয় মামা এজনৰ ঘৰলৈ ফুৰিবলৈ গৈছিলো। তাত কিবা এখন ইংৰাজী আলোচনীত কোনোবা এজন বিদেশী লোকৰ ফটো এখন মোৰ চকুত পৰিল। লোকজনৰ মুখখন আমাৰ দেউতাৰ মুখৰ লগত বহুখিনি মিলে। লগে লগে মই ওচৰতে থকা দাদাক ক'লো- 'দাদা চাচোন চা, এয়া আমাৰ দেউতাৰ দৰে।' আমাৰ কথা শুনি মামাই আলোচনীখন থাপমাৰি লৈ ফটোখন চাই তাচ্ছিল্যৰ হাঁহি এটা মাৰি ক'লে- "এওঁ (নামটো কৈছিল- কোনোবা বিখ্যাত অভিনেতা - এতিয়া মনত পৰা নাই) তহঁতৰ দেউতা হোৱা হ'লে তহঁত আজি এই অৱস্থাত নাথাক, তহঁত বহুত ওপৰত থাকিলি হয়।" সেই কথাত মোৰ কোমল মনটো মোচৰ খাই উঠিল। দেউতাৰ মুখখন মোৰ মনত পৰিল। মোৰ চকু চলচলীয়া হ'ল। মই মুখখন ঘূৰালোঁ। সেইয়া মই আজি পঞ্চাশ বছৰৰ পিছতো পাহৰা নাই। যিমানেই সৰু নহওঁক কিয় ল'ৰা-ছোৱালীৰ আৱেগক আওকাণ কৰিব নাপায়। সিহঁত ডাঙৰৰ সমানেই আৱেগিক হয়।

চাকৰিসূত্ৰে মই ডিবগৈত চৌৰিশ বছৰ আছিলো। ৯০ ৰ দশকৰ আগভাগৰ কথা। মোৰ চাং-বাংলোৰ তলৰ দুটা কোঠাৰ এটাত মোৰ বনকৰা ডেকা ল'ৰাটো আছিল আৰু আনটো কোঠাত নেপালী মালী এজন আছিল। মালীজনৰ শহুৰেকে মালীজনৰ লগতে কেইমাহমান আছিল। তেওঁ বয়সীয়া নিৰ্জু প্ৰকৃতিৰ লোক আছিল আৰু যেতিয়াই মোক লগ পাইছিল হাতখন কপাললৈ নি অভিবাদন জনাইছিল- "চালাম চাহাব"। মই ভাবিছিলো তেওঁটো মোৰ তলত কাম নকৰে। ইমান বয়সীয়া লোকজনে মোক এইদৰে সন্মান নজনালেও চলে। মই এনেদৰে ভাবিলেও পেটে-পেটে তেওঁৰ এই আচৰণে মোক সন্তুষ্টও কৰিছিল। যি নহওঁক কিছুদিনৰ আলহী তেওঁ। তেওঁ যি কৰে তেওঁৰ কথা। তেনেসময়তে মই এবাৰ পৰিয়ালসহ গাড়ী লৈ গুৱাহাটীলৈ আহিছিলো। কিবা কাৰণত ডিগবৈৰ ঘৰলৈ কিছু সোনকালে ঘূৰি যাব লগা হ'ল। সেই সময়ত মোবাইলৰ প্ৰচলন খুব কম আছিল।

ঘৰ পাই দেখো মোৰ বনকৰা ডেকা ল'ৰাটোৱে তাৰ লগৰ কেইজনমানৰ লগত তাৰ কোঠালীত পাৰ্টী কৰি আছে। পাৰ্টীও একেবাৰে মদৰ পাৰ্টী। মোৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ। তাক যিমান পাৰো সিমান দবিয়ালো। আমাৰ চিঞৰ-বাখৰ শুনি মোৰ নেপালী মালীজনৰ শহুৰেক ওলাই আহিল। একে ধৰণে মোক চালাম ঠুকিলে। মই তেওঁকো বেচ টানকৈ ক'লো- "আপুনি থাকোতে আপোনাৰ কাষৰ কোঠালীত ইহঁতে এনে মদৰ পাৰ্টী কৰিবলৈ কেনেকৈ সাহস পায়? আপুনি বয়সস্থ মানুহ। আপুনি কি চাই আছে? আপুনি ইহঁতক বাধা নিদিলে কিয়? এনেকুৱা হ'লে মই মোৰ ঘৰৰ তলত কাকোকে থাকিবলৈ নিদিম।" তেওঁ নম্ৰভাৱে উত্তৰ দিলে- "চাহাব, মই ইহঁতে পাৰ্টী কৰা কথাটো নাজানো আৰু চাহাব, ইহঁতেটো মোৰ কথা নুশুনিব।" ইয়াকে কৈ তেওঁ বিষন্নমনে কিছু সময় ৰৈ কোঠালীৰ ভিতৰলৈ সোমাই গ'ল। পিছত মোৰ ভাৱ হ'ল তেওঁক মই ইমান টানকৈ কথা শুনাব নালাগিছিল। খঙৰ ভমকতে মোৰ এনে হ'ল। তাৰ পিছৰ কথা। তেওঁ মোক ৰাস্তা-ঘাটে লগ পালে হহাঁৰ দৰে কৰে কিন্তু আগৰ দৰে চালাম নিদিয়া হ'ল। মোক কোনোবাই চাবুকেৰে কোবোৱা যেন লাগিল। মই বুজিলো মই তেওঁৰ পৰা আগৰ দৰে সন্মান পোৱাৰ যোগ্যতা হেৰুৱালো। মোৰ ৰুক্ষ ব্যৱহাৰৰে এনে ফল। বুজিলো সন্মান খুজি লোৱা বা জোৰ কৰি আদায় কৰা বস্তু নহয়। ই অন্তৰৰ পৰা আহিব লাগিব।

১৯৮৪ চনত বিয়াৰ পিছত ভাৰতীয় তেল নিগমৰ চাকৰিত ডিবগৈত যোগদান কৰিলো। চাকৰিত সোমোৱাৰ পিছতে এটা সমস্যাই দেখা দিলে। মাজে মাজে মোৰ জণ্ডিচ হ'বলৈ ধৰিলে। লগত তলপেটত অসহ্য বিষ, তিনিবাৰ দীঘলীয়াকৈ হস্পিতালত থাকিবলগীয়া হ'ল। এবাৰ জণ্ডিচ হৈ ভাল হ'লে আকৌ হয়। গেষ্ট্ৰিক বুলিও চিকিৎসা চলিল। এক্সৰেটো একো ধৰা নপৰিল। সেই সময়ত চনোগ্ৰাফী মেচিন তেনেকৈ প্ৰচলন হোৱা নাছিল। মোৰ বা কি হৈছে? বাৰে বাৰে জণ্ডিচ হয় কিয়? নতুনকৈ পতা সংসাৰ। নানা চিন্তাই মনত জুমুৰি মাৰি ধৰিলে। চিন্তাতে পৰিবাৰৰো অৱস্থা নাইকীয়া হ'ল। তাতে সেই সময়ত তেওঁ সন্তানসম্ভৱা। নানানজনে নানান উপদেশ দিলে। কোনোৱে ক'লে ডিব্ৰুগড়লৈ যাবলৈ, কোনোৱে অসমৰ বাহিৰলৈ গৈ চিকিৎসা কৰাৰ কথা ক'লে। গুৱাহাটীত মোৰ মা আৰু শাহুআয়ে কন্দাকটা কৰিলে, ডিগবৈত গৈ ল'ৰাটোৰ কি হ'ল? বেমাৰচোন তাৰ লগ নেৰা হ'ল! সেই সময়ত মোৰ আৰু পৰিয়ালৰ কি অৱস্থা হৈছিল তাক ভাষাৰে বুজাব নোৱাৰি। মই ভগৱানক কৈছিলো- "হে ভগৱান, মোক টকা-পইচা, ঘৰ-বাৰী, চাকৰি একোকে নালাগে। কেৱল মোক ভাল কৰি দিয়া। আগৰ স্বাস্থ্য ঘূৰাই দিয়া।" শেষত ডাক্তৰসকলৰ বহু চেষ্টাৰ মূৰত মোৰ 'অৱষ্ট্ৰাকটিউ্ জণ্ডিচ' হোৱা বুলি ধৰা পৰিল যি গ'লব্লাডাৰত পাথৰৰ বাবে হৈছিল। কেতিয়াবা পাথৰ হোৱাটো ভালদৰে ধৰা নপৰে হেনো। সি যি কি নহওঁক সময়ত ডিগবৈত মোৰ অপাৰেচন হ'ল আৰু ভগৱানৰ কৃপাত আজিলৈকে ভালে আছো। জীৱনত এটা কথা শিকিলো স্বাস্থ্যই পৰম ধন। ইয়াৰ দুৰ্গতি হ'লে ভোগাজনেহে বুজি পায়- দেহৰ লগতে মনোকষ্ট কিমান। কিন্তু স্বাস্থ্য ভালে থাকোতে আমি ইয়াৰ মূল্য নুবুজো। আমি ধৰি লওঁ স্বাস্থ্যটো আছেই, ইনো কি ডাঙৰ কথা। এজনৰ ভগ্ন স্বাস্থ্যৰ বাবে গোটেই পৰিয়ালটোৰো চিন্তা বাঢ়ে।

২০১৩ চনত ইউৰোপৰ কেইবাখনো ঠাইলৈ ফুৰিবলৈ গৈছিলো। তেতিয়া বেলজিয়ামৰ ব্ৰাচেলচত এজন সম্বন্ধীয় ভাইৰ ঘৰত কিছুদিন আছিলো। ঘৰটো ওখ-চাপৰ পাহাৰীয়া কলনি এখনত আছিল। ইয়াৰ বহুখিনি আমাৰ নুমলিগড় শোধানাগাৰৰ কলনিৰ লগত মিলে। কলনিখন অতি সুন্দৰ। চালে চকু ৰোৱা। মই এবাৰ অকলে কলনিখনত আবেলি ফুৰিব ওলালো। তাত ৰাস্তা-ঘাটত মানুহ খুৱেই কম। খোজকাঢ়ি ফুৰোতে ৰাস্তাত স্থানীয় মানুহ এজন লগ পাওঁতে তেওঁ মোক কিছু হালি অভিবাদন জনাই কথা পতাত লাগিল। তেওঁৰ ভাষা মই বুজি নাপাওঁ। মই ইংৰাজীত দুই এটা কথা সুধিলো। তেওঁৰ মুখ দেখি গম পালে তেওঁ ইংৰাজী বুজি নাপায়। তথাপি আমি দুজনে নিজৰ নিজৰ ভাষাত কিছু দেৰি কথা পাতিলো। মই আচৰিত হ'লো এজন অচিনাকী মানুহে বিদেশত এইদৰে আগধৰি কথা পতা বাবে। পিছত ঘৰত মোৰ সম্বন্ধীয় ভাই বিবেকে কৈছিল যে অচিনাকী লোকক মাতষাৰ দিয়াটো বোলে

তেওঁলোকৰ সংস্কৃতি হয়। কি সুন্দৰ সভ্যতা! আৰু এটা কথা শিকিলো যে শাৰিৰীক ভাষাত আমাৰ ভাৱৰ আদান-প্ৰদান ঠিকেই হৈছিল য'ত ভাষা অন্তৰায় হোৱা নাছিল। বুজিলো ইচ্ছা থাকিলে ভাষা নাজানিলেও মনৰ ভাৱ কিছু পৰিমাণে হ'লেও বুজাব পাৰি।

জীৱনত যে কেৱল হৈ যোৱা ঘটনাবোৰৰ পৰাই অভিজ্ঞতা হয় এনে নহয়, কোনোৱে কোৱা কথা বা কাহিনী এটাৰ পৰাও জীৱনৰ জ্ঞান পোৱা যায় - যেনেকৈ হৰিচন্দ্ৰৰ কাহিনীয়ে মহাত্মা গান্ধীৰ জীৱনৰ ওপৰত বহু প্ৰভাৱ পেলাইছিল। ময়ো মোৰ জীৱনত শুনা তেনে কাহিনী এটাৰ কথাকে ক'ব খুজিছো। ২০০৫ চনত কিবা এটা প্ৰশিক্ষণৰ বাবে হায়দৰাবাদলৈ গৈছিলো। প্ৰশিক্ষণৰ শেষত আমাক গোলকুন্দা দুৰ্গ দেখুৱাবলৈ লৈ গৈছিল। তাত "চাউণ্ড এণ্ড মিউজিক" অনুষ্ঠানটিত সেই দুৰ্গত বহুদিন বসবাস কৰা ৰজা আৰু মহাৰাণীৰ (নাম মনত নাই) কাহিনী দেখুৱা হৈছিল। সি আমোদজনক কাহিনী। অতি ৰূপহী মহাৰাণী আগতে সাধাৰণ ঘৰৰ ছোৱালী আছিল। দুৰ্গত ৰাজকুমাৰৰ লগত তেওঁৰ প্ৰণয় হ'ল। লাহে লাহে ছোৱালীৰ ঘৰলৈ ৰাজকুমাৰৰ আহ-যাহ বাঢ়িল। তেওঁলোকৰ প্ৰেম দিনক-দিনে গাঢ় হ'ব ধৰিলে। সময়ত কথাটো সকলোপিনে জনা-জানি হ'ল। কথাটো গৈ মহাৰাজৰ অৰ্থাৎ ৰাজকুমাৰৰ দেউতাকৰ কাণত পৰিল। মহাৰাজে ৰাজকুমাৰক মাতি আনি কথাটো সুধিলে। ৰাজকুমাৰে অকপটে স্বীকাৰ কৰিলে যে ৰাজকুমাৰে সেই ছোৱালীজনীক ভাল পায় আৰু বিয়াও তাইকেহে কৰাব। কথা শুনি মহাৰাজ হতভম্ব হ'ল। ৰাজকুমাৰ মানে ভৱিষ্যতৰ ৰজা। তেওঁ সাধাৰণ ঘৰৰ ছোৱালী এজনী বিয়া কৰোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে। ৰজাই ছোৱালীৰ ঘৰত খবৰ পঠিয়ালে যে ৰাজকুমাৰৰ লগত সেই ঘৰৰ ছোৱালীৰ বিয়া অসম্ভৱ। সেই চিন্তা তেওঁলোকে বাদ দিয়াই ভাল। ৰাজকুমাৰক দুৰ্গৰ মাজত নজৰবন্দী কৰি ৰখা হ'ল। ৰাজকুমাৰকো বহুত বুজোৱা হ'ল। ৰাজকুমাৰ কিন্তু নিজৰ সিদ্ধান্তত অচল-অটল। এইদৰে কিছুদিন পাৰ হ'ল। এদিন ৰজাই দেখে ৰাজকুমাৰ দুৰ্গত নাই। নিজৰ জীৱনৰ কথা নাভাবি দুৰ্গৰ ওখ পকী দেৱালৰ পৰা ঘোৰাৰে জাপ মাৰি ৰাজকুমাৰ নাইকিয়া হ'ল। পিচে ৰাজকুমাৰ যাব আৰু ক'ত? তেওঁ চিধাই প্ৰেয়সীৰ ঘৰ পালেগৈ। ইয়াকে দেখি ছোৱালীৰ ঘৰত সকলোৱে স্তব্ধস্তমান। এতিয়া মহাৰাজে কি কৰে ঠিক নাই। ইফালে মহাৰাজে জৰুৰী সভা বহুৱালে। সভাত এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হ'ল। কিছুসময়ৰ পিছত দেখা গ'ল মহাৰাজে সদল-বলে ছোৱালীৰ ঘৰৰ পিনে আহি আছে। ছোৱালীৰ ঘৰে প্ৰমোদ গণিলে। মহাৰাজ ৰুষ্ট। গতিকে বিপদ অনিবাৰ্য্য। কিন্তু মহাৰাজে ছোৱালীৰ ঘৰ পোৱাৰ পিছত এক বিপৰীত চিত্ৰহে দেখা গ'ল। ৰজাই অতি নম্ৰভাৱে ছোৱালীৰ বাপেকক ক'লে যে তেওঁৰ ছোৱালীক তেওঁ বোৱাৰী কৰি আনিব বিচাৰে ৰাজকুমাৰৰ বাবে। ছোৱালীৰ বাপেকৰ আনন্দতে চকুপানী সৰিল। এই কথাত সকলোপিনে হৰ্যোল্লাসে ছানি ধৰিলে। আনন্দ, কেৱল আনন্দ। কিছুদিনৰ পিছত সেই ছোৱালীৰ লগত ৰাজকুমাৰৰ ধুমধামেৰে বিয়া হ'ল। সেই ছোৱালী পিছলৈ হ'লগৈ মহাৰাণী। পিছে মহাৰাজৰ মন বাৰু কেনেকৈ সলনি হ'ল? জৰুৰী সভাত কি সিদ্ধান্ত হৈছিল তাক জানিবলৈ মন নাযায়নে? কথাটো এনেকুৱা - সভাত এইটো কথাত সকলোৱে একমত হৈছিল যে ৰাজকুমাৰে যেতিয়া নিজৰ জীৱন তুচ্ছ কৰি দেৱালৰ পৰা জাপ মাৰি ছোৱালীৰ ওচৰ পালেগৈ তেতিয়া ৰাজকুমাৰক প্ৰেয়সীৰ পৰা আঁতৰ কৰাটো অসম্ভৱ। ছোৱালীৰ পৰা ৰাজকুমাৰক জোৰ কৰি আঁতৰালে ৰাজকুমাৰে নিশ্চয় কিবা অঘটন ঘটাব বা ছোৱালীৰ লগত পৰিয়ালৰ পৰা আঁতৰ হৈ যাব। ইয়াৰে কোনোটোৱে মহাৰাজৰ কাম্য নহয়, আৰু ৰাজকুমাৰে সেই ছোৱালীজনীক বিয়া কৰাই আঁতৰি গ'লেও মহাৰাজে ৰাজকুমাৰৰ পৰা আঁতৰ হ'ব নোৱাৰে। পিছত হ'লেও মহাৰাজে তেওঁলোকক আদৰি ল'বই লাগিব। পিছত আদৰাতকৈ এতিয়াই আদৰাই ভাল। গতিকে মহাৰাজে নিজ মত সলনি কৰাই শ্ৰেয়। কাৰ্য্যক্ষেত্ৰতো ৰজাই তাকেই কৰিলে। মোৰ বন্ধু এজনে একে ধৰণৰ এটা সমস্যাত পৰোতে মই এই কাহিনীটো তেওঁক কৈছিলো। তেওঁ সেইমতে কাম কৰি সুফল পাইছিল।

* * * *

# গঠনমূলক চিন্তা আৰু সংগঠন

**ভূপেন্দ্ৰ নাৰায়ণ শৰ্মা**
অধীক্ষক, ভৱিষ্যৎনিধি শাখা

জনসাধাৰণৰ ক্ষোভ আৰু আশা আকাংক্ষাক সংহত ৰূপ দি গঠনমূলক চিন্তা অবিহনে কোনো সংগঠন সুষ্ঠভাৱে এটা নিৰ্দিষ্ট সময়লৈ তিকি থাকিব নোৱাৰে। পৃথিৱীৰ কোনো সংগঠন-শিক্ষাই হওক বা ৰাজনৈতিক হওঁক বা সামাজিক হওঁক বা সাহিত্য-সংস্কৃতিয়ে হওক নিষ্ঠা, নীতি কৰ্মসূচী আৰু আদৰ্শ অবিহনে সংগঠনৰ পৰিসৰ স্তিমিত হৈ পৰে।

দেশৰ সাংসদৰ পৰা গাঁও পঞ্চায়তলৈ, বিশ্ববিদ্যালয়ৰ পৰা প্ৰাথমিক বিদ্যালয়লৈ, আদৰ্শ, নিষ্ঠা, সততা, মানৱীয় সহানুভূতিৰ প্ৰতি যদিহে শ্ৰদ্ধা নাথাকে, যদিহে সামূহিক শক্তি আৰু প্ৰস্তুতি ক্ষতিগ্ৰস্ত হয়, যদিহে চিন্তা চৰ্চা উদ্‌ভ্ৰান্ত হয়, মৌলিক শক্তি বিলাকৰ বিকাশৰ পৰিৱৰ্তে যদি পতন হয়, তেতিয়াই যিকোনো অনুস্থান প্ৰতিস্থানেই মৃত্যুৰ অটল গহ্বৰত অস্তমিত হয়।

অৰ্ধ উলঙ্গ এমুঠি লোকৰ নীতিহীন খেয়াল খুচিতে চলা স্বৈৰতন্ত্ৰ প্ৰতিষ্ঠা কৰি মানুহৰ মানৱীয় মৰ্যদাবোধ আৰু স্বাভাৱিক মূল্যবোধ মষিমূৰ কৰি জনসাধাৰণৰ বাবে গ্লানি, অপমান, বিশৃঙ্খলতা, দুখ-দৈন্য, অভাৱৰ এখন সমাজ গঢ়ি তোলাই এইসকলৰ উদ্দেশ্য। শোষিত জনতাৰ অন্তৰত হয়তো সম্পূৰ্ণ সত্য ৰেখাঙ্কিত নহ'ব পাৰে কিন্তু অন্ততঃ নিভাজ সত্য এটা যে সূৰ্যৰ দৰে চিৰন্তন হৈ থাকে। শোষক আৰু শাসক শ্ৰেণীৰ মনত সত্য নহয়, থাকে প্ৰবঞ্চনাৰ মায়া মোহ, ছলনা, আৰু দংশনৰ নিত্য নতুন কৌশল জ্যোতি প্ৰসাদৰ ভাষাত 'দুস্কৃতি'।

পৃথিৱীৰ যিকোনো সুস্থ সংগঠনে এটা সুস্থ পৰিৱেশহে বিচৰা উচিত, যিটো পৰিৱেশত মুকলি মত প্ৰকাশ, মত বিনিময় আলোচনা-পৰ্যালোচনা, সামূহিক চিন্তা চৰ্চা আৰু বিতৰ্কৰ মাজেৰে শুদ্ধ আৰু সুস্থ চিন্তাৰ গতি পথ নিৰ্ণয় কৰিব পাৰি। কিছুমান ক্ষমতালোভী ন্যস্ত স্বাৰ্থৰ মহলে জনসাধাৰণক নিজৰ ইচ্ছা অনুসৰি ইফালে-সিফালে খেদি লৈ ফুৰিব আৰু নিজস্বাৰ্থ বাদ দি এটা চামে ভেড়াৰ জাকৰ দৰে ল'ৰা-ঢাপৰা কৰিব তেনেকৈ কোনো সংগঠন, সভ্যতা, সংস্কৃতি উভৰি পৰা চিন্তা কোনো দিনেই মঙ্গলজনক নহয়।

বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত প্ৰভাৱশালী চামৰ অবাধ স্বাৰ্থপৰতা, অনুষ্ঠান প্ৰতিষ্ঠান তথা সংগঠনবোৰৰ প্ৰতি ক্ষয়িষ্ণু চৰিত্ৰ, উচ্চ সাংস্কৃতিক দাৰনীয় কৰ্ম, সেইচাম ক্ষমতাশালীৰ তথা প্ৰভাৱশালীৰ দৰ্শন। তেওঁলোকৰ বাবে অতীত বৰ্তমান, ন্যায়-অন্যায়, পাপ-পূণ্য, দিন-ৰাতি এটা বুজিব নোৱাৰা সাঁথৰ।

তথা-কথিত বুদ্ধিজীৱিৰ বৃহৎ অংশৰ অৱস্থা আৰু ঐতিহ্যৰ গুণগত পৰমুখাপেক্ষী আৰু দালাল প্ৰকৃতিৰ তাত সন্দেহ নাই। আত্মবিশ্লেষণ আৰু আত্মচেতনাৰ অভাৱৰ বাবে তেওঁলোকৰ অধঃপতন। ঐতিহাসিক আৰু গঠনমূলক দৃষ্টি কোনেৰে গৱেষণা-বিশ্লেষণ আৰু পথ নিৰ্দেশত বিধ্বস্ত। নিজৰ গুণগত মানদণ্ড প্ৰকাশত আৰু বিকাশত এনে গণ্য মান্য আৰু সন্মানিত লোকসকলৰ প্ৰগতিৰ লক্ষ্য বিলীন হয় এন্ধাৰত।

অতীত আৰু বৰ্তমানৰ এক আকাশলংঘী পাৰ্থক্য থাকিব লাগিছিল। কিন্তু সেইটো সকলো দিশতে সকলো ক্ষেত্ৰতে পৰিদৃষ্ট নহয়। অতীতৰ ধ্যান-ধাৰণা, আচাৰ-ৰীতি, নীতি-নিয়ম, বিচাৰ বিবেচনা, ধৰণ-কৰণ, সাদৃশ্য-বৈসাদৃশ্য, চিন্তা-ভাবনা আদিও যেন অতীততেই বৰ্তমান হৈ বিদ্যমান।

বৰ্তমান শতিকাতো ভাব হয় যেন অতীতৰ কোলাতে বৰ্তমানো গভীৰ নিদ্ৰাত। নতুনৰ ভাব-ভঙ্গীমা নতুনৰ চিন্তাভাবনা, নতুনৰ নৃতাত্ত্বিকতা, নতুনৰ বৌদ্ধিক গৱেষণা, নতুনৰ নব পৰিকল্পনা, নৱ পৰিৱৰ্তনৰ কোনো চিন্ মোকামেই বৰ্তমানত পৰিলক্ষিত নহয়। তাত আছে অতীতৰ এলান্ধু কলীয়া আবৰ্জনা য'ত নতুনৰ চাফ-চিকুণ কৰাৰ পৰিকল্পিত চিন্তা চৰ্চাৰ দুৰ্বল মাপকাঠি। কি অদ্ভুত বৈসাদৃশ্য পৰিঘটনা।

ব্যক্তি কেন্দ্ৰিকতা বৰ্তমান সমাজ বা সংগঠনৰ মূলধন যেন অনুভৱ হয় কিয়নো শৃঙ্খলাবদ্ধতাতকৈ বৰ্তমান অশৃঙ্খলাহে সংগঠনসমূহত গা কৰি উঠা যেন দেখা যায়। যাৰ ফলত কোনো সংগঠনেই মুৰদাঙি ঠিয় হোৱাৰ সাহস গোটাব নোৱাৰে। ব্যক্তি অহমিকা আৰু ক্ষুদ্ৰ স্বাৰ্থৰ পৰিবাহক হৈ কলিতেই যিকোনো সংগঠনৰ পৰিসমাপ্তি ঘটাৰ বহুত উদাহৰণ পৰিলক্ষিত হয়।

সেয়েহে সংগঠন বুলিলে নীতি আদৰ্শ, দুৰদৰ্শিতা, শৃঙ্খলাবদ্ধতা, সামূহিক উদাৰতা, পৰিকল্পিত চিন্তাভাবনা, মানসিক পৰিপক্কতা, শুদ্ধ আৰু একমন এক প্ৰাণভাবৰ উদ্‌গীৰণতহে শ্ৰেষ্ঠ সমাজ তথা দেশ গঢ়াত পৰিবাহক হ'ব পাৰে, অন্যথা অগ্ৰগণি ভূমিকাৰ পৰা বিচলিত হোৱাই নহয় ধ্বংসাত্মক দিশৰ দুৱাৰ যে মুকলি হ'ব ই নিশ্চিত।



অঙ্কণ ঃ সুশান্ত বৈশ্য, শুৱালকুছি পাব্লিক স্কুল



# মই গুৱাহাটীখন ভাল পাওঁ

**অন্নপূৰ্ণা দেৱী**
প্ৰাক্তন সহকাৰী গ্ৰন্থাগাৰিকা, কৃ. কা. সন্দিকৈ গ্ৰন্থাগাৰ

অসমৰ বা অসমৰ বাহিৰত থকা সৰহভাগ অসমীয়া মানুহৰে গুৱাহাটীৰ প্ৰতি মোহ আমি দেখিবলৈ পাইছোঁহক। অকল অসমীয়া বুলি ক'লে ভুলেই হ'ব। অনাঅসমীয়া (বাঙালী বা ৰাজস্থানী, বিহাৰী আদিও) সকলোৰো সেই একেই মোহ, একেই আকৰ্ষণ। ইয়াৰ কাৰণ নিশ্চয়কৈ এইটো নহয় যে ইয়াৰ বায়ু হাৰা-পানী স্বাস্থ্যৰ কাৰণে অতিপাত ভাল অথবা বাট-ঘাট সকলো চাফ চিকুন, মসৃণ। তথাপি সকলোৰে দেখোন গুৱাহাটীত মাটি এটুকুৰা কিনি নিগাজীকৈ থাকিবলৈ হাবিয়াস কৰে। কিহৰ বাবেনো এই আকৰ্ষণ?

এই প্ৰশ্নৰ উত্তৰ হয়তো কোনেও সঠিককৈ দিব নোৱাৰিব। কিন্তু এইটো একেবাৰে সঁচা যে গুৱাহাটীত জন্মৰে পৰা থকা মানুহ খিনিয়ে গৰ্ব কৰি ক'বলৈ প্ৰয়াস কৰে — 'মোৰ জন্ম গুৱাহাটীতে'। আনফালে গুৱাহাটীত নতুনকৈ থাকিবলৈ অহা, পঢ়িবলৈ অহা, চাকৰি কৰিবলৈ অহা প্ৰত্যেক ব্যক্তিয়েই গুৱাহাটীৰ কথা কৈয়েই গৰ্ব কৰে। হয়, এই ভাল লগা, ভাল পোৱাৰ অন্তৰ্নিহিত কাৰণটো কোনেও ক'ব নোৱাৰিব। কিন্তু এটা কথা নিশ্চয় ভাবিব পৰা যায় যে, এই আকৰ্ষণৰো নিশ্চয় গূঢ় কাৰণ নথকা নহয়। প্ৰথম কথা, গুৱাহাটীখনেই অসমৰ মুখপাত্ৰ। উত্তৰ পূৰ্বাঞ্চলৰ হৃদপিণ্ড স্বৰূপ বুলি যাক কোৱা হয়।

চিত্ৰ-বিচিত্ৰ গুৱাহাটী চহৰৰ ৰূপ ৰং। এসময়ত হাবি-জংঘলেৰে ভৰা গুৱাহাটীখন বৰ্তমান হ'লগৈ এখন মহানগৰ দেশবিদেশৰ সকলো মানুহেই 'অসম মানে জানে গুৱাহাটীক। গতিকে গুৱাহাটীক লৈ গৰ্ব কৰা, গুৱাহাটীৰ প্ৰতি আকৰ্ষিত হোৱাৰো নিশ্চয় উপযুক্ত থল আছে। নিশ্চয় সেয়েহে আমি নিজেও গুৱাহাটীৰ প্ৰতি আকৰ্ষিত হ'লো।

এইখন গুৱাহাটীতে কেইবাটাও মন্দিৰ দেৱালয় থকা কথাটো নিশ্চয় পোনপতীয়াভাৱে আকৰ্ষণৰ কাৰণ হ'ব পাৰে। বিশেষকৈ গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ নিচেই কাষত নীলাচল পাহাৰৰ ওপৰত বিৰাজমান মা কামাখ্যা মন্দিৰৰ আকৰ্ষণে গুৱাহাটীলৈ কেৱল অসমৰে অ'ৰ ত'ৰ মানুহ নহয়, ৰাজ্যৰ বাহিৰৰো অনেক মানুহ আহে মা কামাখ্যা দৰ্শনৰ বাবে, আৰু মূৰ দোৱাই ধন্য হয়। অম্বুবাচী মেলা

বৰ্তমান বিশ্ববিখ্যাত হৈ পৰাটো পৰিলক্ষিত হৈছে। কোনোবা নেতা মন্ত্ৰী, প্ৰধানমন্ত্ৰী বা ৰাষ্ট্ৰপতি, অথবা কোনোবা অভিনেতা-অভিনেত্ৰী অসমলৈ আহিলে প্ৰথমে কামাখ্যা মাৰ আশীষ লোৱা দেখা যায়।

গুৱাহাটীতে শ্ৰী শ্ৰী বশিষ্ঠ মন্দিৰ, শুক্ৰেশ্বৰ দেৱালয়, নৱগ্ৰহ মন্দিৰ, আদি সকলোৱেই আকৰ্ষণৰ কাৰণ।

যিকোনো এটা পৰিকল্পনাই, যিকোনো এটা প্ৰকল্প প্ৰথমে গা কৰি উঠে গুৱাহাটীত। সেয়েহে যিকোনো ব্যক্তি বিশেষৰে গুৱাহাটীৰ প্ৰতি আকৰ্ষণ মন কৰিবলগীয়া।

গুৱাহাটীতেই মন্ত্ৰী-বিধায়কৰ ঘাটি। এইটো এটা মুখ্য আকৰ্ষণৰ বিষয়। বিধে বিধে শিক্ষানুষ্ঠান সমূহৰো আৰম্ভণিটো হয় গুৱাহাটীতে।

এতিয়া আহো গুৱাহাটী বিশ্ববিদ্যালয়ৰ কথালৈ। এটা সময়ত আছিল এই বিশ্ববিদ্যালয়খন স্থাপন কৰাৰ কাৰণে অসমৰ ৰাইজে যুঁজিব লগা হৈছিল। পিছলৈ অসমীয়া ৰাইজৰ সমূহীয়া প্ৰচেষ্টাত ১৯৪৮ চনত গঢ় লৈ উঠিল গুৱাহাটী বিশ্ববিদ্যালয়। এইটো নিশ্চয়কৈ এটা বিশেষ আকৰ্ষণ। এই বিশ্ববিদ্যালয়ে সকলোৰে মন উজ্জ্বল কৰিলে। বহুত দিনলৈ অসমত এই এখনেই আছিল বিশ্ববিদ্যালয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সুনাম বিশ্বব্যাপী। ইয়াৰ অন্যতম আকৰ্ষণ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ কথা নকলোৱেইবা। গুৱাহাটীৰ প্ৰতি মুখ্য আকৰ্ষণৰ কাৰণ হৈ পৰিল এই বিশ্ববিদ্যালয়। এই কথা অনস্বীকাৰ্য, পিচত ডিব্ৰুগড় বিশ্ববিদ্যালয় হ'ল। তাৰ পিচত হ'ল তেজপুৰ, শিলচৰ আদি। তেতিয়ালৈকে ঠিকেই আছিল। কিন্তু পিচলৈ অসমৰ চুকে-কোণে, অ'ত ত'ত বিভিন্ন নামৰ বিশ্ববিদ্যালয় হোৱাৰ পিছত 'বিশ্ববিদ্যালয়' শব্দৰ গাম্ভীৰ্য যেন কিছু কমি আছিল। তথাপি গুৱাহাটী বিশ্ববিদ্যালয় যেন সগৌৰৱে আগৰ ঠাইতে স্থিতি লৈ আকৰ্ষণৰ কাৰণ হৈ আছে আৰু নিশ্চয় থাকিব, সেয়েহে গুৱাহাটীৰ প্ৰতিও সকলোৰে দুৰ্বলতা থকাটো অতি স্বাভাৱিক।

এনেইও গুৱাহাটী চহৰখনৰ সৌন্দৰ্যই সকলোকে আকৰ্ষণ কৰে। কাৰণ ইমান ধুনীয়া চহৰ এখন ভাৰতৰ সুন্দৰ চহৰবোৰৰ ভিতৰতে প্ৰাধান্য লাভ কৰিছে। ইয়াৰ কেউপিনে থকা পাহাৰবোৰ আৰু মাজেদি বৈ যোৱা ব্ৰহ্মপুত্ৰই চহৰখন সুন্দৰ কৰি তুলিছে। এইবোৰ হৈছে আকৰ্ষণৰ প্ৰধান কাৰণ। এবাৰ গুৱাহাটীলৈ আহিলে সেয়ে উভতিবলৈ মন যোৱাটো অসম্ভৱ।

আমাৰো সেয়ে হ'ল। তাহানিতে উজনিৰ ওপজা চহৰখন এৰি কিবা প্ৰকাৰে আহি গুৱাহাটী পাই ইয়াতেই খোপনি পুতিলোঁ। উভতি যোৱাৰ আৰু নামেই নহ'ল। তাহানিৰ ৰাংঢালী ছোৱালী জনী এতিয়া গুৱাহাটীয়া প্ৰৌঢ়া আইতা।

ইয়াৰ মাজতেইতো সকলো হ'ল। পঢ়াশুনা, বিয়া বাৰু, ঘৰ-সংসাৰ, চাকৰি-বাকৰি। তাতেই লগ পালোঁ সতীৰ্থসকলক। যাকে য'ত লগ পালোঁ, সেয়ে হৈ পৰে অতি বিশ্বাসযোগ্য সতীৰ্থ। সকলো হৈ পৰে মৰমৰ, শ্ৰদ্ধাৰ। সেয়েতো 'সতীৰ্থ' এসময়ত গুৱাহাটীলৈ নহা হ'লে হয়তো 'সতীৰ্থ'ক লগ নাপালোঁহেতেন। 'সতীৰ্থ'ক লগ পাই মোৰ চাকৰি জীৱনৰ সাৰ্থকতা অনুভৱ কৰোঁ। 'সতীৰ্থ'ৰ উত্তৰোত্তৰ মঙ্গল কামনা কৰি মোৰ অনুভৱখিনি সতীৰ্থতে ৰাখিলোঁ।

* * * *




# সাম্প্ৰতিক কালৰ ৰাজনীতি আৰু ইয়াৰ প্ৰভাৱ

**চৰিফউদ্দিন আহমেদ**
অধীক্ষক, সংস্থাপন শাখা

সাম্প্ৰতিককালত ভাৰতবৰ্ষৰ ৰাজনীতিয়ে এক ভয়াৱহ ৰূপ ধাৰণ কৰিছে। জনসংখ্যাৰ হেচাতকৈ ৰাজনৈতিক নেতাৰ গ্ৰাসৰ বলি হৈছে ভাৰতবৰ্ষ। কোটি কোটি মানুহ আৰু প্ৰায় পাঁচ লাখ উগ্ৰপন্থীৰ প্ৰকোপতকৈ হাজাৰ জন তথাকথিত জননেতাৰ আগ্ৰাসন আৰু আক্ৰোশে মাৰাত্মাকভাৱে জনগণৰ ওপৰত মাধমাৰ সোধাইছে। নিৰ্লজ্জ আচৰণ আৰু মিথ্যাচাৰে ৰাজনৈতিক নেতাগণৰ সহচৰ। মাছ মূৰৰ পৰা গেলি-পচি দুৰ্গন্ধ বাহিৰ হোৱাৰ দৰে নেতা সকলৰো মগজু গেলি-পচি দুৰ্নীতিৰ পোকে বাহ লৈছে। নাগৰিকক কৰিব লগা সেৱাভাৱ এতিয়া কেৱল খোৱা ভাবলৈ ৰূপান্তৰিত হৈছে। ঠগ প্ৰবঞ্চনাৰে লুটি পুতি খোৱাই যেন ৰাজনীতি। জ্ঞানহীনতা, কৰ্তব্যনিষ্ঠাহীনতা আৰু মানৱতাবোধ শূন্যতাই তেওঁলোক জ্ঞানৰ পৰিসীমা। দুখীয়া-গৰীবৰ মুখৰ ভাত কাঢ়ি খোৱা নোদোকাবোৰে ভাৰতবৰ্ষৰ কোটি কোটি জনগণৰ মূৰত মাধমাৰ সোধাই আঁচনিৰ পিছত আঁচনি গ্ৰহণ কৰি নিজৰ নিজৰ পেটবোৰ নোদোকা কৰাত বাহিৰে দেশৰ গৰীব জনগণৰ কোনো উপকাৰ সাধন কৰা দেখা নাযায়। এই বৃহৎ বৃহৎ আঁচনিবোৰে মাথো এচাম পুঁজিপতিৰ পেট নোদোকা কৰে। আঁচনিবোৰ এনেবোৰ পুঁজিপতিৰ স্বাৰ্থতে তৈয়াৰ কৰে আৰু ইয়াৰ জৰিয়তে ৰাজনৈতিক নেতাসকলে নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ বাবে প্ৰয়োজনীয় পুঁজি সংগ্ৰহ কৰে। আপাতদৃষ্টিত যদিও বা এই আঁচনিবোৰ গৰীব জনগণৰ বাবেহে ঘোষণা কৰা দেখুৱা হয় প্ৰকৃততে ইয়াৰ সুফল পোৱাৰ ক্ষেত্ৰত কিছুমান এনে চৰ্ত আৰোপ কৰে, যিবোৰ চৰ্ত আমাৰ দেশৰ সৰহ সংখ্যকে গৰীব জনতাই কোনো দিনেই পুৰণ কৰিব নোৱাৰে। ফলত আঁচনিৰ সুফলৰ পৰা এওঁলোক বঞ্চিত। দেশ স্বাধীন হোৱাৰ প্ৰায় সত্তৰ (৭০) বছৰ হ'ল আৰু এই সত্তৰ বছৰত আমাৰ দেশত ৰাজনৈতিক নেতাসকলে হাজাৰ হাজাৰ আঁচনিৰ নামত হাজাৰ হাজাৰ কোটি টকা খৰচ কৰি গৰীৱ জনগণৰ কিমান উন্নতি সাধন কৰিলে তাৰ হিচাপ দেশৰ বৰ্দ্ধিত বৃহৎ গৰীব জনসংখ্যাই দাঙি ধৰিছে। জনগণৰ হিত এফালৰীয়া কৰি সাম্প্ৰতিক সময়ত ৰাজনৈতিক নেতাসকলে সকলো নীতি-নিয়ম, নৈতিকতা ত্যাগ কৰি

কেৱল ক্ষমতাৰ খকত ৰাতিটোৰ ভিতৰতে ইটো ৰাজনৈতিক দলৰ পৰা সিটো ৰাজনৈতিক দলত যোগদান কৰি হ'লেও ক্ষমতাৰ বাঘজৰী নিজৰ হাতত ৰখাৰ প্ৰতিযোগিতাত নামি পৰা পৰিলক্ষিত হৈছে। ইয়াৰ উদ্দেশ্য এনে নহয় যে তেওঁলোকে ক্ষমতাত থাকি দেশৰ জনতাৰ উন্নতি সাধন কৰা, তেওঁলোকৰ কেৱল এটাই উদ্দেশ্য, নিজকে প্ৰতিষ্ঠা কৰি ধনবন্ত হোৱা। বৰ্তমান সময়ত নৈতিক ৰাজনীতিৰ পৰিৱৰ্তে জাত-পাতৰ ৰাজনীতি, দেশৰ সাৰ্বভৌমত্বৰ ৰাজনীতিৰ পৰিৱৰ্তে জাতি-উপজাতিৰ ৰাজনীতি, ধৰ্ম নিৰপেক্ষতাৰ ৰাজনীতিৰ পৰিৱৰ্তে ধৰ্মৰ ৰাজনীতি আৰু সহিষ্ণুতাৰ ৰাজনীতি পৰিৱৰ্তে অসহিষ্ণুতাৰ ৰাজনীতিয়ে আমাৰ দেশক এক অস্থিৰ দিশলৈ লৈ গৈ আছে। ইয়াৰ সুফল ৰাজনৈতিক নেতাসকলে ঠিকেই ভোগ কৰিছে যদিও ইয়াৰ এক সুদৰপ্ৰসাৰী কু-প্ৰভাৱ দেশৰ জনতাই ভোগ কৰিব লাগিব। সেয়েহে আমাৰ জনগণে এনেবোৰ ৰাজনৈতিক নেতাক সময় থাকোতে চিনাক্ত কৰিবৰ হ'ল। আমাৰ দেশত ৰাজনৈতিকভাৱে সমাধান কৰিবলগীয়া বহু সমস্যা আছে আৰু প্ৰতিটো ৰাজনৈতিক দলৰ নেতাই এনেবোৰ সমস্যা ৰাজনৈতিকভাৱে সমাধান কৰাৰ প্ৰয়াস কৰা উচিত। যদি এনেবোৰ সমস্যা জীয়াই বা পুহি ৰখা হয় আৰু ৰাজনৈতিক নেতাসকলে যদি ইয়াক ৰাজনৈতিক লাভা লাভৰ আহিলা হিচাপে ব্যৱহাৰ কৰি ৰাজনৈতিক মুনাফা আদায় কৰিব বিচাৰিছে তেনেহ'লে দেশ হয়তো এদিন দেশৰ মানচিত্ৰৰ পৰাই হেৰাই থাকিব। গতিকে সময় থাকোতে প্ৰতিজন ৰাজনৈতিক নেতাই সমস্যাসমূহৰ গভীৰতালৈ সোমায় গৈ তাৰ সমাধান সূত্ৰ বাহিৰ কৰা উচিত। তাকে নকৰি যদি কেৱল জনগণক আচল সমস্যাৰ পৰা আতৰত ৰখাৰ কৌশল অৱলম্বন কৰি নিতৌ নতুন নতুন সমস্যাৰ সৃষ্টিৰে, কেৱল তেওঁলোকৰ ৰাজনৈতিক মুনাফা আদায়ৰ কামত ব্যস্ত থাকে তেন্তে দেশ আৰু জাতিৰ চিন মোকাম হেৰাই থাকিব। কেৱল টকা আৰু টকাৰ পিচত ৰাজনীতি কৰি, দেশ আৰু জাতিৰ পিনে পিঠি দি ৰাজনীতি কৰা দিন হয়তো এদিন উকলি যাব, তেতিয়া কিন্তু এই নেতাসকলক দেশৰ জনতাই ক্ষমা নকৰিব।

* * * *



# প্ৰাথমিক শিক্ষা ব্যৱস্থাত দেশপ্ৰেমমূলক বিষয়ৰ সংযোজনৰ প্ৰয়োজনীয়তা

**মৃণালজ্যোতি ডেকা**
উপাচাৰ্য্যৰ সচিব

ভাৰতীয় শিক্ষা ব্যৱস্থা সমগ্ৰ পৃথিৱীৰ ভিতৰতে এক অন্যতম লেখত ল'বলগীয়া শিক্ষাব্যৱস্থা। প্ৰাচীন কালৰে পৰা আমাৰ এই মূল্যবোধৰ শিক্ষা ব্যৱস্থাৰে শিক্ষিত হৈ জীৱন যুদ্ধত আগুৱাই যাবলৈ সমগ্ৰ বিশ্বৰে পৰা শিক্ষাৰ্থীসকলে ভাৰতমুখী হৈছিল। বেদ বেদান্তৰ দৰ্শন, নীতি শিক্ষা তথা গুৰু শিষ্যৰ সম্পৰ্কৰ নিদৰ্শন, ব্যৱহাৰিক শিক্ষাৰ প্ৰতি গুৰুত্ব আৰোপ ইত্যাদি প্ৰাচীন কালত ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ আছিল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে তথা পৃথিৱীৰ অন্যান্য দেশসমূহৰ শিক্ষা ব্যৱস্থাৰ সময়োপযোগী আমূল পৰিৱৰ্তনৰ লগে লগে কালক্ৰমত ভাৰতবৰ্ষত শিক্ষা গ্ৰহণ কৰিবলৈ আগ্ৰহী শিক্ষাৰ্থীৰ সংখ্যা কমিবলৈ ধৰিলে। আজি আমি এনে এক সময়ত উপনীত হৈছোঁ যৰ পৰা আমি পাশ্চাত্যৰ শিক্ষা ব্যৱস্থাৰ কিছু সমল আকোৱালী লৈছোঁ তথা পাশ্চাত্যৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি কিছু পৰিমাণে হ'লেও আগ্ৰহী হৈ পৰিছোঁ। বিকশিত দেশসমূহে প্ৰদান কৰা শিক্ষ্যব্যৱস্থাৰ এটা অন্যতম গুৰুত্বপূৰ্ণ দিশ হ'ল দেশপ্ৰেমৰ আদিপাঠৰ সমযোজন।

শৈশৱতে পঢ়ি অহা কেইটামান কবিতাৰ কথা ইয়াত উল্লেখ কৰিব বিচাৰিছোঁ—

"জননী জন্মভূমিচ্ছ স্বৰ্গদপী গৰিয়সী" (জননী আৰু জন্মভুমি স্বৰ্গতকৈও আপোন)

"মোৰ প্ৰাণৰো প্ৰাণৰ মোৰ গানৰো গানৰ মোৰ দেশ ("কবিতাৰ নাম 'মোৰ দেশ' কবি হীৰেণ ভট্টাচাৰ্য্য)

মাধ্যমিক পৰ্যায়ৰ শিক্ষাগ্ৰহণ কৰি থকা কালত ওপৰোক্ত ধৰণৰ কবিতা পঢ়াৰ কথা সকলোৰে মনত নিশ্চয় আছে। উক্ত কবিতাৰ উপৰিও আমাৰ মনত দেশপ্ৰেমৰ বীজ সিঁচিছিল শৈশৱৰে পৰা উদ্‌যাপন কৰা স্বাধীনতা দিৱস আৰু গণতন্ত্ৰ দিৱসে।

কিন্তু বন্ধ সংস্কৃতিৰ কবলত পৰি আজি বহুবছৰ ধৰি আমাৰ বহুতে হয়তো উক্ত অনুষ্ঠান দুটাৰ পৰা কম বেছি পৰিমাণে বঞ্চিত হৈ আছে।

টেলিভিছনৰ পৰ্দাত আমেৰিকাকে আদি কৰি পাশ্চাত্যৰ দেশসমূহৰ বিভিন্ন দিৱস ইত্যাদিত জাতীয় সংগীতৰ পৰিৱেশনৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা উলাহ তথা অন্য বহুতো অনুষ্ঠানত জন্মভূমিৰ প্ৰতি প্ৰদৰ্শিত হোৱা প্ৰেম, ভালপোৱা তথা শ্ৰদ্ধাৰ নিদৰ্শন দেখি আমি অভিভূত হওঁ। তাৰ অনুপাতে কিন্তু আমাৰ দেশত এনে ধৰণৰ উৎসাহ-উদ্দীপনা তথা আনন্দ সঁচাকৈয়ে ম্লান পৰা। ইয়াৰ কাৰণ হিচাপে শিশুসকলৰ মাজত এক ক্ষেত্ৰভিত্তিক অধ্যয়ন চলাই দেখা গৈছিল যে নৱপ্ৰজন্মৰ মনত দেশপ্ৰেমৰ কঠিয়া সিঁচাত ক'ৰবাত যে কিবা এটা ৰৈ গৈছে। যাৰ ফলত হয়তো শিশুসৰৰ মাজত দেশপ্ৰেমক লৈ উলাহ পৰিলক্ষিত হোৱা নাই। আমাৰ নৱপ্ৰজন্মৰ বাবে দেশপ্ৰেম বা দেশভক্তি এক প্ৰত্যাহ্বানস্বৰূপে দেখা দিছে। সমগ্ৰ বিশ্বতে যিদৰে অসহিষ্ণুতা বৃদ্ধি হৈছে, হত্যা-হিংসা বিদ্বেষে ছানি ধৰিছে ইয়াৰ বিপৰীতে দেশপ্ৰেম অথবা দেশভক্তিৰ শিক্ষাইহে সকলোকে এক কৰি ৰখাত সহায় কৰিব পাৰে।

প্ৰাথমিক বিদ্যালয়ত প্ৰদান কৰা শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱনৰ ভেটি নিৰ্মাণ কৰে। সেয়েহে এনে স্তৰত যদি দেশপ্ৰেমৰ আদিপাঠ সন্নিবিষ্ট কৰা হয়, তেন্তে ভৱিষ্যতে আমাৰ নৱপ্ৰজন্মই এক নতুন দিশৰ সন্ধান পাব। মূল্যবোধ তথা দেশপ্ৰেমৰ শিক্ষাৰে শিক্ষিত নৱপ্ৰজন্মই দেশৰ বাবে এক সোণালী অধ্যায়ৰ সূচনা কৰিব। ভাৰতবৰ্ষক পৃথিৱীৰ ভিতৰতে শ্ৰেষ্ঠ দেশ হিচাপে পৰিগণিত কৰিবলৈ হ'লে মূল্যবোধৰ শিক্ষাই সবাতোকৈ গুৰুত্বপূৰ্ণ সমল হিচাপে পৰিগণিত হ'ব।

* * * *

গল্প



# চাংপো আহিছিল লোহিত হৈ

**দিলীপ শৰ্মা**
পঞ্জীয়কৰ সচিব

হঠাৎ প্ৰদীপ গণেশ ঘাটৰ তললৈ ব্ৰহ্মপুত্ৰ নৈৰ পাৰলৈ নামি গ'ল। তেজপুৰ চহৰৰ গণেশ ঘাট। লগত থকা দুই বন্ধু অ লকেশে আৰু প্ৰবীৰে প্ৰদীপলৈ চাই থাকিল।

'প্ৰদীপ এতিয়া ব্ৰহ্মপুত্ৰ নৈৰ পানীখিনি কিছুসময় চুই থাকিব, অকণমান নষ্টালজিক হ'ব, আৰু তাৰ পিছত উঠি আহি ক'ব— 'এইখনেই চীন দেশৰ চাংপো নৈখন নহয় জানোঁ? আৰু আমাৰ অসমৰ মাজেৰে লোহিত আৰু ব্ৰহ্মপুত্ৰ নাম লৈ বৈ গৈছে? ব্ৰহ্মপুত্ৰৰ পানীখিনি চুই মই বৰ শান্তি পাওঁ।"— এই বুলি কৈ অলকেশে মৃদু হাঁহিৰে প্ৰদীপে আগতেও সচৰাচৰ কৰি অহা আচৰণৰ কথা কৈ ৰসিকতা কৰিলে।

"হয় জানো?" প্ৰবীৰে কঁপালৰ ভ্ৰূ কেইডাল প্ৰশ্নবোধক চিনৰ দৰে ঠিয় কৰি অলকেশলৈ চাই পঠিয়ালে।

"চাই থাক্ তেনেহ'লে। তাক উঠি আহিবলৈ দে আৰু তাৰ পিছত কবি। এতিয়াই তাক মাতি লাভ নাই। কমেও এঘণ্টা সময় লাগিব। চা-চোন, লুইতখন চাই চাই সি কিমান নষ্টালজিক্ হৈ পৰিছে। সি তাতেই থাকক এতিয়া, ব'ল তয়ে ময়ে অকণমান অগ্নিগড় পাহাৰৰ ফালে খোজ কাঢ়ি কাঢ়ি ফুৰি আহোগৈ।"— এইবুলি দুয়ো সেই মিঠা আবেলিটোত অগ্নিগড়ৰ ফালে খোজ দিলে।

"সঁচাকৈয়ে বৰ আঁচহুৱা আচৰণ এই প্ৰদীপৰ"— মৌনতা ভাঙিবলৈ যেন প্ৰবীৰে অলকেশলৈ চাই ক'লে।

এটা দীঘল হুমুনিয়াহ কাঢ়ি অলকেশে প্ৰবীৰৰ ফালে নোচোৱাকৈয়ে কৈ গ'ল— "মইও এদিন ভাবিছিলোঁ ঠিক তোৰ দৰে। মোৰো কৌতুহল হৈছিল। কিয় তাৰ এই আচৰণ। ওপৰোৱা দৃষ্টিৰে চালে যেনে সামান্য, কিন্তু প্ৰকৃততে কথাটো তেনে নহয়। ইয়াৰ অন্তৰালত এটা বৰ কৰুণ কাহিনী জড়িত হৈ আছে। তাৰ দুগৰাকী ভনীয়েকৰ সতে বিচ্ছেদ আৰু এগৰাকী মৰমৰ পেহীয়েকক হেৰুওৱাৰ বেদনাৰ কাহিনী। অলকেশে প্ৰদীপৰ বাল্য জীৱনৰ লগত সাঙোৰ কাই থকা দুখৰ কাহিনীটো খোজ কাঢ়ি কাঢ়ি কৈ গ'ল।

প্ৰদীপৰ দেউতাক নৰেশ্বৰ শৰ্মা এজন সহজ-সৰল হোজা শিক্ষক আৰু তেওঁ তেতিয়াৰ অবিভক্ত দৰং জিলাৰ আৰু এতিয়াৰ ওদালগুৰি জিলাৰ ভূটানৰ পাদদেশত থকা আটাৰীখাঁট চাহ-বাগিছাৰ সৰু এল. পি. স্কুলখনত শিক্ষকতা কৰিছিল। স্কুলখনৰ ওচৰতে নৰেশ্বৰ মাষ্টৰহঁত থকা কোৱাৰ্টাৰটো। ১৯৬১ চনৰ কথা। প্ৰদীপৰ বয়স তেতিয়া

চাৰি কি পাঁচ বছৰ। প্ৰদীপহঁত থকা কোৱাৰ্টাৰৰ ওচৰত থকা খালি হৈ থকা ঘৰটোলৈ আহিছিল এটা সৰু চীনা পৰিয়াল। সদস্যৰ সংখ্যা মাথো চাৰিটা। মানুহজনৰ নাম মাও চেঙ্ আৰু পৰিবাৰৰ নাম লিজুৱান। সৰু সৰু মৰম লগা দুই আৰু তিনি বছৰীয়া দুজনী ছোৱালী। ডাঙৰজনীৰ নাম ঝিও আৰু সৰুজনীৰ নাম ঝিওলান্।

লাহে লাহে প্ৰদীপহঁতৰ ঘৰখনৰ লগত চীনা পৰিয়ালটোৰ এটা মধুৰ সম্পৰ্ক গঢ় লৈ উঠিছিল। ভঙা ভঙা হিন্দীৰে প্ৰথমতে ভাৱৰ আদান-প্ৰদান কৰিছিল। অৱশ্যে পিছলৈ ভঙা ভঙাকৈ অসমীয়াও ক'ব পৰা হৈছিল।

হঠাৎ প্ৰবীৰৰ প্ৰশ্নত অলকেশ অলপ ৰৰ লগা হ'ল— "চীন দেশৰ মানুহ বাগিছাখনত কি কৰিবলৈ আহিল?"

"তই সঠিক প্ৰশ্নই কৰিছ" বুলি শলাগি অলকেশে কৈ গ'ল—

"সেই সময়ত চাহ-বাগিছাসমূহৰ কল-কাৰখানাবোৰ মেৰামতি কৰিবৰ বাবে ইংৰাজ চৰকাৰৰ দিনত ইংৰাজসকলে চীনদেশৰ পৰা দক্ষ কাৰিকৰ আমদানি কৰিছিল। আৰু ভাৰতৰ স্বাধীনতাৰ পাছৰ সময়তো এনে ব্যৱস্থা বহু বছৰলৈ চলি আছিল। মাও চেঙ্ আছিল এজন দক্ষ চীনা কাৰিকৰ। চেঙ্‌ৰ পৰিবাৰ লিজুৱান অতি অমায়িক আৰু মৰমিয়াল সাদৰী মহিলা আছিল। এটা কথা ক'বলৈ পাহৰিছিলোঁৰে'। বুলি অলকেশ অকণমান ৰ'ল আৰু পুনৰ কৈ গ'ল— চেঙ্‌ৰ পৰিয়ালটো অসমলৈ অহাৰ প্ৰায় পাঁচ-ছয়বছৰ আগতেই পশ্চিমবঙ্গৰ কোনোবা এখন চাহ বাগিচালৈ কাম কৰিবলৈ আহিছিল। ঝিও আৰু ঝিওলান হেনো কলিকতাত থাকোতেই জন্ম পাইছিল।"

******

"বহুত দূৰ আহিলো। গণেশঘাটলৈ উভতি যাওঁ ব'ল"— প্ৰবীৰৰ কথামতে দুয়ো পুনৰ উভটি খোজ দিলে আৰু অলকেশে পুনৰ কৈ গ'ল—

সকলো ঠিকে-ঠাকে চলি গৈছিল। সৰুতে ঝিও আৰু ঝিওলানক লগপাই প্ৰদীপৰ আনন্দৰ সীমা নাছিল। ঘৰৰ একমাত্ৰ ল'ৰা প্ৰদীপৰ বাবে ঝিও আৰু ঝিওলান্ নিজৰ তেজ-মঙহৰ সম্পৰ্ক থকা ভনীয়েকৰ নিচিনা হৈ পৰিছিল। মাক লিজুৱান মাষ্টৰ নৰেশ্বৰ আৰু তেওঁৰ পত্নী অনুপমাৰ নিজৰ ভনীয়েকৰ দৰে অতি আপোন আৰু মৰমৰ হৈ পৰিছিল। চেঙ্‌কো সেয়ে মৰমতে মাষ্টৰ নৰেশ্বৰ আৰু অনুপমাই জোঁৱাই বুলিয়ে মাতিছিল অৰ্থাৎ চেঙ্ সম্পৰ্কত ভনী জোঁৱাই হৈছিল। চেঙ আৰু লিজুৱানেও মাষ্টৰক 'দাদা' আৰু অনুপমাক 'অনুবৌ' বুলি সম্বোধন কৰিছিল। প্ৰদীপে লিজুৱানক 'লিজুপেহী' বুলিছিল। লিজুৱানেও ঝিও-ঝিওলান্‌ক কৰাৰ দৰে প্ৰদীপৰ খোৱা-বোৱা, পিন্ধা-উৰা আদি সকলো ধৰণৰ যত্ন মৰম-চেনেহ পুত্ৰৰ দৰে ভাবি কৰি গৈছিল।

জাননে প্ৰবীৰ, ১৯৬২ চনৰ চীন-ভাৰত যুদ্ধৰ পিছত চীনা পৰিয়ালটোৰ জীৱনলৈ অমানিশা নামি আহিছিল। চাহ বাগিচাৰ কেইজনমান কৰ্মচাৰীয়ে চেঙক ব্যক্তিগত কাৰণত ভাল নাপাইছিল। আৰু সিহঁতে উৰাবাতৰি উলিয়াই প্ৰচাৰ কৰিছিল যে চেঙে চীনা চৰকাৰৰ হৈ চোৰাংচোৱা কৰিছিল বুলি। ঢোলৰ কোবতকৈ ওঁঠৰ কোব চাৰ। কথাটো জিলা প্ৰশাসনৰ কাণত নপৰাকৈ নাথাকিল। কথাটো তেতিয়াৰ অসমৰ ৰাজধানী শ্বিলং আৰু পাছলৈ দিল্লীলৈও গৈ পালে।

তেতিয়া ১৯৬৫ চন। চীন-ভাৰত যুদ্ধ কেতিয়াবাই শেষ হ'ল যদিও তাৰ সুদূৰপ্ৰসাৰী প্ৰতিক্ৰিয়া বহুদিনলৈ চলি আছিল। আৰু এদিন চীনা পৰিয়ালটোক ভাৰতৰ পৰা বিতাৰণ কৰিব লাগে বুলি চৰকাৰৰ পৰা আদেশ আহিল। অৱশ্যে সেই সময়ত বহু চীনা পৰিয়াললৈ তেনে 'নোটিচ' আহিছিল। সঁচা-মিছা প্ৰমাণ কৰাৰ সুযোগ কোনো চীনা পৰিয়ালকে বিদেশী বুলিয়ে দিয়া নহৈছিল।" এইবুলি কৈ অলকেশ কিছু সময়ৰ বাবে থমকি ৰ'ল।

অলকেশৰ পৰা কথাবোৰ শুনি প্ৰবীৰে এটা দীঘলকৈ উশাহ টানি ব্ৰহ্মপুত্ৰ নৈখনৰ ওপৰেদি বহু দূৰলৈ চাই পঠিয়ালে আৰু ক'লে— "ৰৈ গলি যে। কৈ যা, তাৰ পিছত?"

"জান প্ৰবীৰ, নোটিচখন পাই পৰিয়ালটোৰ মূৰত সৰগ ভাঙি পৰাৰ দৰে হৈছিল। বিশেষকৈ চেঙ্‌ৰ পৰিবাৰ লিজুৱান কান্দি-কাতি অস্থিৰ হৈ পৰিছিল। তেতিয়া ছোৱালী দুজনী সাত আৰু আঠ বছৰীয়া। কথাবোৰ সিহঁতে

বুজি পোৱা হৈছিল। সিহঁতৰো মুখবোৰ শেতা, মন উদাস আৰু চকুবোৰ সেমেকি উঠিছিল। লিজুৱান একপ্ৰকাৰ বলিয়াৰ দৰে হৈ পৰিছিল। ক'ত যোৱা নাছিল? কাক লগ ধৰা নাছিল? বাগিচাৰ মেনেজাৰ, পানেৰী থানাৰ পৰিদৰ্শক, চাৰ্কোল অফিচাৰ, দৰং জিলাৰ ডি চি সমন্বিতে তেতিয়াৰ অসমৰ বৰমুৰীয়া প্ৰায় সকলোকে লগ ধৰিছিল। লগত সহায়কাৰী হিচাপে ছাঁটোৰ দৰে লাগি দিছিল নৰেশ্বৰ মাষ্টৰ দাদাই।

এই ঘটনাই নৰেশ্বৰ মাষ্টৰৰ পৰিয়ালটোলৈও অশান্তি নমাই আনিছিল। কাৰণ তেজ-মঙহৰ সম্পৰ্ক নাথাকিলেও লিজুৱান নৰেশ্বৰ মাষ্টৰৰ অন্তৰত ভনীয়েকৰ ঠাই লৈ লৈছিল। ঝিও আৰু ঝিওলান্ সেয়ে মৰমৰ ভাগিনীয়েক হৈ পৰিছিল। ৰাতিপুৱালেই মাষ্টৰৰ ঘৰত দুয়োজনীয়ে প্ৰদীপৰ লগত উমলি-জামলি খেলিছিল। পিছে লিজুৱান্ আৰু নৰেশ্বৰ মাষ্টৰৰ সকলো প্ৰচেষ্টা বিফল হৈছিল। আৰু এদিন সেই অভিশপ্ত দিনটো আহিছিল। সিদিনা আছিল ১৯৬৭ চনৰ ১ জানুৱাৰী। ভাৰত ত্যাগ কৰাবলৈ অৰ্থাৎ পৰিয়ালটোক ভাৰতৰ পৰা বিতাৰণ কৰিবলৈ জিলা প্ৰশাসনৰ পৰা পুলিচ, মিলিটেৰী আৰু চৰকাৰী বিষয়া অহাৰ দিন। পৰিয়ালটোক প্ৰথমে কলিকতা, তাৰ পাছত ব্ৰহ্মদেশৰ ৰেঙ্গুনলৈ আৰু অৱশেষত চীনদেশলৈ পঠিয়াই দিয়াৰ কথা আছিল।"

জান প্ৰবীৰ, লিজুৱান, চেঙ্ আৰু চেঙৰ ছোৱালী দুজনী আমাৰ দেশৰ সমাজ ব্যৱস্থাৰ সৈতে এনেভাৱে জীণ গৈছিল যে ভাৰতৰ মাটি, পানী আৰু বায়ু অবিহনে কোনো কথাই ভাবিব নোৱাৰিছিল। এককথাত পৰিয়ালটোৰ আত্মা ভাৰতৰ মাটিত লীণ হৈছিল। ৩১ ডিচেম্বৰৰ দিনা নিশা দুপৰলৈ লিজুৱানে কান্দি কান্দি বাউলী হৈছিল। চেঙ্ আৰু নৰেশ্বৰ মাষ্টৰে ৰাতি বহুপৰলৈ বুজাইছিল। প্ৰদীপে তাৰ ভনীয়েক দুজনীক হেৰুৱাৰ আশংকাত উচুপি উঠিছিল। থোকা-থোকি মাতেৰে ঝিও আৰু ঝিওলানক সুধিছিল— "চীন দেশ বাৰু ক'তনো, ঝিও?" ঝিও আৰু ঝিওলানে পঢ়াশালিৰ ভূগোলৰ কিতাপখন আনি প্ৰদীপক দেখুৱাইছিল আৰু কৈছিল— "চীনদেশখন অসমৰ ঠিক উত্তৰফালে লাগি থকা।" অলকেশে কলে — "তেতিয়াৰ অসমখন অবিভক্ত আছিল আৰু এতিয়াৰ অৰুণাচলখন অসমৰ অংগ আছিল আৰু 'নেফা' হিচাবে জনা গৈছিল।"

"বেছিদূৰত নহয় দেখোন আমি তাত যাব পাৰিম নহয়?" প্ৰদীপে দুখৰ মাজতো যেন অকণমান আশাৰ ৰেঙনি দেখা পাইছিল।"

"জান প্ৰবীৰ, বেচেৰা কম বয়সীয়া প্ৰদীপ, ঝিও আৰু ঝিওলানে্ ভূগোলৰ মানচিত্ৰত থকা দূৰত্ব আৰু প্ৰকৃত দূৰত্বৰ পাৰ্থক্য বুজাই নাছিল। সিহঁতৰ নিষ্পাপ সৰল অন্তৰে দেশে দেশে থকা সীমা, কুটনীতি বা ৰাজনীতিৰ ভূ-ভা একোকে নাপাইছিল।

তেতিয়াও প্ৰবীৰে অলকেশৰ কথা শুনি শুনি উদাস চাৱনিৰে কেৱল দূৰলৈয়ে চাই আছিল।

অলকেশে কৈ গৈছিল— "সিদিনা ১৯৬৭ চনৰ ১ জানুৱাৰী। যি সময়ত মানুহে নৱবৰ্ষৰ আনন্দ উদ্‌যাপন কৰে, কিন্তু সেইদিনা চেঙৰ পৰিয়ালত আৰু নৰেশ্বৰ মাষ্টৰৰ ঘৰত কান্দোনৰ ৰোল। চেঙৰ ঘৰৰ নঙলামুখত বাগিচাৰ কৰ্মচাৰী, বনুৱাৰে ঠাই খাই পৰিছিল আৰু সকলোৱে উচুপিছিল। আৰু চেঙ্। চেঙে দুই কন্যাক সাৱটি লিজুৱানৰ মৃতদেহৰ সমুখত বলিয়াৰ দৰে কান্দিছিল আৰু হিন্দী অসমীয়া মিশ্ৰিত ভাষাৰে আৰ্তনাদ কৰি কৈছিল— "লিজুৱান, তুমি মোক বিপদৰ সময়ত অকলে কিয় এৰি থৈ গ'লা? মই এতিয়া কি শান্তিত চীন দেশলৈ যাম? ঝিও, ঝিওলানক কেনেকৈ ডাঙৰ কৰিম?...' ইত্যাদি ইত্যাদি।

প্ৰবীৰ ৰৈ গ'ল। অলকেশো ৰৈ দিলে। প্ৰবীৰৰ যেন ডিঙিৰ ক'ৰবাত তাৰ মাতটো লাগি ধৰিছিল।

"অ' প্ৰবীৰ। ৩১ ডিচেম্বৰৰ নিশাই লিজুৱানে কোৱাৰ্টাৰৰ পাছফালে থকা খৰি থোৱা ঘৰটোতে চিপজৰী লৈ আত্মহত্যা কৰে। চীনা ভাষাত চেঙলৈ এখন চিঠি লিখি গৈছিল, যাৰ অৰ্থটো এনেকুৱা"—

"মৰমৰ চেঙ্, তুমি, মই ভাৰতলৈ আহিছিলোঁ ঠিক চীন দেশৰ পৰা অহা চাংপো নৈখনৰ দৰে হৈ। চেঙ্, চাংপো জানো চীনলৈ উভটি বয়? চাংপো হৈ আহিছিলোঁ আৰু অসমৰ মাটিত ভাৰতৰ মাটিত মই লোহিত হৈ বৈ থাকিব বিচাৰিছিলোঁ। মই চীন দেশলৈ নাযাওঁ। মোক ক্ষমা কৰিবা। ঝিও আৰু ঝিওলানক মৰম দিবা, ডাঙৰ কৰিবা। মাষ্টৰ

দাদাক, বৌক ক'বা মোক ক্ষমা কৰিবলৈ। ইয়াৰ মানুহবোৰৰ মৰম, মাত-কথা পাহৰি মই চীনদেশত শান্তিৰে থাকিব নোৱাৰিম। প্ৰদীপ মোৰ পুত্ৰৰ দৰে। তাক এৰিও মই থাকিব নোৱাৰো। ভাৰতৰ মাটিত মোৰ আত্মা লীন গৈছে। ভাৰতৰ মাটিয়ে মোক আপোন কৰি লৈছে। বহু কথা ভাবি মই বহুদূৰলৈ গুচি অহাৰ কথা ভাবিলো য'ত দেশৰ সীমাই মানুহক আমনি নকৰে, অশান্তি নিদিয়ে, য'লৈ গ'লে আৰু কালৈকো মনত নপৰে। অলকেশে আৰু বেছি ক'ব নোৱাৰিলে।

দুয়ো আহি অলপ পাছতে গণেশঘাট পালেহি। প্ৰদীপে আপোন-বিভোৰ হৈ তেতিয়াও লুইতৰ পানী চুই আছিল। প্ৰবীৰ আৰু অলকেশক দেখি প্ৰদীপে নৈৰ পাৰৰ পৰাই চিঞৰি চিঞৰি সুধিলে— "বাৰু ক'চোন প্ৰবীৰ, চীন দেশৰ চাংপো নৈখননেই নহয় জানো আমাৰ এই লুইতখনি? ইয়াত চীনৰ দেশৰ মানুহবোৰৰ চকুপানীবোৰ বৈ আহেনে?"

অলকেশ আৰু প্ৰবীৰৰ বুজিবলৈ বাকী নাথাকিল যে লুইতৰ পানীত চাংপো নৈৰ পানী চুই চোৱাৰ ছলেৰে প্ৰদীপে মৰমৰ পেহা চেঙ্, মৰমৰ ভনীয়েক ঝিও আৰু ঝিওলান্‌ৰ চকুপানীবোৰ বিচাৰি চাইছে নতুবা মৰমৰ পেহীয়েক 'লিজু পেহী'ৰ আত্মাৰ অৱস্থিতিৰ অন্বেষণ কৰিছে।

সুৰুযটো তেতিয়া পশ্চিমৰ আকাশত নৈৰ পানীত ডুবো ডুবো। তাৰ হেঙুলীয়া বোলে আকাশ, পাহাৰ নৈৰ পানী সকলো হেঙুলীয়া বোলেৰে একাকাৰ কৰি পেলাইছে, আৰু প্ৰদীপকো।

* * * *

## ৰম্য ৰচনা

# অসমীয়াই কি ফুল চুৰ কৰিব নাপায়

**ড° উপেন ৰাভা হাকাচাম**
অধ্যাপক, অসমীয়া বিভাগ

'আটাইতকৈ কি ফুল ধুনীয়া ?' ইয়াৰ উত্তৰটো চাগৈ ষাঠী দশকৰ জনপ্ৰিয় ঔপন্যাসিক হিতেশ ডেকাৰ উপন্যাসপ্ৰেমীৰ মাজতে সীমাবদ্ধ হৈ থকা নাছিল। ই তদানীন্তন কালৰ 'জানানে' অৰ্থাৎ কুইজৰ পালমৰা 'যেনে প্ৰশ্ন তেনে উত্তৰ' স্বৰূপ হৈ পৰিছিল।

এই উত্তৰটো অৱশ্যে এতিয়াও আউটডেটেড হৈ যোৱাগৈ নাই। 'এক ফুল দো মালী', 'ফুল অইৰ কাঁটে' আদি হিন্দী মাৰ্কা ছবিৰ পৰা ফৰ্মুলাটো অনা যেন লাগিলেও ই কিন্তু সকলো শ্ৰেণীৰ মানুহৰ মাজতে ব্যাপকভাৱে চলতি নোহোৱাকৈ থকা নাছিল। কিয়নো পৰনাৰী অৰ্থাৎ লোকৰ ছোৱালী যে পৰৰ বাৰীত ফুলা ফুলপাহিৰ সমতুল্য আৰু তাক পাবলৈ মন মেলাটো যে ঘোৰ অপৰাধ সেই কথাটি দেখোন মাহীমাকৰ উপৰ্যুপৰি অত্যাচাৰত পদুম হৈ গজা আৰু পদুম হৈ ফুলা তেজীমলাৰ মুখেৰে কোন কাহানিবাতে কোনোবা অনামী কবিয়ে কোৱাইছে এইবুলি—

"হাতো নেমেলিবি **ফুলো নিছিঙিবি**
ক'ৰে নাৰৰীয়া তই ?
পাট-কাপোৰৰ লগতে মাহীআই খুন্দিলে তেজীমলাহে মই।"

সেই নিচিনাকৈ অসমৰ বৰ্তমানৰ 'ৰাপ ৰাচ'- এ অৰ্থাৎ 'ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ'-এ পাতি দিয়া লোক আদালতৰ লেখীয়া তাহানিৰ লোকেল বোৰ্ডৰ অধীনস্থ পঞ্চায়ত মেলত (যেনে বড়োৰ বাৰদল-হাৰিমু আফাদ, ৰাভাৰ পঞ্চদল-জামাত, কাৰ্বিৰ আদৰবাৰ-আমেই, মিছিঙৰ বানেকেবাং) ইণ্ডিয়া পেনেল কোডৰ আওতাত নপৰা আন এবিধ কেছ অৰ্থাৎ **ফুল চুৰি কেছ** সেই সেই জনগোষ্ঠীৰ হাদুংগ্ৰা-মণ্ডল, হাবে-পিনপ', বাৰেগাম নামধাৰী গাঁওবুঢ়াসকলে নিজৰ নিজৰ শক্তি-সামৰ্থ্য অনুসৰি নিষ্পত্তি কৰিবলগীয়া হৈছিল।

কবি-গীতিকাৰসকলতো আৰু এখোপ চৰা। তেওঁলোকে **বনফুলতে** হওক বা টাবত **ৰোৱা ফুলতে** হওক চুপহি মেলা **ফুলপাহি** অথবা ঢোপাকলি (হ'ব পাৰে সি পদুমকলি নতুবা গোলাপকলি) দেখিলেই বলিয়া ভোমোৰ ৰূপ ধৰি অনখচ্যুতা-অনাঘ্ৰাতা-অনৱগুণ্ঠিতা অৰ্থাৎ 'কোনেও নিছিঙা কোনেও নুশুঙা' **নাৰীফুলৰ** ৰূপ-ৰস-মাধুৰী আকণ্ঠ পান কৰাৰ সপোন দেখি যুগে যুগে বিভোৰ হয়। নহ'লেনো তেওঁলোকে ৰচিব পাৰেনে এনে ভালেসংখ্যক কালজয়ী একোটি গীতৰ সুমধুৰ কলি কিম্বা একোফাকি কবিতাৰ মনোৰম পংক্তি।

'কি **ফুলে ফুলালা কি ফুলে ফুলালা**
কিনো যাদু কৰি নবৌ, দাদাৰ মন ভুলালা।'
"**ফুল** হ'লে **ফুলিব** লতা হ'লে বগাব
আমালৈ যদি মৰম আছে চিঠিৰ উত্তৰ পঠাব।"
"নিয়ৰত **নুফুলে ফুল** বিনা বৰিষণে
চিঠিত নুভুলে মন বিনা দৰিশনে।"
"প্ৰথম প্ৰহৰ ৰাত্ৰি
**ফুলি আছে** চম্পা;
শুনা সখী শকুন্তলা
তুলি বান্ধা খোপা।"
"কেলে **ফুলিলি** ৰূপহী মদাৰ ঔ
কেলৈ মেলিলি কলি;
গুৰুতো নালাগ ভকততো নালাগ

থাক তল ভৰি সৰি।"

**ফুলকোঁৱৰৰূপী** কোনো এক ৰূপকথাৰ নায়কে পখীৰাজ ঘোঁৰাত উঠি কোনো এক মালিনীৰ অনুগ্ৰসত সপোনৰ **ফুলকুঁৱৰীৰ** সান্নিধ্য লাভ; সুগন্ধিত ফুলৰ খোপাৰে কৰৱী শুৱাই কোনো এক বাসকসজ্জা নায়িকাই অধীৰ অপেক্ষাৰে হাতত পুষ্পমালা লৈ প্ৰাণৰ প্ৰিয়তমক বৰণ কৰিবলৈ **ফুলশয্যা** চয়ন কৰা; চৰাই-চিৰিকটিৰ কাকলিত মুখলিত বসন্তৰ ৰমণীয় পুষ্পবনত নতুবা ভ্ৰমৰ গুঞ্জৰিত



প্ৰমোদ উদ্যানত দুষ্মন্ত-শকুন্তলাৰূপী নায়ক-নায়িকাৰ প্ৰেমাভিসাৰ কিম্বা হৰ-গৌৰীৰূপী পতি-পত্নীৰ ৰতিবিহাৰ; কামাবেগত জৰ্জৰিত কামদেৱৰ দ্বাৰা নিক্ষেপিত পুষ্পশৰত ৰতিবিহ্বলা, ৰতিদেৱীৰ ৰতিবিহাৰৰ ভাৱ পোষণ ইত্যাদি ইত্যাদি বৰ্ণনাৰে ধ্ৰুপদী সাহিত্যৰ পাঠ ৰসে চৌ-চৌৱা। মুম্বাই মাৰ্কা বাণিজ্যিক ছবিতহে নালাগে প্ৰাদেশিক ভাষাৰ মনোৰঞ্জনধৰ্মী ছবিতো— য'তে ফুলৰ সমাহাৰ ত'তে একোহাল ৰোমাণ্টিক যুটীৰ নৃত্য-গীতৰ বাহাৰ— '**ফুলে ফুলে পৰি** ভোমোৰাজাকে গুণগুণাই মোকে শুনায় ...' পৰিসমাপ্তিত হয় **ফুল দেখি** ভোমোৰাৰ হায়ৰাণ, নহয় **ফুলৰ ৰস** খাই ভোমোৰা পলায়ন।

দৰাচলতে 'য'তে ফুল ত'তে ভুল'। ভাষাৰ প্ৰয়োগ আৰু অৰ্থভেদতো ফুলক লৈয়ে যতবোৰ গোলমাল। অনাহকত বাকপটু মানুহে ফুলযুক্ত শব্দৰ সমাহাৰ ঘটাই বাক্য চয়ন কৰি শব্দ জালত পেলাবলৈ অহৰহ চেষ্টা নকৰাকৈ নাথাকে। ধৰক— 'আটাইতকৈ ডাঙৰ ফুল কি' বা 'কি ফুলৰ গোন্ধ নাই?' ইয়াৰ যেনে প্ৰশ্ন তেনে উত্তৰটি হৈছে *বিউটি ফুল এংল'*— আছামিজ শব্দ *'হাউছফুল'*। এইদৰে *'ফুলষ্টপ'* নপৰাকৈ (ননষ্টপ) একেৰাহে 'ফুলটাইম' খটুৱাই (পাৰ্ট টাইম নহয়) দিস্তাই দিস্তাই *ফুলস্কেপ* পেপাৰত *ফুলপ্লুয়িং* লিখি গ'লেও— "কেনো কি ওৰকে নপৰে আমাৰ ফুলৰে কথা।' হয়তো এনেদৰে লিখিবলৈ ল'লে 'ফুলৰা-চতৰা' শ্ৰেণী (শৈলধৰ ৰাজখোৱাৰ 'পাষাণ প্ৰতিমা'ৰ পটভূমি) এক কাব্যই হৈ পৰিবগৈ।

সাহিত্যতে নহয় প্ৰায়বোৰ ধৰ্ম-কৰ্মতো ফুল নহ'লে কোনো কাৰ্য সিদ্ধি নহয়— বিশেষকৈ হিন্দুৰ পূজা পাৰ্বনত।

দ্ৰাবিড়মূলীয় সংস্কৃত পূজা শব্দটিৰ ব্যুৎপত্তি ঘটিছে এই ‘পুষ্প কৰ্মানি’ কাৰ্যৰ পৰাই। সেইবাবেই আমি গাঁও— ‘গছে গছে পাতি দিলে ফুলৰে শৰাই, ৰাম অ’ ৰাম ফুলৰে শৰাই।” প্ৰেয়সীক দিবলৈ ফুলতকৈ আন কি ডাঙৰ উপহাৰ থাকিব পাৰে? ‘নাহৰ ফুলে নুশুৱায় তগৰ ফুলে শুৱাব..’ বুলি প্ৰেম গাঁথা ৰচিব নাজানিলেও বিহুৰ বতৰত প্ৰেয়সীৰ ঘিলা খোপাত পিন্ধাবলৈ আলফুলীয়া কপৌ ফুল পাৰিবলৈ দুৰ্ভেদ্য পাহাৰ বগাবলৈ আৰু মলমলীয়া কেতেকী ফুল ছিঙি আনিবলৈ গৈ বিষাক্ত কাঁইটৰ আঁচোৰ খাবলৈ আমাৰ পাহোৱাল ডেকাটি সদা তৎপৰ; কিয়নো প্ৰেয়সীৰ অন্তৰ জয় কৰিবলৈ এসময়ত এয়াই আছিল বিৰল সুযোগ, আজিকালিৰ দৰেতো আৰু তেতিয়া বিহু গ্ৰিটিংছৰ লগতে বিহুৱা, বিহু-জলপান, কপৌফুল ইত্যাদি কিনিবলৈ নেডফিহাটৰ প্ৰি-বিহু মাৰ্কেট নাছিল। অৱশ্যে কপৌফুল পিন্ধোৱা লোকাচাৰটি বহুতে চীনদেশীয় বনচাই, জাপানৰ ইকুবেনা ইত্যাদি জগত বিখ্যাত পুষ্পসজ্জা কলাৰ দৰে আমদানিকৃত মংগোলীয় কলা বুলিয়েই ক’ব বিচাৰে। জগতজুৰি দেশে দেশে বিশেষ বিশেষ ফুলৰ সমাদৰ তেতিয়াৰ দৰে এতিয়াও আছে। ভাৰতীয় হিন্দু-বৌদ্ধ ধৰ্মীয় পৰম্পৰাত পদুমফুলৰ স্থান অতি উচ্চ; সেইবাবে ই ভাৰতৰ ৰাষ্ট্ৰীয় ফুলৰ মৰ্যাদা লাভ কৰিছে। (সেইবাবেই কোনো কোনো ৰাষ্ট্ৰীয় দলৰ দাবীদাৰে ইয়াক নিৰ্বাচনী প্ৰতীক হিচাপে পাবলৈ কামনা কৰে।) আনহাতে, মোগল বাদছাহসকলৰ প্ৰিয় ফুল আছিল গোলাপ। মোগল সাম্ৰাজ্যৰ প্ৰভাৱপুষ্ট বিখ্যাত বাগসমূহৰ (লালবাগ, শালিমাৰবাগ, জালিয়ানাৱালাবাগ আদি) নেদেখিলে কল্পনাই কৰিব নোৱাৰি গোলাপ ফুলৰো যে ইমান প্ৰজাতি আছে। সেইবাবে গোপাল ফুলৰ ৰাণী (ৰজা?) বোলা হয়। ভাৰতৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ (জৱহৰ) কোটত সদায় এপাহ সজীৱ চুপহি মেলা ৰঙৰ গোলাপ দেখিবলৈ পোৱা গৈছিল। বৰ্তমান ভাৰতৰ অন্যান্য প্ৰান্তৰ দৰে অসমতো *ফুলৰ তোৰা,* বুকে আৰু ফুলদানিৰ কদৰ সাংঘাতিক।

আমি আমাৰ ইচ্ছাৰে ফুলক কামত ব্যৱহাৰ কৰোঁ— সাধাৰণতে সৌন্দৰ্য বৰ্ধনৰ কাৰণে। কিন্তু ফুলৰো নিজা ইচ্ছা-অভিলাষা থাকিব পাৰে। হিন্দী কবি মাখনলাল চতুৰ্বেদীয়ে কিন্তু ফুলৰ মনৰ কথা অভিব্যক্তি কৰিছে এই বুলিহে— ফুলে ফুলৰ মালা হৈ প্ৰেমিকাৰ খোপাত, বনমালীৰ বক্ষত কিম্বা ৰজা মহাৰজাৰ শিৰোভূষণত শোভিত হ’বলৈ বাঞ্চা নকৰে। ফুলে বাঞ্ছা কৰে দেশৰ বাবে জীৱন ত্যাগ কৰা বীৰ পুৰুষৰ চৰণত চিৰকাল সুশোভিত হৈ থাকিবলৈহে।

দুৱাৰডলিত কিম্বা বাটে-বাটে ফুল ছটিয়াই অভ্যাগতক আদৰণি জনোৱা প্ৰথাৰো এসময়ত প্ৰচলন আছিল। বৰ্তমান এই ব্যৱস্থা উঠি গ’লেও তাৰ বিকল্পে ফুলাম ৰঙা দলিচা পাৰি অভীষ্ট সিদ্ধিৰ বাবে দুই-একক মাতি আনি বহুওৱা ব্যৱস্থাটো কিন্তু প্ৰায়বিলাক ঠাইৰে অঘোষিত দেশ-দস্তুৰ। সি যি কি নহওক, আৰু যি কি কাৰণতে নহওক কিয় আমাক ফুল লাগিছিল, লাগে আৰু লাগিবই। সেয়েহে কণ কণ অকণিহঁতে ফুলনিত ফুল হৈও নুফুলিলে দঢ়াই দঢ়াই সোধে— “অ’ ফুল অ’ ফুল নুফুল কি” তাৰ উত্তৰ কিন্তু আটায়ে জানে— “বোপা-ককাৰ সজটো আমিনো এৰিম কিয়?”

অসমীয়াত ফুলৰ সমাৰ্থক প্ৰতিশব্দ (Homosemy/ Polynymy) মাত্ৰ তিনিটা (ফুল, পুষ্প, কুসুম) যদিও ফুলৰ সমউচ্চাৰণাত্মক ভিন্নাৰ্থক শব্দ (Homophonous Polysemy/Homonymy) কিন্তু বহুকেইটা। জবাফুলৰ লগত জানো কলাফুলৰ, কাঠফুলাৰ লগত জানো গাল মখ ফুলা কিম্বা ফুলা লুচিৰ, ফুলকবিৰ লগত জানো গৰ্ভৰ ফুলপানীৰ কিম্বা ফুলচাৰ্টৰ, মাছৰ ফুলৰ লগত জানো কাপোৰত বছা ফুল কিম্বা ৰঙীন পেপাৰত কটা ফুলৰ, নাকফুল-কাণফুলৰ লগত জানো হাউছ ফুল-বিউটিফুলৰ, ফুলকুঁৱৰীৰ লগত জানো ফুলবাৰীৰ, ফুলসজ্জাৰ লগত জানো ফুলমুনৰ (হনিমুন নহয়দেই), চকুত ফুল পৰাৰ লগত জানো মুখত ফুলচন্দন পৰাৰ, ইত্যাদি ইত্যাদিৰ লগত জানো ইত্যাদি ইত্যাদিৰ কিবা অৰ্থগত কিম্বা ৰূপগত (আৱয়ৱিকহে, ব্যাকৰণৰ ৰূপতাত্ত্বিক নহয়) দিশত সাদৃশ্য আছে? কোনোবা ফুলবাবুয়ে চখতে কৰোৱাৰ ঘৰৰ ‘ফুল চুৰি’ কৰিলেই যেনিবা তাতেই জানো ৰঙা ঘৰৰ বগা ভাত খাবলগীয়া কথা কিম্বা অতখন ৰাইজৰ নেওচন-কেওচন খাবলগীয়া কথা হৈ যাব

লাগেনে? ক'ত *হৰেক ৰকমৰ ফুল বনফুল* (পাহাৰীয়া), *প্লাষ্টিকৰ ফুল* (নগৰীয়া, চহৰীয়া), আনষ্ঠানিক ফুল (কলেজীয়া, হোষ্টেলীয়া), *প্ৰাইভেট ফুল* (গৃহিণী, স্বোপাৰ্জিতা, প্ৰাৰ্থিনী) বাটে-ঘাটে, অলিয়ে-গলিয়ে, লোমালোমে 'মোক খা মোক খাকৈ' দুলি থাকে তাকে যেনিবা মন তাপৰিব নোৱাৰি কোনো *ফুলকুমাৰে* ভয়-ভীত পৰিহাৰি ছিঙি আনিলেই আৰু আনি ড্ৰয়িং ৰুমতে মাথোন সজাই নথৈ শয়ন কক্ষতো যেনিবা পাৰি ল'লেই, তাকে লৈ ইমান হুলস্থুল লগাই অতি সুন্দৰকৈ পতা গৃহ-সংসাৰখন থান-বান হৈ যাবলগীয়া কথা হয়গৈ নে? (যুগৰ *হাৱা লাগি* দেশ চাই *ভেশ বদলোৱা* চিত-পখিলীসকললৈ লক্ষ্য কৰিহে কৈছোঁ দেই কথাটো; ভদ্ৰ ঘৰৰ আইদেউসকলে যেন গা পাতি নলয়।)

মুঠতে এইবোৰ কথা অৰ্থ ভেদ কোনোবা ভাষাবিদ, ব্যাকৰণবিদে দিব পাৰিলেও এইবোৰ কথাৰ ৰহস্য ভেদ কৰা কোনো আইনজ্ঞ *পুৰুষৰো লিমিটৰ বাহিৰ*, আৰু মোৰ দৰে সামান্য (এই শ্ৰেণীৰ ব্যঙ্গ ৰচনা বিস্ময়ৰ পাততে লেখকে লিখি আত্মপ্ৰকাশ কৰিছিল প্ৰথমে 'অসমীয়াক কি নালাগে, সকলোৱেইতো লাগে' শিৰোনামাৰে) বিস্ময় লেখকৰতো *কোৱেচনেই নাহে*। মাখি নাম লৈ কোনোবা লটকণে পূৰ্বপৰিকল্পিতভাৱে বিনা পইছাৰে মিঠৈ খোৱাৰ পৰা জীয়ৰী লৈ উধাও হোৱালৈকে সকলো কাৰ্য যদি ধেমালিতে হেলাৰঙে কৰিব পাৰে, তেন্তে সেই একেদৰে 'ফুল চুৰি' কিয় কৰিব নোৱাৰিব? গৰম গৰম ফুলৰি কিম্বা ফুলা লুচি গলাধঃকৰণ কৰি ডিঙি ফুলাই বক্তৃতাৰ ফুলজাৰি মাৰি কোনো এটা আড্ডাত এই মহা সংকটৰ পৰা পৰিত্ৰাণ বিচাৰি নানা উপায় উলিয়াব পাৰিলেই বাস্তৱত ই 'নাখান্তি কইনা নুফুলান্তি শাক'ৰ সাঁথৰ ভঙাৰ লেখীয়া কথাই হৈ থাকিব।

আচলতে ফুল সংস্কৃতমূলীয় ফুল্ল (প্ৰফুল্ল, উৎফুল্লৰ সৈতে একে শ্ৰেণীৰ) বিশেষ্য শব্দৰ অৰ্ধতৎসম ৰূপ। ইয়াৰ পৰা আমি বিভিন্ন সংস্কৃতমূলীয়, বিদেশীমূলীয়, দেশীমূলীয় ফুলৰ নামৰ লগতে বিভিন্ন লোকেল ফাৰ্ম-নাৰ্ছাৰিৰ ফুল পাইছোঁহঁক। কৃত্ৰিম বা *বৰ্ণসংকৰ ফুলৰ* কথাতো ক'বই নালাগে। ছোৱালী ছোৱালী লগা মল্লিকা আৰু ইয়াৰ সমধৰ্মী গিৰিমল্লিকা, শেৱালি (শ্বেতমল্লিকা), নেৱালি (নৰমল্লিকা); মালতী ইয়াৰ সমধৰ্মী মাধৈমালতী, দুপৰমালতী, আদৰমালতী, জাৰমালতী, ইন্দ্ৰমালতী, চন্দ্ৰমালতী, শংখমালতী, তৰামালতী, গুটিমালী (গুটিমালতী); লতামালী, গুৱামালী অথবা বাটমালী কাঞ্চন আৰু ইয়াৰ সমধৰ্মী কামিনী কাঞ্চন, লতা কাঞ্চন; তগৰ আৰু ইয়াৰ সমধৰ্মী জাপতগৰ, নৰাতগৰ; লতা আৰু ইয়াৰ সমধৰ্মী মাধৱীলতা, লাজুকীলতা ইত্যাদিৰ লগতে বকুল, বন্দুলি, চম্পা (ভুঁইচম্পা), কৰবী (ৰঙা কৰবী), সেউতী, কেতেকী, যুতিকা, অপৰাজিতা, ৰজনীগন্ধা, জয়ন্তী, জবা ইত্যাদি ফুলৰ নামৰ প্ৰাধান্যই ছোৱালীও যে এবিধ ফুল তাকেই প্ৰমাণ নকৰেনে? অৱশ্যে পুৰুষ পুৰুষ লগা ফুল কিছুমানো আছে. যেনে— পদ্ম (নীলপদ্ম, থলপদ্ম) আৰু পদুম (স্ত্ৰীলিংগত পদ্মা, পদ্মাৱতী, পদুমী, পদ্মিনী); নাহৰ আৰু নাগেশ্বৰ; মণিৰাজ, গোন্ধৰাজ, গুণৰাজ, পলাশ, গোলাপ (স্ত্ৰীলিংগত গোলাপী) ইত্যাদি। পাশ্চাত্য দেশত হেনো খেনো খেনোৱে অতি সহজে অমৰ হ'বলৈ মানস কৰি নিজৰ নামেৰে ফুলৰ নামো থয়; কিন্তু আমাৰ ইয়াত সেইবোৰ নেচেল। আমাৰ ইয়াত নামৰ শ্ৰেণীত নপৰা বহু ফুল পুলি থাকে, সেইবোৰ ঠাইত নিজৰ নাম জোৰাই-জোঁটাই দি অতি সহজে প্ৰখ্যাত নহ'লেও বিখ্যাত হৈ বিশেষ খ্যাতি অৰ্জন কৰিব পাৰিলেহেঁতেন। কেনে— বকফুল, বগলীফুল, কাউৰিফুল, কপৌফুল, ভাটৌফুল, নাৰ্জী (ইংৰাজীত মেৰিৰ নামেৰে মেৰিগোল্ড), বুটাম ফুল, কঠনা, কঁৰিয়া, কুন্দ, গুমুনী, ঘণ্টাফুল (ঘণ্টা কৰবীৰ, ঘণ্টাকৰ্ণ, নীলঘণ্ট), লটকণ, তমাল, ভেণ্টি, বেলি ফুল, কুসুম ফুল, লংফুল, কদম (মাটি কদম, তৰুৱা কদম), ধুতুৰা (কনক ধুতুৰা), জাঁই (খৰিকাজাঁই), গুলচ (গুলঞ্চ), ৰাঙল, মদাৰ, এজাৰ, ভেঁট (কিন্তু সংস্কৃত উৎপল বা উৎপলা, নীলোৎপল, নীলোৎপলা আৰু ইংৰাজী লিলি একো একোটা সুন্দৰ নামবাচক শব্দ), পাৰিজাত, শিমলু, শিৰীষ, পাৰলি ইত্যাদি নামেৰে কোন গেন্ধাই বা গেন্ধেলীয়েনো নিজৰ নামটো হোৱা পছন্দ কৰিব। ফুলৰো যে আৰু নাম! চিনাকি চিনাকি লগা— সূৰ্যমুখী, গধূলিগোপাল, শিয়ালনেজীয়া, খৰিকাচঁপা, পিৰালীকুঁৱৰী, কৃষ্ণচূড়া,

ৰাধাচূড়া, সোণাৰু (সুৱৰ্ণদাৰু) ইত্যাদি অথবা সদ্য পৰিচিতা-অপৰিচিতা ডালিয়া, বাগানভিলা, ৰাফলেছি (সৰ্ব্বৃহৎ ফুল), নাইট কুইন, টাচ মি নট (লাজুকীলতা), ফৰ্গেট মি নট (নাৰীৰ মেখেলাৰ বৈৰী বনগুটি নহয়তো), ডেইজী, ক্ৰিছেনথেমাম (গ্ৰীক ভাষাত স্বৰ্ণফুল), মুচেণ্ডা *(গোটফুল), হেজফুল, ডেগাৰ ফুল,* চামেলী, জেছমিন, হাচনাহানা, ৰাত কী ৰাণী (নিশিগন্ধা) ইত্যাদি।

কপাহ, কঁহুৱা, ঝাড়ুফুল (ইয়াৰ পৰাই ফুলঝাড়ু হয়), বাঁহফুল (বাৰ বছৰৰ মূৰত ফুলে হেনো), মেটেকা, ফুটুকা, ধানৰ গেঁৰ, ধেঁতোৰক'লা (ঘেহুঁ), তিতাবাহকৰ ফুল, শালগছৰ ফুল, আমৰ মল, কঁঠালৰ মুচি, তামোল-নাৰিকলৰ ডাবি, কলডিল (কলাফুল), ফুলকবি, যমলাখুটি, ঔফুল, এইবিলাকো জানো উদ্ভিদ বিদ্যাত পুষ্পবৰ্গৰ অন্তৰ্গত নহয় (প্ৰাকৃত সাহিত্যৰ 'পুষ্পবৰ্গ, জাত 'পুপ্ফ বগ্‌গ'ৰ কথা কোৱা নাই দেই)। আনহাতে পাত বাহাৰ পাতেগজা/দুপৰটেঙা, চালকুঁৱৰী (ঘৃতকুমাৰী), গোপাখি, মাখিয়তী, ৰঘুমলা, বিশল্যকৰণী, সাগৰফেনা/কেকটাচ, সিজু, সৰ্পগন্ধা, পাইন/সৰল, খ্ৰীষ্টমাছ ট্ৰি— এইবিলাকো ফুলৰে কাম নকৰেনে? সেয়েহে ভাবিবলৈ গ'লে ইহঁতো ফুলেই। কোৱাভাতুৰী, কোৱামণি, ভাটৌমণি, লাটুমণি/কাচমণি আদিৰ কথাতো ক'বই নালাগে— 'বৰণতে চাবা নে ধৰণতে চাবা'; সাইলাখ একোপাহি ফুল। এইবিলাক 'বিৰালীৰ নামত বোন্দাকে চাবাৰ' দৰে 'তুলসীৰ লগতে কল পটুৱাৰ মুক্তি হোৱা দি' *ফুলৰ তোৰা* বা মালাত গুঁজি বা গুঁঠি দিলেই ফুলৰ মূল্যতে দাম উঠে। ঠিক যেনিবা মাগুৰ মাছৰ দামত প্লাষ্টিকৰ ঠোঙাত ভৰাই থোৱা পানীকো কিনিব লগাৰ দৰে।

কিন্তু ডাঙৰ কথাটো হ'ল শদিয়ালৈ গৈ শতফুল (শতমূল?) আৰু শিয়ালীৰ মূৰত ফুলা মৰুৱা ফুল বিচাৰি উলিওৱাটো। তাতোকৈ ডাঙৰ কথা নহ'লেও আঁচুফুল, গুটিফুল, তৰাফুল, কাণফুল, নাকফুল, ৰংফুল (মালতী), গেজেংফুল আদিৰ গাৰ্ডেনিং বা বাগিচাত খেতি কৰাটোও নিচেইসৰু কথা নহয়। সেইদৰে পাৰ্টিকুলাৰ ফুল এপাহিক বিচাৰি উলিয়াই বনফুল, ৰাতি ফুলা ফুল, কাঁইটীয়া ফুল, সুগন্ধি ফুল, বাৰে বৰণীয়া ফুল ইত্যাদি হিচাপে লেবেল মৰাটোও কম টান কাম নহয়। আচলতে এইবিলাক 'সাহিত্য-কাননত ফুলা ফুল' বুলিহে চিহ্নিত হোৱা উচিত। ইবিলাকক সাহিত্যিকসকলেহে খেতি কৰে। আকৌ ৰাজনীতিসকলে খেতি কৰা ফুলো আছে নহয়। কিয় ডিঙি ফুলাই বক্তৃতাৰ ফুলজাৰি মাৰোঁতে জানো নকয়— "অসম এখন বৰ্ণাঢ্য ফুলৰ বাগিছা, ইয়াত বিভিন্ন ভাষা-ভাষী, ধৰ্ম-বৰ্ণ, জাতি-জনজাতিৰ লোকে সহাৱস্থান কৰি আছে।" প্ৰকৃততে আপুনি মানুহৰ নামেৰেহে নালাগে জনগোষ্ঠী বা সম্প্ৰদায়ৰ নামেৰে যেনেকৈ বিভিন্ন ফল-মূল, গছ-বিৰিখৰ (ধান-মাহ-কচু-আলু-জলকীয়া-আদা) নামকৰণ হৈছে, তেনে নামকৰণ ফুলৰ ক্ষেত্ৰত পাইছেনে? *নট এ ছিংগল ৱান,* এটা ফুলৰ নামো আপুনি নাপাব— *কছাৰী ফুল (তু. কছাৰী শালী), *মিৰিফুল (তু. মিৰিমাহ), *নগাফুল (তু. নগাকচু), *মৰাণ ফুল (তু. মৰাণ আদা), *ভোট ফুল (তু. ভোট জলকীয়া), *গৰীয়া ফুল (তু. গৰীয়া আলু), *ফিৰিঙি বা *বঙাল ফুল (তু. ফিৰিঙি জলকীয়া বা বঙাল এৰা) এইবুলি। সেইদৰে দেশ-মহাদেশ, সাত সাগৰ তেৰ নদীৰ নামেৰে মিলা কিবা ফুলৰ নাম আপোনাৰ মনত পৰেনে? যেনেকৈ জাৰ্মনি বন, জাহাজী কল, বিলাতী এন্দুৰ, চিনা লাই; নেপালী টুপি, কাবুলী বুট, মণিপুৰী ভাং, বাংলা ঘৰ, অসম আৰ্হিৰ ঘৰ (এ. টি. বা আছাম টাইপ ঃ ই এতিয়া Asom Type আৰ্হিৰেহে হ'ল), জয়বাংলা বা বাংলাদেশী চকু ৰোগ, থাইলেণ্ড সূতা ইত্যাদি ইত্যাদি নিত্য নতুন সা-সামগ্ৰী পূৰ্বাবধি আমদানিকৃত হ'বই লাগিছে আৰু তাৰ লগে লগে অসমীয়া চলন্ত বা জাতীয় অভিধানত নহ'লেও অসমীয়াৰ চল্‌তি ভাষাত এইবোৰে নিগাজীকৈ আসন পাৰি বহলকৈ লৈছে।

আপোনালোকে এটা কথা মন কৰিছেনে? যদিও ফুলৰ জাতি ভেদ নাই, কিন্তু লিংগ ভেদ হ'লে আছে। কিয় বাৰীৰ অমিতা, লাউ, কোমোৰা আদিৰ জানো মতা-মাইকী ভেদে বেলেগ বেলেগ ফুল নহয়? মাইকী ফুলৰ পৰাহে ফল বা গুটি হয়, মতা ফুলৰ পৰাতো নহয়। অৱশ্যে অমিতাৰ বাহিৰে একেজোপা গছতে মতা-মাইকী উভয়বিধ ফুলে নুফুলাকৈ নাথাকে। অমিতা গছক বাৰু আমি অমিতা অমৃতা, মধুফল/মৌহদ্‌ফলৰ উপকাৰীতা সৰ্বাধিক; সেয়ে বান্দৰে

নাৰিকলৰ মলৰে নুবুজিলেও অমিতাৰ মলৰে কিন্তু ঠিকেই বুজে। কেতিয়াবা মানুহৰ অস্ত্রোপচাৰৰ দ্বাৰা লিংগ স্থানান্তকৰণ কৰিব পৰাৰ দৰে অমিতা আদি গছৰো লিংগ স্থানান্তৰণ হোৱাৰ উদাহৰণো কিন্তু নথকা নহয়। সকলোবিধ ফুলতে বেটু বা বৃন্ত, বৃত্তি, পুষ্পাক্ষ, পাহি বা দলমণ্ডল আদি অংগ থাকিলেও মতা-মাইকী ভেদে ফুলত পুংকেশৰ, পৰাগধানী, পৰাগ ৰেণু, পুংদণ্ড অথবা গৰ্ভকেশৰ, গৰ্ভমুণ্ড, গৰ্ভাশয় আদি অংগ বেলেগে বেলেগে থাকে। পাপৰি, চুপহি, ঢোপাকলি, পুষ্পমুকুল, শল্কপত্ৰ, বেটুপাত, মৌৰস আদিও ফুলৰ বিভিন্ন স্তৰ আৰু অংগৰে নাম। এশটা দল বা পাহি থকাৰ বাবেই পদুম ফুলৰ আন এটা নাম শতদল, সমস্ত অংগ সূৰ্যৰ ফালে মুখ কৰি ঘূৰি থাকে বাবেই বেলিফুলৰ আন এটা নাম সূৰ্যমুখী। মৌচুমী, মৌচুম্বী, মৌলৰী আদি আৰবী-ফাৰ্চী শব্দৰ লগত ফুলৰ মৌৰ মুঠেই সম্পৰ্ক নাথাকিলেও অসমীয়া মৌসনা, মৌমেল, মৌ-বৰষা আদি শব্দগুচ্ছ আৰু সংস্কৃত মধুমাস (চ'ত), মধুৎসৱ, মধুচন্দ্ৰিকা, মধুমেহ, মধুপৰ্ক, মধুফল (অমিতা), মধুবন আদি শব্দৰাজিৰ সৈতে এই মধু বা মৌৰ আংশিক সম্পৰ্ক জৰুৰ আছে। আনহাতে ফুলৰ মধু বা মৌ পান কৰা স্বভাৱ বাবেই মৌমাখি (মধুমক্ষিকা), মৌগুটি, মৌখাপ, মৌপিয়া, মৌটুপি, মধুকৰ আদি পাখি লগা উৰি ফুৰা প্ৰাণীৰ নাম হৈছে আৰু সিহঁতে সেই মৌৰস য'ত সাঁচি থয় তাৰপৰাই মৌচাক (মধুচক্ৰ), মৌকোঁহ (মধুকোষ), মৌবাহ, মৌবিচনী অথবা মৌসিটা হৈছে। অৱশ্যে আজিকালিৰ পাখি নকটা 'উৰণীয়া উদণ্ডীয়া পদূলি শুঙাজাকৰ' ডেকা-বুঢ়া কিম্বা আধুনিকাসকলেও (মধুমেহ ৰোগীকে সামৰি) নগৰৰ অলিয়ে-গলিয়ে মধুৰস সেৱন কৰি অনানুষ্ঠানিকভাৱে মধুচন্দ্ৰিকা যাপন কৰাটো যে একধৰণৰ জাহি-জাবোৰে অতিকৈ ফুলিবলৈ দিয়া *ছোৱালী ফুলেৰে সুফল কিম্বা কুফল— এয়া ধুৰূপ জানিব।

এই ফুল শব্দৰ পৰা প্ৰত্যয় যোগে বা সমাসৱদ্ধ ৰূপত আমি ফুলৰি (ফুল ধৰা ধান), ফুলনি, ফুলকোঁৱৰ, ফুলকুঁৱৰী, ফুলকুমাৰী, ফুলেশ্বৰ, ফুলেশ্বৰী, ফুলে (কামৰূপী), ফুলমতী, ফুলচৰণ, ফুলেন্দ্ৰ, ফুলেন আদি শব্দ আৰু ব্যক্তিৰ নাম পাইছোঁ। অৱশ্যে আনবোৰৰ তুলনাত যথেষ্ট সম্ভাৱনা থকা সত্বেও ফুলযুক্ত স্থান-নাম আমি কমেই পাইছোঁ। ফুলনি (কাৰ্বি আংলং), ফুলকুমাৰী (বিজনী), ফুলনৈ (গোৱালপাৰা), ফুলগুৰি (ফুলগুৰিৰ ধোৱাখ্যাত), ফুলবাৰী (গাৰোপাহাৰ) এইকেইটা আঙুলি মূৰত গণিব পৰা দুই-চাৰিখন ঠাইৰ নামহে আমি পাওঁ। হৰেক ৰকমৰ ফুল আৰু ইয়াৰ গছৰ দৰে নাকফুল, কাণফুল (কৰ্ণফুল), ফুলকুৰি আদি আ-অলংকাৰৰ নামো পাইছোঁ। ফুলৰ দৰে কোমল বাবে ফুলকুমলীয়া পাঠী বা ফুলপাঠী, ফুলৰ দৰে আলসুৱাকৈ বঢ়া আলফুলীয়া, তেনেকৈ আচৰণ কৰা বা 'আলফুলে' ইত্যাদি বিশেষণ বা ক্ৰিয়া বিশেষণ শব্দ কিছুমানো পাইছোঁ। সেইদৰে ফুলটোৰ মূৰত ক্ৰিয়াটো', 'মুখত ফুলচন্দন পৰক', 'ফুল ফুলিলে গোন্ধ ওলা', 'ফুলৰ তগৰ যুৱতীৰ জগৰ' আদি প্ৰবাদ পটন্তৰৰ মূলতে ফুল নামৰ এই উদ্ভিদবিধে।

আনহাতে ফুলাম (ফুল্লকৰ্ম), ফুলতী (ফুলৰন্তী), ফুল ডঁৰিকণা মাছ, ফুলছিৰি, ফুলিহা, ফুল-চতি, ফুল-বিচনী (ফুলাম বিচনী), ফুলবচা, ফুলকটা ইত্যাদি শব্দ বা বাক্যাংশৰ ব্যুৎপত্তি সাধনত জানো এইবিধ উদ্ভিদ ফুলৰ কিবা সম্পৰ্ক আছে? যদি আছে ইয়াৰ ফুলসদৃশ চিত্ৰ বা নক্সা (শালৰ কাপোৰত বচা, বাঁহৰ কামিত তোলা, কাগজ-তুলাপাত বা সাঁচিপাতত অঁকা নতুবা কাঁহ-পিতলৰ পাত্ৰত খোদিত কৰা) হোৱা বাবে ইয়াৰ অৰ্থগত সাদৃশ্যহে আছে। ফুলৰ এইটো দ্বিতীয় অৰ্থৰ পৰাও আমি ছঅঁৰা-ছবুৰি শব্দ বা শব্দগুচ্ছ (বাক্যাংশ) পাইছোঁহঁক। 'তাঁতত সপোন ৰচিব পৰা' অসমীয়া শিপিনীয়ে দুকুৰি কাঠি ফুলৰ আগে-পিছে আঁচফুল আৰু কাযত ফুৰকাযৰি, পাণকটা কাযৰি, হাকোটা কাযৰি দি তাতে বুটা বছা, গুণা কৰা আৰু দহি বটাৰ কামো চালে চকুৰোৱাকৈ কৰিব জানে।

আজন্ম শিল্পী, বয়নবিদ্যাত নিপুণা জনজাতীয় নাৰীৰ দৰে তেওঁলোকেও বয়নশালত বিচনী, জাপি, দাপোন, যঁতৰত হাত, পাহাৰ, নদী, মাছ, মকৰা, মাখি, ময়ুৰ, ভাটৌ, হাতী, হৰিণ, নৰ-নাৰী, জোন-বেলি-তৰা, গছ-লতা-পাত-ফুল, কল্কা আদিৰ আৰ্হি-ফুল বচা উপৰি ঘট, পদুম, ঢোল, পেঁপা, জোনবিৰি, ঢোলবিৰি, থাপনা ফুল (গোসাঁই ঘৰৰ বাবে) আদি কিছু আৰ্হি-ফুল সুকীয়াকৈ বাচে। আনহাতে,

ভৈয়ামৰ বড়ো-ৰাভা আদি জনজাতীয় নাৰীয়ে বিশেষ বিশেষ উদ্দেশ্যে ব্যৱহাৰ কৰিবলগীয়া আয়ৰা (বনকুকুৰা), শিংৰা (শিংৰা নদীৰ দলং, জ্যামিতিক নক্সা), বাগা-বাগি (বাঘ-বাঘিনী, মন্দিৰ বা গোসাঁই ঘৰৰ ব্যৱহাৰাৰ্থে), ব্ৰহ্মণী (এই ফুল বাচোঁতে কেনা লাগিলে শিপিনীগৰাকী অন্ধ হোৱাৰ সম্ভাৱনা থাকে ; কবচ কাপোৰত বচা আৰ্হি) আদি ফুলৰ চানেকি বাচে। বড়ো গাভৰুৱে একান্তমনে ভালপোৱা অথচ তাৰ সৈতে বাস্তৱত বিয়া হ'বলৈ নোপোৱা পুৰুষক দিবলগীয়া 'হাংমা-হাংছানি ফালি'-ত কেতবোৰ স্বকীয় উদ্ভাৱনাৰে সমুজ্জ্বল আৰ্হি-ফুলৰ চানেকি চয়ন কৰে। আজিকালিৰ জনপ্ৰিয় ব' সূতাৰ জাকিত ব'ব পৰা শ্বাল বা আলোৱানত তেওঁলোকে *ড্ৰিল ফুল* (dril) অৰ্থাৎ ৰম্বাছ, আয়তক্ষেত্ৰ বা বৰ্গক্ষেত্ৰৰ কৰ্ণৰ সমান্তৰালভাৱে বোৱা), *ডায়মণ্ড ফুল* (diamond; ৰম্বাছগঢ়ীয়া), *ঘড়ী ফুল* (অৰ্ধবৃত্ত বা অধিবৃত্তৰ গঢ়ৰ) আদিৰ বয়ন কলা ক'ত কেনেকৈ শিকি পেলালে সেইটোও এটা ভাবিলগীয়া বিষয়। সাধাৰণ লোকৰ ফুল-প্ৰীতিয়ে উদ্ভিদ ফুলৰ ডুপ্লিকেট স্বৰূপ— ফুলাম বিচনি, ফুলাম ঢাৰি, ফুলাম হোৰা, ফুলাম টুপী, ফুলাম চুঙা, ফুলাম জাপি (ইও আকৌ দুবিধ সৰুদৈয়া আৰু বৰদৈয়া) অথবা ফুল-চতি, ফুল-ছিৰি, ফুল-চেৰেকি, ফুল-কটাৰী (ডবুৱা কটাৰী, মাংগলিক কাৰ্যত ব্যৱহৃত), ফুল-বৰশী ইত্যাদি সূক্ষ্ম কাৰুকাৰ্যখচিত কলালৈ উত্তৰণ। 'ভমকাফুলীয়া মেখেলা', 'বাবৰিফুলীয়া চেলেং পৰা' (চকুৰ মণিৰ বৰণ ক'লা গুচি বগা হোৱা, ফুলৰ দৰে দাগ পৰে বাবে), 'আয়ে গাত ফুল বচা' (বসন্তৰ দাগ) আদি বাক্যাংশৰ বা 'অতি ফুলতীৰ ফুলত কেণা/অতি ফুলতীৰ ঘৰ নাই', 'ফুল বচা তৰাঘৰ/সৰগ দেখা বৰঘৰ' আদি প্ৰবাদ-পটন্তৰৰ গুৰিতো ফুলৰ এই দ্বিতীয় অৰ্থটোৱেই। বৰ্তমান জনপ্ৰিয় হ'বলৈ ধৰা অলংকৃত মাছৰ খেতিৰ সঁচ আমাৰ থলুৱা ফুল ডঁৰিকণা মাছতে নাছিল জানো— কথাটো অলপ ভাবি চাবলগীয়া।

সাগৰ-মহাসাগৰৰ পানীৰ তলত পাথৰ বা শিলৰ দৰে টান বস্তুৰে ফুলৰ দৰে নতুবা মৃগনাভিৰ পৰা উৎপন্ন হোৱা সুগন্ধি কস্তুৰী বা গান্ধ-কলাইৰ দৰে মাতৃৰ গৰ্ভতো ফুল ফুলে। গুটি বা ফল লাগিবলৈ ফুল ফুলাৰ দৰে সন্তান অৰ্থাৎ পোৱালি বা কেঁচুৱা হ'বলৈকো গৰ্ভত ফুল ফুলিবই লাগিব, সেয়া দেখাত ফুলসদৃশ (ধুনীয়া, ৰঙীন আৰু সুৱাসিত নহ'লেও) হওক বা নহওক। এয়াই গৰ্ভৰ ফুল। ফুলপানী (ভঙা), ফুলপানী (ছিগা) আদি ইয়াৰে সম্প্ৰসাৰিত ৰূপ। উজনি অসমত ফুলপানী ছিগা নামৰ ঠাই এডোখৰো আছে ; বিহুগীত এফাঁকিত তাৰ কথা আকৌ এনেদৰে পাওঁ—

"আজি বিহু বিহু কালি বিহু বিহু
নাহৰ ফুল ফুলিবৰ বতৰ;
ফুলপানী ছিগাতে ঢোলৰ মাত শুনি
উজুটিত ভাঙি যাওঁ যঁতৰ।"

ফুলৰ চতুৰ্থ অৰ্থ হ'ল মাছৰ ফুল অৰ্থাৎ জলক্লম। দেখাত টিকটিকীয়া ৰঙা আৰু কেইবাতৰপীয়া জবাফুল বা জেলুকীয়া ঠাইত গজা নাম নজনা ৰঙা ফুলৰ দৰে দেখিয়ে চাগে আদিম মাছ চিকাৰীয়ে তৎক্ষণাত ইয়াকে কৰি পেলালে ফুল। এয়া কিন্তু জীৱ-বিজ্ঞানৰ দৃষ্টিভংগীৰে সংঘাতিক ভুল। কাঠ মাছৰ বাহিৰে কাণপাখিৰে ঢাক খাই থকা আৰু পানী পাই সক্ৰিয় হৈ থকা এই ফুল বামত থোৱা মাত্ৰে নিৰ্জীৱ-নিষ্প্ৰাণ হৈ নিজৰ লগতে ফুলধাৰি প্ৰাণীকো কলধপ কলধপকৈ মৃত্যুমুখলৈ ঠেলি দিয়ে। মাছৰ ফুলৰ গতি প্ৰকৃতিলৈ লক্ষ্য কৰিয়ে মাছৰ বজাৰত আজিকালি ক্ৰেতা-বিক্ৰেতাৰ মাজত জোৰদাৰ দাম-দৰ চলে। (মাছটো কিমান তাত্কা তাৰ প্ৰমাণ মাছৰ ফুলে নিদিয়ে জানো— সেয়ে তাজা-তাতকা (ফ্ৰেছ) মাছৰ তেজ মাছৰ কচায়ে পচা মাছৰ ফুলতে গালে-মুখে সানি দি *ফুলস্কাৰ কৰি ৰাখে; যাৰ বাবে গৃহস্থই গৃহিণীৰ তিৰস্কাৰ খাবলগীয়া হয়।)

ফুলৰ আটাইতকৈ জনপ্ৰিয় আৰু সৰবৰহী অৰ্থ হ'ল— একে মূলৰ পৰা সৃষ্ট, ধাতু হিচাপে প্ৰয়োগ হোৱা ফুলা কাৰ্য। নিজে প্ৰস্ফুটিত হ'লে 'ফুল' আৰু আনক প্ৰস্ফুটিত কৰালে 'ফুলা' (পাঁচনি ধাতু)। গৰুৱে আগ নাখালে সকলো গছে কলি পেলাই ঢোপাকলি (পুষ্প মুকুল) হোৱাৰ পিছত চুপহি মেলি ফুল ফুলে। ফুল অৰ্ধভাৱে বিকশিত হ'লে 'আধা মেলা ফুল' আৰু পূৰ্ণভাৱে বিকশিত হ'লে 'ফুলা ফুল' (পদুমৰ ক্ষেত্ৰত হ'লে বিশ্বপদ্ম) নামৰ পাই ক্ৰমান্বয়ে লেৰেলি যোৱা, মৰহা, সৰা আদি পৰ্যায় পায়। অশেষ যত্ন কৰি ফুলনিত বিধে বিধে ফুল ৰুই বতৰে-

অবতৰে ফুলিবলৈ দিলে ফুল ফুলোৱা বোলে— যেনেকৈ বিয়ানামত 'কি ফুলে ফুলালা' বুলি যে গোৱা হয় তেনেকৈ, 'ৰাতিৰ ভিতৰত মাতে ফেঁচা/ফুলে বাঁহ সেই গিৰি নিজীয়ে ছয়মাহ' বুলি সাৱধান বাণী শুনোৱা, বাঁহফুলা কাৰ্যৰ দৰে নুফুলা (নুফুলন্তী) ফুল, ৰাতি ফুলা ফুল, ফুলা সৰিয়হৰ ডৰা, মূৰ ফুলা জতুৰা ঠাঁচ— খণ্ডবাক্যত ইয়াৰ প্ৰয়োগ অপৰিহাৰ্য। এইখিনিতে অপ্ৰাসংগিক হ'লেও এষাৰ কথা মনত পৰিছে, কৈয়ে লওঁ দিয়ক। মোহিনী মন্ত্ৰ, আহুদী বা কামসেন্দুৰত ব্যৱহাৰ কৰা সামগ্ৰীত অন্য কিবা উদ্ভিদ থাকে, তেন্তে মন্ত্ৰবলত বা মোহিনীবিদ্যাত মোহিত হৈ হোৱা বিবাহৰ ক্ষেত্ৰত সেই সেই উদ্ভিদে ফুল ফুলা বতৰত হেনো দাম্পত্য কলহে 'বহ্বাৰম্ভে লঘু ক্ৰিয়া'ৰ পৰিসৰ ভাঙি কিছু বৰ্হিবৃত্তত অৱস্থান কৰে অৰ্থাৎ গৃহকন্দল তুংগত উঠে। কথাটো নিতান্তই ভাবিবলগীয়া।

এই ফুলা আৰু ফুলোৱা কাৰ্য দুটাৰ আন অৰ্থতো প্ৰয়োগ আছে। নিজে নিজে একো নকৰাকৈ স্ফীত হোৱা, ওফন্দি উঠা, উখহা আদি কাৰ্য হ'বলৈ পালে 'ফুলা' (অকৰ্মক ধাতু ঃ ফুল) আৰু আনৰ দ্বাৰা তেনে কাৰ্য হ'লে 'ফুলোৱা' (সকৰ্মক ধাতুঃ ফুলা) বোলে। ধৰি লওঁক আপুনি পুৱা সাৰ পাই উঠি মুখ-হাত ধুবলৈ লওঁতে গম পালে যে আপোনাৰ গাল-মুখ ফুলি আছে, তাৰ কাৰ্য-কাৰণ অজ্ঞাত। সেইদৰে ক'ব নোৱাৰাকৈয়ে কেতিয়াবা পেট ফুলে, হাত-ভৰি ফুলে, বিশেষ বিশেষ অংগ প্ৰত্যংগ ফুলে। কিন্তু বেছিভাগ ক্ষেত্ৰতে কাৰ্য-কাৰণ থাকে। যেনে মুখেৰে ফুৰাই বা হাইড্ৰ'জেন গেছ ভৰাই বেলুন ফুলোৱা হয়, ডিঙি, বুকু আদি সংকোচন-প্ৰসাৰ কৰিব পৰা অংগ-প্ৰত্যংগ প্ৰয়োজন সাপেক্ষে নিজৰ অনুকুলে ফুলাই ল'ব পৰা যায়; কিন্তু কেতিয়াবা তেনে কাৰ্য কৰোঁতে ধৰা পৰে আৰু আচল অৰ্থ নোহোৱা হয়। কোনোবাই ডিঙি ফুলাই বক্তৃতাৰ ফুলজাৰিহে মাৰিব পাৰে অথবা বুকু ফুলাই (ফিন্দাই) মদগৰ্বীহে হ'ব পাৰে; কাৰোবাৰ ভাল কামৰ বাবে তেওঁলোকৰ বুকু ফুলি নুঠে বা হক কথাৰ বাবে মাত মাতিবলৈ তেওঁলোকৰ ডিঙি ফুলি নুঠে অৰ্থাৎ ডিঙি কোচ খায়। সেইদৰে বহুতে নিজ ইচ্ছাৰে বাচ-বিচাৰ নকৰাকৈ *গাড়ীৰ টেংকি ফুল* কৰাৰ দৰে *পেট ফুল* কৰি লৈ পেট ফুলা বেমাৰৰ নামত সাত-কিল মাৰে। তেওঁলোকৰো যুক্তি নথকা নহয়— সকলোতে তেল মাৰি ফুৰোঁতে ফুৰোঁতে যদি 'তেলোৱা' কাৰ্য ব্যাকৰণসিদ্ধ হয় (বিশেষ্য তেল + নামধাতুবাচক প্ৰত্যয় আ = ✓তেলা) তেন্তে যধে-মধে যিহকে-তিহকে গিলিলে অৰ্থাৎ *পেট ফুল (full) কৰিলে* কেলৈ *'পেট ফুলোৱা'* কাৰ্য নহ'ব (পেট ফুল + আ = ✓পেট ফুলা)। কাৰণ অসমীয়া মানুহৰ এনেয়েও পেটত ভাটৌ, কুলি আদি চৰাই পোহাৰ স্বভাৱ আছেই (পেট ভাটৌ, পেট কুলি বুলি যে কয়) আৰু প্ৰয়োজন সাপেক্ষে অসমীয়া মানুহে (মায়ঙীয়া যাদুবিদ্যাৰ সুবাদত) কাছৰ দৰে পেটতে হাত-ভৰি সামৰি-সুতৰি লুকুৱাই ৰাখিবও পাৰে। ('পেটতে হাতে ভৰি লুকালে' বুলি যে কয়) উজনি অসমত ফুলা আন এক অৰ্থতো প্ৰয়োগ হয়। 'ফুলা তামোল' বাক্যাংশই অপৰিপক্ক বা বেয়া তামোল অৰ্থ সূচায়।

ফুলৰ মহিমা ইমানতে শেষ হোৱাহেঁতেন কথাই নাছিল। অৰ্থতত্ত্বৰ মুখ্যাৰ্থ, লক্ষ্যাৰ্থ, ব্যংগাৰ্থ, আনুভূতিক অৰ্থ আৰু উদ্দিষ্টাৰ্থৰ উপৰি অলংকাৰ শাস্ত্ৰৰ অভিধা-লক্ষণা-ব্যঞ্জনা কিম্বা শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ তাত্ত্বিক দিশত ব্যাখ্যা কৰিলেও কৰিব পাৰে; কিন্তু সাধাৰণ লোকৰ মন-মগজুৰে ঢুকি নোপোৱা ফুল মহটা (মটা ফুলৰ দৰে জিলিকা মহটা অৰ্থাৎ ফুলজাৰি/ঝুৰি), ফুল কাঠ (ফুলৰ দৰে কোমল আওকাঠী গছ), ফুল বস্তু (দেখাত ফুলৰ দৰে আৰু সুকোমল খাদ্যবস্তু = আখৈ, বিয়াত চাগৈ সেয়ে পুষ্পাঞ্জলি দিয়াৰ দৰে আখৈৰে লাজাঞ্জলি দিয়া হয়), ফুলকুৰি (কাণত পিন্ধা অলংকাৰ), ফুলবাবু (ফুলাম সাজ-পাৰ পিন্ধি নিজকে ফুলৰ দৰে আটকধুনীয়াকৈ ৰখা ডেকা বা ভদ্ৰলোক) ইত্যাদি শব্দৰ অৰ্থ বিচাৰ কৰা যিমান মস্কিল তাতকৈ কম মস্কিল নহয় ভৰিৰ কলাফুল (কলফুল বা কলডিলৰ দৰে দেখি বাবে?) আৰু ইয়াৰ সম্প্ৰসাৰিত ৰূপ কলাফুলীয়া দ (আঠুৰনীয়া দ'তকৈ কিছু বাম), থেকেৰাফুলীয়া (বৈষ্ণৱৰ ৰাতি খোৱা সম্প্ৰদায়, ঠিক যেনিবা থেকেৰাটেঙাই ৰাতিটোৰ ভিতৰতে গুপুতে ফুলি সৰি পৰা কাৰ্যৰ দৰে সকলোবিলাক ঈশ্বৰ সেৱা এৰাতিৰ ভিতৰতে গুপুতে সমাধা কৰিব লাগে বাবে), থেকেৰাফুলীয়া বিয়া (অনুষ্টুপীয়াকৈ পতা বিয়া, গুপুতে

পতা বিয়া), ফুলবিহাৰ (ৰাতি খোৱাৰ চাৰিটা বিহাৰৰ অন্যতম বিহাৰ; ফুলবিহাৰত ভকত-ভকতনী আৰু ৰান্ধনীয়ে হাতত সেৱাৰ দ্ৰব্যলৈ নাচ-গান কৰি ৰান্ধনীশালৰ পৰা আহে), বক্তৃতাৰ ফুলজাৰি মৰা, জীৱন ফুলশয্যা নহয়, মুখত ফুল চন্দন পৰক বোলা আপ্তবাক্য বা শব্দগুচ্ছৰ নিৰ্মিতিত। নামনি অসমৰ কথিত ভাষাততো আৰু এখোপ চ'ৰা। ফুলৰ দৰে দেখা পখৰা-চিতৰা ধান বাবে ফুলপাখি ধান, মাংগলিক কাৰ্যত ব্যৱহৃত ডবুৱাকটাৰী বা ফুলকটাৰী, ফুলৰ মালা পিন্ধা পাতি দিয়া বিয়া বাবে ফুলবিয়া (এই বিয়াত দৰা-কইনাৰ নামো সেয়ে ফুলপাত্ৰ আৰু ফুলকএগ্ৰা বুলিহে পৰিচিত), বৰশী বাওঁতে মাছক প্ৰলোভিতত কৰিব পৰা বৰশী ফুলবৰশী, ৰহস্যভেদ কৰিব নোৱাৰা গোসাঁই বাবে 'হামফুলীয়া গোহাই', মাৰৈ বা মনসা পূজাৰ দেওধনীয়ে ছায়ামায়া দঁকৰ পিছত আৰু ভৰ দঁকৰ আগত পৰিব লগা মধ্যমীয়া দঁকৰ নাম হ'ল ফুল দঁক (ফুলবন অৰ্থাৎ শিৱগোসাঁইৰ প্ৰমোদ উদ্যানত সন্দেহপৰায়ণা মাতৃ দুৰ্গাদেৱীক মনসা বা পদ্মাৱতীৰ দংশন অৰ্থাৎ দঁক)। বাংলা-হিন্দী ভাষাতো ফুলকেন্দ্ৰিক শব্দৰ ভঁৰাল যথেষ্ট মজবুত। *ফুলদোল* (বৈশাখী-পূৰ্ণিমাত উদ্‌যাপিত শ্ৰীকৃষ্ণৰ দৌলোৎসৱ), *ফুল-বাতাচা, ফুলঝুৰি* (ফুলজাৰি), *ফুলৰি* (মাহৰ গুৰিৰে ভজা বৰ তু. হিন্দী. ফুলোৰা), *ফুল্‌কা* (ফুলি উঠাকৈ সেকা শুকান ৰুটি), *ফুল বাগান, ফুলৱালা, ফুলৱালী, ফুলশ্বৰ, ফুলধনু, ফুলবাণ* (কামদেৱ) ইত্যাদি। খুব সম্ভৱ সেইবিলাক ভাষাৰ পৰাই আমি ফুলদানি, ফুলঝাড়ু, ফুলবাবু, ফুলচুৰি, ফুলৰ তোৰা, ফুলৰ মেলা ইত্যাদি শব্দ পাইছোঁ।

আকৌ ফুল বুলি ক'লেই সকলো ভাষাতে উভৈনদী আৰু সমাদৃত ফুলৰ মালা বা মাল্যৰ কথাও আহি পৰে। মালাঞ্চৰ মালী, মালিনী বা মালাকাৰৰ হাতে গ্ৰন্থিত সৰ্বজন পৰিধেয় পুষ্পমালাৰ দৰে ৰাজ-ৰাজেশ্বৰীৰ পৰিধেয় মুকুতামালা, বনমালীৰূপী শ্ৰীকৃষ্ণৰ পৰিধান বনমালা, সদাশিৱৰ ভূষণস্বৰূপ সৰ্পমালা, চামুণ্ডাৰূপিনী দুৰ্গাৰ আভৰণ মুণ্ডমালা, আংগুলিমালে পৰিধান কৰা অংগুলিমালা নতুবা সাধু-সন্যাসীয়ে ধাৰণ কৰা ৰুদ্ৰাক্ষৰ মালা, পাহাৰী কন্যাই ভালপোৱা মুদ্ৰাৰ মালা, স্বয়ম্বৰত কন্যাই (জনজাতায়ী নাৰী) বৰ বৰণ কৰা বৰমালা (বৰমাল্য) ইত্যাদিৰ আদান-প্ৰদানৰ পৰা নিৰ্বাচনী সভাত জয়মালা পিন্ধিবলৈ আশা কৰি জোতাৰ মালা পৰিধান কৰিবলগীয়া হোৱা পৰ্যায়লৈকে ক'ত যে ঘটনাবহুল কাণ্ড-কাৰখানা অকল ফুলৰ লগতে জড়িত হৈ থকা নাইনে বাৰু? আকৌ পুষ্পহাৰ, স্বৰ্ণহাৰৰ দৰে হীৰা-মুকুতা-খচিত হাৰ সহজলভ্য নোহোৱাত কন্যাগণৰো যে কিমান বিচিত্ৰ নাম— মধুমালা, মঞ্জুমালা, ৰত্নমালা, কাঞ্চনমালা, কুঞ্জমালা, তেজীমলা, ৰহিমলা, পানীমলা, ৰংমলা আৰু কত কি! অসমৰ প্ৰকৃতিতো এই মলা বা মালাৰে পয়োভৰ— ৰঘুমলা, বনমলা, কঁহিমলা, ঠোঁটমলা— সকলোতে মলাই মলা— কমলাতো (সোণতৰা) কিজানি। ছন্দশিল্পী কবিসকলৰতো কথাই নাই, বিচাৰিলে এই মালা ওলাব। গুণমালা আদি কাব্য ৰচনাৰ বাবে উপমা-মালোপমা প্ৰমুখ্যে অৰ্থালংকাৰ আৰু কুসুমমালা ছন্দ ব্যতিৰেকে আৰু কি প্ৰধান কাব্যালংকাৰ থাকিব পাৰে।

ফুলৰ সমাৰ্থক আন দুটি শব্দৰ কিন্তু ইমান ব্যাপক প্ৰয়োগ নাই। অৱশ্যে নিজ নিজ ক্ষেত্ৰত সিবিলাকো কম নহয়। পুষ্প (নাম), পুষ্পলতা, পুষ্পা, পুষ্পে, (কামৰূপী), পুষ্পধৰ, পুষ্পনাথ, পুষ্পেন্দু, পুষ্পক (ৰথ), সপুষ্পক (উদ্ভিদ), অপুষ্পক (উদ্ভিদ), পুষ্পিকা, পুষ্পবন, পুষ্পবৃষ্টি, পুষ্পশৰ, পুষ্পসজ্জা, পুষ্পাঞ্জলি ইত্যাদিৰ লগে লগে কুসুম (নাম), কুসুমী, কুসুম্বৰ, কুসুমলতা, কুসুমকুমাৰী, কুসুমমালা, কুসুম-কোমল, কুসুম-কলি, কুসুমাঞ্জলি, কুসুমাকাৰ, কুসুম-কাননৰ পয়োভৰে কেতিয়াবা কেতিয়াবা ফুলৰ একছত্ৰী নায়কত্বকে খৰ্ব কৰে। সংস্কৃত কুকুম বা কুসুম্ভ শব্দজাত অসমীয়া কুহুম ফুল, ইয়াৰ পৰাই কণীৰ ভিতৰত থকা হালধীয়া অংশ কুহুম আৰু গা হালধীয়া পৰা ৰোগ কুহুম-সাৰ (পাণ্ডু) হৈছে বুলি ভাবিবৰো যথেষ্ট অৱকাশ আছে। নেপালী ভষাত কণীকো 'ফুল' বুলিয়েই কোৱা হয়। (যেনেকৈ গোৱালপাৰাৰ হাব্ৰাঘাট অঞ্চলৰ মুছলমানৰ কথিত ভাষাত কণীক 'ফল' বুলি কোৱা হয়।) এইকেইটা শব্দ অৰ্থাৎ ফুল, পুষ্প আৰু কুসুম সমাৰ্থক যদিও ইটোৰ ঠাইত সিটোৰ সকলো ক্ষেত্ৰতে প্ৰয়োগ নহয়। আপুনি ইচ্ছা কৰিলেও পুষ্পিতাৰ ঠাইত *ফুলিতা, পুষ্পবৃষ্টিৰ ঠাইত

*ফুল-বৰষুণ বা *ফুলবৃষ্টি, পুষ্পাঞ্জলিৰ ঠাইত *ফুল-আঁজলি বা *ফুলাঞ্জলি কৰিব নোৱাৰে। কৰি চাওকচোন আপুনি পুষ্পসজ্জাৰ ঠাইত ফুলসজ্জা। আপুনি যদি অবিবাহিত নাৰী আৰু আপোনাৰ যদি পুষ্পসজ্জা এটা চখ, তেন্তে আপুনি ভুলবশতঃ ভাবেও এনেদৰে নক'ব দেই "মই বহুত ঠাইত বহুতৰ সৈতে (অৰ্থাৎ গ্ৰুপলি) ফুলসজ্জাত ভাগ লৈছোঁ।" আপোনাক তেতিয়া 'বীৰাংগনা' বুলি সন্মান নকৰিলেও চকু-চৰহা অসমীয়াই কিন্তু 'বাৰাংগনা' যে বুলিব এয়া নিৰ্ঘাত সত্য।

ফুল যে সদায় ফুলবাঁৰী বা ফুলকলীয়াৰ দৰে কোমল হ'ব লাগিব এনে কোনো কথা নাই। বাস্তৱত কেতিয়াবা আকৌ ফুল নামধাৰী নাৰী, পুৰুষতকৈ কোনোগুণে ৰুঢ়া আৰু কঠোৰ হৃদয়া নোহোৱা নহয়। কেলৈ আহোম ৰাজতন্ত্ৰত বৰৰজা ফুলেশ্বৰী কুঁৱৰীৰ ভূমিকা বেণ্ডিট কুইন ৰূপী ফুলন দেৱীতকৈ জানো কম প্ৰতিঘাতপূৰ্ণ! সাধাৰণ দেওঘৰৰ নটী, নটৰ জীয়ৰী ফুলেশ্বৰীৰ স্বৰ্গদেউ শিৱসিংহৰ ৰাজপটেশ্বৰী হিচাপেই নহয়, ৰাজদণ্ড হাতত লৈ কৰা প্ৰজা উৎপীড়নৰ বাবেই একালৰ দস্যুৰাণী, একালৰ সাংসদ ফুলন দেৱীৰ সংঘাতময় জীৱনকো চেৰ পেলোৱা নাইনে?

হে *তত্ত্বলঘু (তত্ত্বগধুৰ অৰ্থাৎ serious ৰ বিপৰীত) বিষয়গ্ৰাহী পাঠক-পাঠিকাসকল! আপোনালোক যদি ওঠৰ বছৰৰ অনূৰ্ধ অৰ্থাৎ প্ৰাপ্তবয়স্ক নহয়, তেন্তে মোৰ এই ৰচনা মাত্ৰ ভাষাতত্ত্বৰ সমল হিচাপে জ্ঞান কৰক আৰু গোলাপ ফুলৰ গোন্ধেৰে আমোলমোলোৱা স্কুল বন্ধৰ সয়ছোৱাত *টাইম পাছ কৰক* (কথাতে কয় নহয়— "গোলাপ ফুলৰ গন্ধ/আজি স্কুল বন্ধ")। যিসকল বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, গৱেষক-গৱেষিকা, অধ্যাপক-অধ্যাপিকা তেখেতসকলে ইয়াৰ গভীৰলৈ গৈ প্ৰকৃত সত্য অনুসন্ধান কৰক অৰ্থাৎ গৱেষণাৰ সমল হিচাপে বাচি লওক। যিসকল গৃহিণী বা যোত্ৰবান গৃহস্থ তেওঁলোকে নিজৰ নিজৰ *ফুলনিবাৰীৰহে ফুল* কেতিয়াবা কৈ আৰু কেতিয়াবা নকৈ চুৰি কৰি চাব। তেতিয়াহ'লে ঝাড়খণ্ডৰ ভগা ৰজা মধু কোড়াৰ নিচিনাকৈ 'ফুল চুৰি' কেছত কোনোকালে *নফচিব* বা *ফচাব* নোৱাৰিব। নহ'লে আপোনাক উদ্ধাৰ কৰিবলৈ 'বৰৰাণী' হৈ আপোনাৰ পত্নীয়ে আৰু ৰাজদণ্ড হাতত লোৱাৰো কোনো গৰজ নপৰিব।

* * * *




# ৰঙৰ মায়াজালে আবৰা গ্ৰেণ্ডকেনিয়নৰ শৈলভূমি

## (আমেৰিকা ভ্ৰমণৰ ডুখৰীয়া ছবি)

**ড° বীনা লহকৰ**
প্ৰাক্তন সহকাৰী গ্ৰন্থাগাৰিকা, কৃ. কা. স. গ্ৰ.

প্ৰকৃতিৰ অৱদান আৰু দেশবাসীৰ দেশাত্মবোধে পৃথিৱীৰ ভিতৰতে সবাতোকৈ চহকী আৰু শক্তিশালী দেশ হিচাবে চিহ্নিত কৰা আমেৰিকা যুক্তৰাজ্যলৈ কিছুদিন পূৰ্বে ভ্ৰমণ কৰিবলৈ গৈছিলোঁ। বিচিত্ৰ বিস্ময়েৰে ভৰা এই দেশলৈ যাওঁতে কেইবাখনো ৰাজ্যৰ প্ৰসিদ্ধ চহৰসমূহ দেখাৰ সৌভাগ্য ঘটিছিল। বিশেষকৈ প্ৰতি ৰাজ্যৰ প্ৰাকৃতিক অৱয়বক কেন্দ্ৰ কৰি একো একোটা স্থানক পৰ্যটকৰ বাবে আটকধুনীয়াকৈ সজাই তোলা কাৰ্যই, অভিভূত কৰিছিল। ইয়াৰ ভিতৰত গ্ৰেণ্ডকেনিয়নৰ শৈলভূমি অন্যতম আৰু ই পৃথিৱীৰ সাতোটা প্ৰাকৃতিক বিস্ময়ৰ ভিতৰত এটা।

আমেৰিকা যুক্তৰাজ্যৰ দক্ষিণ প্ৰান্তত অৱস্থিত এৰিজোনা ৰাজ্যৰ ৰাজধানী ফিনিক্স চহৰৰ পৰা প্ৰায় চাৰিশ কি. মি. পশ্চিমত শিলাময় পৰ্বতৰ বুকু ভেদি সৃষ্টি হোৱা গ্ৰেণ্ডকেনিয়নক পৃথিৱীৰ শিলাময় সৌন্দৰ্যৰ ক্ষেত্ৰত শ্ৰেষ্ঠ বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। এই বিস্ময়কৰ সৃষ্টি চাবলৈ পোৱাৰ অন্তৰালত আছিল আমেৰিকাৰ ইণ্ডিয়ান ইউনিভাৰ্চিটি আৰু ইউনিভাৰ্চিটি অৱ চাউৰ্দান কালিফৰ্নিয়াত অধ্যয়ন কৰি থকা আমাৰ কন্যা ঋতুপৰ্ণা আৰু শ্ৰুতিপৰ্ণাৰ উৎসাহ আৰু অনুৰোধ।

আমেৰিকা ভ্ৰমণলৈ যোৱাৰ হেপাহ মনতে পুহি ৰাখিছিলোঁ যদিও সেয়া কল্পনাৰ মাজতে সীমাবদ্ধ আছিল। এই কল্পনা বাস্তবায়িত হ'বলৈ আগবঢ়াৰ লগে লগে মন আনন্দত উগুল-থুগুল হৈ

পৰিল। দুমাহৰ বাবে থিৰাং কৰা এই ভ্ৰমণৰ সহযাত্ৰী আছিল মোৰ স্বামী ড° নৰেন্দ্ৰ লহকৰ। ২০১৬ চনৰ মে' মাহৰ দুই তাৰিখে দুপৰীয়া প্ৰায় এক বজাত আমি গুৱাহাটীৰ বিমান বন্দৰৰ পৰা আমেৰিকা অভিমুখে যাত্ৰা আৰম্ভ কৰিলোঁ। শুকুলা মেঘৰ মাজে মাজে গৈ থকা বিমানৰ খিৰিকীৰ কাষত আসনত বহি বাহিৰলৈ চাই থাকোতে হৃদয় আবেগ আৰু উত্তেজনাৰে ভৰি পৰিছিল। এফালে কল্পনা প্ৰসূত আমেৰিকাৰ মাটিত পদাৰ্পণ কৰাৰ বাসনা, আনহাতে দুয়োটি কন্যাকে বহুদিনৰ মূৰত প্ৰবাসত লগপোৱাৰ অভিলাস।

আবেলি প্ৰায় চাৰি বজাত দিল্লীৰ আন্তৰ্জাতিক বিমান বন্দৰত উপস্থিত হ'লো। দিল্লীৰ পৰা লণ্ডন হৈ আমেৰিকালৈ যাবলগীয়া বিমানখনৰ উৰণৰ সময় নিৰ্দ্ধাৰণ কৰা আছিল নিশা ডেৰ বজাত। গতিকে প্ৰায় ন ঘণ্টা সময় আমি বিমান বন্দৰৰ ভিতৰতে কটাবলগীয়া হলোঁ। অৱশ্যে এই সময়খিনিত তাত থকা খাদ্য বিপনীৰ পৰা ইটো-সিটো কিনি খালোঁ, মাজে মাজে ৰেকত সজাই থোৱা বাতৰি কাকত আনি পঢ়িলোঁ আৰু সন্মুখৰ ৰানৱেত সঘনে উৰণ-অৱতৰণ কৰা ভিন্ ভিন্ দেশৰ বিমানসমূহ চাই সময় পাৰ কৰিলোঁ।

নিৰ্দিষ্ট সময়ত লগত নিয়া সামগ্ৰীৰ উপৰি পাচপোৰ্ট, ভিছা, টিকট আদি পৰীক্ষা কৰাই নিৰ্দ্ধাৰিত স্থানৰ লাউঞ্জত প্ৰৱেশ কৰিলোঁ। কিছু সময় পিচতে স্পীকাৰ যোগে আমাক বিমানত বহিবলৈ আহ্বান জনালে। অইন যাত্ৰীসকলৰ সৈতে শাৰীপাতি আমি বিমানলৈ আগবাঢ়িলোঁ। অৱশেষত আমাৰ বাবে থকা নিৰ্দিষ্ট আসনত বহিহে স্বস্তিৰ নিশ্বাস এৰিলোঁ। সঁচাকৈয়ে, ভিছাৰ সাক্ষাৎকাৰত অৱতীৰ্ণ হোৱাৰে পৰা বিমানত বহালৈকে এয়া যেন এক দীঘল পৰিক্ৰমা অতিক্ৰম কৰিলোঁ এনেহে লাগিল। বিদেশৰ মাটিত পদাৰ্পন কৰিবলৈ প্ৰয়োজন হোৱা পাৰপত্ৰখন পাবলৈ বিশ্বৰ অইন দেশতকৈ আমেৰিকাৰ ক্ষেত্ৰত যথেষ্ট কঠিন যেন অনুভৱ হ'ল। হয়তো দেশৰ নিৰাপত্তা ৰক্ষাৰ বাবেই আমেৰিকা চৰকাৰে এনে কঠোৰ নীতি বাহাল ৰাখিছে। অৱশ্যে এই ক্ষেত্ৰত আমাৰ কন্যাদ্বয়ৰ একে মাহতে অনুষ্ঠিত হ'বলগীয়া দীক্ষান্ত সমাৰোহত উপস্থিত থাকিবলৈ দুয়োখন বিশ্ববিদ্যালয়ৰ পৰা পঠিওৱা নিমন্ত্ৰণী পত্ৰ দুখনে পাৰপত্ৰ প্ৰাপ্তিত সহায় কৰিছিল।

পৰিপাটি পোছাক পৰিধান কৰা দুগৰাকী বিমান পৰিচাৰিকাই ভ্ৰমণ কালৰ আকস্মিক বিপদত ল'বলগীয়া সাৱধানাতাৰ বিষয়ে চমুকৈ বৰ্ণনা কৰি যাত্ৰীসকলক নিশাৰ আহাৰ বিতৰণ কৰাত ব্যস্ত হৈ পৰিল। গৰমে গৰমে পৰিৱেশন কৰা বিভিন্ন সুস্বাদু খাদ্যৰে ভৰপূৰ থালখন হাতত লৈ স্বামীক কলোঁ, 'আমাৰ এই যাত্ৰা জীয়ৰীহঁতৰ বাবেই সম্ভৱ হ'ল।' স্বামীয়ে মূৰ দুপিয়াই মোৰ কথাৰ সমৰ্থন জনালে। ক'ব নোৱাৰাকৈয়ে মোৰ চকুযুৰি সেমেকি উঠিল আনন্দ আৰু সন্তুষ্টিত। আহাৰ খাই যাত্ৰীসকল টোপনি যাবলৈ সাজু হ'ল। কাৰণ তেতিয়া ভাৰতীয় সময় মতে নিশা আঢ়ৈ বাজিছিল। এগৰাকী পৰিচালিকাই এফালৰ পৰা বিমানৰ ভিতৰৰ লাইটবোৰ এটা এটাকৈ নুমাই দিলে। কেৱল স্তিমিত পোহৰৰ দুই এটা লাইট অ'ত ত'ত জ্বলি থাকিল। এন্ধাৰৰ মাজে মাজে আকাশৰ বুকুৰেদি আগবঢ়া বিমানৰ খিৰিকীৰে বাহিৰলৈ ভুমুকিয়াই চালোঁ। একো নেদেখিলো। এন্ধাৰৰ বুকুত বুৰ গৈ থকা অনন্ত শূন্যৰ মাজত নিজকে ওলমি থকাৰ দৰে অনুভৱ হ'ল।

বিমানৰ সৰহভাগ যাত্ৰীয়ে টোপনি গ'ল। দুই-এজন নিজৰ সন্মুখৰ টি.ভি. পৰ্দাত পচন্দৰ প্ৰগ্ৰেম চাই সময় নিয়ালে। আচহুৱা পৰিৱেশত টোপনি যোৱা কঠিন হ'ব যেন ভাবি ময়ো সন্মুখৰ টি. ভি.ৰ পৰ্দা খুলি ল'লো। এনেতে এগৰাকী পৰিচালিকাই বিমানৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ কেইবাবাৰো অহা-যোৱা কৰি ওপৰলৈ উদ্দেশ্যি সুগন্ধি স্প্ৰে' চতিয়াই গ'ল। সেয়া যেন আছিল বিমানৰ তৰফৰ পৰা যাত্ৰীসকললৈ জনোৱা শুভৰাত্ৰিৰ বতৰা। মোৰ স্বামী ইতিমধ্যে টোপনি গৈছিল। ময়ো কিছুসময় পিছত টি. ভি.ৰ চুইচ্ বন্ধ কৰিলো আৰু টোপনি যোৱাৰ মানসেৰে গৰম কাপোৰখন গাত মেৰিয়াই ল'লো।

প্ৰায় ন ঘণ্টা সময় অবিৰতভাৱে গৈ লণ্ডনৰ হিথ্ৰ' বিমান বন্দৰত উপস্থিত হ'লো। বিমানৰ পৰা নামি পৰৱৰ্তী যাত্ৰা অৰ্থাৎ লণ্ডনৰ পৰা আমেৰিকালৈ যাবলগীয়া বিমানৰ বাবে অইন এটা টাৰমিনেললৈ আগবাঢ়িলোঁ। বিশ্বৰ সৰ্ববৃহৎ বিমান বন্দৰসমূহৰ ভিতৰত অন্যতম হিথ্ৰ' বিমান বন্দৰ।




ইয়াৰ কিছুমান টাৰমিনেলৰ মাজৰ ব্যৱধান ইমানেই বেছি যে ইটোৰ পৰা সিটোলৈ যাবলৈ হ'লে কেইবাখনো এচ্‌কেলেটৰ বগাই গৈ বিমান বন্দৰৰ অন্তৰ্বৰ্তী ৰেলেৰে যাব লাগে। প্ৰায় সাত ঘণ্টা সময় হিথ্ৰ' বিমান বন্দৰত জিৰণি লোৱাৰ পিছত আমি চিকাগো অভিমুখে আমেৰিকাৰ বিমানত যাত্ৰা কৰিলোঁ। যাত্ৰা পথত পোৱা আটলাণ্টিক মহাসাগৰৰ ওপৰেদি গৈ থাকোতে চালকে বিমানখনত উপকূলৰ কাষে কাষে নিয়াৰ লগতে কম উচ্চতাৰে নিছিল। সেয়েহে আমি বৰফাবৃত সাগৰৰ উপকূল অঞ্চলৰ অপূৰ্ব সৌন্দৰ্য উপভোগ কৰাৰ সুযোগ পালোঁ।

এইদৰে প্ৰায় দহ ঘণ্টা সময় অবিৰতভাৱে যাত্ৰা কৰাৰ মূৰকত আমাৰ বিমানখন চিকাগো আন্তৰ্জাতিক বিমান বন্দৰত অৱতৰণ কৰিলে। আমেৰিকাৰ মাটি পোন প্ৰথমবাৰলৈ স্পৰ্শ কৰাৰ যি আনন্দময় উত্তেজনা সেয়া অনুভৱ কৰাৰ আহৰিকে নাপালোঁ। কাৰণ বিদেশত প্ৰৱেশ কৰিবলৈ প্ৰয়োজনীয় ইমিগ্ৰেশ্যনৰ কাম সম্পূৰ্ণ নকৰিলে আমেৰিকা ভ্ৰমণ দূৰৰ কথা, কন্যাকো লগ পাব নোৱাৰিম। গতিকে বিমান বন্দৰৰ ভিতৰত থকা ইমিগ্ৰেশ্যন কাউণ্টাৰলৈ বেগাই খোজ দিলোঁ। ব্যক্তিগত প্ৰমাণ, লগত অনা সামগ্ৰীৰ বিশদ বিৱৰণ, ভিছা আৰু লক্ষ্য স্থানৰ সবিশেষ তথ্য জমা দি কম সময়ৰ ভিতৰতে ইমিগ্ৰেশ্যনৰ অনুমতি লাভ কৰিলোঁ। স্বস্তিৰ নিশ্বাস এৰি এইবাৰ আমি লাহে ধীৰে আমেৰিকা ভ্ৰমণৰ পৰৱৰ্তী অৰ্থাৎ ভটিয়নী যাত্ৰাৰ অন্তিমখন বিমানত উঠিবলৈ অগ্ৰসৰ হ'লো।

প্ৰায় তিনি ঘণ্টা সময় যাত্ৰা কৰাৰ অন্তত আমেৰিকাৰ ইণ্ডিয়ান পলিচৰ ৰাজ্যৰ ইণ্ডিয়ানা বিমান বন্দৰত উপস্থিত হ'লো, য'ত ঋতুপৰ্নাই আমাক লগ পাবলৈ বৈ আছিল। বিমান বন্দৰৰ পৰা ওলাই আহি হঠাৎ বাহিৰত বলি থকা শীতল বতাহৰ স্পৰ্শ অনুভৱ কৰিলোঁ। এনে পৰিৱেশৰ বাবে আগতীয়াকৈ সাজু নথকা বাবে আমি বেচ ঠাণ্ডা অনুভৱ কৰিলোঁ। প্ৰায় এক ফাৰ্লং আঁতৰত থকা গাড়ীৰ পাৰ্কিংথলীলৈ ঠেটুৰৈ ধৰা ঠাণ্ডাৰ মাজেৰেই আগবাঢ়িলোঁ। হেল'ডেনে লাইটৰ পোহৰত জিলিকি উঠা ইণ্ডিয়ানাৰ সৰু-সৰু পাহাৰৰ মাজে মাজে অকোৰা-পকোৰা বাটেদি এঘণ্টা সময় আহি ব্লুমিংটন চহৰৰ জন-হিকনচত থকা ঋতুপৰ্নাৰ ঘৰত উপস্থিত হ'লো।

দুদিনীয়াকৈ অনুষ্ঠিত হোৱা ইণ্ডিয়ান বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত উপস্থিত থাকি বৰ ভাল লাগিল। বেছ আড়ম্বৰপূৰ্ণ আৰু শৃঙ্খলাবদ্ধ আছিল দীক্ষান্ত সমাৰোহ। পৃথিৱীৰ বিভিন্ন দেশৰ পৰা পঢ়িবলৈ অহা ছাত্ৰ-ছাত্ৰীসকলৰ পিতৃ-মাতৃক লগ পাই, সেইসকলৰ সৈতে ভাৱ-বিনিময় কৰি বহু কথা জানিব পাৰিলোঁ। ব্লুমিংটন চহৰত ঘূৰি পকি

কিছুদিন কটোৱাৰ পিচত আমি বিশ্বৰ অন্যতম প্ৰাকৃতিক বিস্ময় 'গ্ৰেণ্ডকেনিয়ন' চাবলৈ যোৱাৰ সিদ্ধান্ত ল'লো।

ইণ্ডিয়ানা পলিচ আৰু এৰিজোনা ৰাজ্যৰ মাজত দূৰত্বৰ ব্যৱধান ২৭৪৭ কি. মি. যদিও বিমানেৰে গলে সময় লাগে কেৱল তিনিঘণ্টা ত্ৰিশ মিনিট। সেয়েহে আমি মে' মাহৰ শেষৰ ফালে এটি পুৱা বিমানেৰে ফিনিক্স অভিমুখে যাত্ৰা কৰিলোঁ। দিনে-পোহৰে কৰা ভ্ৰমণত বাহিৰৰ দৃশ্য উপভোগ কৰি যোৱা অভ্যাস বাবে এইবাৰো মই খিৰিকীৰ কাষৰ আসনতে বহিলোঁ। নিৰ্দিষ্ট সময়ত বিমানখনে আকাশলৈ উৰা মাৰিলে। গতিৰ লগে লগে উচ্চতাৰ শিখৰলৈ ধাবিত হোৱা বিমানৰ পৰা বাহিৰলৈ চাই দেখিলো আমি ইতিমধ্যে শুকুলা মেঘৰ আলসুৱা তৰপৰ ওপৰ পাইছেহি। শূন্যত ওলমি থকা এই চপৰাবোৰৰ ওপৰত পৰা সূৰ্যৰ কিৰণে মেঘৰ বৰণ উজলাই তুলি এক মনোমোহা দৃশ্যৰ সৃষ্টি কৰিছে। খিৰিকীৰ কাষেৰে পাৰ হৈ যোৱা মেঘৰ আলফুলীয়া অবয়বত এবাৰ স্পৰ্শ কৰাৰ হেপাহ উপজিছিল। কিন্তু এয়া সম্ভৱ নহয়। বিভিন্ন আকৃতিৰে নিজকে সজাই তোলা মেঘৰ এই বিনন্দীয়া ৰূপ পাৰ্থিৱ কোনো সৌন্দৰ্যৰ লগত তুলনা কৰিব নোৱাৰি। কিছু সময় পিছত বিমানৰ আশে পাশে লুকাভাকু খেলা মেঘৰ চপৰাবোৰ অদৃশ্য হ'ল। আমাৰ বিমানখনেও ক্ৰমে ইণ্ডিয়ানা পলিচৰ সেউজীয়া ভূখণ্ড এৰি মৰুভূমি প্ৰায় শুকান শিলাময় ৰাজ্য এৰিজোনাৰ দিশে আগবাঢ়িল। আমি যোৱা পথচোৱাৰ বায়ুমণ্ডল স্বচ্ছ আছিল বাবে খিৰিকীৰে তলৰ ভূমণ্ডলৰ এখনি অস্পষ্ট ছবি দেখিবলৈ পালোঁ। ছাই বৰণীয়া শুকান পথাৰৰ মাজে মাজে ৰঙা বৰণৰ কেইটামান চেঁকুৰা দেখা গ'ল যদিও সেইসময়ত ইয়াক চিনাক্ত কৰিব পৰা নগল।

যথা সময়ত বিমানখনে এৰিজোনাৰ ৰাজধানী ফিনিক্স চহৰত অৱতৰণ কৰিলে। অৱতৰণৰ আগমুহূৰ্তত দেখা পালো সমগ্ৰ মৰুভূমিৰ মাজত, পৰিকল্পনাগতভাৱে গঢ়ি তোলা এখন সুন্দৰ চহৰৰ ঘৰ-দুৱাৰ, বাট-পথ, গছ-গছনি আৰু কৃত্ৰিমভাৱে, তৈয়াৰ কৰা অনেক নীলবৰণীয়া জলাশয়। মনটো ভাল লাগি গ'ল এই ভাবি যে, আমেৰিকা চৰকাৰে মৰুভূমিৰ মাজতো মানুহৰ বাবে বাসোপযোগী এখন সুন্দৰ চহৰ গঢ়ি তুলিছে।

বিমানৰ পৰা নামি সা-সামগ্ৰীসমূহ যথা স্থানৰ পৰা সংগ্ৰহ কৰিলোঁ আৰু বিমান বন্দৰৰ পৰা বাহিৰলৈ ওলাই আহিলোঁ। আমেৰিকাৰ অতি ব্যস্ত আন্তৰ্জাতিক বিমান বন্দৰসমূহৰ ভিতৰত অন্যতম ফিনিক্স বন্দৰ এৰিজোনাৰ আটাইকেইখন বিমান বন্দৰৰ ভিতৰত সৰ্ববৃহৎ আৰু ইয়াৰ ৰানৱেৰ পৰা প্ৰতি তিনি মিনিটৰ মূৰে মূৰে যিকোনো দেশৰ বিমান উৰে। বাহিৰত আমাক নিবলৈ ৰৈ থকা ভাতৃপ্ৰতীম তথা আমেৰিকা নিবাসী হায়দৰাবাদৰ সম্পৰ্কীয় বন্ধুৰ জোৱাই চি. কিৰণক লগ পালোঁ। কিৰণৰ গাড়ীৰে আমি তেওঁলোকৰ শ্লেন্দাৰত থকা ঘৰলৈ আগবাঢ়িলোঁ। গাড়ীত বহাৰ আগমুহূৰ্তত এনে লাগিছিল আমাক যেন এজাক গৰম বতাহে কেউপিনৰ পৰা আৱৰিহে ধৰিছে। বতাহৰ তীব্ৰতা ঠিক জুলাই আগষ্ট মাহত দিল্লীত বলা 'লু' বতাহৰ দৰে গৰম আছিল। আমি গৰম অনুভৱ কৰা কথা কওঁতে কিৰণে ক'লে, এতিয়া বতৰ ভালেই, জুলাই-আগষ্ট মাহত গৰম আৰু প্ৰকট হয়। সেয়েহে হয়তো বাট-পথত আমি খোজকঢ়া পথিক তেনেদৰে নেদেখিলোঁ। অৱশ্যে জনামতে এৰিজোনাৰ সৰহভাগ মানুহৰ ঘৰ, অফিচ, দোকান-বজাৰত শীত-তাপ নিয়ন্ত্ৰিত ব্যৱস্থা থকা হেতুকে ইয়াৰ বাসিন্দাসকলে কোনো অসুবিধা অনুভৱ নকৰে। আমিও প্ৰখৰ ৰ'দ আৰু উত্তাপৰ মাজেদি আহিলো যদিও গাড়ীত থকা শীত-তাপ নিয়ন্ত্ৰিত ব্যৱস্থাৰ বাবে সুখদায়কভাৱে আহি কিৰণৰ শ্লেন্দাৰস্থিত ঘৰত উপস্থিত হ'লো।

প্ৰথম কেইদিনমান ফিনিক্স চহৰৰ কেইবাটাও আকৰ্ষণীয় স্থান ভ্ৰমণ কৰি আনন্দ উপভোগ কৰিলোঁ। ইয়াৰ ভিতৰত আটাইতকৈ ভাল লগা আৰু উল্লেখযোগ্য স্থান দুটা হ'ল, সকলো দেশৰ পৰা সংগৃহীত কৰা পৃথিৱীৰ একমাত্ৰ বাদ্যযন্ত্ৰৰ সৈতে থকা গীতমাতৰ যাদুঘৰ আৰু মৰুভূমিত তৈয়াৰী প্ৰথমখন উদ্ভিদ উদ্যান। পৰৱৰ্তী ভ্ৰমণৰ বাবে এইবাৰ আমি নিৰ্বাচন কৰিলোঁ পৃথিৱীৰ সাতোটা প্ৰাকৃতিক বিস্ময়ৰ অন্যতম 'গ্ৰেণ্ড কেনিয়ন পাৰ্ক'। এই বিশ্ববিখ্যাত বিস্ময় চাবলৈ কিৰণৰ চাৰিজনীয়া পৰিয়ালৰ সৈতে এটি ৰাতিপুৱা যাত্ৰা আৰম্ভ কৰিলোঁ। দূৰণিবটীয়া যাত্ৰাৰ লগতে প্ৰচণ্ড গৰমৰ মাজেদি যাবলগীয়া হ'ব বাবে

কিছু খাদ্যসামগ্ৰীৰ লগতে পানীয়ৰ পেকেট গাড়ীত ভৰাই ল'লোঁ। ইয়াৰ ভিতৰত বিস্কুট, কাজু, আলমন্দ, বাদাম, চৰ্বত নাৰিকলৰ ৰস ইত্যাদি আছিল। চালকৰ সুবিধাৰ বাবে গাড়ীৰ গতিবেগ অনুসৰি চাৰিটা ভাগত বিভক্ত কৰা প্ৰকাণ্ড বহল আলিবাটৰ সৰ্ববেগী পথটোৰে গৈ থাকোতে দুয়োফালৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰি গ'লোঁ। আলিবাটৰ দুয়োফালে চকুৰে মণিব পৰালৈকে দেখা গ'ল জনহীন, শুকান শিলাময় অঞ্চল। মাজে মাজে অনেক সৰু-বৰ লঠঙা পাহাৰ দেখিবলৈ পালোঁ। প্ৰায় এক ফুট ব্যাসাৰ্দ্ধৰ কাইটীয়া গছসমূহ দূৰৈৰ পৰা দেখিলে পাতল সেউজীয়া বৰণৰ ঘৰৰ খুটা যেন লাগে। মে'-জুন মাহত এইবোৰ গছৰ প্ৰতিটো ফেনাৰ ওপৰত 'জাৰবেৰা' ফুলৰ দৰে বিভিন্ন ৰঙৰ একোপাহ ফুল ফুলে আৰু গছজোপাক দেখিবলৈ শুৱনি কৰি তোলে।

জনাকৃণ মৰুভূমিৰ মাজেৰে গৈ থাকোতে ত্ৰিশ-চল্লিশ কিলোমিটাৰৰ মূৰে মূৰে পথৰ দাঁতিত একোটা পেট্ৰল ডিপো আৰু ইয়াৰ লগত একোখনকৈ ৰেষ্টুৰেণ্ট তথা খাদ্য সামগ্ৰীৰ দোকান দেখা গৈছিল। আমাৰ গাড়ীত তেল ভৰোৱা সময়খিনিত আমি শীত-তাপ নিয়ন্ত্ৰিত দোকানৰ ভিতৰত সোমাই চক্‌লেট আদি কিনাৰ লগতে কিছু বিশ্ৰাম ল'লোঁ। কিছুসময় পিছত পুনৰ মৰুভূমিৰ বুকুৰ কেকটাছৰ সৌন্দৰ্য উপভোগ কৰি লক্ষ্যস্থানলৈ আগবাঢ়িলোঁ। এইদৰে কিছুদূৰ গৈ থাকোতে হঠাৎ বাটতে 'উদ কেনিয়ন' নামৰ এখন সৰু ঠাই পালোঁ য'ত আলিবাটৰ দুয়োকাষে ওখ ওখ পাইন গছৰ এখন সুন্দৰ বনাঞ্চলৰ সৃষ্টি হৈছে। ইয়াৰ ওচৰতে এটা বসতিপূৰ্ণ সৰু এলেকা দেখা পালোঁ। অঞ্চলটোত বায়ুমণ্ডলৰ উত্তাপো কম যেন অনুভৱ হ'ল। এৰিজোনাত প্ৰথম দেখা পাইনৰ অৱস্থিতিৰ বিষয়ে কিৰণক সোধাত ক'লে, এৰিজোনাৰ ভৌগোলিক বাতাবৰণ বৈচিত্ৰপূৰ্ণ। একেখন ৰাজ্যতে ভূপৃষ্ঠৰ উষ্ণতা আৰু বায়ুমণ্ডলৰ প্ৰভাৱ অনুসৰি সৃষ্টি হৈছে মৰুভূমি, বৰফাবৃত চহৰ, সেউজীয়া বনাঞ্চল আৰু নৈৰ অৱবাহিকাৰ সমতলভূমি।

গ্ৰেণ্ড কেনিয়ন অভিমুখে আহি থাকোতে প্ৰায় ২৪০ কিলোমিটাৰ, অতিক্ৰম কৰাৰ সময়ত বাটৰ, কাষত এখন 'জাননী ফলক' দেখা পালোঁ। তাত লিখা আছিল 'ফ্লেগষ্টাফ'। মই ফলকৰ বিষয়ে সোধাত কিৰণে ক'লে, ফ্লেগষ্টাফ এখন সৰু ঠাইৰ নাম। শীতকালি ইয়াক বৰফে আৱৰি ৰাখে। এই সময়ত অনেক পৰ্যটকে বৰফৰ খেল খেলিবলৈ ইয়ালৈ আহে। চলন্ত গাড়ীৰ পৰাই তেওঁ দূৰৈৰ এখন পাহাৰৰ শিখৰলৈ আঙুলি টোৱাই ক'লে, সৌ গছেৰে ভৰা পাহাৰখন যে দেখিছে তাৰ শিখৰত থকা বগা বৰণখিনি প্ৰকৃততে বৰফৰ আৱৰণ। মই বিস্ময়াভিভূত হলোঁ সীমিত দূৰত্বৰ ব্যৱধানত প্ৰাকৃতিক অৱয়বৰ তাৰতম্য দেখি।

১২০ কিলোমিটাৰ বেগত একেৰাহে প্ৰায় চাৰি ঘণ্টা ভ্ৰমণ কৰাৰ অন্তত আমি ঐতিহাসিক 'গ্ৰেণ্ড কেনিয়ন পাৰ্ক'ত উপস্থিত হ'লো। সাধাৰণ ভাষাত পাৰ্ক বুলি ক'লে মসৃণ ঘাঁহনিৰ সৈতে গছ-বনেৰে আৱৰা নানান ৰঙৰ ফুল গছৰ সমাহাৰ ক্ষেত্ৰক বুজা যায় যদিও এইখন পাৰ্ক তেনে নহয়। আমেৰিকা আৰু মেক্সিকোৰ মাজেৰে প্ৰবাহিত হোৱা বিখ্যাত কলেৰেডো নদীৰ ৪৪৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ এক অংশ এৰিজোনা ৰাজ্যৰ মাজেদি বৈ গৈছে আৰু ইয়াৰ সোঁতৰ প্ৰাবল্যৰ লগতে তাপ, চাপ, বতাহ, বৰষুণৰ প্ৰভাৱ নদীৰ দুয়ো পাৰ খহাই গভীৰ গিৰিখাতৰ সৃষ্টি কৰি সমগ্ৰ এলেকাকে এখন বিচিত্ৰ শিলাময় পাৰ্কলৈ ৰূপান্তৰ কৰিছে। নদীখনে সৰ্পিল গতিত যেনিয়েদি বৈ গৈছে তেনিয়ে পৰ্বতৰ তৰপীয়া শিলৰ বুকু ভেদি গভীৰলৈ প্ৰৱেশ কৰিছে যাক নেদেখিলে প্ৰকাশ কৰা কঠিন। ভূতত্ববিদসকলৰ মতে কলেৰেডো নদীৰ এই ক্ষয়ীকৰণ কাৰ্য এক দুই বছৰ নহয়। কেইবা নিযুত বছৰ পূৰ্বৰে পৰা অবাৰিত ধাৰে বৈ অবক্ষয়ী কাৰ্যৰ দ্বাৰা পাহাৰৰ বুকু খহাই ইয়াক মনোমোহা ৰূপ দিছে।

বিস্তৃত গ্ৰেণ্ড কেনিয়নত ঠায়ে ঠায়ে দেখা পোৱা প্ৰকৃতিৰ এই বিস্ময়কৰ সৃষ্টি চাবলৈ চাৰি দিশত চাৰিটা 'ভিউ পইণ্ট' তৈয়াৰ কৰা হৈছে। আমি দক্ষিণৰ ভিউ পইণ্টত উপস্থিত হলোঁ। গাড়ীৰ পৰা নামি বাহিৰত বেচ গৰম অনুভৱ কৰিলোঁ। অৱশ্যে ফিনিক্সৰ গৰমৰ তীব্ৰতা ইয়াত নাই। লোহাৰ জেওৰাৰে সুৰক্ষিত কৰি সজোৱা ভিউ পইণ্টৰ নিৰ্দিষ্ট স্থানলৈ আগবাঢ়ি গ'লোঁ। দেখাত সমতল যেন লাগিলেও এইস্থানৰ অৱস্থিতি ভূপৃষ্ঠৰ পৰা প্ৰায় ৭০০০ফুট উচ্চতাত। অসংখ্য পৰ্যটকে ইতিমধ্যে সেই স্থানৰ পৰা সমুখৰ দৃশ্য উপভোগ কৰি আছিল। আমাৰ দৃষ্টিতো ধৰা পৰিল চকুৰে মনিব পৰালৈকে কেউফালে দৃশ্যমান হোৱা

খলা-বমা পথাৰ সদৃশ উদং শিলাময় অঞ্চল। কেনিও গছ-বন দেখা নগল যদিও সমুখৰ প্ৰায় ১০ বৰ্গকিলোমিটাৰ ঠাইত দেখা পালো পৃথিৱীৰ জন্ম বৃত্তান্তৰ এই জীৱন্ত সাক্ষী। সৰুতে ভূগোলৰ কিতাপত পঢ়া পৃথিৱীৰ গভীৰতম গিৰিখাত আৰু ইয়াৰ মাজেদি প্ৰবাহিত হোৱা কলেৰেডো নদীৰ কথা মনত পৰিল। পৰ্বতৰ ক্ষয়িষ্ণু অৱয়বৰ মাজে মাজে কলেৰেডো নৈৰ অৱস্থিতি বিচাৰি কেউফালে চালো। কিন্তু কোনো নদী চকুত নপৰিল। হঠাৎ দেখিবলৈ পালো পাহাৰৰ গভীৰত তলিত হৰিৎ-নীলা বৰণৰ ফিটা এডাল যেন একা-বেকা ধৰণে পৰি আছে। এৰা, দূৰবীনেৰে কেনিয়নৰ দৃশ্য উপভোগ কৰি থকা পৰ্যটক এজনে নিশ্চিত কৰি ক'লে যে সেই ফিটা-সদৃশ আকৃতিয়েই কলেৰেডো নদী। মনটো আনন্দত পুলকিত হৈ উঠিল।

ভিউ পইণ্টৰ উচ্চতাৰ পৰা ডেৰ কিলোমিটাৰ গভীৰতাৰে প্ৰবাহিত হোৱা নৈখনে সমুখত দেখা এখন পাহাৰৰ গাৰে 'ইউ টাৰ্ণ' লৈ অদৃশ্য কোনো স্থানলৈ গতি কৰা দৃশ্যমান হ'ল। ক'বলৈ গ'লে যুগ যুগ ধৰি কলেৰেডো নদীয়ে এইদৰে পৰ্বতৰ বুকুত অহৰহ ক্ষয়লীলা চলাই থকাৰ ফলতে ভগ্নাৱশেষ ৰূপে ৰৈ যোৱা অসমান শিলৰ তৰপসমূহত চমকপ্ৰদ অৱয়বৰ সৃষ্টি হৈছে। বিজ্ঞানীসকলৰ মতে পৃথিৱীৰ জন্মলগ্নৰে পৰা ভূপৃষ্ঠত আজিলৈকে সৃষ্টি হোৱা আটাইবোৰ শিলৰ তৰপ এই গিৰিখাতৰ তললৈকে জল্ জল্-পট্‌পট্‌কৈ দেখা পোৱা যায়। এই অসম্ভৱ কাৰ্যক সম্ভৱ কৰিছে কেৱল কলেৰেডো নৈৰ খহনীয়া কাৰ্যই। প্ৰায় ৪০টা মূল গেদীয় শিলৰ তৰপ সন্নিৱিষ্ট এই গিৰিখাতৰ গভীৰতম তৰপটো অৱশ্যে আগ্নেয় শিলেৰে গঠিত আৰু ইয়াক বিষ্ণু বেচ্‌মেণ্ট' নামেৰে নামাঙ্কিত কৰিছে। প্ৰায় ১২০০ নিযুত বয়সৰ এই বেচমেণ্টক আমেৰিকাৰ বিস্ময় ভূমিত হিন্দু ধৰ্মৰ দেৱতাৰ নামত নামাঙ্কিত কৰা কথাৰ ওৰ বিচাৰি জানিব পাৰিলোঁ যে, কেনিয়নৰ ভিতৰত ক্ষয় কাৰ্যৰ দ্বাৰা কলেৰেডোৰে সৃষ্টি কৰা কেইবাটাও শিলৰ জোঙাল শৃঙ্গৰ নাম পৃথিৱীৰ বিশিষ্ট বিজ্ঞানী আৱিস্কাৰক আৰু আৰাধ্য দেৱতাৰ নামত ৰখা হৈছে। আগ্নেয় শিলেৰে গঠিত কেনিয়নৰ গভীৰতম শৃঙ্গৰ বয়সৰ লগত বেদৰ জন্মৰ সামঞ্জস্যলৈ লক্ষ্য ৰাখি বেদত উল্লেখ থকা বিষ্ণু দেৱতাৰ নামত ইয়াক 'বিষ্ণু বেচমেণ্ট' ৰূপে চিহ্নিত কৰিছে। সুদূৰ আমেৰিকাত হিন্দু ধৰ্মৰ স্বীকৃতিয়ে আনন্দিত কৰিলে।

পৰ্যটকসকলৰ বাবে সজোৱা ভিউ পইণ্টৰ চৌহদটো যথেষ্ট আহল-বহল আছিল। ইয়াৰ কেইবাখনো ৰেষ্টুৰেণ্ট, টয়লেট, পাৰ্কিংথলী, জিৰণি কোঠা থকাৰ লগতে পৰ্যটকৰ জ্ঞাতাৰ্থে পাৰ্কৰ অনেক মানচিত্ৰ উপলব্ধ আছিল। পাৰ্কৰ বিস্তৃত বিৱৰণ লিখা ফলকত পঢ়ি জানিব পাৰিলো যে কলেৰেডো নদীখনে পাৰ্কৰ এলেকাত প্ৰতিঘণ্টাত সাত কিলোমিটাৰ গতিবেগেৰে অকাই-পকাই প্ৰায় ৪৪৬ কিলোমিটাৰ দৈৰ্ঘ্য বৈ গৈছে। গড় অনুপাতে ইয়াৰ বহল প্ৰায় ৩০০ফুট যদিও গভীৰতা অধিক, অৰ্থাৎ ৮৫ ফুট। সকলোতকৈ আচৰিত কথা হ'ল, ঠেক গিৰিখাতৰ শিলাময় তলিৰে তীব্ৰগতিত প্ৰবাহিত হোৱা নৈখনৰ বুকুত দুঃসাহসিক খেলুৱৈসকলে নাওখেলত ভাগ লৈ আনন্দ উপভোগ কৰে। অৱশ্যে ভূপৃষ্ঠৰ ইমান গভীৰ স্থানত প্ৰৱেশ কৰি, সেই ঠাইৰ বায়ুমণ্ডলৰ সৈতে নিজকে খাপ খুৱাই লোৱা প্ৰতিজন খেলুৱৈৰ বাবে সম্ভৱ নহয়। কাৰণ ভূপৃষ্ঠৰ গভীৰলৈ সিমানেই যোৱা হয়, উত্তাপৰ প্ৰাৱল্যও তিমানেই বৃদ্ধি হয়।

বিস্ময়কৰ কথা হ'ল কলেৰেডো নদীৰ পানীৰ বৰণ ভিন ভিন ঠাইত সুকীয়া। বিজ্ঞানীসকলে ঠাৱৰ কৰিছে যে নদীখনে সুদীৰ্ঘ পথত পোৱা অঞ্চল বিশেষে মাটিৰ বৰণ, কাষৰীয়া শিলৰ ৰাসায়নিক গুণগত, পানীত থকা শেলুৱৈ জাতীয় উদ্ভিদ, মুকলি আকাশৰ বৰণৰ প্ৰতিফলন, বিভিন্ন ঠাইৰ মাজেৰে বৈ অহা উপনৈসমূহে মিলোৱা ৰাসায়নিক উপাদান আদিয়ে ইয়াক ভিন্নৰূপী কৰি তুলিছে। কলেৰেডোৰ বহুৰূপী পানীত দেখিবলৈ পোৱা বৰণৰ ভিতৰত বগা, আকাশী নীলা, গভীৰ সাগৰীয় নীলা, কমলা, ছাই বৰণীয়া, হালধীয়া, সেউজ নীলা প্ৰধান।

প্ৰায় এঘণ্টা সময় ভিউ পইণ্টৰ এলেকাত থাকি হেপাহ পলুৱাই গ্ৰেণ্ড কেনিয়নৰ সৌন্দৰ্য উপভোগ কৰিলোঁ। বিশেষকৈ কেনিয়নত থকা প্ৰতিটো শিলৰ তৰপৰ সুকীয়া সুকীয়া বৰণে বিস্মিত কৰিলে। পৰ্যটকসকলৰ লগতে আমিও এই বিস্ময়কৰ সৃষ্টিৰ অনেক ফটো তুলিলোঁ। এই সময়ত আমি যে উন্মুক্ত আকাশৰ তলত আৰু গৰমত আছিলোঁ সেই কথা মনলৈ নাহিলেই।

ইতিমধ্যে দুপৰীয়াৰ বেলিটো পশ্চিমলৈ গতি কৰিলে। আমাৰ সকলোৰে ভোক লাগিছিল। কিবা খোৱাৰ উদ্দেশ্যৰে আমি চৌহদত থকা এখন ৰেষ্টুৰেণ্টলৈ গলোঁ। কফিৰ লগত 'পেটিছ'ৰ দৰে সুস্বাদু আহাৰ গ্ৰহণ কৰিলোঁ। সিজোৱা আলু, পাচলি, বটাৰ, চীজ আদি ৰুটিৰে মেৰিয়াই তৈয়াৰ কৰা খাদ্য বিধৰ নাম সোধাত ৰেষ্টুৰেণ্টৰ মালিকে 'বাৰিটো' বুলি ক'লে। এই বিধ হেনো খিলঞ্জীয়া আমেৰিকানসকলৰ প্ৰিয় খাদ্য। গ্ৰেণ্ড কেনিয়নত বসতি কৰা তাহানিৰ খিলঞ্জীয়া আদিবাসী এতিয়াও ইয়াত আছে নে বুলি সোধাত দোকানৰ মালিকজনে ক'লে যে, প্ৰায় আঠ হেজাৰ বছৰ পূৰ্বে কলেৰেডো নদীৰ অৱবাহিকা অঞ্চলত ঠায়ে ঠায়ে খিলঞ্জীয়া আমেৰিকানসকলে বসবাস কৰিছিল। এহেজাৰ বছৰ আগলৈকে এই নদী আৰু উপনৈসমূহ পানীৰে ভৰপূৰ আছিল। এইসমূহৰ উপচি পৰা পানীয়ে কৃষি সভ্যতাক বাৰুকৈয়ে প্ৰেৰণা যোগাইছিল। সেই সময়ত উত্তৰ দিশৰ বাসিন্দাসকলে কিছু অঞ্চলত আধুনিক ব্যৱস্থাৰে খেতিও কৰিছিল। কিন্তু জলবায়ু পৰিৱৰ্তনৰ ফলত এৰিজোনা ৰাজ্যত বৰষুণৰ পৰিমাণ কমিবলৈ ধৰিলে। বায়ুমণ্ডলৰ বাতাবৰণৰো পৰিৱৰ্তন ঘটিল। অনাবৃষ্টি আৰু খৰাং বতৰৰ বাবে সমগ্ৰ ৰাজ্যই খেতিবাতিৰ বাবে অনুপযোগী হৈ পৰিল। কিছু বছৰৰ ভিতৰতে ইয়াৰ উৰ্বৰাভূমি অৰ্দ্ধ-মৰুভূমিলৈ ৰূপান্তৰ হোৱাত সৰহভাগ বাসিন্দাই জীৱিকাৰ বাবে উপযোগী ঠাই বিচাৰি অইন দিশলৈ অগ্ৰসৰ হয়। তথাপি উপত্যকা প্ৰধান, কম উষ্ণতা আৰু কলেৰেডো নদীৰ আশেপাশে কিছু সংখ্যক খিলঞ্জীয়া লোক থাকি গ'ল। বৰ্তমানেও গ্ৰেণ্ড কেনিয়নত বসবাস কৰি থকা অনেক লোক তাহানিৰ হাভাচুপাই, হুৱালাপাই, নভাহো আৰু হোপি-ইণ্ডিয়ান জাতিৰ বংশধৰ বুলি ধৰা হয়। তেওঁলোকে আমেৰিকাৰ আধুনিক সংস্কৃতি গ্ৰহণ কৰাৰ পৰিৱৰ্তে নিজৰ ৰুচি সংস্কৃতিৰ মাজত থাকিবলৈ ভাল পায়। উপাৰ্জনৰ পথ হিচাবে দৈনন্দিন ব্যৱহৃত সামগ্ৰীসমূহ নিজেই তৈয়াৰ কৰিবলৈ ললে। ইয়াৰ ভিতৰত খেতি-বাতি, পশুপালন, শিল্পকলা, চিকাৰ ইত্যাদি উল্লেখযোগ্য। তদুপৰি বাণিজ্যৰ দিশত থলুৱা সামগ্ৰীৰ দ্বাৰা তৈয়াৰী অলংকাৰ, ভেৰাৰ নোমৰ কম্বল, কপাহৰ পৰা সূতা আৰু পোচাক আদিৰে আৰ্থিক দিশৰ উত্তৰণ ঘটায়।

আমি দুপৰীয়া আহাৰ খাই ৰেষ্টুৰেণ্টৰ পৰা বাহিৰলৈ ওলাই দেখিলো ভিউ পইণ্টৰ স্থানত পূৰ্বতকৈ অধিক পৰ্যটকৰ সমাবেশ ঘটিছে। আবেলি সময়ত ইমানবোৰ মানুহ উপস্থিত হোৱা দেখি আচৰিত হ'লোঁ। পিচত কিৰণৰ পৰা জানিব পাৰিলো যে এইসকল পৰ্যটকে গ্ৰেণ্ড কেনিয়নৰ মূল আকৰ্ষণ 'সূৰ্যাস্তৰ ৰূপ' চাবলৈ আহিছে। তৎক্ষণাত মনত পৰিল, গ্ৰেণ্ড কেনিয়নৰ সূৰ্যাস্ত পৃথিৱী বিখ্যাত। আমিও লৰালৰিকৈ ভিউ পইণ্টলৈ গলোঁ আৰু পশ্চিম আকাশত সূৰ্যাস্তৰ দৃশ্য চাবলৈ আগ্ৰহেৰে বাট চাই ৰলোঁ।

কেইবা কিলোমিটাৰ আঁতৰত থকা বৃক্ষহীন পৰ্বতৰ লানিবোৰৰ ওপৰত বেলিৰ তীব্ৰতা পূৰ্বতকৈ কোমল হোৱা যেন লাগিল। লাহে লাহে নিজৰ বৰণ ৰঙচুৱা কৰি পৰ্বতৰ শিখৰ স্পৰ্শ উদ্যত হোৱা বেলিটো ভূপৃষ্ঠ অভিমুখে গতি কৰিলে। সূৰ্যৰ এই নাটকীয় গতিবিধি জীৱন্ত কৰি ৰাখিবলৈ ভিউ পইণ্টৰ পৰ্যটকসকলে নিজৰ কেমেৰা, মোবাইল উলিয়াই ললে। কমলা বৰণৰ আভৰণ সানি বেলিটোৱে আকাশৰ বুকুত চতিয়াই দিলে কোমল ৰক্তাভ বৰণৰ ফাকুগুৰি। পৰ্যটকসকলে লৰা-ঢপৰা কৰি বিভিন্ন কোণৰ পৰা ফটো তুলি থাকোতেই বেলিটোৱে ধীৰ গতিৰে পৰ্বতৰ নামনিলৈ গৈ থাকিল। একেদৰে বেলিৰ ৰঙা বৰণো তীব্ৰতৰ হ'ল আৰু কেউপিনে বিছুৰিত হ'ল, ইয়াৰ উজ্জ্বল ৰশ্মি। এই ৰশ্মিৰ ৰাঙলী আভাই কেৱল আকাশ মাৰ্গ বা বায়ুমণ্ডলতে সীমাবদ্ধ নাথাকি বিয়পি পৰিল গ্ৰেণ্ডকেনিয়নৰ নানাৰঙী শিলৰ স্তৰসমূহৰ ওপৰত। ফলত শিলৰ তৰপসমূহ অধিক বৰ্ণিল আৰু মনোমোহা হৈ উঠিল। বিশেষকৈ শিলত থকা খনিজ পদাৰ্থ কোৱাৰ্টজ, মাইকা, টুৰ্মেলিন, মেংগানিজ আদিয়ে গ্ৰেণ্ডকেনিয়নক অপূৰ্ব সুন্দৰ কৰি তুলিলে। একেখন পৰ্বতকে শিলৰ ৰঙ অনুসৰি ভিন্নৰঙী দেখা গ'ল। বৰণসমূহৰ ভিতৰত থকা ৰঙা, সেউজীয়া, নীলা, হালধীয়া, মাখন আৰু ছাঁই বৰণ প্ৰায়বোৰ পাহাৰৰ শিলত দেখা গ'ল। ক'বলৈ গ'লে গ্ৰেণ্ড কেনিয়নৰ আটাইকেইখন পৰ্বততে ৰামধেনুৰ সমাহাৰ ঘটিল। পৰ্যটকসকলে এই স্বৰগীয় সৌন্দৰ্য উপভোগ কৰি আত্মহাৰা হৈ পৰিল। মোৰ এনে লাগিল আমি যেন অন্য এক পৃথিৱী ঠিয় হৈ আছোঁ।

অস্তিমিত সূৰ্যটো যিমানেই পৰ্বতৰ আঁৰত লুকাবলৈ আগবাঢ়িল সিমানেই ইয়াৰ সৌন্দৰ্য চাবলৈ পৰ্যটকসকল অধিক আগ্ৰহী হৈ ৰ'ল। তেওঁলোকৰ শৰীৰতো বিচ্ছুৰিত ৰশ্মিৰ আভা চিটিকি পৰা দেখা গ'ল। মুঠতে গ্ৰেণ্ডকেনিয়ন পাৰ্কৰ সমগ্ৰ অঞ্চল এনে দৃষ্টিনন্দন হৈ উঠিল, যে ইয়াক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। কেৱল উপলব্ধি কৰিবহে পাৰিব। এই মিঠা মুহূৰ্তবোৰ মই ল'ৰালৰিকৈ কেমেৰাত বন্দী কৰিলোঁ। এনেতে পৰ্যটকসকলে সমুখলৈ চাই চিএঞৰি উঠিল, 'বেলিটো লুকাই গ'ল।' সচাঁকৈয়ে অস্তমিত বেলিটো গ্ৰেণ্ড কেনিয়নৰ আকাশৰ পৰা আঁতৰি গ'ল অইন কোনো দেশ পোহৰাবলৈ। নিমিষতে সাতো বৰণৰ মায়াজাল তৰি নিজকে মোহাচ্ছন্ন কৰি ৰখা গ্ৰেণ্ড কেনিয়নলৈও নামি আহিল সন্ধিয়াৰ ধূসৰ।

এজন-দুজনকৈ পৰ্যটকসকল ভিউ পইন্টৰ পৰা উভটি যাবলৈ আৰম্ভ কৰিলে। তেতিয়াও অৱশ্যে দুই এজনে ফ্লাচ্‌লাইট ব্যৱহাৰ কৰি সন্ধিয়াৰ গ্ৰেণ্ডকেনিয়নক কেমেৰাত ৰখাৰ চেষ্টা কৰি থাকিল। কেইটামান মুহূৰ্তৰ বাবে মই নীৰৱে সন্মুখৰ ধূসৰিত পৰ্বতমালালৈ চাই ৰলোঁ। সচাঁকৈয়ে গ্ৰেণ্ডকেনিয়নৰ সৌন্দৰ্য ঈশ্বৰ প্ৰদত্ত আৰু প্ৰকৃতিৰ অৱদান। শেষবাৰলৈ কেনিয়নৰ গভীৰ তলিৰে বৈ থকা কলেৰেডো নদীখন চাও বুলি তললৈ ভুমুকি মাৰিলোঁ। কিন্তু একো নেদেখিলোঁ। হয়তো কলেৰেডোক ইতিমধ্যে এন্ধাৰে সাবটি লৈছে। আমেৰিকা ভ্ৰমণৰ এক সুকীয়া অভিজ্ঞতা আৰু উপলব্ধিৰে আমি ওভটনি যাত্ৰাৰ বাবে এখুজি দুখুজিকৈ গাড়ীলৈ আগবাঢ়িলোঁ। প্ৰায় ত্ৰিশ মিটাৰ আঁতৰত ৰখোৱা গাড়ীলৈ ৰঙামাটি, শিলেৰে পুষ্ট ওখোৰা-মোখোৰা বাটেদি গৈ থাকোতে আমাৰ সমুখেদি দুটা সৰু, কলা-বগা বৰণৰ কেৰ্কেটুৱা দৌৰি পাৰ হৈ গ'ল। আমি সিহঁতলৈ চাই ভাবিলো যে এনে শিলাময়, নীৰস ঠাইতো জীৱ জন্তুই বাস কৰি আছে। কেৰ্কেটুৱা দুটাই, কিছু আতৰত থকা ডাঙৰ শিল এটাৰ আঁৰত লুকাই আমালৈ চাই ৰ'ল। সিহঁতে যেন আমাক কিবা ক'বলৈ বিচাৰিছে এনে অনুভৱ হ'ল। মই হাতত থকা বাদামৰ পেকেট খুলি কেইটামান সিহঁতৰ ওচৰলৈ চতিয়াই দিলোঁ। সচাঁকৈয়ে কেৰ্কেটুৱা দুটাই শিলৰ আঁৰৰ পৰা ওলাই আহি বাদাম কেইটা কট্‌কট্‌কৈ খাবলৈ ধৰিলে।

এটা শান্তিৰ নিশ্বাস এৰি মই গাড়ীত উঠিলোঁ ফিনিক্স অভিমুখে ওভটাৰ উদ্দেশ্যৰে।

* * * *



# বিদেশত বিভ্ৰাট

**সঞ্জয় দত্ত**
উপ-সঞ্চালক, প্ৰাক-পৰীক্ষা প্ৰশিক্ষণ কেন্দ্ৰ

ইন্টাৰনেটত উপলব্ধ গুগল মানচিত্ৰৰ সৈতে পৰিচয় নোহোৱালৈ পৃথিৱীৰ ক'ত কি আছেনো তাৰ ধাৰণা বিশেষ নাছিল আৰু সেয়েহে বিদেশ ভ্ৰমণৰ স্পৃহাইও মনত বাঁহ লোৱা নাছিল। গুগল মানচিত্ৰৰ লগতে বিভিন্ন ভ্ৰমণ সম্বন্ধীয় ৱেবচাইটবোৰ চাওতে চাওতে ট্ৰেভেল এজেণ্টৰ সহায় নোলোৱাকৈ নিজৰ ব্যয়সীমাৰ ভিতৰতে মনোমত ভ্ৰমণচক্ৰ (Itinerary) এটা লৈ যে এপাক বিদেশ ফুৰি আহিব পাৰি তাৰে এটা ধাৰণাই খোপনি লৈছিল। পিছে ভুটান বাদে প্ৰথমবাৰ বিদেশৰ মাটিত ভৰি দিবলৈ এই শতিকাৰ প্ৰথম দশক পাৰ হৈ নোযোৱালৈ কোনো চেষ্টা কৰাই নহ'ল। মোৰ পাছপ'ৰ্টৰ প্ৰথম দহ বছৰীয়া মিয়াদ উকলি যোৱাৰ সময় সমাগত, এটাও ইমিগ্ৰেশ্বন মোহৰ নপৰাকৈয়ে, তেনেতে মোৰ সৰু ভাই নিৰ্মল চাকৰি সূত্ৰে সংযুক্ত আৰব এমিৰেট্‌চ (UAE) দেশৰ শ্বাৰজাহ নগৰৰ বাসিন্দা হ'ল। নিশ্চয় নকলেও হ'ব, আমাৰ তিনিজনীয়া পৰিয়ালটোৱে নিৰ্মলৰ ঘৰলৈ যোৱাৰ সুবাদতে ২০১২ চনৰ ডিচেম্বৰ মাহৰ শেষৰ ভাগত বিদেশ ভ্ৰমণৰ খাতা খুলিলে। এই যাত্ৰাটো যদিও কোনো ট্ৰেভেল এজেণ্টৰ Conducted Tour নাছিল, এদিনীয়া আবু ঢাবিৰ চফৰ এটা বাদ দি প্ৰায় গোটেইখিনি পৰ্যটন ভাইটিৰ তত্বাৱধানত হোৱা হেতুকে ইয়াক ইন্টাৰনেটত পৰিকল্পিত বুলিব পৰা নাযায়। প্ৰথমটো বিদেশ চফৰৰ পিছত অৱশ্যে আৰু কেইখনমান দেশত সম্পূৰ্ণ নিজা পৰিকল্পনাৰে ভ্ৰমণ কৰিছিলোঁ। ইন্টাৰনেটত উপলব্ধ তথ্য আৰু গুগল মানচিত্ৰ এই ক্ষেত্ৰত বিশেষভাবে সহায়ক হৈছিল। এই নিবন্ধৰ উদ্দেশ্য পিছে ভ্ৰমণ কাহিনী লিপিবদ্ধ কৰা বা বিদেশ ভ্ৰমণৰ পৰিকল্পনাৰ সহায়িকা প্ৰস্তুত কৰা নহয়। অশেষ ধৈৰ্য, সময় খৰছ

তথা প্ৰায় গৱেষণা স্তৰৰ পঢ়া-শুনাৰ মূৰকত প্ৰস্তুত কৰা ভ্ৰমণ পৰিকল্পনা লৈ বিদেশত উপস্থিত হোৱাৰ পিছত সামান্য হেৰ-ফেৰ একোটাই কেনেদৰে সমস্যাৰ সৃষ্টি কৰিব পাৰে তাৰে দুটামান অভিজ্ঞতাৰ বিষয়েহে ইয়াত লিখিব বিচাৰিছোঁ।

প্ৰথমে এটা সৰু পয়মালৰ কথা, UAE যাত্ৰাত। শ্বাৰজাহত ভাইটিৰ ঘৰ পোৱাৰ পিছত প্ৰথম দুদিন তাৰ অফিচৰ পৰা ছুটী লোৱাৰ অৱকাশ নথকাত দ্বিতীয়টো দিনত মই নিজেই মোৰ শ্ৰীমতী আৰু আমাৰ অকণমানিজনীক লৈ শ্বাৰজাহৰ পৰা সংযুক্ত আৰব এমিৰেট্‌ৰ ৰাজধানী আবু ঢাবি চাবলৈ ওলালোঁ। সিদিনা আছিল বৰদিন। শ্বাৰজাহৰ পৰা আবু ঢাবিলৈ প্ৰায় এশ আশী কিলোমিটাৰৰ বাট। চৰকাৰী শীত-তাপ নিয়ন্ত্ৰিত সুন্দৰ বাছেৰে আঢ়ৈ ঘন্টাতেই আবু ঢাবি পালোগৈ। গুৱাহাটী প্ৰমুখ্যে ভাৰতৰ ডাঙৰ নগৰবোৰৰ টেক্সিচালক সকলৰ সৈতে মোৰ বৰ ভাল ৰাহি নাহে বাবে যিমান দূৰ সম্ভৱ মই ৰাজহুৱা পৰিবহণ ব্যৱস্থা ব্যৱহাৰ কৰোঁ। ভাইটি আৰু ইন্টাৰনেটৰ সহায়ত আগদিনাই ম হানগৰ খনৰ চিটি বাছ সেৱাৰ এটা মোটামুটি ধাৰণা লৈ থৈছিলোঁ। গতিকে বাছ আস্থানৰ ওচৰৰ পৰাই চিটি বাছ এখনত উঠি লৈ মহানগৰখনৰ মুখ্য পৰ্যটনৰ স্থানকেইটা দৰ্শন কৰিবলৈ ৰাওনা হ'লোঁ। সুকলমে আবু ঢাবিৰ মুখ্য আকৰ্ষণবোৰ চাই অটাই আমাৰ অন্তিম দৰ্শনস্থলী, নগৰখনৰ এটা প্ৰান্তত অৱস্থিত সুবৃহৎ জায়েদ মছজিদলৈ বুলি এখন চিটিবাছত উঠি ললোঁ। তেতিয়া মোৰ হাতত গুগল মেপ আৰু GPS সমৃদ্ধ স্মাৰ্টফোন নাছিল। ৰাস্তা-ঘাট চিনি পাবলৈ ঘৰতেই উলিয়াই অনা মানচিত্ৰৰ প্ৰিণ্টআউট কেইখিলাৰেই কাম চলাইছিলোঁ। ৰাস্তাৰ দুই এখন চাইনবোৰ্ডৰ পৰা সঠিক ৰাস্তাৰেই যে আহিছো অনুমান কৰিব পাৰিছিলোঁ। বেছ কিছুদূৰ অহাৰ পিছত বাছৰ পৰাই এচিয়াৰ বৃহত্তম মছজিদটো দেখিবলৈ পালোঁ আৰু অলপ পিছতেই এটা ষ্টপত বাছ ৰখালে। আমি তাৰ পৰা মছজিদলৈ বেছ কিছুদূৰ খোজ কাঢ়িব লাগিব যেন পাই অলপ হেহোঁ-নেহোঁ কৰি থাকোতে বাছ আকৌ চলিলে। অলপ পিছতে বাছখন কোনপিনে ঘূৰালে তৰ্কিবই নোৱাৰিলো, জায়েদ মছজিদো নেদেখা হ'লো। পিছৰ ষ্টপ আহি নাপায়হে নাপায়। অলপ পৰ পিছত বাছখন কেইবাটাও লেনৰ এটা প্ৰকাণ্ড হাইৱেত উঠিল আৰু এটা ষ্টপত অৱশেষত ৰ'ল। বাছৰ পৰা নামি দিশহাৰা হ'লো। হাতৰ কাগজকেইখিলাৰ মেপবোৰেও কোনো ধৰণে সহায় আগ নবঢ়ালে। ভাবিলো ৰাস্তাৰ সিটো পাৰে গৈ একে নম্বৰৰ বাছেৰে এটা ষ্টপ উভটি যাও। কিন্তু কোলাত কণমানিজনীক লৈ শ্ৰীমতীৰে সৈতে কমেও বাৰটা লেনেৰে সোঁসোঁৱাই গাড়ী চলি থকা ৰাস্তাটো পাৰ হ'বলৈ চেষ্টা কৰা আৰু আপোনঘাতী হোৱা একেই কথা। এনেতে ওচৰত এজন তাৰেই বাসিন্দা যেন লগা মানুহ দেখি সুধি চালো কেনেকৈনো সিপাৰ পামগৈ। তেওঁৰ পৰা বুজিলো যে টেক্সিয়েই গতি এতিয়া। বিশেষ বিলম্ব নকৰাকৈ টেক্সি এখন ধৰি তাৰ পৰা এককোবে জায়েদ মছজিদ পালোহি। কিন্তু টেক্সিয়ে ধৰা ৰাস্তাটো চাই গৈ বুজি পালো যে আগৰ ঠাইখিনিত ৰাস্তাটো কেনেবাকৈ পাৰ হ'ব পাৰিলেও আমি আমাৰ গন্তব্য স্থান উলিয়াব নোৱাৰিলোহেতেন। মছজিদৰ পৰা শ্বাৰজাহলৈ ফিৰাৰ বাবে বাছ আস্থানলৈ আহিবলৈ বুলি ৰাজহুৱা পৰিবহণ ব্যৱহাৰ কৰাৰ সাহসখিনি ইতিমধ্যে শেষ হৈছিল। এইবাৰ কিছু বেছি মোটা অংকৰ ভৰণি ভৰি পুনৰ টেক্সিৰে সেইখিনি ৰাস্তা অতিক্ৰম কৰিলোঁ।

আমাৰ পিছৰটো বিদেশ যাত্ৰা এশ শতকৰাই ইন্টাৰনেট ব্যৱহাৰ কৰি ঘৰত বহিয়েই পৰিকল্পিত আছিল। মোৰ তিনিজনীয়া পৰিয়ালৰ লগতে শ্ৰীমতীৰ বায়েকৰ তিনিজনীয়া পৰিয়ালটোও আমাৰ লগত ওলাইছিল। চিংগাপুৰ আৰু কুৱালালামপুৰৰ এই পাচঁদিনীয়া ভ্ৰমণসূচীত থকা বিমান আৰু বাছ যাত্ৰাৰ টিকট তথা হোটেলৰ বুকিং ঘৰৰ পৰাই কৰি লোৱা হৈছিল। চিংগাপুৰ যিহেতু তাৰ অতি উন্নত মানৰ ৰাজহুৱা পৰিবহণ ব্যৱস্থাৰ বাবেও বিখ্যাত সেয়েহে চাংগি বিমান বন্দৰৰ পৰাই সকলোৰে বাবে দুদিনীয়া টুৰিষ্ট পাছ কিনি লৈছিলো। প্ৰথম যাত্ৰা আছিল বিমান বন্দৰৰ পৰা মেট্ৰ' ৰেলেৰে আমাৰ হোটেল অভিমুখে। কোন ষ্টপত নামি কেইখন মেট্ৰ' সলাই টেক্সি নোলোৱাকৈ ঠিক হোটেলৰ ওচৰতে

নামিব পাৰিম সেই বিষয়ে ইন্টাৰনেটযোগে জানি লৈ মই ইতিমধ্যে আমাৰ আন কেইজনৰ ওচৰত ওস্তাদি কৰা আৰম্ভ কৰিয়েই দিছিলোঁ। প্ৰথম ষ্টপত নামি ভালে কুশলে দ্বিতীয়খন মেট্ৰ' আমি ধৰিলো। পিছৰটো মেট্ৰ' ষ্টেচন একেবাৰে তলাতল ঘৰৰ নিচিনা। এচকেলেটৰেৰে এবাৰ নামি, লিফ্‌টেৰে উঠি আকৌ এবাৰ খটখটীৰে নামিহে আমি ধৰিব লগীয়া মেট্ৰ'খনৰ প্লেটফৰ্মটো পায়। এই তলাতল ঘৰৰ উঠা নমাত আটাইতকৈ আগত এওঁৰ বায়েকৰ ন বছৰীয়া ল'ৰা আৰু মোৰ চাৰি বছৰীয়া ছোৱালী। পিছে পিছে মই আৰু শ্ৰীমতী। বায়েক আৰু ভিনিহিয়েক আছিল আৰু অলপ পিছ পৰি। প্লেটফৰ্মত আমি ধৰিব লগীয়া মেট্ৰ' এখন ৰৈয়েই আছিল। মই ক'বলৈহে পালো এইখন ৰেল আমাৰ হোটেলৰ ওচৰ পাবগৈ বুলি ল'ৰা-ছোৱালীহালে ওচৰৰ দবাটোত উঠি ল'লেই নহয়। তাকে দেখি ততাতৈয়াকৈ মই আৰু শ্ৰীমতীও ৰেলখনত কিবাকৈ উঠিলো মাত্ৰ, ৰেল চলিলেই আৰু মুহূৰ্ততে স্পীড বঢ়ালে। বায়েক আৰু ভিনিহিয়েকে শেষৰ খটখটীকেইটা নামি প্লেটফৰ্ম নাপালেই কিন্তু ভাগ্য অকণমান ভাল, আমি যে ৰেলত উঠিলো আৰু ল'ৰা ছোৱালীহাল আমাৰ লগতেই, সেয়া তেওঁলোকে দেখা পাইছিল। মোৰ পিছে মগজে ভালদৰে কাম নকৰা হৈছিল। এমাহতকৈও আগৰে পৰা প্ৰায় ডক্টৰেটৰ গৱেষণাৰ নিচিনাকৈ কৰা প্ৰস্তুতিৰ পিছত প্ৰথম খোজতে এনে এটা বিপৰ্যয়ৰ বাবে মই মুঠেই সাজু নাছিলোঁ। আমাৰ আছিল এটাই ফোন, মোৰ হাতত। হোটেলৰ নাম শালপতিয়ে জানিছিল যদিও তেওঁলোকে ৰেল ধৰিবলৈ বা মেট্ৰ' ষ্টেচনৰ পৰা ওলাই আহিবলৈ দৰকাৰী পাছ কেইখনো ৰৈ গ'ল মোৰেই হাতত। পিছৰ ষ্টেচনত আমি নামি দিলো কিন্তু মই তাতে ৰৈ থাকিলে ভাল হ'ব নে হোটেল গৈ ওলাও নে আগৰ ঠাইলৈ বায়েকহঁতক বিচাৰি ফিৰি যামগৈ ঠিক কৰিব নোৱাৰা হ'লো। এনে সময়ত শ্ৰীমতীৰ মগজুৱে ভালদৰে কাম কৰে। তেওঁ বুজালে যে বায়েকহঁত আমি ঘূৰি গৈ তেওঁলোকৰ ওচৰ ওলাম বুলি ৰৈ থকাৰ সম্ভাৱনা বেছি কাৰণ ফোন, ৰেলৰ পাছ, হোটেলৰ কাগজকে আদি কৰি সকলোখিনি মোৰেই হাতত আছে। মই তেতিয়াহে সম্বিৎ ফিৰাই পালো আৰু আমি ওলোটা দিশৰ ৰেলত উঠি আগৰ ষ্টেচন পালো। অৱশ্যেই ওলোটা দিশেৰে গৈ নমা প্লেটফৰ্মটো তলাতল ঘৰৰ আন কোনো এটা তলাত আছিল যদিও বায়েকহঁতক এৰা ঠাইখিনি পাওতে বৰ এটা অসুবিধা হোৱা নাছিল। পিছে তাত তেওঁলোকক নেদেখি এবাৰ বুকুখন চিৰিংকৈ মাৰিছিল। ইফালে সিফালে চাওতে নাতিদূৰত তেওঁলোকক পুলিচৰ সৈতে বাৰ্তালাপ কৰি থকা অৱস্থাত দেখা পাই যিটো আনন্দ পালো তেনে আনন্দ চিংগাপুৰৰ এই যাত্ৰাতেই আৰু এবাৰ পোৱাৰ সৌভাগ্য পিছদিনাই হ'ল।

সৰু ল'ৰা-ছোৱালীৰ বাবে চিংগাপুৰৰ চেণ্টোচা দ্বীপ এটা বিশেষ আকৰ্ষণ। আমাৰ হালক চেণ্টোচা দেখুৱাবলৈ পিছদিনা দুপৰীয়া আমি তালৈ গৈ ওলালোঁ। গোটেই দ্বীপটোতেই সৰু ল'ৰা-ছোৱালীৰ বাবে বিভিন্ন খেল ধেমালি, শ্ব' আদি ঠায়ে ঠায়ে আছে। খোজ কাঢ়িয়েই গোটেইখিনি ঠাই চাবৰ সময় নাথাকে বাবে ইফালে সিফালে অহা যোৱা কৰিবলৈ তাত বিনামুলীয়া শ্বাট্‌ল বাছৰ ব্যৱস্থা আছে। চেণ্টোচাৰ ভিতৰৰ আটাইতকৈ লেখত ল'বলগীয়া আকৰ্ষণ হ'ল ইউনিভাৰ্চেল ষ্টুডিওৰ প্ৰমোদ স্থলী। তাত সোমোবলৈ আকৌ বেচ দামী টিকট কাটিব লাগে। আমি ঠিক কৰিছিলো যে শ্বাট্‌ল বাছেৰে বিনামুলীয়া পৰ্যটনস্থলকেইটা চাই লৈ শেষত ইউনিভাৰ্চেল সোমাম। মোৰ হাতৰ কেমেৰাৰ উপৰিও পিঠিৰ লেপটপ বেগটোত আমাৰ তিনিজনৰ পাছপ'ৰ্ট, কুৱালালামপুৰ ভ্ৰমণত দৰকাৰ হ'বলগীয়া মালয়েছীয় কাৰেন্সি আৰু কিছু ভাৰতীয় কাৰেন্সি সদায় লগত লৈ ফুৰিছিলোঁ। কেইঠাইমান ঘূৰাৰ পিছত দেখো মোৰ পিঠিৰ পৰা বেগটো গায়ব! মোৰ মূৰত ভাগি পৰিল আকাশী চৰগ আৰু লগে লগেই দুদিনত দুটা দুৰ্যোগৰ ফলশ্ৰুতিত দলপতিৰ ওপৰত আহিল সদস্যবৃন্দৰ অনাস্থা প্ৰস্তাৱ। বেগ হেৰোৱাৰ পৰিণতি হ'ব সুদূৰ প্ৰসাৰী। প্ৰথম কথা,পাছপ'ৰ্ট অবিহনে বিদেশৰ মাটিৰ আমাৰ প্ৰতিটো পল বেআইনী গতিকে ভ্ৰমণ বাদেই দিয়ক - পুলিচ, ভাৰতীয় দূতাবাস আদি নানা চক্ৰৰ কাটি কেতিয়া দেশৰ মাটি পামগৈ ঠিকনা নাই। দ্বিতীয়তে, যিখিনি ধন বেগত আছিল ভাৰতীয় টকা হিচাবত সেয়া বৰ এটা সৰু

অংক নাছিল। কিন্তু বেগটো নোহোৱা হ'ল কেতিয়া? ৰাতিপুৱাৰ পৰা এইখিনি ঠাই পোৱাৰ আগলৈকে চিংগাপুৰৰ অলিয়ে গলিয়ে কমখনতো ঘূৰা নাই! ক'লৈ যাও, ক'ত বিচাৰো - মূৰেচোন কামেই নকৰে! হেন সময়তে শ্ৰীমতীৰ বায়েকৰ সুমতি হ'ল তেওঁৰ কেমেৰাৰে আজিৰ দিনটোত লোৱা ফটোবোৰ এবাৰ চোৱাৰ। এঘণ্টামান আগতে লোৱা মোৰ ফটো এখনত বেগটো দেখি নিশ্চিত হ'লো যে চেণ্টোচা দ্বীপৰ ভিতৰতেই ক'ৰবাত বেগটো এৰিছোঁ। লগে লগেই ওচৰতে থকা মহিলা পুলিচ এগৰাকীক কথাটো ক'লো। তেখেতে ধৈৰ্য সহকাৰে আমাৰ কথা শুনিলে আৰু আমি কোনটো নম্বৰ ৰুটৰ শ্বাট্‌ল বাছত উঠিছিলো আৰু বেগটোৰ ভিতৰত কি কি আছিল সুধি ল'লে। মই কোনো লুকঢাক নকৰাকৈ বেগত থকা নথি-পত্ৰ আৰু টকাৰ কথা কৈ দিলোঁ। তাৰ পিছত ৰাকী-টকীৰে কেবা ঠাইতো তেওঁ মোৰ বেগৰ কথাখিনি জনালে। মোকো এবাৰ মৃদুভাৱে ভৰ্ৎসনা কৰি বিশেষকৈ পাছপ'ৰ্টৰ ক্ষেত্ৰত সদায় সাৱধান হ'বলৈ সকীয়ালে। ইতিমধ্যে মই আন্দাজ কৰি লৈছিলো যে গৰমত বাছৰ চিটত বহোতে পিঠিৰ বেগটোৱে অসুবিধা কৰাত নিশ্চয় মই বেগটো খালী চিট এটাত ৰাখিছিলো আৰু নমাৰ সময়ত মোৰ ছোৱালীজনীক ঠিকমতে নমোৱাত বেছি গুৰুত্ব দি বেগটোৰ কথা পাহৰি গ'লো। ইয়াৰ পিছৰ প্ৰায় আধা ঘণ্টা সময় আমাৰ নাযায় নুপুৱায়। মাজতে শ্বাট্‌ল বাছ এখনত উঠি সেই বাছবোৰৰ এটা টাৰ্মিনেল পইণ্টলৈও গৈ আহিলো কিন্তু একো ভাল খবৰ নাপালো। কিছু সময় পিছত পুলিচৰ মহিলা গৰাকীৰ মুখখন অলপ উজলি উঠা দেখিলো আৰু আমাক প্ৰচুৰ সকাহ দি তেওঁ জনালে যে কোনো এখন বাছত আমি কোৱাৰ নিচিনা এটা বেগ পোৱা গৈছে আৰু বেগটো এতিয়া পৰীক্ষা কৰি থকা হৈছে। অলপ সময় পিছত মোক আন এটা শ্বাট্‌ল বাছ টাৰ্মিনেল পইণ্টলৈ লৈ যোৱা হ'ল। তাৰে অফিচত দুটামান প্ৰশ্নৰ উত্তৰ দিয়াৰ পিছত এজনে বেগটো মোৰ ওচৰলৈ লৈ আনিলে আৰু সকলো বস্তু বেগটোত ঠিকে ঠাকে আছেনে সুধিলে। টকা আৰু পাছপ'ৰ্টৰ এনভেলপ্ দুটা খোল খাই আছিল কিন্তু এখন কাগজ, এটা টকাৰো হেৰ-ফেৰ হোৱা নাছিল। তেওঁলোকে সঁচাই মোৰেই বেগ এইটো হয়নে নহয় সেইটো নিশ্চয় কৰিবলৈহে এনভেলপ্‌কেইটা খুলিছিল। ভাগ্যক্ৰমে পুলিচৰ মহিলাগৰাকীক বেগটোত থকা নথি-পত্ৰ, টকা আদিৰ বিষয়ে মই মিছা মতা নাছিলোঁ। বেগটো লৈ এতিয়া মই কি কৰিব লাগিব এবাৰ সুধিলোঁ। মানুহজনে এখন প্ৰপত্ৰ আনি দি মই তেওঁলোকৰ সেৱাত সন্তুষ্ট হ'লো নে নাই সেই বিষয়ে কেইটামান কথা লিখি প্ৰপত্ৰখন পূৰাই চহী কৰিবলৈ ক'লে। মোৰ মুখৰ মাত হৰিল, ধন্য চিংগাপুৰ! সেইখিনি কৰি মই আমাৰ ভ্ৰমণৰ বাকীছোৱা কোনো বিভ্ৰাটৰ সম্মুখীন নোহোৱাকৈ সম্পূৰ্ণ কৰিম বুলি মনে মনে অংগীকাৰ কৰি দলটোৰ আনকেইগৰাকী উৎকণ্ঠিত সদস্যৰ ওচৰ পালোহি।

চিংগাপুৰ আৰু কুৱালালামপুৰ ফুৰি অহাৰ পিছত মই ইউৰোপৰ দুখনমান ঠাই চাই আহিবলৈ মন মেলিলোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব অধ্যাপিকা, জাৰ্মানীৰ বাসিন্দা, ড. মীনাক্ষি বৰকটকী বাইদেউৰ সৈতে কথা হৈ বুজি পালো যে মোৰ বাজেটৰ ভিতৰতেই ইউৰোপৰ চাৰিখনমান ঠাইৰ Do-It-Yourself চফৰ এটা সম্ভৱ, "with some serious planning"। "যিহেতু সম্ভৱ, গতিকে কৰিব লাগিব" মনোভাৱেৰে, the usual partner in crime, মোৰ শালপতিক কথাটো ক'লো। শালপতি উৎসাহত মোতকৈ কোনোগুণে কম নহয়। গতিকে পিছৰ বছৰৰ গৰমৰ বন্ধত ইউৰোপৰ কিয়দংশ ভ্ৰমণৰ বাবে দল গঠন হৈয়েই গ'ল - একেই সদস্যগণ আৰু একেই দলপতি। পিছৰ গৱেষণা পৰ্যায়ত "আৰুনো-কেতিয়াবা-তালৈ-যোৱা-হ'বনে" উপসৰ্গৰ প্ৰভাৱত চাবলগীয়া "চাৰিখনমান ঠাই" বাঢ়ি গৈ হ'লগৈ তিনি সপ্তাহত ইউৰোপৰ ছখন দেশৰ পোন্ধৰখন চহৰৰ এটা জটিল ভ্ৰমণপঞ্জী। দলপতিৰ Ph.D. Thesis সদৃশ ভ্ৰমণপঞ্জীৰ নিৰ্দেশনা মতে যথাসময়ত ইউৰোপত উপস্থিত হৈ আমাৰ দলটোৱে সুকলমে মুঠ চক্ৰৰ এক তৃতীয়াংশ অতিক্ৰম কৰাৰ পিছত ঘটা আমোদজনক বিভ্ৰাট এটাৰ বিষয়ে কৈ এই লেখাৰ সামৰণি মাৰিম।

চুইজাৰলেণ্ডৰ জুৰিখ নগৰী চোৱাৰ পিছত আমি

দুৰাতিৰ বাবে উপস্থিত হৈছিলো খুৰ (Chur) চহৰত। আমাৰ হাতত ৰেল বা বাছেৰে য'লৈ মন যায় ত'লৈ যাব পৰাকৈ তিনিদিনীয়া Swiss Pass একোখন আছিল। সেয়েহে ইটালী অভিমুখে যোৱাৰ আগদিনাখন খুৰৰ পৰা ৰেলেৰে লুচাৰ্ণ প্ৰমুখ্যে আন তিনিখনমান ঠাই চাই অহাৰ পৰিকল্পনা কৰি থোৱা আছিলেই। কথা আছিল ৰাতিপুৱা প্ৰথমে পোৱা ৰেল খনেৰে বিখ্যাত Glacier Express লাইনেৰে এণ্ডাৰমেট (Andermatt) নামে আটকধুনীয়া ঠাইখনলৈ গৈ তাৰ পৰা ৰেল সলাই আৰু দুটামান টুৰিষ্টৰ প্ৰিয় ঠাই দৰ্শন কৰি শেষত লুচাৰ্ণৰ পৰা এ ক্সপ্ৰেছ ৰেল ধৰি ৰাতি আমাৰ হোটেল আহি পোৱাৰ। পুৱা ল'ৰা-ছোৱালীহালক ৰেডী কৰি ব্ৰেকফাষ্ট খাই ওলাওতে ওলাওতে প্ৰথম গাড়ীৰ সময় পাৰ হ'লেই। ষ্টেচন আহি পাই দেখিলো যে এণ্ডাৰমেটৰ পিনে নগৈ লুচাৰ্ণৰ পিনে যাবলৈ ৰেলৰ বাবে বেছি দেৰী ৰ'ব লগীয়া নহয়। মই ভাবিলো, আমাৰ আজিৰ বাট যিহেতু এটা চক্ৰপথ, প্ৰথমে লুচাৰ্ণলৈ গৈ ওলোটাকৈ পাকটো মাৰিলেও একেখিনি ঠায়েই দেখিম। ভবা মতেই কাম - আৰু দলৰ আন সদস্য সকলেও বিনা বাক্যব্যয়ে দলপতিক অনুসৰণ কৰিলে। সকলো ঠিকেই চলিল। মনোমোহা চুইজাৰলেণ্ডৰ দৃশ্য চাই চাই আপ্লুত হৈ ঘড়ীৰ পিনেও বৰকৈ মন নিদিলো - বেলি লহিয়ালেও সূৰ্যাস্তলৈ কিছু পৰ আছে। পিছে এণ্ডাৰমেট অভিমুখী ৰেলখন আমাৰ বাদে প্ৰায় খালীয়েই দেখোন। এণ্ডাৰমেট পালোহি। ইয়াত এবাৰ, আৰু এঘণ্টামান পিছত আকৌ এবাৰ ৰেল সলাইহে আমি খুৰ পামগৈ। ষ্টেচনৰ কৰ্মচাৰী এগৰাকীক সুধিলো কিমান দেৰীলৈ ৰেল পোৱা যাব। উত্তৰ আহিল বজ্ৰপাতৰ দৰে - ইমান ৰাতিৰ সময়ত Glacier Express লাইনৰ কোনো ৰেল নচলে। ৰাতি? এইমাত্ৰ সূৰ্য অস্ত গৈছেহে! অ', পাহৰি আছিলো জুলাই মাহত ইউৰোপত বহু দেৰীলৈ সূৰ্য নুডুবে। এতিয়াতো ন বাজিলেই। মোৰ চক্ৰপথৰ পৰিকল্পনা ঠিকেই আছিল। লুচাৰ্ণৰ পৰা আমি অহা বাটেৰে বেছ ৰাতিলৈ খুৰলৈ ঘূৰি অহা ৰেল পোৱা যায়। কিন্তু ৰাতিপুৱা দিশ ওলোটা কৰি অহা বাবে আল্পচ পৰ্বতমালাৰ কোনো এটা চুড়াৰ ওচৰত আমি এতিয়া ফচি ৰ'লোঁ। ইতিমধ্যে দুই ভনীয়েকৰ পৰা মেচিনগানৰ গুলীবৰ্ষণৰ দৰে বাক্যবান নিক্ষেপ হৈছে দলপতিৰ ওপৰত। কি কৰা যাব এতিয়া? কালিলৈ ৰাতিপুৱা খুৰৰ পৰা দীঘলীয়া ইটালী যাত্ৰা আছেই। ৰেল ষ্টেচনৰ ওচৰতে হোটেল এখন দেখি আমি তাত সোমালোঁ। মালিকনীয়ে দুখলপীয়া বিচনা দি এটা ৰুমতে আমি ছজনৰ থকা ব্যৱস্থা কৰিব পাৰিব বুলি জনালে। শ্ৰীমতী আৰু বায়েক মান্তি নহয়হে নহয়, ইয়াত সলোৱা কাপোৰখিনিও যে লগত নাই। টেক্সিৰে গৈ হ'লেও তেওঁলোকে খুৰৰ হোটেলখনতহে থাকিব হেনো। উপায়ান্তৰ হৈ হোটেলৰ মালিকনীকেই টেক্সি ঠিক কৰি দিব পাৰিব নেকি সুধিলোঁ। দুই চাৰিটা ফোন কলৰ পিছত তেওঁ জনালে যে খুৰৰ হোটেলত থৈ অহা বাবদ টেক্সিচালকক ভাৰতীয় মুদ্ৰাৰ হিচাবত প্ৰায় বিয়াল্লিছ হাজাৰ টকা দিব লাগিব। টকাৰ হিচাপ শুনি দুই ভনী শান্ত হ'ল আৰু ৰাতিটোৰ বাবে হোটেলখনতে থকাৰ সিদ্ধান্ত হ'ল। পিছত আমি গম পাইছিলো যে এখন সাধাৰণ টেক্সিত চাৰিজনতকৈ অধিক যাত্ৰী কঢ়িওৱাও নিষেধ।

পিছদিনা ৰাতিপুৱাই উঠি এণ্ডাৰমেট ষ্টেচনৰ পৰা চাৰে সাত বজাৰ প্ৰথম ৰেলখনত উঠাৰ পৰা খুৰৰ হোটেলৰ পৰা বয়-বস্তু লৈ আকৌ কেবাবাৰো ৰেল-বাছ সলাই ইটালীৰ পূৰ্বতে বুক কৰি থোৱা হোটেলখন আহি পোৱালৈ আন এটা দীঘল কাহিনী।

* * * *



# আন্দামান দ্বীপত এভুমুকি

**ৰাজেশ্বৰ গোস্বামী**
ইষ্টেট অফিচাৰ, গুৱাহাটী বিশ্ববিদ্যালয়

ভ্ৰমণ সদায়ে স্মৰণীয়। ভাৰতবৰ্ষৰ বিভিন্ন ঠাই তথা চীন দেশৰো কিছু অংশ ভ্ৰমণৰ অভিজ্ঞতা মোৰ আছে। কিন্তু আজিৰ এই আন্দামান ভ্ৰমণৰ লিখনিটো অলপ সুকীয়া। ভাৰতবৰ্ষৰ মাজতে যে ইমান সুন্দৰ ধুনীয়া ঠাই এখন আছে তাক নেদেখিলে অনভৱ কৰিব নোৱাৰি।

যোৱা বছৰ ২০১৬ চনৰ মাৰ্চ মাহত মই মোৰ সহধৰ্মিণী আৰু ছোৱালী দুজনীৰ সৈতে আন্দামানলৈ বুলি যাত্ৰা কৰিছিলো। গুৱাহাটীৰ পৰা চেন্নাইলৈ বিমানেৰে গৈ তাৰ পৰা আকৌ বিমানেৰে প্লোটব্লেয়াৰলৈ (আন্দামান) গৈছিলো। চেন্নাইৰ পৰা প্ৰায় ২$^{১}/_{২}$ ঘণ্টা মান সময় লাগিছিল পৌটব্লেয়াৰ পোৱালৈ। বিমান বন্দৰৰ পৰা আমি হোটেল এখনলৈ গ'লো। কিন্তু অলপো সময় অপচয় নকৰাকৈ আবেলি তাত থকা বৃটিছৰ দিনৰ চেলুলাৰ জেইলখন চাবলৈ গ'লো। তাত সন্ধিয়া সময়ত এটা প্ৰদৰ্শনী দেখুওৱা হয়। এই প্ৰদৰ্শনীৰ মাধ্যমেৰে ভাৰতৰ স্বাধীনতা আন্দোলনৰ স্বহীদসকলৰ কৰুণ কাহিনীবোৰ সুন্দৰকৈ পোহৰ আৰু ধ্বনিৰ জৰিয়তে বাখ্যা কৰিছিল। যিসকলৰ মহান ত্যাগৰ বাবে আমি আজি নিজকে স্বাধীন ভাৰতীয় বুলি ক'ব পাৰিছো। ভাৰতৰ বিভিন্ন প্ৰান্তৰ লোক এই জেলত কয়দী হৈ আছিল। তাত সকলো কয়দীৰে নাম লিপিবদ্ধ হৈ আছে। তাৰ মাজত অসমৰ কয়দীৰ নামো আমি পাইছিলো। এই জেইলখন এটা দ্বীপৰ মাজত ব্ৰিটিছে ইমান পৰিকল্পনাৰে সজাইছিল যে কোনো কয়দীয়ে যেন তাৰ পৰা সাগৰ পাৰহৈ পলাই আহিব নোৱাৰে। তাত অতীতৰ বৃটিছৰ কঠোৰ শাস্তিৰ কথা ইমান সাৱলীল কৈ বৰ্ণনা কৰে যে তাত বহি প্ৰদৰ্শনী চাই শুনি থাকিলে এক দুখৰ হুমুনিয়াহ নিগৰি আহে। এইবোৰ নেদেখিলে অনুভৱ কৰাটো কঠিন। সেয়ে এই মহান ত্যাগী ব্যক্তিসকল আমাৰ

Link: http://inflibnet.ac.in

**Conclusion**: Libraries in India are facing challenges due to curtail of budget, reduction of staff and escalation in cost of publication and conversion rate of foreign currencies.

Due to the above mentioned problem the libraries are facing difficulties to purchase the required number of books and journals which has resulted into the adverse impact of research and development programme.

Consortia approach help in the successful deployment and easy access at highly discounted rates to the end users. The consortium should take lead role in the development of a national strategy for information provision for research in higher education. E-journal consortia have already come up in India. Libraries have already understood that the consortia based subscription is cost effective and also avoids duplication of subscription. The government should provide necessary infrastructure with high speed network connection to access the electronic resources. The library manpower should be trained up with the latest development of information technology.

**References:**

1. Newsletter Krishna Kanta Handiqui Library, Gauhati University 12 August 2016.
2. www.google.com
3. Use of online resource among research scholars in social science in University libraries of Assam : A Study By Gauri Sankar Karmakar,2013.

* * * *

# Reading the Past: Considering Prof. Krishna Kanta Handiqui's Study of Sriharca's *Naicadhacarita*, Somadeva's *Yæastilaka* and Pravarasena's *Setubandha*

**Bedika Bhattacharjee**
Research Scholar
Department of English, Gauhati University

It is often seen that writers and thinkers in their writings allude to or refer to the past. For instance Shakespeare in most of his works made use of the ancient Greek and Latin culture. Again Chaucer benefitted a lot from Boccaccio, Virgil and Petrarch. He is believed to have "received many broader intellectual and emotional suggestions from France and Italy" (Highet 95). Dante's indebtedness to the Greco-Roman tradition and culture gets evident in *The Divine Comedy*. In fact, knowledge of the classical tradition and culture and its use became a marked feature of later writers and poets like Alexander Pope, Samuel Johnson, Goethe, William Wordsworth, Lord Alfred Tennyson, Chateaubriand, Charles Dickens etc. It will not be wrong to say that it was knowledge of the ancient classical tradition that enabled these writers to understand and strengthen the present which is the reason why they frequented the classics most often. These instances somewhere enables to come to the point that the present cannot be built in isolation from the past. And it is probably an understanding of this fact that a whole branch devoted to the study of classical scholarship forms an important aspect of literary studies. In this sense it is quite interesting to note that it was Prof. Krishna Kanta Handiqui writing in the twentieth-century who gave his entire life and effort in deciphering texts from the Indian classical tradition and gave the world three important texts namely *Naicadhacarita of Sriharca*, *Yasastilaka And Indian Culture* and *Pravarasena's Setubandha*. His study of these texts and the translation that followed of *Naicadhacarita* and *Setubandha* is an evidence of his credence in the past wealth of India.

Considered to be one of the most difficult epics in Sanskrit Sriharca's *Naicadhacarita* a twelfth century Sanskrit epic is an extensive narration of the Nala-Damayanti episode initiated in the *Mahabharata*. In the words of Handiqui "the episode to which Sriharca devotes about two-thousand eight hundred verses is related in

less than two hundred couplets in the Mahabharata" (*Naicadhacarita of Sriharca*: xliii). This extensive discussion of the story in Sriharca's *Naicadhacarita* revolves around concepts of virtue and vice, love, honour, duty, questions of right and wrong, benevolence, charity, jealousy etc. In his Preface to the first edition of *Naicadhacarita of Sriharca* Handiqui states:

> There is here a conflict of emotions, a clash of love and duty, rare in Sanskrit poetry, but which is not without its appeal to the imagination of the modern reader. This is perhaps the most universal element in Sriharca's treatment of the Nala story, and furnishes evidence of the poet's power to handle tense moments of emotions and pathos. The *Naicadhacarita*, like other Kavyas, has its full share of epigrams and ethical reflections, the most remarkable of which are perhaps those glorifying the individual conscience as the criterion of right and wrong. (*Naicadhacarita of Sriharca*: xi).

It is through the romance of Nala and Damayanti that the poet Sriharca gives a picture of the Indian philosophical doctrines (*Krishna Kanta Handikai Aru Naicadhacaritar JiliEgani*: 103). The epic is considered to be a store-house of the various philosophical and religious doctrines namely the Vaisesika doctrine, the Nyaya doctrine, the Buddhist doctrine etc. (*Pracyavidyarnava Krishna Kanta Handiqui:* 60). Further what is important is the fact of its being "a repository of traditional learning" which "contains literary, lexicographical and socio-religious data, important for the study of the cultural history of medieval India" (*Naicadhacarita of Sriharca*: xii). In his Foreword to *Krishna Kanta Handikai Aru Naicadhacaritar JiliEgani* Prof. Mukunda Madhava Sharmah observes:

> The intricateness of the *Naicadhacarita* made it a hard nut to crack, so much so that no Indian or non-Indian could venture to translate this epic into any non-Sanskrit language, till K. K. Handiqui took the challenge and did it, and he did it in such a grand style and with such a degree of perfection that he immediately shot up to a high degree of eminence and earned an unstinted mead of universal approbation (*Krishna Kanta Handikai Aru Naicadhacaritar JiliEgani*: vi).

Right from the publication of the translation of the epic by Handiqui initially in 1934 in Lahore (then in India) by the Punjab Oriental Series till its third and last edition by the Deccan College Postgraduate and Research Institute, Poona in the year 1965 it has succeeded to draw the attention of Sanskritists and scholars from both home and abroad. It was the difficulty and obscurity of

the epic both in terms of its content and language that made it unintelligible and almost neglected by scholars both in India and abroad. In this sense it will not be wrong to say that it was solely through Handiqui's translation that this somewhat ignored epic was made understandable and intelligible to the people who otherwise would have remained ignorant about it. Handiqui has not only given an English translation of the main text but has also deciphered into the philosophical, religious, socio-cultural concepts of the time and disseminated it through his notes and the appendices that he provided along with the translation. Agian, his compilation of a comprehensive dictionary of the Sanskrit language is also something that demands attention and has proven to be of immense significance to scholars on philology. Further what makes the translation more significant is Handiqui's deep study and inclusion of the unpublished critical materials and commentaries in his translation. All these clearly highlights the aptness and proficiency of Handiqui not only as a translator merely rendering the main text in terms of language but also as a scholar of classical learning given the depth to which he entered the text and disseminated it amongst the masses.

His deep study and aptness in handling of classical texts also gets evident in his dissertation entitled *Yasastilaka and Indian Culture* initially published in 1949. *Yasastilaka* a Jaina religious romance was composed by Somadeva in 959 A.D. Handiqui's insight into Somadeva's *Yasastilaka* gets evident from his Preface to the first edition of *Yasastilaka and Indian Culture* where he highlights the significance of this religious romance as:

> an encyclopaedic record of literary, socio-political, religious and philosophical data, valuable for the study of the cultural history of India, and particularly of the Deccan, in the tenth century and thereabouts, when the Rastrakuta empire still held sway in that part of the country (*Yasastilaka and Indian Culture*: ix).

The romance presenting the medieval court life in India also gives a picture of the religious practices of the time through the temple of Candamari which was considered as "a horrid place, frequented by the terrible female spirits known as the Mahayoginis, and a crowd of fanatical votaries, engaged in outrageous forms of self-torture" (*Yasastilaka and Indian Culture*: 22). Handiqui highlights in his study how the work throws ample light on the life and society and the kind of tantric religious practices prevalent at the time. In this regard he shows the contribution of Jainism in the development of Indian culture and the Sanskrit language. Handiqui also shows in his study and discusses at length the various philosophical and religious doctrines like the Vaisesika

doctrine, Buddhist doctrine, Samkhya doctrine, Vedanta, Jaiminiya, Carvaka, Pasupata, Kulacaryas and Saiva doctrines that he deciphered in the poem. Handiqui importantly highlights that "the aims of *Yasastilaka* is to illustrate the doctrine of ahimsa, the work is designed to be a comprehensive manual of Jaina doctrines, and the object of Somadeva is to provide entertainment as well as religious instruction, and help forward the propagation of the Jaina faith" (*Yasastilaka and Indian Culture*: 246).

In their Preface to the Second Edition of *Yasastilaka and Indian Culture* the editor's H. L. Jain and A. N. Upadhye asserts that Handiqui's "exhaustive study of the *Yasastilaka* has been, in a way, epoch-making and has inspired a number of other scholars to follow this model while studying other Indian classical texts" (*Yasastilaka and Indian Culture:* vii). Handiqui's detailed study of Somadeva's *Yasastilaka* reveals his wide knowledge and hold on Sanskrit language and literature that received a huge amount of appreciation from scholars like Prof. L. Renou who remarked:

> Mr. Handiqui gives a precise account of what is known about the activities of the literary circles and the religious sects of the 10th century. Then follow an analysis of the work...
>
> ....the Yasatilaka, properly interpreted, is a sort of encyclopaedia of Jainism, and Mr. Handiqui has overlooked nothing for explaining the facts of dogmatics, disciplies and ethics which are described or alluded to in the work. With the help of the Yasatilaka and a vast amount of information literary and epigraphic, Mr. Handiqui describes the position of Jainism in the tenth century and records the controversies or conflicts with diverse Hindu sects and eventually with the Buddhists. Here is a study which had not been made before, at least on such an extensive scale... (quoted in *Pracyavidyarnava Krishna Kanta Handiqui:* 83)

Handiqui's dissertation on the *Yasastilaka* has been considered as an important documentation on the literary, social, political, historical, archeological, religious and philosophical practice of the time. It also documents the necessity of philosophical and religious systems like Jainism with its concept of ahimsa in the Indian civilization.

After the publication of *Yasastilaka and Indian Culture* another significant contribution by Handiqui in the field of classical Indian studies through his translation has been *Pravarasena's Setubandha* published in the year 1976. Originally written in Prakrit this fifth century epic is considered to be one of the highest works in the genre of Mahakavya. Handiqui's detailed study and inclusion of the notes and commentaries on the text makes the translation a significant record of classical Indian studies. Although available in three different rescensions the

content of *Setubandha* circles around a segment of the *Ramayana*. It deals specifically as in the words of Handiqui on "the story of Rama from the return of Hanumat from Lanka with the tidings of Sita to the death of Ravana, with special emphasis on the construction of the great causeway between the mainland and the island" (*Pravarasena's Setubandha*: 2). The poem originally written in Prakrit is said to have found noted references in Dandin's *Kavyadarsa* and Bana's *Harcacarita* which are considered as significant works in Sanskrit literature. In its main story to do with the defeat of Ravana by Rama the poem is loaded with many philosophical and moral issues and also highlights some of the socio-religious practices prevalent at the time, such as the concept of Saivism.

H. C. Bhayani in his Foreword to *Pravarasena's Setubandha* has observed:

> The difficult task set to himself by Prof. Handiqui was primarily to recover and ascertain the original meaning and implication of Pravarasena's verse. The enormity of the effort involved in such an undertaking can be figured out by considering the fact that for this purpose one is required to deal with a thousand years textual confusion and wild overgrowth of divergent interpretations. Moreover, the earlier commentaries are lost...this made it quite difficult for the commentators in numerous cases to spot scribal errors, decide genuiness of a reading and give the correct meaning of an expression without indulging in guess-work (*Pravarasena's Setubandha*: 5)

Mr. Bhayani's Foreword to Handiqui's translation clearly highlights the difficult task undertaken by him and at the same time the efficiency with which he has carried out the task.

It is quite interesting to note that classical scholarship has formed an important and core aspect of literary studies in Europe right from the Athenian Age till the modern period. According to John Edwin Sandys classical scholarship which began in the Athenian Age saw its growth in the Alexandrian period and the Roman period and then it developed "through the Middle Ages, to the Revival of Learning and to the further developments in the study of ancient Classics among the nations of Europe and in the English speaking peoples across the seas" (Sandys v). The sketch of its continuity from the time of its conceptualization till the present day is a marker of its significance and relevance. Notably it was in the first half of the nineteenth century that saw an increase in an acquisition of classical learning. Although by the end of the nineteenth-century such an interest seems to have declined, it again saw an enormous increase in the twentieth-century. Through the process of systematization, scientific method,

experimentation and exploratory tactics the past was visited time and again and recorded in various forms like publication, dictionaries, pamphlets etc. Such methodologies adapted for an acquisition of classical knowledge were importantly intended to be disseminated amongst the masses. Although translation of classical works dates right from the Renaissance and even prior to that, it is important to note that "many translations of classical books were made during the nineteenth and early twentieth centuries; and a number of new theories of translation were put into practice" (Highet 479).

It must be noted here that after almost seven years of his stay in Europe, Handiqui was quite affected by the European culture and education which was to a great extent replete in classical scholarship. After his return to India the kind of literary engagements with which he involved himself either in the form of the books that he studied and translated or the articles he wrote reveals his fascination with the tradition of classical scholarship which he seems to have imbibed during his stay in Europe. Moreover, it must also be pointed out here that when Handiqui was a student in the University of Calcutta he had the great privilege of studying under erudite Sanskrit professors like Ashutosh Mukherjee, Sitaram Shastri which must have supplemented his study of Indian Classical learning. His choice behind the texts for translation and study namely Sriharca's *Naicadhacarita,* Somadeva's *Yasastilaka* and Pravarasena's *Setubandha* clearly highlights the kind of importance and significance he laid on ancient classical Indian learning. In fact, in quite a number of his articles namely "Classical Sanskrit and Medicine", "Classical Sanskrit and the Technical Sciences" "Classical Sanskrit and Philosophical and Ethico Religious Ideals" "Classical Sanskrit as a Vehicle of Indian Culture" he seems to be showing the rich and dynamic aspect of the past in its ability to enhance the present not only in terms of medicine, music, technology etc. but also in shaping the very literary, intellectual and spiritual life of the present. His interest and emphasis on the past, on classical learning possibly shows his belief in the richness of the past to mould the present and the necessity in the present times to adhere to or go back to the rich tradition of the past.

Handiqui was a witness to the kind of transition that the twentieth-century was going through. Such a kind of transition was both the impact of colonial rule and materialism. It was in such a scenario that Handiqui probably felt it necessary to go back to the past and keep alive the values of the past which under the shadow of colonialism and materialism might possibly perish. Although the colonial rule almost ended by the time Handiqui published most

of his books and articles yet there are possibilities that he felt the impact of colonialism to colonize the mind and culture of India unless it is been preserved through language, culture, religion, philosophy and literature. Handiqui possibly must have realized the ideal part of Indian thought embedded in the works he translated and studied and hence must have felt it necessary to make the Indians as well as the westerners know about the rich Indian tradition and culture. In this regard Prof. Mukunda Madhava Sharmah's assertion in his Foreword to *Krishna Kanta Handikai Aru Yaúastilakar ReEgan)i* sounds quite relevant. Prof. Sharmah asserts that "in these days of science and technology and menacing degree of irreligiousity and faithlessness" the moral principles embedded in the book stands quite relevant (*Krishna Kanta Handikai Aru Yaúastilakar ReEgan)i:* vii).

Classical scholarship helps in promoting not only a kind of continuity from the past to the present but also enhances the need to preserve the past—learn it, disseminate it in order to build a better future. The fact that Handiqui chose three texts from ancient classical Indian tradition is an evidence of his encouraging scholarship in the classics which he believed would prove to be fruitful in strengthening and moulding the future.

**Works Cited**

Gogoi, Ahalya. *Pracyavidyarnava Krishna Kanta Handiqui*. Guwahati: Anundoram Borooah Institute of Language, Art and Culture, 2003. Print.

————————— *Krishna Kanta Handikai Aru Naicadhacaritar Jili Egani*. Guwahati:

Gogoi, Ahalya; 2011. First Published 1998. Print.

————————— *Krishna Kanta Handikai Aru Yaúastilakar ReEgan)i*. Guwahati:

Gogoi, Ahalya; 2014. First Published 1999. Print.

Handiqui, Krishna Kanta. *Naicadhacarita of Sriharca*. Poona: Deccan College Postgraduate And Research Institute, 1965. First Published 1934. Print.

————————— *Yasastilaka And Indian Culture*. Sholapur: Jaina Sanskriti Sangrakshak Sangha, 1968. First Publsihed 1949. Print.

————————— *Pravarasena's Setubandha*. Ahmedabad: Prakrit Text Society, 1976. Print.

Highet, Gilbert. *The Classical Tradition, Greek and Roman Influences on Western Literature*. Oxford: Clarendon Press, 1951. First Published 1949. Print.

Sandys, John Edwin. *A Short History of Classical Scholarship*. Cambridge: Cambridge University Press, 1915.

# The untold story of "NIGONIVSKAI" -the lucky little fellow

**Dr. Sankar Moni Borah**
Scientific Officer
Department of Applied Sciences

Everybody fathoms to be a lucky person in his or her life. There is no secret to it or a second opinion to it. But not all are fortunate enough to be really lucky in life. Luck may come to a person in many different circumstances and it has innumerable ways to manifest itself. One such way is "luck by chance". If anyone gets the opportunity to travel from one place to another free of cost with plenty of food then we should consider this to be one form of luck.

This is exactly the way by which Nigonivskai came face to face with "luck" in his life. I came to know this story of the little fellow while I was travelling recently from my hometown to our national capital. To really make you all, understand this, I must go back in time a few years from now. Back to 2001, the early part of the 21st century - the so called new millennium.

It all began when with hunger in his belly, little Nigonivskai dared to venture out of the comforts of his cosy home one fine morning. This he did when both his parents were out for their daily work. At this juncture, little Nigonivskai never ever imagined what will transpire in his life because of this adventure. As luck would have it, he got into one of the compartments of the Rajdhani Express, the pride of Indian Railways at that time. The enticing aroma of the delicious food coming from one of the compartments of the train had cast a spell on him and it seemed that little Nigonivskai was overpowered by it. In no time, he was right there and in front of him was laying this sumptuous meal which the little one had never ever before seen in his life. In fact, the whole place was full of food.

*Ah, thank you Almighty for this blessing - Nigonivskai whispered.*

The little fellow had no time to think about anything else. Food, food and food was all he could think of as he tasted them one after the other jumping from table to table. All of a sudden, the Rajdhani whistled and it started to move forward on the tracks to which he was oblivious of. All this while, he ate to his heart's content. When he was satisfied with his eating, he realised that he is also part of a family. So, he must share this wonderful buffet with his parents. He looked out through one of the windows of the compartment.

*Lo and behold, everything around*

*seemed to be new to him.*

This is an unfamiliar surrounding to me, Nigonivskai thought to himself. But the train continued to move ahead. And there it was; the little fellow was now on his own for the first time in his life. But Nigonivskai was no ordinary fellow. He mustered the courage to face the world on his own, come whatever may be. This is the stuff what legends are made of, he reminded himself.

The train became the new home for Nigonivskai. He moved from place to place staying in the comforts of his new home. And not to forget, the variety of food that lay around. This is all for free, without having to spend a single penny.

***Indeed, a little lucky fellow!!***

To this day, Nigonivskai continues to move about from one place to another in the Rajdhani.

I hope that he continues to live this charmed life for many

more years to come .....................
good luck to the little fellow.

* * * *

# গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থা
## ৫৩ তম্ বাৰ্ষিক সাধাৰণ সভা
## দিনাংক ঃ ২০ মে, ২০১৬ শুক্ৰবাৰ

মাননীয় গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থাৰ সভাপতি মহোদয় আৰু আজিৰ সভাত উপস্থিত থকা সন্মানীয় সদস্যবৃন্দ, জয় জয়তে গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিৰ হৈ আপোনালোক সৱাকে আজিৰ এই ৫৩ তম্ বাৰ্ষিক সাধাৰণ সভালৈ সাদৰ সম্ভাষণ জনাইছো ।

সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে মই বিষয়া সন্থাৰ দুজন প্ৰাক্তন সদস্য স্বৰ্গীয় জগন্নাথ গোস্বামী আৰু স্বৰ্গীয় অৰুণ তালুকদাৰ, বিশ্ববিদ্যালয়ৰ যিসকল শিক্ষক কৰ্মচাৰী তথা ৰাজ্যখনৰ অনেক গুণী জ্ঞানী মানুহৰ লগতে জ্ঞাত অজ্ঞাত লোকে বিগত বছৰটোত আমাক এৰি চিৰদিনৰ বাবে অনন্ত ধামলৈ গতি কৰিলে সেই সকলো পুন্যাত্মাৰ প্ৰতি বিষয়া সন্থাৰ হৈ সশ্ৰদ্ধ শ্ৰদ্ধাঞ্জলি যাচিছো।

বিশ্ববিদ্যালয়লৈ সুদীৰ্ঘকাল সুখ্যাতিৰে সেৱা আগবঢ়াই বিগত বছৰটোত আমাৰ কেইবাজনো সতীৰ্থই অৱসৰ গ্ৰহণ কৰিছে। সেইসকল হ'ল— শ্ৰদ্ধেয় ৰোণী কলিতা, প্ৰদীপ কুমাৰ শৰ্মা, দ্বিজেন চন্দ্ৰ ঠাকুৰীয়া, অৰুণ কুমাৰ, অনিল কুমাৰ শৰ্মা, প্ৰদীপ চন্দ্ৰ দাস, মদন চন্দ্ৰ কুমাৰ, মনোজিৎ কুমাৰ হাজৰিকা, নৰ কুমাৰ চৌধুৰী, নগেন চন্দ্ৰ দাস, শ্ৰীমতী ৰীতা শৰ্মা । এই সকল সদ্য অৱসৰপ্ৰাপ্ত সদস্যৰ খ্যাতিভৰা কাৰ্যকাল কৃতজ্ঞতাৰে সোঁৱৰণ কৰাৰ লগতে তেখেতসকলৰ এক সুদীৰ্ঘ কৰ্মময় অৱসৰকালীন জীৱন আৰু সুস্বাস্থ্য কামনা কৰিছো।

প্ৰিয় সতীৰ্থবৃন্দ, এইখন কাৰ্যনিৰ্বাহকে যোৱা ২৬-৫-১৫ ইং তাৰিখে পুৰণি সমিতিৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰিছিল । কাৰ্যভাৰ গ্ৰহণ কৰিয়েই ইং ৯-৬-১৫ তাৰিখে কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথমখন বৈঠক আহ্বান কৰা হয়। আমাৰ আগৰ কাৰ্যনিৰ্বাহক সমিতি আৰু বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ লগত বিভিন্ন দাবী সন্দৰ্ভত যোৱা ২০-২-১৫ ইং তাৰিখে অনুষ্ঠিত হোৱা আলোচনা আৰু সেই আলোচনাত উপনীত হোৱা সিদ্ধান্ত সমূহৰ ওপৰত বৈঠকত বিতংভাৱে পৰ্যালোচনা কৰা হয়। বিগত সময়ছোৱাত বিভিন্ন বিষয় সম্বন্ধে আলোচনা কৰিবলৈ আমাৰ সন্থাৰ ১৪ খন জৰুৰী কাৰ্যনিৰ্বাহক বৈঠকৰ সৈতে মুঠ ১৮ খন কাৰ্যবাহী সমিতিৰ বৈঠক আৰু এখন বিশেষ সাধাৰণ সভা অনুষ্ঠিত কৰিবলগীয়া হৈছিল ।

এই বিষয়বোৰৰ ভিতৰত অন্যতম বিষয়টো হৈছে অসম চৰকাৰ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাজত কৰিব খোজা বুজা বুজিৰ চুক্তি। বিষয়টো সম্পৰ্কত সঠিক অধ্যয়নৰ বাবে কাৰ্যনিৰ্বাহক সমিতিয়ে এখন ৫ জনীয়া উপ সমিতি গঠন কৰি দিছিল আৰু এই উপ সমিতিৰ প্ৰতিবেদন বিশেষ সাধাৰণ সভাত উত্থাপন কৰা হৈছিল। যোৱা ২৪-৭-১৫ ইং তাৰিখে এই জৰুৰী বিষটো সম্পৰ্কত আলোচনা কৰি সদস্যসকলৰ মতামত জনাৰ বাবে উক্ত বিশেষ সাধাৰণ সভা আহ্বান কৰা হয়। কিন্তু অতি পৰিতাপৰ বিষয় যে এনেকুৱা এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আহ্বান কৰা সভাত আমাৰ সদস্যৰ উপস্থিতি আছিল বৰ সেৰেঙা।

গুৱাহাটী বিশ্ববিদ্যালয় যেহেতু অসম চৰকাৰে প্ৰণয়ন কৰা গুৱাহাটী বিশ্ববিদ্যালয় আইন ১৯৪৭ অনুসৰি প্ৰতিষ্ঠিত,

তেনে ক্ষেত্ৰত অসম চৰকাৰৰ লগত আকৌ আন এখন বুজা বুজিৰ চুক্তিৰ প্ৰয়োজনীয়তা নাই বুলি সন্থাই অভিমত ব্যক্ত কৰে। দীঘলীয়া আলোচনাৰ অন্তত এই ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ মহামান্য কাৰ্যবাহী পৰিষদৰ মতামতক সমৰ্থন জনোৱাৰ সিদ্ধান্তত এই সভাতে গ্ৰহণ কৰা হয় আৰু সেই মৰ্মে সন্থাৰ সিদ্ধান্ত কৰ্তৃপক্ষই লিখিত ৰূপত অৱগত কৰা হয়।

উমৈহতীয়া দৰমহা আয়োগৰ দ্বাৰা বিষয়া সকলৰ বাবে অনুমোদিত দৰমহা গাঠনিৰ ক্ষেত্ৰত থকা আসোঁৱাহ সমূহৰ ওপৰতো এই বিশেষ সাধাৰণ সভাতে বিতংভাৱে আলোচনা কৰা হয়। পৰৱৰ্ত্তী দৰমহা আয়োগত তেনেবোৰ আসোঁৱাহ দুৰীকৰণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে কৰ্তৃপক্ষক আগধৰি বিহিত ব্যৱস্থা লোৱাৰ বাবে অনুৰোধ জনোৱাৰ সিদ্ধান্তও সভাই গ্ৰহণ কৰে। এই বিষয়ে ইতিমধ্যে কৰ্তৃপক্ষক লিখিত ভাৱে আবেদন জনোৱা হৈছে।

৫২ তম্ সাধাৰণ সভাই নিৰ্বাচিত কৰা এজন উপসভাপতি শ্ৰীশচীন্দ্ৰ নাথ মিশ্ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা গৈ আন এখন বিশ্ববিদ্যালয়ত যোগদান কৰাৰ ফলত খালী হোৱা উপ সভাপতিৰ পদটিত শ্ৰীশৰৎ চন্দ্ৰ ভূএগ্ৰাক উক্ত সাধাৰণ সভাই মনোনীত কৰে।

বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য মহোদয়ৰ সৈতে কাৰ্যনিৰ্বাহক সমিতিৰ এক সৌজনতামূলক সাক্ষাৎকাৰ বিগত ১০-৭- ১৫ তাৰিখে অনুষ্ঠিত হয়। সহযোগিতামূলক মনোভাৱেৰে সকলোবোৰ সমস্যাই আলোচনা আৰু বুজাবুজিৰ মাধ্যমেৰে সমাধা কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি সন্থাই উপাচাৰ্য মহোদয়কে ধৰি উৰ্দ্ধতন কৰ্তৃপক্ষৰ যথাযথ সহাৰি কামনা কৰে ।

২৯-৮-১৫ তাৰিখে অনুষ্ঠিত হোৱা সন্থাৰ কাৰ্যনিৰ্বাহক সভাত এখন নতুন দাবী চনদ প্ৰস্তুত কৰা হয়। ১৩ দফীয়া এই দাবী চনদ বিশ্ববিদ্যালয় কৰ্তৃপক্ষক প্ৰদান কৰি এই দাবীবোৰ পুৰণ কৰাৰ বাবে যথোচিত পদক্ষেপ লবলৈ আহ্বান জনায়। বিষয়াসকলৰ আবাসগৃহ নিৰ্মান, প্ৰমোচনৰ নীতি নিৰ্দ্ধাৰণ, খালী হৈ থকা বিষয়াৰ পদ অনতিপলমে পূৰণ কৰা, আৱশ্যক অনুযায়ী নতুন পদ সৃষ্টি কৰা, এল টি চি ব্যৱস্থাৰ সম্পসাৰণ, চৌহদৰ নিৰাপত্তা, স্বাস্থ্যকৰ পৰিবেশ, অগ্নিনিৰ্বাপক বাহিনীৰ উপ-কেন্দ্ৰ স্থাপন আদি বিভিন্ন বিষয় সামৰি প্ৰস্তুত কৰা দাবী চনদৰ ওপৰত যোৱা ২০-১১-১৫ তাৰিখে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ লগত কাৰ্যনিৰ্বাহক সমিতিৰ এক দীঘলীয়া বৈঠক অনুষ্ঠিত হয়। আলোচনা কালত কৰ্তৃপক্ষই আমাৰ প্ৰায় বোৰ দাবীয়েই পুৰণ কৰাৰ আশ্বাস প্ৰদান কৰে। এই সম্পৰ্কত উপনীত হোৱা সিদ্ধান্তসমূহ 'সতীৰ্থ'ৰ সপ্তদশ সংখ্যাত পূৰ্ণ ৰূপত প্ৰকাশ কৰা হৈছে।

সতীৰ্থ বন্ধুসকল, বিষয়া সন্থাৰ যিটো ভৱনত আজি আমাৰ এই বাৰ্ষিক অধিবেশন অনুষ্ঠিত হৈছে সেই ভৱনটোৰ ভালেখিনি কাম বৰ্তমানো আধৰুৱা অৱস্থাত আছে। পূৰ্বতে কৰা কামৰ বাবে দিবলগীয়া ধনো সম্পূৰ্ণকৈ আদায় দিব পৰা হোৱা নাই। আধৰুৱা কামখিনি সম্পূৰ্ণ কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ অভিযান্ত্ৰিক বিভাগে ১,৭২,০০০.০০ টকাৰ এক প্ৰাক কলন প্ৰস্তুত কৰিছিল। এইখিনি ধন সন্থাক আবণ্টন দিয়াৰ বাবে কৰ্তৃপক্ষক ইতিমধ্যে কেইবাৰো আবেদন জনোৱা হৈছে। কিন্তু বিগত বৰ্ষটোত এইক্ষেত্ৰত আমি সফল হ'ব নোৱাৰিলো। আশাকৰো আগন্তুক বছৰটোত কৰ্তৃপক্ষই আমাক আৰ্থিক সহায় আগবঢ়াই আমাৰ ভৱনটিৰ আধৰুৱা কামখিনি সমাপন কৰাৰ ক্ষেত্ৰত আশানুৰূপ সহাৰি জনাব।

অত্যন্ত জৰুৰীভাৱে সমাপন কৰিবলগীয়া কিছু কাম আৰু পূৰ্বৰ কামৰ বাবদ বাকী থকা টকাখিনি আদায় দিয়াৰ বাবে সন্থাৰ সকলো সদস্যৰ পৰা ৭৫০.০০ টকাৰ এক বৰঙণি তোলাৰ বাবে কাৰ্যনিৰ্বাহক সভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। আজিৰ সাধাৰণ সভাই এই ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰি ঘৰটোৰ নিৰ্মাণ কাৰ্যত সহায়-সহযোগ আগবঢ়াব বুলি আশা কৰিলো।

অকল গতানুগতিক কামতে সন্থাৰ কাৰ্যসূচী সিমীত নাৰাখি কিছু অগতানুগতিক কামৰ বাবেও বিগত বৰ্ষটোত চিন্তা চৰ্চা কৰা হৈছিল। এই ক্ষেত্ৰত এখত বৰ্দ্ধিত কাৰ্যনিৰ্বাহকৰ সভা আহ্বান কৰি পূৰ্বৰ কেইজনমান সভাপতি সম্পাদক তথা জেষ্ঠ সদস্যৰ মতামত গ্ৰহণেৰে কেইটামান কাৰ্যসূচীৰ পৰিকল্পনা কৰা হৈছিল। এটা আৰ্কাই ভ স্থাপনৰ বাবে এক

আচনিৰ প্ৰাথমিক কামখিনি ইতিমধ্যে সম্পন্ন কৰা হৈছে। দুজনমান উদীয়মান বিষয়া ড° ঋতু পৰ্ণ বৰা, ড° শঙ্কৰমণি বৰা প্ৰমুখ্যে আই এছ টিৰ কেইজনমান বিষয়াই এই ক্ষেত্ৰত আগভাগ গ্ৰহণ কৰিছে। এই আৰ্কাইভ আমাৰ নিজা ভৱনতে স্থাপনৰ পৰিকল্পনা আছে। বিদ্যায়তনিক দিশৰ ক্ষেত্ৰত অৰিহণা যোগোৱাৰ উদ্দেশ্যেৰে আলোচনা চক্ৰ, কৰ্মশালা ইত্যাদিৰ আয়োজন তথা বিষয়াসকলৰ শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে যোগ, মেডিটেশ্বন আদিৰ আয়োজন কৰাৰ বাবেও চিন্তা চৰ্চা কৰা হৈছিল। কিন্তু বিভিন্ন কাৰণত সেয়া বাস্তৱায়িত কৰিব পৰা নহল। অনাগত দিনত এনেবোৰ কাৰ্যসূচী নিশ্চয়কৈ হাতত লোৱাটো সম্ভৱপৰ হ'ব।

বিগত বৰ্ষটোত আমাৰ কিছু সংখ্যাক সদস্যই গ্ৰেড পে বেচিকৈ পায় থকা বুলি তেনে গ্ৰেড পে কৰ্তনৰ এক প্ৰস্তাৱ কৰ্ত্তৃপক্ষই গ্ৰহণ কৰিছিল। উপযুক্ত সময়ত এই কাৰ্যৰ প্ৰতিবাদ কৰাত কৰ্ত্তৃপক্ষই সেই সিদ্ধান্ত বৰ্তমানলৈকে কাৰ্যকৰী কৰা নাই।

এইখিনিতে বিষয়া সন্থাৰ সদস্যসকলৰ জ্ঞাতাৰ্থে জনাব খুজিছো যে আমাৰ সন্থাৰ অনুৰোধ ৰক্ষা কৰি ছাত্ৰ কল্যাণ সঞ্চালকালয়ৰ সঞ্চালক ড° ৰঞ্জন কাকতিদেৱে কেইপদমান খেলৰ সামগ্ৰী বিষয়া সন্থাৰ ব্যৱহাৰৰ বাবে যোগান ধৰিছে। কেৰমব'ড , টেবুল টেনিছ ব'ড , ডবা আদি কেইপদমান সামগ্ৰী বৰ্তমান বিষয়া সন্থাৰ ভৱনত মজুত আছে। বেডমিণ্টন খেলৰ বাবেও কিছু সামগ্ৰী বিষয়া সন্থাই নিজাকৈ ক্ৰয় কৰিছে। অনাগত দিনত খেলা ধূলাৰ বাবে আৰু অধিক সামগ্ৰী ক্ৰয় কৰিব পৰা যাব । যোৱা ২৯ মে, ২০১৬ তাৰিখে বিষয়া সন্থাৰ উদ্যোগত তথা কৰ্ত্তৃপক্ষৰ আৰ্থিক সহযোগিতাত বিষয়া সকলৰ মাজত এক ক্ৰীড়া উৎসৱৰ লগতে কেইখনমান বন্ধুত্বমূলক প্ৰতিযোগিতা অনুষ্ঠিত হয়। আশা কৰো আগন্তুক বৰ্ষবোৰত এই উৎসৱৰ আয়োজন আৰু অধিক জাকজমকতাৰে পালন কৰিব পৰা হ'ব। এইবাৰৰ উৎসৱত বিষয়াসকলৰ যোগদান আছিল বৰ আশাব্যঞ্জক । সময় আৰু অৰ্থাভাৱৰ বাবে এই বছৰ অধিক খেল অনুষ্ঠিত কৰিব পৰা নহল। খেলা-ধূলা প্ৰতিযোগিতাত বিজয়ীসকলক আজিৰ মুকলি অধিবেশনত পুৰস্কৃত কৰাৰ যো জা কৰা হৈছে। এই ছেগতে সঞ্চালক ড° কাকতি দেৱক সন্থাৰ তৰফৰ পৰা কৃতজ্ঞতা যাচিছো।

আমাৰ বিষয়া সন্থাৰ প্ৰাক্তন সম্পাদক বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব উপ পঞ্জীয়ক (প্ৰশাসন) প্ৰয়াত কুমাৰেন্দ্ৰ নাথ দাসদেৱৰ পৰিয়ালে মৃতকৰ পূণ্যস্মৃতিত এখনি বেডমিণ্টন প্ৰতিযোগিতা আয়োজনৰ বাবে দহ হাজাৰ টকাৰ এককালীন দান এটি সন্থাক প্ৰদান কৰিছে। এই টকাৰে চাৰিখন চলন্ত শ্বিল্ড বা কাপ ক্ৰয় কৰি স্বৰ্গীয় দাসদেৱৰ সোঁৱৰণত এক বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ চিন্তা কৰা হৈছিল। আজিৰ সভাই এই ক্ষেত্ৰত চুড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিলে এই বছৰ নৱেম্বৰ-ডিচেম্বৰ মাহত প্ৰতিযোগিতাখন অনুষ্ঠিত কৰিব পৰা হ'ব ।

সুদীৰ্ঘ কাল বিশ্ববিদ্যালয়লৈ সেৱা আগবঢ়াই অৱসৰ পাবলৈ আৰু মাত্ৰ কেইটমান দিন বাকী থকা অৱস্থাত যোৱা এপ্ৰিল মাহত বিষয়া সন্থাৰ এজন সদস্য, সহকাৰী কোষাধ্যক্ষ শ্ৰী প্ৰদীপ ডেকা নিলম্বন হ'বলগীয়া হ'ল। তেখেতৰ দীঘকালীন সেৱা আৰু আসন্ন অৱসৰৰ কথাটো বিশেষভাৱে বিচাৰ বিবেচনা কৰি নিলম্বনৰ সিদ্ধান্ত পুনৰীক্ষণৰ বাবে কৰ্ত্তৃপক্ষক অনুৰোধ জনোৱা হৈছিল।

ব্যৱস্থাপনাত প্ৰত্যক্ষভাৱে জড়িত কিন্তু নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰতমুখ্য ভূমিকা নথকাৰ হেতু বিশ্ববিদ্যালয়ৰ সকলো স্তৰৰ বিষয়া দৈনন্দিন কাম-কাজ পৰিচালনাৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। বিশ্ববিদ্যালয়ৰ পৰিসৰ বৃদ্ধিৰ লগে লগে এনেবোৰ সমস্য বাঢ়ি গৈ থাকে। ব্যৱস্থাপনাত থকা এনেবোৰ সমস্যা আৰু সেইবোৰৰ সমাধানৰ উপায় সম্বন্ধে আলো কপাত কৰাৰ উদ্দেশ্যৰে বিগত ৩০ এপ্ৰিল, ২০১৬ তাৰিখ শনিবাৰে বিষয়া সন্থাৰ উদ্যোগত এটি বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা তথা কাৰ্যবাহী পৰিষদৰ সদস্যা ড° নীৰাজনা মহন্ত বেজবৰাই মূল বক্তৃতা প্ৰদান কৰা অনুষ্ঠানটিত বিশ্ববিদ্যালয়ৰ কেবাজনো জেষ্ঠ শিক্ষক, শিক্ষক আৰু কৰ্মীসন্থাৰ সভাপতি সম্পাদককে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে ।

বিষয়া সন্থাৰ ৫৩ তম্ বাৰ্ষিক অধিবেশন যোৱা ইং ১৮-৫-১৬ তাৰিখে অনুষ্ঠিত হোৱাৰ কথা আছিল কিন্তু

পেঞ্চনাৰ সন্থাৰ সাধাৰণ সভাৰ বাবে এই বাৰ্ষিক অধিবেশন দুদিন পিছুৱাব লগা হ'ল। বিশ্ববিদ্যালয়ৰ বৃহত্তৰ স্বাৰ্থৰ হকে সকলো পক্ষৰে লগত সহযোগিতামূলক মনোভাবেৰে আগুৱাই যোৱাৰ উদ্দেশ্যে বিশ্ববিদ্যালয় শিক্ষক সন্থা, কৰ্মী সন্থা আৰু আমাৰ বিষয়া সন্থাই মিলি পূৰ্বতে এক সমন্বয়ৰক্ষী সমিতি গঠন কৰিছিল। আমি এতিয়াও তেনে যৌথ সমিতি এখনৰ পোষকতা কৰো আৰু বিশ্ববিদ্যালয়ৰ সামূহিক উন্নয়নৰ বাবে সম্মিলিত প্ৰচেষ্টা অধিক ফলপ্ৰসু হব বুলি ভাবো।

বন্ধুসকল, বিশ্ববিদ্যালয় বিষয়া সন্থাই ইতিমধ্যে সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে। আমাৰ সদস্যৰ সংখ্যা বৰ্ত্তমান প্ৰায় শতকৰ ঘৰ চুব পৰা হৈছে। এনে অৱস্থাত বিষয়া সন্থাক অধিক গতিশীল কৰিবলৈ আপোনালোক সবাৰে সক্ৰিয় সহায় সহযোগিতা লাগিব। আমাৰ বহুদিনীয়া অভাৱ এটি ইতিমধ্যে পূৰণ হ'ল। আমাৰ নিজা ভৱন এটি বৰ্তমান আছে। এই ভৱনটি চাফচিকুণকৈ ৰখা বাবে এজন তদাৰক কৰা মানুহৰ প্ৰয়োজনীয়তা বিগত বৰ্ষটোত বৰকৈ অনুভৱ কৰা হৈছিল। এজন অংশকালীন লোক ইয়াৰ বাবে নিয়োগ কৰাৰ এটি প্ৰস্তাৱ কাৰ্যবাহী সমিতিয়ে গ্ৰহণ কৰিছে আপোনালোকৰ অনুমোদন পালে এই সিদ্ধান্ত কাৰ্যকৰী কৰিব পৰা হ'ব।

এনেবোৰ কাম তথা উন্নয়নমূলক আচনিৰ বাবে হবলগা সম্ভাব্য ব্যয়ৰ প্ৰতি লক্ষ্য ৰাখি কাৰ্যকৰী সমিতিয়ে সদস্যৰ বাৰ্ষিক বৰঙণি বৰ্তমানৰ ৫০০.০০ টকাৰ পৰা ৭৫০.০০ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত আজিৰ সাধাৰণ সভাৰ অনুমোদন বাঞ্চনীয়।

আমাৰ দাবী চনদৰ ক্ষেত্ৰত কৰ্ত্তৃপক্ষই লোৱা সিদ্ধান্ত সমূহ কাৰ্যকৰী কৰণৰ বাবে লোৱা ব্যৱস্থা সমূহৰ বিষয়ে বুজ লোৱাৰ উদ্দেশ্যে পঞ্জীয়ক মহোদয়ৰ সৈতে এখন বৈঠক অলপতে অনুষ্ঠিত হয়। প্ৰায়বোৰ ক্ষেত্ৰতে কৰ্ত্তৃপক্ষৰ পৰা সময়োচিত আৰু যোগাত্মক সহাৰি পোৱা গৈছে। আশা কৰো আমাৰ পৰৱৰ্তী কাৰ্যনিৰ্বাহিকে এই ক্ষেত্ৰত যথোচিত ব্যৱস্থা হাতত লব।

বিষয়া সন্থাৰ সাধাৰণ সম্পাদক হিচাপে বিগত কালছোৱাত কাৰ্যনিৰ্বাহ কৰাৰ সুবিধা প্ৰদান কৰা বাবে আপোনালোক সকলোকে কৃতজ্ঞতা যাচিছো। এই গুৰুদায়িত্ব পালন কৰাৰ ক্ষেত্ৰত যদি মোৰ অজ্ঞাতে কিবা ভুল ত্ৰুটি হৈছে তাৰ বাবে ক্ষমা কৰিব । বিগত কালছোৱাত কাৰ্যকৰী সমিতিৰ সদস্য সকলৰ পৰা পোৱা সহায় সহযোগিতা আৰু দিহা পৰামৰ্শৰ বাবে তেখেতসকললৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল । আমাৰ বিশ্ববিদ্যালয়ত বিভিন্ন পৰ্যায়ৰ বিষয়া আছে। বেতনৰ ক্ষেত্ৰতো ইউ জি চি আৰু চি পি চি ৰ অনুমোদন সাপেক্ষে বেতন লাভ কৰা বিষয়া আছে। এনেবোৰ বিভেদতাৰ মাজতো বিষয়া সকলৰ মাজত একতা বিদ্যমান আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিষয়া সন্থাই আমাক সকলোকে একগোট কৰি ৰখাত সহায় কৰিছে। আমি ইজনে আনজনৰ সমস্যা সমূহ উপলব্ধি কৰাত আৰু এনেবোৰ সমস্যা দূৰীকৰণৰ বাবে ঐক্যবদ্ধ প্ৰচেষ্টা চলোৱাত সন্থাই মুখ্য ভূমিকা গ্ৰহণ কৰে। গৌৰৱ উজ্বল অতীত সমৃদ্ধ গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থা অধিক সুদৃঢ় কৰিবলৈ আপোনালোক সকলোৰে পূৰ্ণ সহায়-সহযোগ লাগিব ।

প্ৰতিবেদন আৰু দীঘলীয়া কৰি আপোনালোকক আৰু আমনি নিদিও। শেষত পুনৰায় আপোনালোক সকলোলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাই এই প্ৰতিবেদন সামৰিছো।

জয়তু গুৱাহাটী বিশ্ববিদ্যালয়
জয়তু গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থা ।

শ্ৰদ্ধা সহকাৰে —
**অৰবিন্দ শৰ্মা**
সাধাৰণ সম্পাদক
গু. বি. বি. সন্থা

২০ মে', ২০১৬

# খেল সম্পাদকৰ প্ৰতিবেদন

উত্তৰ-পূৰ্বাঞ্চলৰ সবাতোকৈ পুৰণি ঐতিহ্যমণ্ডিত গুৱাহাটী বিশ্ববিদ্যালয় দেশখনৰে এখন আগশাৰীৰ বিশ্ববিদ্যালয়। গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থায়ো সোণালী জয়ন্তী বৰ্ষ অতিক্ৰমি বৰ্তমান ৫৩ তম্ বৰ্ষত উপনীত হ'ল। কাৰ্যালয়ৰ দায়িত্ব পালন কৰাৰ মাজতে সময় উলিয়াই মানসিক অৱসাদ আতৰোৱাৰ অৰ্থে বিষয়া সকলৰ মাজত কিছু খেলা-ধূলাৰো সংস্কৃতি গঢ় দিয়াৰ মানসেৰে বিগত সময়ছোৱাত বিষয়া সন্থাই এক উদ্যোগ লৈছিল।

পোন প্ৰথমবাৰৰ বাবে ২০১৫-১৬ বৰ্ষত বিষয়াসকলৰ মাজত এক লঘু ক্ৰীড়াৰ প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। ২০১৬-১৭ বৰ্ষত এই প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নহ'ল। কিন্তু সন্থাৰ প্ৰাক্তন সম্পাদক প্ৰয়াত কুমাৰেন্দ্ৰ নাথ দাসদেৱৰ সোঁৱৰণত এখনি বেডমিণ্টন প্ৰতিযোগিতা বিষয়া সন্থাৰ উদ্যোগত অনুষ্ঠিত কৰা হৈছিল। বিশ্ববিদ্যালয়ৰ শিক্ষক, বিষয়া-কৰ্মচাৰী সকলোকে সামৰি দুটা শাখাত অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাত ৫০ জনৰো অধিক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে। বিশ্ববিদ্যালয়ৰ Indoor Stadium ত অনুষ্ঠিত এই প্ৰতিযোগিতাত দৰ্শকৰ সহাৰিও আছিল যথেষ্ঠ আশাপ্ৰদ।

আশা কৰো আগন্তুক দিনবোৰতো আমাৰ সন্থাৰসকলো সদস্যৰ সহায়-সহযোগত খেল প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰিব পৰা হ'ব। আমাৰ সন্থাৰ কাৰ্যালয়ত ইতিমধ্যে কেইপদমান খেলৰ সামগ্ৰী ৰখা হৈছে। সেইবোৰৰ সদ্ব্যৱহাৰ তথা বিশ্ববিদ্যালয়ত থকা খেলৰ আন্তঃগাঠনিৰ সুবিধা গ্ৰহণ কৰি বিষয়াসকলৰ শাৰিৰীক আৰু মানসিক অৱসাদ আতৰাই আমাৰ দায়িত্ব আৰু কৰ্ত্তব্যৰ নিয়াৰিকৈ পালন কৰাত সহায় কৰিব।

খেল সম্পাদক হিচাবে আপোনালোকক সেৱা কৰাৰ সুবিধা প্ৰদান কৰাৰ বাবে এই চেগতে আপোনালোকক কৃতজ্ঞতা প্ৰদান কৰিলোঁ।

জয়তু গুৱাহাটী বিশ্ববিদ্যালয়
জয়তু গুঃ বিঃ বিষয়া সন্থা

**ড° ঋতুপৰ্ণ বৰা**
সম্পাদক
খেল বিভাগ

**GAUHATI UNIVERSITY**
***GOPINATH BARDOLOI NAGAR :: GUWAHATI-14 :: ASSAM :: INDIA***
***Website- www.gauhati.ac.in :: email - registrar@gauhati.ac.in***

***Ref No: GU/ Regr(SF)/2016/180*** ***Date: 16/09/2016***

To : **The Secretary**
**Gauhati University Officers' Association (GUOA)**
**Guwahati-14**

Sub : Ref. your letter No. GUOA/16/2 dated 29.08.2016 regarding Action Taken against certain demands of GUOA.

Sir,

As directed, please find below the action taken report against the item wise demands raised by your esteemed organisation for favour of information nad necessary action.

| Sl. No. | Item | Action taken |
|---|---|---|
| 1 | Amendment of statutes with inclusion of all officers and to define the duties and responsibilities of each and every officer for smooth management of G.U affairs | In this regard a Committee has been constituted to look into the issue (**copy enclosed**) |
| 2 | Creation of promotional avenue of officers as there exists no any scope of promotion of the directly recruited officers of our University. | Matters would be placed in the next EC meeting for a decision. |
| 3 | Granting of motivational upliftment to officers who has completed 20 years of service in the same post. | |
| 4 | Granting of UGC pay scale to all directly recruited officers. | At present it is not possible to consider the issue. |
| 5 | Granting of financial assistance for the remaining construction work of GUOA building. | A fresh proposal in this connection be sent from GUOA. |
| 6 | Upgradation of GU Hospital to provide better and speedy health service | Being done |
| 7 | Construction of residential flats for officers | Would be done in a phased manner. |
| Reg. raising of retirement age of non-teaching employees by 2 years from 60 t0 62 years as granted to Assam Govt. employees (from 58 to 60 years) | | It is not possible to consider the same at present |

16/09/16

**Registrar**
**Gauhati University**

Copy to:
1. President, GUOA, G.U
2. Secretary to the Vice-Chancellor, Gauhati University
3. Secretary to the Registrar, Gauhati University
4. Office file

# গুৱাহাটী বিশ্ববিদ্যালয় বিষয়া সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকসকল

আমি পোৱা তথ্যমতে বিষয়া সন্থাৰ প্ৰথম প্ৰতিষ্ঠাপক সভাপতি আছিল ঁ চিদানন্দ দাস। তাৰ পিছত ঁ ৰত্ন বৰুৱা, ঁ মাধৱ শৰ্মা, ঁ যোগেশ্বৰ শৰ্মা, ড° মহেশ ভূঞা আদি ব্যক্তিসকলে সভাপতিৰ পদত অধিষ্ঠিত হৈছিল। পিছৰফালে

| সভাপতি | সম্পাদক | চন |
|---|---|---|
| ড° পি চি দাস | শ্ৰীদেৱ কুমাৰ শৰ্মা | ১৯৯৩-৯৪ |
| ড° ৰাজেশ্বৰ শৰ্মা | শ্ৰীতৰুণ চন্দ্ৰ শইকীয়া | ১৯৯৫-৯৬ |
| ড° ৰাজেশ্বৰ শৰ্মা | শ্ৰীউগ্ৰেশ্বৰ শৰ্মা | ১৯৯৬-৯৭ |
| ড° প্ৰফুল্ল কুমাৰ ডেকা | ড° কুমাৰেন্দ্ৰ নাথ দাস | ১৯৯৭-৯৮ |
| ড° প্ৰফুল্ল কুমাৰ ডেকা | শ্ৰীভূপেন্দ্ৰ কুমাৰ শৰ্মা | ১৯৯৮-৯৯ |
| ড° বনমালী নাথ | শ্ৰীতৰুণ চন্দ্ৰ শইকীয়া | ১৯৯৯-২০০০ |
| ড° বনমালী নাথ | শ্ৰীঅঞ্জন কুমাৰ দাস | ২০০০-০১ |
| ড° প্ৰবীণ চন্দ্ৰ দাস | শ্ৰীঅৰবিন্দ শৰ্মা | ২০০১-০২ |
| ড° প্ৰবীণ চন্দ্ৰ দাস | শ্ৰীপঙ্কজ তামুলী | ২০০২-০৩ |
| ড° নীলমণি বৰা | শ্ৰীসঞ্জীৱ বৰুৱা | ২০০৪-০৫ |
| শ্ৰীঅঞ্জন কুমাৰ দাস | ড° কুমাৰেন্দ্ৰ দাস | ২০০৫-০৬ |
| শ্ৰীঅঞ্জন কুমাৰ দাস | ড° কুমাৰেন্দ্ৰ দাস | ২০০৬-০৭ |
| শ্ৰীভূপেন গোস্বামী | শ্ৰীসঞ্জীৱ বৰুৱা | ২০০৭-০৮ |
| ড° নীলমণি বৰা | শ্ৰীসঞ্জীৱ বৰুৱা | ২০০৮-০৯ |
| ড° জিতৰাম দত্ত | শ্ৰীপঙ্কজ তামুলী | ২০০৯-১০ |
| শ্ৰীঅঞ্জন কুমাৰ দাস | শ্ৰীসঞ্জীৱ বৰুৱা | ২০১০-১১ |
| শ্ৰীঅঞ্জন কুমাৰ দাস | ড° সঞ্জয় কুমাৰ দত্ত | ২০১২-১৩ |
| ডাঃ এন. এন. তালুকদাৰ | শ্ৰীদিলীপ কুমাৰ শৰ্মা | ২০১৩-১৪ |
| শ্ৰীপঙ্কজ তামুলী | শ্ৰীবিৰাজ ডেকা | ২০১৪-১৫ |
| শ্ৰীতৰুণ চন্দ্ৰ শইকীয়া | শ্ৰীঅৰবিন্দ শৰ্মা | ২০১৫-১৬ |
| শ্ৰীঅৰবিন্দ শৰ্মা | ড° ৰণজিৎ সিং | ২০১৬-১৭ |

# ‘সতীৰ্থ’ৰ প্ৰথম সংখ্যাৰ পৰা সম্পাদক / সম্পাদিকাসকল

| | | | |
|---|---|---|---|
| প্ৰথম সংখ্যা | — | ইং ১৯৯৪ চন | শ্ৰীমুকুট ভট্টাচাৰ্য্য |
| দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ সংখ্যা (যুগ্ম সংখ্যা) | — | ইং ১৯৯৬-৯৭-৯৮ চন | শ্ৰীমুকুট ভট্টাচাৰ্য্য |
| পঞ্চম সংখ্যা | — | ইং ১৯৯৯-২০০১ | শ্ৰীভূপেন গোস্বামী |
| ষষ্ঠ সংখ্যা | — | ইং ২০০১-২০০২ | শ্ৰীবীৰেন্দ্ৰ কুমাৰ লহকৰ |
| সপ্তম সংখ্যা | — | ইং ২০০২-২০০৩ | শ্ৰীঅৰবিন্দ শৰ্মা |
| অষ্টম সংখ্যা | — | ইং ২০০৩-২০০৪ | ড° বীণা মেধি লহকৰ |
| নৱম সংখ্যা | — | ইং ২০০৪-২০০৫ | ড° বীণা মেধি লহকৰ |
| দশম সংখ্যা | — | ইং ২০০৫-২০০৬ | ড° ৰণজিৎ সিং |
| একাদশ সংখ্যা | — | ইং ২০০৬-২০৭ | শ্ৰীভূপেন গোস্বামী |
| দ্বাদশ সংখ্যা | — | ইং ২০০৭-২০০৮ | ড° ৰণজিৎ সিং |
| ত্ৰয়োদশ সংখ্যা | — | ইং ২০০৮-২০০৯ | শ্ৰীবিপিন চন্দ্ৰ গোস্বামী |
| চতুৰ্দশ সংখ্যা | — | ইং ২০০৯-২০১০ | শ্ৰীনৰ কুমাৰ চৌধুৰী |
| পঞ্চদশ সংখ্যা | — | ইং ২০১০-১১/২০১১-১২ | ড° ৰণজিৎ সিং |
| ষোড়শ সংখ্যা | — | ইং ২০১২-১৩/২০১৪-২০১৫ | শ্ৰীমতী ৰীতা শৰ্মা |
| সপ্তদশ সংখ্যা | — | ইং ২০১৫-২০১৬ | শ্ৰীশৰৎ চন্দ্ৰ ভূঞা |
| অষ্টাদশ সংখ্যা | — | ইং ২০১৬-২০১৭ | শ্ৰীঅলক কুমাৰ পাঠক |

# অসমৰ জাতীয় সংগীত

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণী দেশ
এনেখন সুৰলা, এনেখন সুফলা
এনেখন মৰমৰ দেশ।

অ' মোৰ সুৰীয়া মাত
অ' মোৰ সুৰদি মাত
পৃথিৱীৰ ক'তো বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।

অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ এবাৰ মুখনি তোমাৰ
হেঁপাহ মোৰ পলোৱা নাই।



**State Anthem of Assam**

*O mur aapunar dekh*
*O mur sikuni dekh*
*Aenekhon xuwola, aenekhon xuphola*
*Aenekhon moromor dekh*

*O mur xuriya maat*
*Axomor xuwodi maat*
*Prithibir kotu, bisari jonomtu nupua*
*korileo paat*

*O mur upoja thai*
*O mur axomi aai*
*Saai lou ebar, mukhoni tumar*
*Hepah mur poluwa nai.*